ND24 newsdaily24.in
সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত

জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
https://dainikasam.in

‘দৈনিক অসম’ সংগ্ৰহ কৰাৰ ক্ষেত্ৰত সন্মুখীন হোৱা যিকোনো সমস্যাৰ বাবে অনুগ্ৰহ কৰি এই ফোন নম্বৰত যোগাযোগ কৰক— ৭০০২৩ ১৭০৪০

RN-11989/65 । ৬১ বছৰ । ১৩০ সংখ্যা, ২৮ আঘোণ, সোমবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 130। GUWAHATI, MONDAY, DECEMBER 15, 2025 । পৃষ্ঠা ১৬ (Pages 16) ৯.০০ টকা (Rs. 9.00)

## বাৰ্দ্ধক্যজনিত কাৰণত ৯৩ বছৰ বয়সত সামৰিলে জীৱন-নাট, ৰাজ্যজুৰি শোকৰ ছাঁ

# পদ্মশ্ৰী প্ৰফুল্ল গোবিন্দ বৰুৱাৰ মহাপ্ৰয়াণ

### মৃত্যুৰ সময়লৈকে ‘দি আছাম ট্ৰিবিউন’ কাকতৰ সম্পাদকৰ গুৰুদায়িত্বত আছিল, দীৰ্ঘকাল ধৰি ‘দৈনিক অসম’কো দিছিল নেতৃত্ব ■ পালন কৰিছিল জাতীয় দায়বদ্ধতা



২০১৮ চনত ৰাষ্ট্ৰপতিৰ পৰা পদ্মশ্ৰী সন্মান লোৱাৰ সময়ত।

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** অসমৰ সংবাদ জগতৰ মহীৰূহ, দি আছাম ট্ৰিবিউনৰ সম্পাদক, আছাম ট্ৰিবিউন প্ৰতিষ্ঠানৰ চেয়াৰমেন ইমেৰিটাছ প্ৰফুল্ল গোবিন্দ বৰুৱা আৰু নাই। সাংবাদিকতাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে পদ্মশ্ৰী সন্মান লাভ কৰা বৰুৱাৰ আজি নিশা ৯.৩০ বজাত গুৱাহাটীৰ এখন বেচৰকাৰী হাস্পতালত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। ১৯৩২ চনৰ *৬ পৃষ্ঠাত চাওক*



### সামাজিকভাৱে দায়িত্বশীল ব্যক্তিক হেৰুৱালোঁ

**ডঃ ধ্ৰুৱজ্যোতি বৰা**

প্ৰফুল্ল গোবিন্দ বৰুৱা এগৰাকী প্ৰবীণ, প্ৰাজ্ঞ আৰু সামাজিকভাৱে দায়বদ্ধ সাংবাদিক। তেওঁ কেৱল অসমৰ এগৰাকী জ্যেষ্ঠ সম্পাদক, সুদক্ষ সাংবাদিক, সংবেদনশীল লেখক আৰু আছাম ট্ৰিবিউনৰ অতি দক্ষ, মৰমিয়াল পৰিচালন সঞ্চালকেই নহয়, বৰঞ্চ তেওঁ মোৰ বাবে এগৰাকী পিতৃৱৎ *২ পৃষ্ঠাত চাওক*

### এগৰাকী প্ৰচাৰবিমুখ মেধাৱী...

**ডঃ হীৰেন গোহাঁই**

অসমৰ সংবাদ জগতৰ বাবে প্ৰফুল্ল গোবিন্দ বৰুৱাৰ মৃত্যু এটা দুঃসংবাদ। পিতৃ ৰাধা গোবিন্দ বৰুৱাৰ সোঁহাত হৈ যৌৱন কালৰপৰা আছাম ট্ৰিবিউন গোষ্ঠীৰ ব্যৱসায়িক সাফল্যৰ বাবে তেওঁ যিদৰে আশাশুধীয়া শ্ৰম আৰু বিচক্ষণতাৰে কাম কৰিছিল, সেয়া অতুলনীয়। এই প্ৰচেষ্টাৰে তেওঁ সংবাদ গোষ্ঠীটোক কিদৰে শীৰ্ষ পৰ্যায়লৈ লৈ গৈছিল, তাৰ বিৱৰণ সদ্যপ্ৰকাশিত আত্মজীৱনীত পোৱা যায়। মেধাৱী অথচ *৬ পৃষ্ঠাত চাওক*

### অত্যন্ত মৰ্মাহত হৈছোঁ

**ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য**

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সংবাদ জগতৰ বাটকটীয়া, দি আছাম ট্ৰিবিউনৰ পৰিচালন সঞ্চালক, সংবাদ জগতৰ মহীৰূহ প্ৰফুল্ল গোবিন্দ বৰুৱাৰ মৃত্যুৰ বাতৰিত অত্যন্ত মৰ্মাহত হৈছোঁ। ঐতিহাসিক অসম *৬ পৃষ্ঠাত চাওক*

### যুগাগ্ৰগামী ভূমিকা চিৰস্মৰণীয় হৈ ৰ’ব

**লুৰীণজ্যোতি গগৈ**

বৰেণ্য অসমীয়া, অসমৰ সংবাদ জগতৰ মহীৰূহ প্ৰফুল্ল গোবিন্দ বৰুৱাৰ বিয়োগৰ বাতৰিয়ে আমাক ব্যথিত কৰিছে। ট্ৰিবিউন গোষ্ঠীৰ *৬ পৃষ্ঠাত চাওক*

## গভীৰ দুখ প্ৰকাশ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালৰ

### ‘সাহিত্য-শিক্ষা আৰু ৰাজহুৱা জীৱনৰ প্ৰতি তেওঁৰ অসামান্য অৱদান স্মৰণীয় হৈ থাকিব’

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** আছাম ট্ৰিবিউন গোষ্ঠীৰ স্বত্বাধিকাৰী প্ৰফুল্ল গোবিন্দ বৰুৱাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। এক শোক বাৰ্তাত তেওঁ কয়, ‘অসমৰ সাংবাদিকতাৰ ক্ষেত্ৰখনৰ এক অবিস্মৰণীয় ব্যক্তিত্ব আছিল প্ৰফুল্ল গোবিন্দ বৰুৱা। নীতিনিষ্ঠ সাংবাদিকতাৰ প্ৰতি তেওঁৰ আজীৱন আত্মোৎসৰ্গা আৰু সাহিত্য-শিক্ষা আৰু ৰাজহুৱা জীৱনৰ প্ৰতি তেওঁৰ অসামান্য অৱদান *৬ পৃষ্ঠাত চাওক*



### সংবাদ জগত, জাতীয় জীৱনলৈ অতুলনীয় অৱদান আগবঢ়াই গ’ল



■ **কিশোৰ বৰা**

অসমৰ সংবাদ জগতৰ মহা মহীৰূহ প্ৰফুল্ল গোবিন্দ বৰুৱাৰ বিয়োগ সমগ্ৰ জাতিৰ বাবে এটা দুখৰ খবৰ। তেওঁৰ বিয়োগত আমি মৰ্মাহত হৈছোঁ। ‘আছাম ট্ৰিবিউন’ আৰু ‘দৈনিক অসম’ গোষ্ঠীয়ে আজি এগৰাকী অভিভাৱকক হেৰুৱালোঁ। তেওঁৰ সান্নিধ্য আৰু পৰামৰ্শ আমাৰ জীৱনৰ বাবে এক পৰম উপলব্ধি আৰু আশীৰ্বাদস্বৰূপ। এই কথা নতুনকৈ কোৱাৰ প্ৰয়োজন নাই যে নিভাজ দেশপ্ৰেম আৰু *৬ পৃষ্ঠাত চাওক*

### সাংবাদিকতাৰ এটা যুগৰ অৱসান

■ **শংকৰ লস্কৰ**

অসমৰ সংবাদ জগতত যুগ যুগ ধৰি বিশ্বাস, নিৰপেক্ষতা আৰু বৌদ্ধিক দৃঢ়তাৰ প্ৰতীক হিচাপে জিলিকি থকা স্বনামধন্যসকলৰ অন্যতম পদ্মশ্ৰী সন্মান প্ৰাপক প্ৰফুল্ল গোবিন্দ বৰুৱা। মৃত্যুৰ সময়লৈকে তেওঁ ‘দি আছাম ট্ৰিবিউন’ কাকতৰ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰিছিল। এগৰাকী সম্পাদক হিচাপে নহয়, অসমীয়া ভাষা, সাহিত্য-সংস্কৃতি, শিক্ষাৰ ক্ষেত্ৰত *২ পৃষ্ঠাত চাওক*

## জুবিনৰ পডকাষ্টৰ জৰিয়তে পোৱা ধন দিয়া হ’ব উদীয়মান শিল্পীক

### ২,৯০৯ ডলাৰ লাভ কৰাৰ কথা ঘোষণা ডঃ ৰীতা চৌধুৰীৰ





**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** ‘অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ যে আমাৰ মাজত নাই বিশ্বাসেই নহয়। পূৰ্বতে কোনোদিনে লগ পোৱা নাছিলোঁ যদিও মৃত্যুৰ পূৰ্বে মোৰ প’ডকাষ্টত বহু সময় দিছিল। যিটো কথা আজিও ভাবিলে বুকুখন কঁপি উঠে। জুবিনবিহীন এই সময়ত যি শূন্যতা তেওঁৰ অনুৰাগীসকলৰ সন্মুখত দেখা দিছে, তেওঁলোকৰ বাবে আমি আমাৰ মঞ্চৰ পৰা শিল্পীগৰাকীৰ সন্তাটোক জীয়াই ৰখাৰ *৬ পৃষ্ঠাত চাওক*

### পুনৰ আহিল ১৭টা মৃতদেহ

### গেলাপুখুৰীত অৱৰ্ণনীয় পৰিস্থিতি

**দৈনিক অসমৰ প্ৰতিনিধি**

**তিনিচুকীয়া, ১৪ ডিচেম্বৰ ঃ** অৰুণাচল প্ৰদেশৰ ভাৰত-চীন সীমান্তত ৮ ডিচেম্বৰত সংঘটিত দুৰ্ঘটনা সন্দৰ্ভত ইতিমধ্যে তিনিচুকীয়া সদৰ থানাত এটা গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰিছে দুজন লোকক। *৬ পৃষ্ঠাত চাওক*

### বিহাৰ চৰকাৰত আছে লোকনিৰ্মাণ বিভাগৰ দায়িত্বত

## বিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি হিচাপে বিহাৰৰ মন্ত্ৰী নীতিন নবীনক নিযুক্তি



**নতুন দিল্লী, ১৪ ডিচেম্বৰ ঃ** বিজেপিৰ পৰৱৰ্তী ৰাষ্ট্ৰীয় সভাপতি কোন হ’ব তাক লৈ জল্পনা-কল্পনা চলি থকাৰ সময়তে জ্যেষ্ঠ নেতা নীতিন নবীনক ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতিৰূপে বাছনি কৰিছে দলটোৱে। বিজেপিৰ সংসদীয় ব’ৰ্ডৰ এই সিদ্ধান্ত আজি সদৰি কৰিছে দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক অৰুণ সিঙে। ইয়াৰ পাছত শীঘ্ৰে বিজেপিয়ে ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ উত্তৰসূৰীৰ নাম ঘোষণা কৰিব বুলি ধাৰণা কৰা হৈছে। ২০২০ চনৰ জানুৱাৰীত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিৰ *৬ পৃষ্ঠাত চাওক*

### ‘সংবিধানে জনজাতিৰ মৰ্যাদা মাত্ৰ ১০ বছৰৰ বাবেহে দিয়ে’

## বড়ো-ৰাভাৰ জনজাতিকৰণ পুনৰীক্ষণ মহাপঞ্জীয়কক সাক্ষাৎ কৰিব আক্ৰাছুৱে

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** দেশ স্বাধীন হোৱাৰ পাছৰেপৰা ৰাজ্যত জনজাতিৰ মৰ্যাদা লাভ কৰি থকা জনগোষ্ঠীসমূহৰ জনজাতিকৰণৰ বিষয়টো পুনৰীক্ষণৰ দাবীৰে দেশৰ মহাপঞ্জীয়কক সাক্ষাৎ কৰিব সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাই। সেই অনুসৰি নেচনেল কমিছন ফৰ ছিডিউল ট্ৰাইবছ, চমুকৈ এন চি এছ টিৰ অধ্যক্ষ *৬ পৃষ্ঠাত চাওক*

### কাঁহুদী



—ইমানবোৰ আঁচনি দিয়াৰ পাছতো সমষ্টিত আকৌ মোৰ কি কাম? মানুহবোৰে একো বুজিয়ে নাপায়!

### বদৰপুৰত বেনাৰ্জী উপাধিৰ মহিলা, শিলচৰত জনৈক গোস্বামী হ’ল ভাৰতীয়

## ‘কা’ৰ জৰিয়তে বৰাকত পুনৰ দুই বাংলাদেশীক নাগৰিকত্ব প্ৰদান

**দৈনিক অসমৰ প্ৰতিনিধি**

**শিলচৰ, ১৪ ডিচেম্বৰ ঃ** নাগৰিকত্ব সংশোধনী আইন-২০১৯ৰ অধীনত অসমত পুনৰ দুই বাংলাদেশী হিন্দু নাগৰিকে লাভ কৰিছে ভাৰতীয় নাগৰিকত্ব। বৰাকৰ শ্ৰীভূমি জিলাৰ বদৰপুৰৰ বেনাৰ্জী উপাধিৰ এগৰাকী মহিলা আৰু কাছাৰৰ *৬ পৃষ্ঠাত চাওক*

### প্ৰথম মহিলা সভাপতি- প্ৰথম অসমীয়া

### সংগীতা বৰুৱা পিছাৰটি পি চি আইৰ সভাপতি



**নতুন দিল্লী, ১৪ ডিচেম্বৰ ঃ** প্ৰেছ ক্লাব অব ইণ্ডিয়াৰ ইতিহাসত প্ৰথমবাৰৰ বাবে সভাপতি পদত অধিষ্ঠিত হৈছে এগৰাকী অসমীয়া। কালি অনুষ্ঠিত প্ৰেছ ক্লাব অব ইণ্ডিয়াৰ পৰিচালনা সমিতিৰ নিৰ্বাচনত সভাপতি পদত *৬ পৃষ্ঠাত চাওক*

## ২১ ডিচেম্বৰত প্ৰধানমন্ত্ৰীয়ে শুভাৰম্ভ কৰিব নামৰূপৰ চতুৰ্থ সাৰ প্ৰকল্পৰ নিৰ্মাণকাৰ্য

### প্ৰকল্পস্থলী পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ ল’লে সোণোৱালে



**নামৰূপ, ১৪ ডিচেম্বৰ ঃ** অসমৰ ঔদ্যোগিক খণ্ডত সূচনা হ’ব আন এক নতুন দিগন্তৰ। অসমবাসীৰ বহুদিনীয়া আশা-আকাংক্ষাক বাস্তৱ ৰূপ দি অহা ২১ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে নামৰূপত ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্প’ৰেচন লিমিটেড (বি ভি এফ চি এল)ৰ বৰ্তমানৰ চৌহদত ১০,০০০ কোটি টকাৰো অধিক বিনিয়োগেৰে *৬ পৃষ্ঠাত চাওক*

# শুৱালকুছি-বংশৰত বিলাতী সুৰাৰ মুকলি বেহা ঃ নীৰৱ দৰ্শক আবকাৰী বিভাগ



**দৈনিক অসমৰ প্ৰতিনিধি**

**শুৱালকুছি, ১৪ ডিচেম্বৰ ঃ** বস্ত্ৰ নগৰী শুৱালকুছিত শনিবাৰে নিশা জব্দ হয় বৃহৎ পৰিমাণৰ অবৈধভাৱে সৰবৰাহ কৰা বিলাতী সুৰা। স্থানীয় বাইজ আৰু বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত আবকাৰীয়ে বিলাতী সুৰাখিনি জব্দ কৰে। শুৱালকুছি প্ৰৱেশ পথৰ সমীপত এ এচ-১৩ এ চি-৩৯২০ নম্বৰৰ সুৱাৰ্ডি ডি আই ভেনখন ৰখাৰ পাছতে স্থানীয় বাইজে শুৱালকুছি আবকাৰীক খবৰ দিয়ে। সেই খবৰৰ ভিত্তিত আবকাৰী উপস্থিত হয়। সুৰাৰ কাৰ্টনসহ ডি আই ভেনখন থানালৈ লৈ যায়। আবকাৰীয়ে গাড়ীখনৰ পৰা বিভিন্ন ব্ৰেণ্ডৰ ৬৭ কাৰ্টন সুৰা জব্দ কৰে। সুৰাখিনিৰ বজাৰ মূল্য প্ৰায় ৩ লাখ টকা হ'ব বুলি আবকাৰীয়ে জানিবলৈ দিয়ে। উল্লেখ্য, শুৱালকুছিৰ প্ৰৱেশ দ্বাৰৰ সমীপৰ লগতে বংশৰ, বৰবন্দিয়া, গন্ধমৌ আদি অঞ্চলত দীৰ্ঘদিনৰ পৰাই এটা দুষ্ট চক্ৰই অবৈধভাৱে বিলাতী সুৰাৰ ৰমৰমীয়া বেহা চলাই আহিছে। পুৱাৰ পৰা গভীৰ নিশালৈ একাংশ সুৰাৰ বেপাৰীয়ে চলাই আছে অবৈধ বিলাতী সুৰাৰ ৰমৰমীয়া বেহা।

## বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্পৰ বুজ ল'লে মুখ্য সচিব ৰবি কোটাই

**দৈনিক অসমৰ প্ৰতিনিধি**

**বেবেজীয়া,১৪ ডিচেম্বৰ ঃ** নিৰ্মীয়মাণ বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্পত চলিত মাহৰ ফালে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শুভ উদ্বোধন কৰিব। তদুপলক্ষে আজি ৰাজ্যৰ মুখ্যমন্ত্ৰী, সচিব ডঃ ৰবি কোটা, অসম আৰক্ষীৰ আই জি পি, অখিলেশ কুমাৰ সিং, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে নিৰ্মীয়মাণ প্ৰকল্পস্থলী পৰিদৰ্শন কৰি কামৰ অগ্ৰগতি তথা সামগ্ৰিক পৰিস্থিতিৰ বুজ লয়। এই পৰিদৰ্শন কাৰ্যসূচীত মুখ্যসচিবক সংগ দিয়ে নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, জিলা আয়ুক্ত, দেৱাশিস শৰ্মা,জ্যেষ্ঠ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকা, জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন আৰু বিশিষ্ট ব্যক্তিসকলে। উল্লেখযোগ্য যে, ২৯ ডিচেম্বৰত প্ৰকল্পটো আনুষ্ঠানিকভাৱে মুকলি কৰিবলগীয়া অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা ৫০ হাজাৰৰো অধিক ভকত-বৈষ্ণৱৰ সমাগম হ'ব। লগতে, একেলগে ২০০০ গায়ন-বায়ন আৰু সহস্ৰাধিক শিল্পীয়ে সত্ৰীয়া সংস্কৃতি পৰিৱেশন কৰিব।

**SITUATION VACANT**

Headmistress Needed Suderashan Public School (SEBA), Guwahati. PGT B.Ed, 20+ yrs experience (5+ yrs admin), fluent English. Email : Schoolsuderashan@gmail.com

DA/SV/364/1

## আজিৰ ৰাশিফল

**২৮ আঘোণ, সোমবাৰ, ১৫ ডিচেম্বৰ**

**মেষ ঃ** শত্ৰু ভয়। প্ৰাথমিক বিদ্যাৰ লগতে উচ্চশিক্ষাত নানান খেলিমেলিৰ সৃষ্টি হ'ব। ভাগ্যৰ উত্থান-পতন ঘটিব। কৰ্মস্থানত নানান অসুবিধাৰ সৃষ্টি হ'ব। সন্মানহানি, মিছা অপবাদ অৰ্থব্যয়ৰদ্বাৰা মানসিক অশান্তিৰ সৃষ্টি হ'ব। কৰ্মক্ষেত্ৰত শত্ৰুবৃদ্ধি পাব। ওপৰৱালাৰপৰা কটুকথা শুনিব পাৰে, কৰ্মস্পৃহা কমিব লগতে কৰ্মপ্ৰাৰ্থীৰ কৰ্ম লাভত বাধা, যোগাযোগ বিচ্ছিন্ন, অৰ্থ ব্যয় হ'ব পাৰে।

**বৃষ ঃ** শুভ সংবাদপ্ৰাপ্তি। গৃহভূমি লাভ, নিৰ্মাণ আদি কাৰ্যত সফল হ'ব পাৰিব। মানসিক উন্নতি, আত্মীয়-স্বজন প্ৰীতি লাভ হ'ব। ন-পুৰণি ৰোগ উপশম হোৱাৰ লগতে গৃহভূমি লাভ, নিৰ্মাণ আদি কাৰ্যত সফল হ'ব পাৰিব। মানসিক উন্নতি আত্মীয়-স্বজন প্ৰীতি লাভ হ'ব।

**মিথুন ঃ** ৰাজনীতিজ্ঞ শুভ। উচ্চশিক্ষাৰ্থীসকলৰ বিদ্যালাভৰ সুফল পাব। বিশেষকৈ শিক্ষা, ৰাজনীতি ইঞ্জিনীয়াৰিং আদি বিষয়ত সুনাম কঢ়িয়াব পাৰিব। অৱশ্যে আহিন মাহৰপৰা গুৰু দশমত নীচস্থ হৈ আঘোণ মাহলৈ চতুৰ্থত দৃষ্টি থকাত প্ৰাথমিক বিদ্যাৰ লগতে উচ্চ শিক্ষাত নানান খেলিমেলিৰ সৃষ্টি হ'ব। ভাগ্যৰ উত্থান-পতন ঘটিব।

**কৰ্কট ঃ** ধৈৰ্য্য, ক্ষমতা লাভ। জাতক-জাতিকাৰ পুৰণি ৰোগ উপশম হোৱাৰ লগতে গৃহভূমি লাভ, নিৰ্মাণ আদি কাৰ্যত সফল হ'ব পাৰিব। মানসিক উন্নতি, আত্মীয়-স্বজনপ্ৰীতি লাভ হ'ব। ন-পুৰণি ৰোগ উপশম হোৱাৰ লগতে গৃহভূমি লাভ নিৰ্মাণ আদি কাৰ্যত সফল হ'ব পাৰিব। মানসিক উন্নতি, আত্মীয়- স্বজন প্ৰীতি লাভ হ'ব।

**সিংহ ঃ** অৰ্থ চিন্তা। কৰ্মস্থানত নানান অসুবিধাৰ সৃষ্টি হ'ব। সন্মানহানি মিছা অপবাদ, অৰ্থব্যয়ৰদ্বাৰা মানসিক অশান্তিৰ সৃষ্টি হ'ব। কৰ্মক্ষেত্ৰত শত্ৰুবৃদ্ধি পাব, ওপৰাৱালাৰ পৰা কটুকথা শুনিব পাৰে। কৰ্মস্পৃহা কমিব লগতে কৰ্মপ্ৰাৰ্থীৰ কৰ্ম লাভত বাধা, যোগাযোগ বিচ্ছিন্ন অৰ্থ ব্যয় হ'ব পাৰে।

**কন্যা ঃ** সামাজিক সন্মান। গৃহভূমি লাভ, নিৰ্মাণ আদি কাৰ্যত সফল হ'ব পাৰিব। মানসিক উন্নতি, আত্মীয়-স্বজন প্ৰীতি লাভ হ'ব। ন-পুৰণি ৰোগ উপশম হোৱাৰ লগতে গৃহভূমি লাভ, নিৰ্মাণ আদি কাৰ্যত সফল হ'ব পাৰিব। মানসিক উন্নতি আত্মীয়-স্বজনপ্ৰীতি লাভ হ'ব।

**তুলা ঃ** বন্ধু লাভ। উচ্চ শিক্ষাৰ্থীৰ উন্নত মানৰ শিক্ষা লাভ, প্ৰতিযোগিতামূলক পৰীক্ষা আদিৰ দ্বাৰা সন্মান লাভ আৰু সুনাম কঢ়িয়াব পাৰিব। ন-পুৰণি ৰোগ উপশম হোৱাৰ লগতে গৃহভূমি লাভ, নিৰ্মাণ আদি কাৰ্যত সফল হ'ব পাৰিব। মানসিক উন্নতি আত্মীয়-স্বজন প্ৰীতি লাভ হ'ব।

**বৃশ্চিক ঃ** অৰ্থ লাভৰ বাধাপ্ৰাপ্তি। শাৰীৰিক অস্ত্ৰ, অগ্নি যান-বাহন ভয়, ৰক্ত দূষিত কষ্ট, অস্ত্ৰোপচাৰ, অস্ত্ৰাঘাত, পিত্তৰোগ, শৌচ দাঁতৰ অসুখ আদিৰদ্বাৰা আমনি কৰিব। বন্ধুবৰ্গৰ স'তে বিভেদ, প্ৰেম-প্ৰণয়ত বিচ্ছেদ, মিছা অপবাদ, অৰ্থব্যয় আৰু অংশদাৰী ব্যৱসায়ত লোকচান ভৱাৰ শংকা অধিক দেখা যায়।

**ধনু ঃ** দুৰ্ঘটনাৰ ভয়। বিবাহত বাধাৰ যোগ আৰু প্ৰেম-প্ৰণয়ত সন্মানহানি। বন্ধু বিচ্ছেদ আদিৰ যোগ। মংগলৰ প্ৰভাৱে আঘোণ মাঘ মাহত বিবাহ সম্বন্ধীয় কাৰ্যকলাপৰ জৰিয়তে সন্মানহানিৰ ভয়। পাৰিবাৰিক অশান্তি দাম্পত্য কলহৰ সৃষ্টিক শংকা থাকিব।

**মকৰ ঃ** সন্মান হানি। কৰ্মস্থানত নানান অসুবিধাৰ সৃষ্টি হ'ব। সন্মানহানি মিছা অপবাদৰ অৰ্থব্যয়ৰদ্বাৰা মানসিক অশান্তিৰ সৃষ্টি হ'ব। কৰ্মক্ষেত্ৰত শত্ৰুবৃদ্ধি পাব, ওপৰৱালাৰপৰা কটুকথা শুনিব পাৰে, কৰ্মস্পৃহা কমিব লগতে কৰ্মপ্ৰাৰ্থীৰ কৰ্ম লাভত বাধা, যোগাযোগ বিচ্ছিন্ন অৰ্থ ব্যয় হ'ব পাৰে।

**কুম্ভ ঃ** অগ্নিভয়, অগ্নি যান-বাহন ভয়, ৰক্তদূষিত কষ্ট, অস্ত্ৰোপচাৰ, অস্ত্ৰাঘাত, পিত্তৰোগ, শৌচ দাঁতৰ অসুখ আদিৰদ্বাৰা আমনি কৰিব। বন্ধুবৰ্গৰ সৈতে বিভেদ, প্ৰেম-প্ৰণয়ত বিচ্ছেদ মিছা অপবাদ, অৰ্থব্যয় আৰু অংশীদাৰী ব্যৱসায়ত লোকচান ভৱাৰ শংকা অধিক দেখা যায়।

**মীন ঃ** মনৰ কামনা পূৰ্ণ। মানসিক উন্নতি আত্মীয়-স্বজন প্ৰীতি লাভ হ'ব। ন-পুৰণি ৰোগ উপশম হোৱাৰ লগতে গৃহভূমিৰ লাভ, নিৰ্মাণ আদি কাৰ্যত সফল হ'ব পাৰিব। মানসিক উন্নতি, আত্মীয়-স্বজন প্ৰীতি লাভ হ'ব। বছৰৰ আৰম্ভণিৰেপৰা দ্বিতীয়ত ৰাহু অৱস্থিত হৈ শেষকৈ অৰ্থব্যয় আৰু অৰ্থৰ সংকট সূচায়।

**সূৰ্যোদয়** ঘ ৬।৪ **সূৰ্যাস্ত** ঘ ৪।২৬ **তিথি-** কৃ একাদশী ৰাঘ ৯।২০, **নক্ষত্ৰ-** চিত্ৰা দিঘ ১১।৮, **যোগ-** শোভন দিঘ ১২।৩০, **কৰণ**—ব'ব **জন্মত-** তুলাৰাশি , বৈশ্যবৰ্ণ, মতান্তৰে শূদ্ৰবৰ্ণ বৰুণযোগ দেৱাদিদেৱ বাঘৰঅস্থি অষ্টোত্তৰী বুধ আৰু বিংশোত্তৰী মংগলৰ দশা দিঘ ১১।৮যোৱাত দেৱগণ মহিষঅস্থি বিংশোত্তৰী ৰাহুৰ দশা। আদ্যঋতু হ'লে -১৫দিনীয়া বেশ্যাযোগ। মৰণত দোষ-নাই ৰাঘ ৯।২০যোৱাত একপাদ। যাত্ৰা-নাই। শুভকৰ্ম- বিবাহ। জাতকৰ্ম নামাকৰণ দীক্ষা দেৱতা গঠন কিনাবেচা বেহাবেপাৰ গ্ৰহপূজা শান্তিস্বস্ত্যয়ন ঋণদান গ্ৰহণ দেকান নাট্যাৰম্ভ ঔষধকৰণ সেৱন। যোগিনীঃ অগ্নিকোণত ৰাঘ ৯।২০যোৱাত নৈঋতকোণত। ভক্ষ্যাভক্ষ্য উৰহী ৰাঘ ৯ ।২০ যোৱাত পূৰৈ শাক। কালবেলা-ঘ৭।২০পৰা ৮।৪০লৈ। বাৰবেলা-ঘ১।৫৭পৰা ২।১৬লৈ। কালৰাতি-ঘ৮।৩৮পৰা ১১।১৮লৈ। অমৃতযোগ-দিঘ৭।২৬লৈ ৯।০ৰ পৰা১০।৫৮লৈ ৰাঘ ৭।২৮ৰপৰা ১১।২লৈ ২।৩৬পৰা ৩।২৬লৈ। একাদশীৰ একো সপি।

## ডিমৌৰ আঠাবাৰী উচ্চতৰ মাধ্যমিকৰ হীৰক জয়ন্তীৰ সামৰণি

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিমৌ, ১৪ ডিচেম্বৰ ঃ** দুদিনীয়াকৈ অনুষ্ঠিত হোৱা ডিমৌৰ আঠাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তী সমাৰোহৰ আজি সামৰণি পৰে। হীৰক জয়ন্তী উপলক্ষে কালিৰেপৰা উলহ-মালহ পৰিৱেশৰ সূচনা হোৱা আঠাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় চৌহদৰপৰা আজি পুৱা উলিওৱা হয় এক সাংস্কৃতিক শোভাযাত্ৰা। বিদ্যালয়ৰ সন্মুখেৰে পাৰ হৈ যোৱা ঐতিহাসিক হাৰিপৰা আলি পৰিভ্ৰমণ কৰা সাংস্কৃতিক শোভাযাত্ৰাত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী, প্ৰাক্তন শিক্ষাৰ্থীসকল আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। সাংস্কৃতিক শোভাযাত্ৰাৰ পাছত অসম আন্দোলনৰ শ্বহীদ ছাত্ৰ আকাশ বৰুৱা সোঁৱৰণী হীৰক জয়ন্তী উদ্‌যাপন মঞ্চত বৃহত্তৰ আঠাবাৰী অঞ্চলৰ শৈক্ষিক, সামাজিক আৰু সাংস্কৃতিক উত্তৰণত বিশেষ ভূমিকা গ্ৰহণ কৰা ব্যক্তি আৰু পৰিয়ালবৰ্গক উদ্‌যাপন সমিতিৰ তৰফৰপৰা সম্বৰ্দ্ধনা জনোৱা হয়। বিয়লি উদ্‌যাপন সমিতিৰ সভাপতি সত্যকাম পাণ্ডৱৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত আদৰণী ভাষণ দিয়ে সম্পাদক মুকুন্দ ফুকনে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক ডঃ প্ৰাঞ্জল বুঢ়াগোহাঁই, মৰাণ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক আত্মাৰাম কুমাৰ, হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপিকা ডঃ গীতালি শইকীয়াই বক্তব্য আগবঢ়োৱাৰ লগতে উপস্থিত থাকে ডিমৌ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ঘনকান্ত গগৈ, আঠাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক বিনোদ বৰগোহাঁই। সভাত হীৰক জয়ন্তীৰ লগত সংগতি ৰাখি প্ৰাক্তন ছাত্ৰ ডঃ বিজয় কৃষ্ণ চেতিয়াৰ সম্পাদনাত প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ হীৰকধ্বজা উন্মোচন কৰে বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সাহিত্যিক, সাংবাদিক জগত চাংমাইয়ে। মুকলি সভাৰ মঞ্চতে ইতিপূৰ্বে অনুষ্ঠিত হৈ যোৱা চিত্ৰাংকন, কুইজ আৰু তৰ্ক প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহো বিতৰণ কৰা হয়।

## ছিপাঝাৰত পথ দুৰ্ঘটনাত যুৱকৰ মৃত্যু



**দৈনিক অসমৰ প্ৰতিনিধি**

**ছিপাঝাৰ, ১৪ ডিচেম্বৰ ঃ** ছিপাঝাৰৰ দিপীলা - দুমুনিচকী লোকনিৰ্মাণ পথৰ গোপালপুৰত আজি সন্ধিয়া সংঘটিত এক পথ দুৰ্ঘটনাত এজন যুৱকৰ মৃত্যু হয়। ঘটনাৰ বিৱৰণী মতে, ছিপাঝাৰৰ গোপালপুৰ নিৱাসী প্ৰয়াত সিদ্ধেশ্বৰ শৰ্মা আৰু ক্ষীৰদা দেৱীৰ বৰপুত্ৰ চন্দ্ৰশেখৰ ভৰদ্বাজে (৪০) আজি সন্ধিয়াৰ ভাগত লাউজান চাৰিআলিৰপৰা বাইকেৰে ঘৰলৈ আহি থকা অৱস্থাত এক পথ দুৰ্ঘটনাত পতিত হৈ পথৰ কাষৰ এটা পুখুৰীত পৰি শোকাৱহ মৃত্যুক সাবটি লয়। যুৱকজনৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। উল্লেখ্য যে, বিগত বৰ্ষত তেওঁৰ কনিষ্ঠ ভাতৃ দ্বীপশেখৰ ভৰদ্বাজৰো মৃত্যু হৈছিল পথ দুৰ্ঘটনাত।

## নলবাৰীত জাপানী এনকেফেলাইটিছত হিতেশ বৈশ্যৰ মৃত্যু

**দৈনিক অসমৰ প্ৰতিনিধি**

**পশ্চিম নলবাৰী, ১৪ ডিচেম্বৰ ঃ** পশ্চিম নলবাৰী অঞ্চলৰ বগুৰিহাটী গাঁৱৰ হিতেশ বৈশ্য (৩৪) নামৰ যুৱ সমাজকৰ্মীজন জাপানী এনকেফেলাইটিছত আক্ৰান্ত হৈ কালি মৃত্যু হয়। পৰিয়ালৰ সূত্ৰই জানিবপৰা মতে



উক্ত ৰোগত আক্ৰান্ত হৈ যোৱা ২৩ দিন ক্ৰমে ব্যক্তিগত নাৰ্চিংহোম, নলবাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতাল আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ কালি সন্ধিয়া ৬-৪০ বজাত হিতেশৰ মৃত্যু হয়। অঞ্চলটোৰ সৰবৰহী যুৱক হিতেশ বৈশ্যই পাঠকপাৰা চুবুৰি উন্নয়ন সমিতিৰ সম্পাদক, বগুৰিহাটী বাৰোৱাৰী বাসন্তী পূজাৰ মূল সমিতিৰ সহ-সাধাৰণ সম্পাদকৰ দৰে দায়িত্ব পালন কৰাৰ উপৰি মনসা মন্দিৰ পৰিচালনা সমিতি, বাসুদেৱ পঞ্চধাম আশ্ৰম, বগুৰিহাটী শিৱ মন্দিৰ পৰিচালনা সমিতি আদি বিভিন্ন অনুষ্ঠানৰ সৈতে জড়িত আছিল। আজি অসংখ্য গুণমুগ্ধৰ উপস্থিতিত তেওঁৰ শৰদেহ বগুৰিহাটী বাৰোৱাৰী বাসন্তী পূজা মন্দিৰ প্ৰাংগণ, শিৱ মন্দিৰ প্ৰাংগণ, মনসা মন্দিৰ প্ৰাংগন, শংকৰদেৱৰ শিশু নিকেতন, চুবুৰিৰ নামঘৰ প্ৰাংগনলৈ নি ৰাজহুৱাভাৱে শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ পিতৃ-মাতৃ, ভাতৃ-ভগ্নী আৰু অসংখ্য গুণমুগ্ধক এৰি থৈ যায়। দিনৰ ১১ বজাত গাঁৱৰ ৰাজহুৱা শ্মশানত তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

### কুম্ভকৰ্ণ নিদ্ৰাত বন বিভাগ

## ম'হচৰাত চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায়

**দৈনিক অসমৰ প্ৰতিনিধি**

**ছমৰীয়া, ১৪ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ সীমামূৰীয়া দক্ষিণ বৰপেটাৰ চেঙা সমষ্টিৰ পূব ম'হচৰাত এটা চক্ৰই দীৰ্ঘদিনৰে পৰা অবৈধ কাঠফলা মিল বহুৱাই চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় চলাই থকাৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ মতে, পূব ম'হচৰা অঞ্চলৰ একাংশ লোকে দীৰ্ঘদিন ধৰি একাধিক স্থানত অবৈধ কাঠফলা মিল বহুৱাই চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে কামৰূপ বকো-ছয়গাঁও, হাঁহিম, মেঘালয় আৰু গোৱালপাৰাৰ কইনাকুছি, জাৰপাৰা, ৰংজুলি, আদুগুৰি আদি দক্ষিণাঞ্চলৰ পৰা অহা শাল, চেগুন আদিৰ উপৰি ছমৰীয়াৰ বিভিন্ন স্থানৰ মূল্যবান কাঠসমূহ অসাধু চক্ৰই যোগান ধৰি উক্ত মিলসমূহত ফালি কৰ ফাঁকিৰে চোৰাং ব্যৱসায় চলাই আছে। এই সন্দৰ্ভত বন বিভাগটোক একাংশ লোকে সময়ে সময়ে মৌখিকভাৱে অভিযোগ দি অহাৰ পাছত ৰহস্যজনকভাৱে অবৈধ কাঠফলা মিল আৰু চোৰাং কাঠৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা নাই। শীঘ্ৰে অঞ্চলটোত থকা অবৈধ কাঠফলা মিলকেইটাৰ লগতে চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় বন্ধ কৰাৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ বন বিভাগৰ লগতে আৰক্ষী-প্ৰশাসনক দাবী জনাইছে।

**'দৈনিক অসম'ত আকৰ্ষণীয় কেৰিয়াৰ সুযোগ**

**আমাৰ সংবাদপত্ৰৰ মাৰ্কেটিং বিভাগত ফ্ৰেছাৰ নিযুক্তিৰ বাবে আবেদন বিচৰা হৈছে**
**(কেৱল মহিলা প্ৰাৰ্থীৰ কাৰণে)**
**শিক্ষাগত অৰ্হতা ঃ গ্ৰেজুৱেট (মাৰ্কেটিং/ মেনেজমেণ্টৰ অভিজ্ঞতাসম্পন্ন প্ৰাৰ্থীয়ে অগ্ৰাধিকাৰ পাব)।**
**দক্ষতা ঃ**
**উৎকৃষ্ট যোগাযোগ, আলোচনা, নেতৃত্ব আৰু স্পষ্ট প্ৰেজেণ্টেচনৰ দক্ষতা থকাটো বাঞ্ছনীয়।**
**বয়সৰ সীমা ঃ ২৭ বছৰৰ তলত।**
**আপোনাৰ চি ভি প্ৰেৰণ কৰক-**
**ফোন ঃ 9706021101**

**বিজ্ঞাপন সেৱা**

'দৈনিক অসম'ত শ্ৰেণীবদ্ধ বিজ্ঞাপন
(**Classified Advertisement**)
প্ৰকাশৰ বাবে নিম্নোক্ত অনুমোদিত সংস্থাৰ ফোন নম্বৰত যোগাযোগ কৰিব পাৰে—
**97060 21101**
**98642 63627**
**0361-3244633 (কাৰ্যালয়)**

## পদ্মশ্ৰী প্ৰফুল্ল গোবিন্দ বৰুৱাৰ মৃত্যুত শোক

### অসমখনক মনে-প্ৰাণে ভাল পোৱা এগৰাকী সন্তানক জাতিটোৱে হেৰুৱালে

**উৎপল শৰ্মা**, সভাপতি, সদৌ অসম ছাত্ৰ সন্থা

অসমৰ সংবাদ জগতৰ এগৰাকী মহীৰুহ, আছাম ট্ৰিবিউন গোষ্ঠীৰ পৰিচালন সঞ্চালক, 'দি আছাম ট্ৰিবিউন' কাকতৰ সম্পাদক, পদ্মশ্ৰী সন্মানপ্ৰাপ্ত প্ৰফুল্ল গোবিন্দ বৰুৱাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁৰ বিয়োগত অসমখনক মনে-প্ৰাণে ভাল পোৱা এগৰাকী সন্তানক জাতিটোৱে হেৰুৱালে।

### অসমৰ সংবাদ ক্ষেত্ৰৰ লগতে অসমৰ জাতীয় জীৱনৰ বাবেও গভীৰ ক্ষতি

**শংকৰজ্যোতি বৰুৱা**, প্ৰাক্তন ছাত্ৰনেতা

আছাম ট্ৰিবিউন গোষ্ঠীৰ পৰিচালন সঞ্চালক প্ৰফুল্ল গোবিন্দ বৰুৱাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁৰ বিয়োগে অসমৰ সংবাদ ক্ষেত্ৰৰ লগতে অসমৰ জাতীয় জীৱনৰ বাবেও গভীৰ ক্ষতি।

১ পৃষ্ঠাৰ পৰা

## সাংবাদিকতাৰ এটা যুগৰ

তেওঁৰ অৱদান চিৰস্মৰণীয় হৈ ৰ'ব। অসমীয়া সমাজক যুক্তিবাদ, গণতান্ত্ৰিক মূল্যবোধ আৰু সৎ সাংবাদিকতাৰ পথত আগুৱাই নিয়াৰ ক্ষেত্ৰত তেওঁ সদায়ে গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। ২০১৮ চনত ভাৰত চৰকাৰে সাহিত্য আৰু শিক্ষাক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে তেওঁক প্ৰদান কৰা পদ্মশ্ৰী সন্মান অসম সংবাদ জগতৰ বাবে এক গৌৰৱৰ বিষয়। 'দি আছাম ট্ৰিবিউন' কাকতৰ লগতে দীৰ্ঘকাল 'দৈনিক অসম' কাকতৰ সম্পাদকৰ দায়িত্বত আছিল প্ৰফুল্ল গোবিন্দ বৰুৱা। তেওঁৰ নেতৃত্বত 'দি আছাম ট্ৰিবিউন' আৰু 'দৈনিক অসম' কেৱল বাতৰি প্ৰকাশৰ মাধ্যমেই নহয়, অসমীয়া জাতীয় জীৱনৰ চিন্তা-চৰ্চাৰ এক মুক্ত মঞ্চ হৈ পৰিছে। অৰ্দ্ধশতাব্দীৰ অধিক কাল ধৰি তেওঁৰ সম্পাদকীয় দৃষ্টিভংগীয়ে অসমৰ ৰাজনীতি, সমাজ আৰু সংস্কৃতিৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে। সাংবাদিকতাৰ বাহিৰেও তেওঁ বিভিন্ন সামাজিক আৰু সাংস্কৃতিক সংগঠনৰ সৈতে জড়িত আছিল। জীৱনকালত বটা-বাহনৰ পিছত দৌৰি নুফুৰা পদ্মশ্ৰী প্ৰফুল্ল গোবিন্দ বৰুৱা একপ্ৰকাৰ জীৱন্ত কিংবদন্তিত পৰিণত হৈছিল। দূৰদৃষ্টিসম্পন্ন ব্যক্তিত্বৰ অধিকাৰী বৰুৱাৰ অৱদানে ভৱিষ্যৎ প্ৰজন্মক সদায় পথ দেখুৱাই যাব। তেওঁৰ মৃত্যু নিঃসন্দেহে অসমৰ সংবাদ জগতৰ বাবে অপূৰণীয় ক্ষতি। এইজন মহান ব্যক্তিৰ মৃত্যুত 'দৈনিক অসম' পৰিয়ালে গভীৰ শোক প্ৰকাশ কৰিছে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। প্ৰফুল্ল গোবিন্দ বৰুৱাৰ আদৰ্শৰে আগামী দিনত 'দৈনিক অসম' আগুৱাই যোৱাৰ বাবে সংকল্পবদ্ধ।

## সামাজিকভাৱে দায়িত্বশীল


পথ প্ৰদৰ্শক আছিল। তেওঁৰ মৃত্যুত অসমৰ কেৱল সাংবাদিকতাৰ ক্ষেত্ৰখনেই নহয়, সমাজ জীৱনতো গভীৰ আৰু অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰিলে। এজন মানুহৰ ব্যক্তিগত স্মৃতিয়েহে প্ৰফুল্ল গোবিন্দ বৰুৱাৰ দৰে এগৰাকী যুগজ্ঞৰ ব্যক্তিক প্ৰকৃত মানসিক অৱয়ৱ দিয়ে আৰু সেই ছবিখনহে আমাৰ মনত ৰৈ যাব। তেওঁ আছিল অসম সাহিত্য সভাৰ একমাত্ৰ সম্পাদক, যাক অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হোৱাৰ পাছত সময় লৈ দেখা কৰিবলৈ আৰু সন্মান জনাবলৈ গৈছিলোঁ। আৰু তেওঁ সেইসময়তেই মোক বহুখিনি কামত অহা উপদেশ দিছিল। অসম সাহিত্য সভাৰ প্ৰতি তেওঁৰ এক আন্তৰিক টান আছিল। আমাৰ অনুৰোধতে তেওঁ তেওঁৰ পিতৃ সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ স্মৃতিত এটা অত্যাধুনিক সভাগৃহ সজাই দিছিল। ব্যক্তিগতভাৱে তেওঁ আমাক 'গৰীয়সী' আলোচনীখনৰ সম্পাদনাৰ দায়িত্ব দিছিল। চন্দ্ৰপ্ৰসাদ শইকীয়া, হৰেকৃষ্ণ ডেকা, লক্ষ্মীনন্দন বৰাই সম্পাদক হিচাপে গঢ়ি যোৱা আলোচনীখন সম্পাদনা কৰাৰ কালছোৱাত তেওঁ এহাতে মোক সম্পূৰ্ণ স্বাধীনতা দিছিল, আনহাতে আলোচনীখন কেনেদৰে যুগসাপেক্ষভাৱে উন্নত কৰিব পাৰি, সেই বিষয়ে আলোচনা কৰিছিল। তেওঁৰ লগত কাম কৰাৰ সেই সময়ছোৱাৰ মধুৰ স্মৃতি সদায় সজীৱ হৈ ৰ'ব। তেওঁৰ সুন্দৰ আত্মজীৱনীখনৰ উন্মোচনৰ থকাৰ স্মৃতিও আজি সজীৱ আছাম ট্ৰিবিউন অসমৰ এনে এক গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান, যি অসমত আধুনিক সাংবাদিকতাৰ জন্ম দিছে বুলি ক'লেও অত্যুক্তি কৰা নহয়। প্ৰফুল্ল গোবিন্দ বৰুৱা এইক্ষেত্ৰত হয়তো আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু সামাজিকভাৱে দায়িত্বশীল ব্যক্তি আছিল।

# ২৩ ডিচেম্বৰৰপৰা মৰাণ মহাবিদ্যালয়ত কলেজ কৰ্মচাৰী সন্থাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় অভিৱৰ্তন

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰাণ, ১৪ ডিচেম্বৰ ঃ** গৌৰৱোজ্জ্বল হীৰক জয়ন্তী গৰকা উচ্চ শিক্ষাৰ অগ্ৰণী অনুষ্ঠান মৰাণ মহাবিদ্যালয়ত অহা ২৩ আৰু ২৪ ডিচেম্বৰত সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় অভিৱৰ্তন অনুষ্ঠিত হ'ব। ২৩ ডিচেম্বৰৰ বিয়লি ৩ বজাৰপৰা প্ৰতিনিধি পঞ্জীয়ন অনুষ্ঠিত হ'ব। বিয়লি ৪ বজাত প্ৰতিনিধি শিবিৰ মুকলি কৰা হ'ব। উদ্বোধন কৰিব মৰাণ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ৰাণুমণি বৰুৱাই। সন্ধিয়া ৬ বজাত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব। সভা উদ্বোধন কৰিব মৰাণ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ তৰুণ গগৈয়ে। সন্ধিয়া ৭-৩০ বজাত অনুষ্ঠিত হ'ব সাংস্কৃতিক অনুষ্ঠান। উক্ত অনুষ্ঠানত উদ্বোধক হিচাপে উপস্থিত থাকিব মৰাণহাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নিপন গগৈয়ে। ২৪ ডিচেম্বৰৰ পুৱা ৮ বজাৰপৰা পুনৰ প্ৰতিনিধি পঞ্জীয়ন আৰম্ভ হ'ব। পুৱা ১০ বজাত মৰাণ মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰিব অধ্যক্ষ তথা আদৰণী সমিতিৰ সভাপতি ডঃ মিতালী কোঁৱৰে। সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ পতাকা উত্তোলন কৰিব সন্থাৰ সভাপতি তুলসী শইকীয়াই। লগতে অবিভক্ত শিৱসাগৰ জিলাৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ পতাকা সংশ্লিষ্ট অধ্যক্ষসকলে উত্তোলন কৰিব। পুৱা ১০-৩০ বজাত স্মৃতি তৰ্পণ অনুষ্ঠান অনুষ্ঠিত হ'ব। স্মৃতি তৰ্পণ কৰিব সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ সম্পাদক গৌতম গগৈ, আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি হৰেন ফুকন, সন্থাৰ কাৰ্যকৰী সভাপতি দিলীপ শইকীয়া আৰু মৰাণ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক দ্বীপেন গগৈয়ে। পুৱা ১০-৫০ বজাত ডঃ ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বন্তি প্ৰজ্বলন কৰা হ'ব। বন্তি প্ৰজ্বলন কৰিব জ্যেষ্ঠ অধ্যাপক ডঃ ৰাজীৱ হাজৰিকা, জ্যেষ্ঠ অধ্যাপিকা ডঃ ৰশ্মি বুঢ়াগোহাঁই আৰু জ্যেষ্ঠ অধ্যাপক ৰোহিনী চেতিয়াই। পুৱা ১১ বজাত শ্বহীদ তৰ্পণ অনুষ্ঠিত হ'ব। এই তৰ্পণত অংশ ল'ব বিশিষ্ট সমাজকৰ্মী কুশল দত্ত, সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক অনুপজ্যোতি ভূএগ, শিৱসাগৰ জিলা কলেজ কৰ্মচাৰী সন্থাৰ সভাপতি ৰঞ্জিত বৰুৱা আৰু সম্পাদক সৌৰভ হাজৰিকাই। পুৱা ১১-৩০ বজাত সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। উদ্বোধক হিচাপে উপস্থিত থাকিব দেউৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ভৈৰৱ দেউৰী। বিয়লি ১ বজাত অনুষ্ঠিত হ'ব মুকলি সভা। সভাত সভাপতিত্ব কৰিব সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ সভাপতি তুলসী শইকীয়াই। আদৰণী ভাষণ প্ৰদান কৰিব মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা আদৰণী সমিতিৰ সভাপতি ডঃ মিতালী কোঁৱৰে। মুকলি সভাৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকিব মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, কেবিনেট মন্ত্ৰী যোগেন মহন আৰু বিমল বড়া। লগতে ডিমৌ বিধানসভাৰ বিধায়ক সুশান্ত বৰগোহাঁই, খোৱাং বিধানসভাৰ বিধায়ক চক্ৰধৰ গগৈ আৰু সোণাৰি বিধানসভাৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰো উপস্থিত থাকিব। বিশিষ্ট অতিথি হিচাপে অংশ ল'ব উচ্চ শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ, উচ্চ শিক্ষা বিভাগৰ সঞ্চালক পমি বৰুৱা আৰু মৰাণ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ডঃ অসীমাভ দত্ত। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব অসম কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি ডঃ ধৰ্মেন্দ্ৰ নাথ, অসম কলেজ শিক্ষক সংস্থাৰ সম্পাদক ডঃ পৰাগ মহন্ত, অসম কলেজ গ্ৰন্থাগাৰিক সন্থাৰ সম্পাদক ডঃ বীৰেন্দ্ৰ পাল আৰু বি বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ উপদেষ্টা ডঃ সত্যেন্দ্ৰ নাথ বৰ্মন। শলাগৰ শৰাই আগবঢ়াব মৰাণ মহাবিদ্যালয়ৰ প্ৰাক্তন সাধাৰণ সম্পাদক ছাত্ৰ একতা সভাৰ হিমাংশু মহনে। উল্লেখযোগ্য যে কেন্দ্ৰীয় অভিৱৰ্তনে অসমত কলেজ কৰ্মচাৰী সমাজৰ সমস্যা, অধিকাৰ আৰু ভৱিষ্যৎ দিশসমূহক লৈ গুৰুত্বপূৰ্ণ আলোচনা আগবঢ়াব বুলি আয়োজকসকলে আশা প্ৰকাশ কৰিছে।

# ৰঙানদী সাংস্কৃতিক উৎসৱৰ আৰম্ভণী অনুষ্ঠান




**দৈনিক অসমৰ প্ৰতিনিধি**

**লখিমপুৰ, ১৪ ডিচেম্বৰ ঃ** লখিমপুৰৰ খাৰকাটি ফটাসুঁতিঘাটৰ পকী দলঙৰ সমীপত ১৮ জানুৱাৰীৰ পৰা ২২ জানুৱাৰীলৈকে ৫ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব ৰঙানদী সাংস্কৃতিক উৎসৱ-২০২৬। আজি তাৰেই প্ৰস্তুতিৰ আৰম্ভণী অনুষ্ঠান ফটাসুঁতি দলঙৰ সমীপত অনুষ্ঠিত হয়। নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ডঃ স্বপ্নালী চেতিয়া গগৈয়ে উদ্বোধন কৰা অনুষ্ঠানটোত নৰ্থ লখিমপুৰ প্ৰেছ ক্লাবৰ সভাপতি কুমুদ বৰুৱা, প্ৰেছ ক্লাবৰ সম্পাদক কৰুণাকৃষ্ণ নাথ, সমাজকৰ্মী বিপুল বৰা, গোপাল কৃষ্ণ বৰা, লক্ষী বৰাকে আদি কৰি বিশিষ্ট ব্যক্তিসকলে বক্তব্য আগবঢ়ায়। স্থানীয় মহিলাসকলে দিহানাম পৰিৱেশন কৰে। স্থানীয় শিল্পীয়ে ঐনিতম আৰু গুমৰাগ নৃত্যৰে ৰঙানদীৰ পাৰ মুখৰ কৰি তোলে। অনুষ্ঠানটোত ৰঙা নদীপৰীয়া যথেষ্টসংখ্যক ব্যক্তি উপস্থিত থাকে। দ্বিতীয় বাৰৰ বাবে অনুষ্ঠিত হ'ব লগা এই উৎসৱত গ্ৰন্থমেলা, বাণিজ্যমেলা, খাদ্যমেলা, বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি প্ৰদৰ্শন, ভাওনা, ৰাস, আমন্ত্ৰিত শিল্পীৰ সংগীতানুষ্ঠান, জুবিন গাৰ্গৰ গীত আৰু নৃত্য প্ৰতিযোগিতা, ফেশ্বন শ্ব', দিহানাম প্ৰতিযোগিতা, ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন কবিতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। তদুপৰি এই অনুষ্ঠানৰ লগত সংগতি ৰাখি বিভিন্ন প্ৰজাতিৰ অভিলেখসংখ্যক মাছ ৰঙানদীত এৰি দিয়াৰো এক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। ৰঙানদীক মুখ্য বিষয় হিচাপে লৈ এখন আলোচনা চক্ৰৰো আয়োজন কৰা হৈছে। এই অনুষ্ঠানতে ৰঙানদীপৰীয়া এশগৰাকী শিল্পী, সাহিত্যিক-সমাজসেৱকক সম্বৰ্দ্ধনা জনোৱা হ'ব। ৰঙানদী সাংস্কৃতিক উৎসৱৰ স্মাৰক গ্ৰন্থ 'ফটাসুঁতি'ও এই অনুষ্ঠানতে প্ৰকাশ পাব।

অসম কোষ

‘এমুঠি চাউলৰ কাহিনী’— গীতৰ আধাৰত ভূপেন হাজৰিকাই নিৰ্মাণ কৰা এখন তথ্যচিত্ৰ। অসম চৰকাৰৰ বাবে সমবায় আন্দোলনক বিষয়বস্তু হিচাপে লৈ এইখন তথ্যচিত্ৰ নিৰ্মাণ কৰা হৈছিল।

# দৈনিক অসম

দিনটোৰ তাপমান (ডিগ্ৰী চেলছিয়াছ)

| | সৰ্বাধিক | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৬.৫ | ১১.০ |
| ডিব্ৰুগড় | ২৭.০ | ৭.৮ |
| যোৰহাট | ২৬.২ | ৭.৫ |
| শ্বিলং | ২০.২ | ৮.৬ |

৬১ বছৰ। ১৩০ সংখ্যা, গুৱাহাটী, ২৮ আঘোণ, সোমবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 130। GUWAHATI, MONDAY, DECEMBER 15, 2025



## শিলসাঁকো বিলপাৰ কেন্দ্ৰীয় সমিতিৰ সভাত দাগ নম্বৰ কৰ্তনৰ আহ্বান

# উচ্ছেদিতক পুনৰ সংস্থাপনৰ প্ৰস্তাৱ




দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** জি এম ডি এ কৰ্তৃপক্ষই শিলসাঁকোত নিৰ্দ্ধাৰণ কৰা সীমাৰ বাহিৰত বসবাস কৰা লোকসকলক জলাশয় ভূমিৰ পৰা দাগ নম্বৰ কৰ্তন কৰা আৰু উচ্ছেদিত লোকসকলক পুনৰ সংস্থাপন দিয়াৰ বাবে মুখ্যমন্ত্ৰীক প্ৰস্তাৱ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে শিলসাঁকো বিলপাৰ কেন্দ্ৰীয় সমিতিয়ে। এই সন্দৰ্ভত শিলসাঁকো বিলপাৰৰ ১৯খন উন্নয়ন সমিতিৰ ১১ পৃষ্ঠাত চাওক

## ■ কথমপি ৰক্ষা পাটসাঁকোৰ লাইপ্লেং ■

# অ’ এন জি চিৰ পাইপেৰে গেছ নিৰ্গমণ, তীব্ৰ আতংক



দৈনিক অসমৰ প্ৰতিনিধি

**শিৱসাগৰ, ১৪ ডিচেম্বৰ ঃ** পূৰ্বৰ ঘটনাৰপৰা যেন শিক্ষা ল’ব নিবিচাৰে অ’ এন জি চিয়ে। কিছুদিন পূৰ্বে শিৱসাগৰৰ ভটিয়াপাৰত সংঘটিত গেছ নিৰ্গমনৰ ঘটনাৰ দৰেই অনুৰূপ ঘটনা আজি চৰাইদেউ জিলাৰ বকতা লাইপ্লেং অঞ্চলত সংঘটিত হয়। কালি নিশা ১১ বজামানৰপৰা আৰম্ভ হোৱা গেছ নিৰ্গমনৰ ঘটনাত আতংকিত হৈ পৰে ১১ পৃষ্ঠাত চাওক



## বেংগালুৰুত সন্ধানহীন বাক্‌সাৰ যুৱক

দৈনিক অসমৰ প্ৰতিনিধি

**মুছলপুৰ, ১৪ ডিচেম্বৰ ঃ** কৰ্মৰ সন্ধানত বহিঃৰাজ্যলৈ গৈ বেংগালুৰুত সন্ধানহীন হ’ল মুছলপুৰৰ ১১ পৃষ্ঠাত চাওক

## মানাহ সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব ফণীধৰে!

দৈনিক অসমৰ প্ৰতিনিধি

**সৰুপেটা, ১৪ ডিচেম্বৰ ঃ** ভৱানীপুৰ সমষ্টিৰ দুবাৰৰ নিৰ্বাচিত বিধায়ক ফণীধৰ তালুকদাৰে ১১ পৃষ্ঠাত চাওক

## চিলাপথাৰত পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে দুজনে

### গুৰুতৰভাৱে আহত চাৰিজন

দৈনিক অসম প্ৰতিনিধি

**চিমেন চাপৰি, ১৪ ডিচেম্বৰ ঃ** চিলাপথাৰৰ দীপা ৫১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত যোৱানিশা সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। উক্ত দুৰ্ঘটনাত থিতাতে নিহত হয় দুজন যুৱক। গুৰুতৰভাৱে আহত হয় আন চাৰিজন লোক। জানিব পৰা মতে, ১১ পৃষ্ঠাত চাওক

## জোৰশিমুলীৰ হাঁহচৰীত পথ দুৰ্ঘটনা

### পুৰুষ-মহিলাকে ধৰি পাঁচজন আহত

দৈনিক অসমৰ প্ৰতিনিধি

**ছমৰীয়া, ১৪ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত জোৰশিমুলীৰ হাঁহচৰীত কালি সংঘটিত এক পথ দুৰ্ঘটনাত পুৰুষ-মহিলাসহ ৫জন লোক আহত হয়। জানিব পৰা মতে, গুৱাহাটীৰ পৰা ১১ পৃষ্ঠাত চাওক

## বকিয়াল বাগিচাৰ কলঘৰত অঘটন

## মৰঙিত এল পি জি বিস্ফোৰণত শ্ৰমিক আহত

দৈনিক অসমৰ প্ৰতিনিধি

**মৰঙি, ১৪ ডিচেম্বৰ ঃ** মৰঙিৰ বকিয়াল চাহ বাগিচাৰ ফেক্টৰীত আজি এক ভয়ংকৰ ঘটনা সংঘটিত হয়। ফেক্টৰীৰ এল পি জি চিলিণ্ডাৰ বিস্ফোৰণ ঘটাত গুৰুতৰভাৱে আহত হয় এজন শ্ৰমিক। ১১ পৃষ্ঠাত চাওক

## নলবাৰীত শিক্ষকক নিযুক্তিপত্ৰ বিতৰণ অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা

# ভালদৰে কাম নকৰিলে এঘণ্টাৰ ভিতৰত চৰৰ বিদ্যালয়লৈ যাবলৈ সাজু থাকক




দৈনিক অসমৰ প্ৰতিনিধি

**নলবাৰী, ১৪ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ নৱনিযুক্ত শিক্ষকসকলক আজি আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ বিতৰণ কৰে মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয়, এতিয়াৰ পৰা নৱনিযুক্ত ১১ পৃষ্ঠাত চাওক

## ■ কাজিৰঙাত সৰৱ অখিল গগৈ ■

# নগৈ গড়গাঁৱৰ বতৰা দিয়া চাৰ্জশ্বীট মানি নলওঁ

দৈনিক অসমৰ প্ৰতিনিধি

**কাজিৰঙা, ১৪ ডিচেম্বৰ ঃ** জুবিন গাৰ্গৰ হত্যাকাণ্ড সন্দৰ্ভত এছ আই টিয়ে দাখিল কৰা চাৰ্জশ্বীটক লৈ সৰৱ হৈছে ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈ। কালি নিশা কাজিৰঙাত এখন সংবাদমেল আয়োজন কৰি গগৈয়ে কয়— নগৈ গড়গাঁৱৰ বাতৰি দিয়া চাৰ্জশ্বীট মই মানি নলওঁ। আনহাতে, জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু আৰু গোচৰৰ তদন্ত সন্দৰ্ভত কেতবোৰ অভিযোগ ১১ পৃষ্ঠাত চাওক

## সোণতলীত ভূমি বিবাদক কেন্দ্ৰ কৰি লংকাকাণ্ড

### দুই পক্ষৰ মাৰপিটত তিনিজন লোক আহত

**সোণতলী, ১৪ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ ছমৰীয়া ৰাজহ চক্ৰৰ অন্তৰ্গত সোণতলীৰ নিজ কাঠমী গাঁৱত ভূমি বিবাদক কেন্দ্ৰ কৰি এক লংকাকাণ্ডৰ সৃষ্টি হয়। আজি দিনৰ প্ৰায় ১১ বজাত ভূমি বিবাদক কেন্দ্ৰ কৰি হোৱা মাৰপিটত তিনিজনকৈ লোক আহত হয়। ঘটনাটোৱে অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে সোণতলীৰ নিজ কাঠমী ১১ পৃষ্ঠাত চাওক

### দৰঙৰ ঔতলা বেছিমাৰীত ৰাইজৰ শ্ৰমদান

## ৰহমান আলীক গ্ৰেপ্তাৰৰ দাবী

দৈনিক অসমৰ প্ৰতিনিধি

**দৰং, ১৪ ডিচেম্বৰ ঃ** দৰঙৰ ঔতলা অঞ্চলৰ কেইবাখনো গাঁৱৰ ৰাইজ ওলাই আহি আজি এক বিশেষ পথ পুনৰ নিৰ্মাণ কৰি শেহতীয়াকৈ হত্যাৰ বলি হোৱা যুৱকৰ সোঁৱৰণত অৰ্পণ কৰে। ৰাইজে যুৱকজনৰ হত্যাৰ মূল অভিযুক্তকো গ্ৰেপ্তাৰৰ দাবী জনায়। লক্ষণীয় যে বিগত ১০ নৱেম্বৰত বেছিমাৰীৰ চামচুল হক চৌধুৰী নামৰ ৩২ বছৰীয়া ১১ পৃষ্ঠাত চাওক



# নাগ্ৰীজুলি বজাৰত বিধ্বংসী অগ্নিকাণ্ড



### ৫ ব্যৱসায়িক প্ৰতিষ্ঠান ভস্মীভূত

দৈনিক অসমৰ প্ৰতিনিধি

**তামুলপুৰ, ১৪ ডিচেম্বৰ ঃ** তামুলপুৰ জিলাৰ নাগ্ৰীজুলি বজাৰত আজি দুপৰীয়া ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হোৱাৰ ফলত পাঁচখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান জুইত জাহ যায়। জানিব পৰা মতে আজি দেওবাৰ হোৱাত ব্যৱসায়িক প্ৰতিষ্ঠানৰ বেছিভাগেই বন্ধ আছিল। বন্ধ প্ৰতিষ্ঠানত দুপৰীয়াৰ সময়ত জুইৰ সূত্ৰপাত হয়। ক্ৰমাৎ জুইৰ লেলিহান শিখাই আন আন ব্যৱসায়িক প্ৰতিষ্ঠানকো আগুৰি ধৰে। ১১ পৃষ্ঠাত চাওক

### বিজেপিৰ প্ৰাৰ্থী ঘোষণা নকৰোঁতেই অখিলৰ ধৰফৰণি

# শিৱসাগৰত মুখ্যমন্ত্ৰী অথবা পীযূষক নিৰ্বাচন খেলাৰ আহ্বান



দৈনিক অসমৰ প্ৰতিনিধি

**শিৱসাগৰ, ১৪ ডিচেম্বৰ ঃ** বিধানসভা নিৰ্বাচনৰ বতাহ নৌ বলোঁতেই আৰম্ভ হৈছে মুখ চুপতিৰ ৰাজনীতি। শিৱসাগৰত বিজেপিয়ে কাক প্ৰাৰ্থিত্ব দিব সেয়া এতিয়াও নিশ্চিত হোৱাই নাই। অসম গণ পৰিষদৰ বিধায়ক প্ৰদীপ হাজৰিকাকেই শেষ মুহূৰ্তত মিত্ৰতাৰ খাতিৰত প্ৰাৰ্থিত্ব দিবলগীয়া হ’ব নেকি, তাৰো নিশ্চয়তা নাই। তেনে এক সময়ত এইবাৰ মুখ চুপতি আৰম্ভ কৰিলে শিৱসাগৰৰ বিধায়ক অখিল ১১ পৃষ্ঠাত চাওক

## বইটামাৰীত নিশা অগ্নিকাণ্ডত সৰ্বস্বান্ত হ’ল এটি পৰিয়াল

দৈনিক অসমৰ প্ৰতিনিধি

**বইটামাৰী, ১৪ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ বইটামাৰী অঞ্চলৰ ৰসিগাঁৱত যোৱানিশা এঘৰ লোকৰ বাসগৃহত এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। গাঁওখনৰ ৰসিগাঁৱৰ ধ্ৰুৱলোচন নাথ নামৰ লোকজনৰ বাসগৃহত যোৱানিশা প্ৰায় ২ বজাত এই অগ্নিকাণ্ডটো সংঘটিত হয়। অগ্নিকাণ্ডত এটা চিলিণ্ডাৰ বিস্ফোৰণ হোৱাত লোকসকল অধিক আতংকিত হয়। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, পৰিয়ালৰ লোকসকল শুই থকা অৱস্থাত এটি গৃহৰ পৰা জুইৰ সূত্ৰপাত হয়। কিছু সময় পিছতে পৰিয়ালৰ লোকে এই বিষয়ে জানিব পাৰি ঘৰৰ ভিতৰৰ পৰা ওলাই আহে আৰু স্থানীয় ৰাইজক খবৰ দিয়ে। তাৰ পিছতে ৰাইজে জুই নিৰ্বাপনৰ বাবে আপ্ৰাণ ১১ পৃষ্ঠাত চাওক

### কিতাপ লিখিলেহে সাহিত্যিক বুলি কোৱা ধাৰণাটো ভুল ঃ মন্ত্ৰী ডাঃ ৰণোজ পেগু

## তৃতীয় ধেমাজি সাহিত্য সমাৰোহ ২০২৫ৰ সামৰণি

দৈনিক অসমৰ প্ৰতিনিধি

**ধেমাজি, ১৪ ডিচেম্বৰ ঃ** ধেমাজি জিলা সাহিত্য সভাৰ উদ্যোগত ধেমাজি চিটি কলেজৰ সহযোগত ১২ আৰু ১৩ ডিচেম্বৰত ধেমাজিৰ চিটি কলেজৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত তৃতীয় ধেমাজি সাহিত্য সমাৰোহ-২০২৫ৰ সফল সামৰণি পৰে। প্ৰথমদিনা ১২ ডিচেম্বৰৰ বিয়লি ১১ পৃষ্ঠাত চাওক

## কামৰূপ জিলা সাহিত্য সভাৰ ডিমু অধিৱেশনৰ লাইখুঁটা স্থাপন

### লাইখুঁটা স্থাপন কৰে বিধায়ক ভবেশ কলিতাই



দৈনিক অসমৰ প্ৰতিনিধি

**কমলপুৰ, ১৪ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ ৰঙিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত ডিমু কেন্দ্ৰীয় ৰাজহুৱা দুৰ্গামন্দিৰ প্ৰাংগণত আজি কামৰূপ জিলা সাহিত্য সভাৰ মধ্যকালীন ডিমু অধিৱেশনৰ লাইখুঁটা স্থাপন কৰা হয়। অহা ২৭ আৰু ২৮ ডিচেম্বৰত ডিমু ত্ৰিবেণী শতদল শাখা সাহিত্য সভাৰ সৌজন্যত অনুষ্ঠিত হ’বলগীয়া কামৰূপ ১১ পৃষ্ঠাত চাওক

## ৰঙিয়াত ২৫ লক্ষাধিক টকা, ৮৬ কেজি আফিং জব্দ

দৈনিক অসমৰ প্ৰতিনিধি

**ৰঙিয়া, ১৪ ডিচেম্বৰ ঃ** ৰঙিয়া সমজিলা আৰক্ষী বিষয়া বিশ্বজিৎ ডেকা আৰু ৰঙিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নৱজিত নাথৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটা দলে যোৱানিশা ৰঙিয়া চহৰৰ ১১ পৃষ্ঠাত চাওক

# এজাক শিশুৰ কলৰৱত মুখৰিত মঙলদৈৰ অসম গ্ৰন্থমেলা বাকৰি

### গ্ৰন্থই শিশুৰ বাবে নতুন চিন্তাৰ বাট প্ৰশস্ত কৰে ঃ জিতেন ভাগৱতী

দৈনিক অসমৰ প্ৰতিনিধি

**মঙলদৈ, ১৪ ডিচেম্বৰ ঃ** আজি শিশুৰ কলৰৱত মুখৰিত হৈ পৰিছে মঙলদৈৰ অসম গ্ৰন্থমেলা। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই ইয়াৰ গান্ধী ময়দানত যৌথভাৱে আয়োজন ১১ পৃষ্ঠাত চাওক




## উত্তৰ-পূব উন্নয়ন বিত্তীয় নিগম লিমিটেড

NEDFi ISO 9001:2008

পঞ্জীকৃত কাৰ্যালয়ঃ নেডফি হাউচ, জি.এছ. ৰোড, দিছপুৰ, গুৱাহাটী - ৭৮১০০৬
ফোনঃ +৯১ ৩৬১ ২২২ ২২ ০০, ফেক্সঃ +৯১ ৩৬১ ২২৩ ৭৭ ৩৩/ ২২৩ ৭৭ ৩৪

**ছাৰফেইছী আইন ২০০২-ৰ অধীনত ই-নিলাম বিক্ৰীৰ জাননী**

**বিত্তীয় সম্পত্তিৰ নিৰাপত্তা আৰু পুনৰ্গঠন আৰু নিৰাপত্তা সুত বলবৎ আইন, ২০০২ (ইয়াৰ পিছত আইন বুলি কোৱা হ’ব)ৰ অধীনত স্থাৱৰ সম্পত্তি বিক্ৰী**

**ইএমডি আৰু নথি-পত্ৰ দাখিলৰ অন্তিম তাৰিখ ০৭-০১-২০২৬-ৰ বিয়লি ৪:০০ বজালৈ**

যিহেতু, উত্তৰ-পূব উন্নয়ন বিত্তীয় নিগম লিমিটেডৰ (ইয়াৰ পিছত কৰ্পৰেশ্যন) কৰ্তৃত্বপ্ৰাপ্ত বিষয়াই বিত্তীয় সম্পত্তিৰ নিৰাপত্তা আৰু পুনৰ্গঠন আইন, ২০০২ৰ ধাৰা ১৩(২)ৰ অধীনত জাৰি কৰা জাননী অনুসৰি তলত উল্লেখ কৰা ঋণ একাউণ্ট/সমূহৰ বাবে **“য’ত আছে, যি আছে আৰু সেইটোতে আৰু কোনো ধৰণৰ পুনৰাৱৰ্তন অধিকাৰ নাথাকে ভিত্তিত”** বিক্ৰী কৰাৰ অধিকাৰ আছে। ইয়াৰ অধীনত বিশদভাৱে উল্লেখ কৰা অনুসৰি তলত উল্লেখ কৰা বাবদ আৰু প্ৰযোজ্য সুত, নিৰিখ আৰু খৰচ আদিৰ বাস্তৱায়নৰ বাবে আৰু যিহেতু ধন পৰিশোধ নকৰাৰ ফলস্বৰূপে, উক্ত আইনৰ ধাৰা ১৩(৪)ৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি নিম্নোক্ত স্বাক্ষৰকাৰীয়ে উক্ত সম্পত্তি/সমূহ বিক্ৰী কৰি উক্ত বাবদ ধন বাস্তৱায়িত কৰাৰ প্ৰস্তাৱ আগবঢ়ায়। ৱেবছাইটত প্ৰদান কৰা ই-নিলাম প্লেটফৰ্মৰ জৰিয়তে নিম্নোক্ত স্বাক্ষৰকাৰীসকলে এই সম্পত্তি বিক্ৰী কৰিব।

**ই-নিলামৰ সবিশেষ তথ্য তলত উল্লেখ কৰা হৈছে:**

| একাউণ্টৰ নাম | সম্পত্তিৰ বিৱৰণ | দাবী জাননীৰ দিন/ বকেয়া পৰিমাণ | সংৰক্ষিত মূল্য | ই এম ডি | ন্যূনতম নিবিদা বৃদ্ধিৰ পৰিমাণ | ই-নিলামৰ দিন/সময় | সম্পত্তি অনুসন্ধান |
|---|---|---|---|---|---|---|---|
| **মেছাৰ্ছ ৰক্ষিত এগ্ৰ’ ফুড,** স্বত্বাধিকাৰী: শ্ৰীমতী মিষ্টু ৰক্ষিত, স্বামীঃ শ্ৰী শংকৰ ৰক্ষিত, ফেক্টৰি ছাইড: লিম্বুগুৰি পথ, গুইজান, তিনিচুকীয়া, জিলা: তিনিচুকীয়া, অসম ৭৮৬১৪৭ | ৩ কঠা ১০ লেচা জোখৰ এটা ইণ্ডাষ্ট্ৰিয়েল প্লট আৱৰি থকা দাগ ৭৩০ (নতুন)/৭১৫ (পুৰণি)- পিৰিয়ডিক পট্টা নং ২৮৯ (নতুন)/২৭৫ (পুৰণি), গাঁও: গুইজান গাঁও, মৌজা-ৰঙাগৰা, ৰাজহ চক্ৰ-তিনিচুকীয়া, জিলা-তিনিচুকীয়া, অসম যিটো ভূমি শ্ৰীমতী মিষ্টু ৰক্ষিতৰ নামত নিবন্ধিত লগতে বৰ্তমানৰ আৰু ভৱিষ্যৰ সকলো বিল্ডিং আৰু থিয় হৈ থকা অসামৰিক নিৰ্মাণৰ চাৰিসীমাঃ উত্তৰেঃ দাগ নং ২১৯ৰ অংশ দক্ষিণেঃ ৰাজহুৱা পথ পূবেঃ দাগ নং ২১৮ৰ অংশ পশ্চিমেঃ দাগ নং ৭১৫ আৰু ২২১- অংশ | **২৩-০৬-২০২৫** **৫১,৮০,৮২৭/- (একাৱন্ন লাখ আশী হাজাৰ আঠশ সাতাইশ) টকা মাত্ৰ** ২০-০৬-২০২৫ তাৰিখৰলৈ লগতে ভৱিষ্যতৰ সুতৰ সৈতে আনুষংগিক খৰচ, ব্যয় আদি | **২৫,৭০,০০০/-** (পঁচিশ লাখ সত্তৰ হাজাৰ) টকা মাত্ৰ | **২,৫৭,০০০/-** (দুই লাখ সাতাৱন্ন হাজাৰ) টকা মাত্ৰ | **২৫,০০০/-** (পচিশ হাজাৰ) টকা মাত্ৰ | **২২-০১-২০২৬** পুৱা ১১.০০ বজাৰ পৰা দুপৰীয়া ১২.০০ বজাৰ ভিতৰত লগতে প্ৰতিটোৰ বাবে ৫ মিনিট অসীমিত সময়সীমা বঢ়োৱাৰ অনুমতি | **২৬-১২-২০২৫** **০২-০১-২০২৬** দুপৰীয়া ১.০০ বজাৰ পৰা সন্ধিয়া ৪.০০ বজালৈ |

**ই-নিলাম সন্দৰ্ভত বিৱৰণ তলত উল্লেখ কৰা হ’ল:**

**(১)** ই-নিলাম **“য’ত আছে, যি আছে আৰু সেইটোতেই আৰু কোনো ধৰণৰ পুনৰাৱৰ্তন অধিকাৰ নাথাকে ভিত্তিত”** আয়োজন কৰা হৈছে আৰু ইয়াক অনুমোদিত সেৱা প্ৰদানকাৰী মেছাৰ্ছ ই-প্ৰক্ৰিয়ৰমেণ্ট টেকন’লজিছ লিমিটেডৰ জৰিয়তে ৱেব পৰ্টেল (**https://sarfaesi.auctiontiger.net**)ত লগতে অকচনটাইগাৰ মোবাইল এপত অনলাইনযোগে অনুষ্ঠিত কৰা হ’ব। অনলাইন ই-নিলাম নিলাম প্ৰ-পত্ৰ, ঘোষণা, অনলাইন নিলাম বিক্ৰীৰ সাধাৰণ চৰ্ত আৰু নিয়মসমূহ থকা ই-নিলাম নিবিদাৰ নথি-পত্ৰসমূহ **https://sarfaesi.auctiontiger.net**ত উপলব্ধ। সম্ভাব্য যোগ্য নিলামকাৰীসকলে ই-নিলামৰ তাৰিখৰ পূৰ্বে মেছাৰ্ছ ই-প্ৰক্ৰিয়ৰমেণ্ট টেকন’লজিছ লিমিটেডৰ পৰা ই-নিলামৰ ওপৰত অনলাইন প্ৰশিক্ষণ লাভ কৰিব পাৰিব। কোনো অনুমোদিত বিষয়া/নিগম বা মেছাৰ্ছ ই-প্ৰক্ৰিয়ৰমেণ্ট টেকন’লজিছ লিমিটেড এই-ক্ৰয়ত অংশগ্ৰহণত হোৱা যিকোনো ইণ্টাৰনেট নেটৱৰ্ক সমস্যাৰ বাবে দায়বদ্ধ নহ’ব আৰু আগ্ৰহী নিলামকাৰীসকলে ই-নিলাম অনুষ্ঠানত অংশগ্ৰহণৰ বাবে কাৰিকৰীভাৱে সুসজ্জিত হোৱাটো নিশ্চিত কৰিবলৈ দায়বদ্ধ হ’ব। **(২)** ইএমডি আৰটিজিএছ/ এনইএফটি/ ফাণ্ড ট্ৰেন্সফাৰৰ জৰিয়তে একাউণ্ট নং **১০০৫৫৬১০৫৫৪**, ষ্টেট বেংক অৱ ইণ্ডিয়া, জিএমচি শাখা, ভঙাগড়, আইএফএছচি কোডৰ **SBIN0007700** ক্ৰেডিটত অনলাইনত নিবিদা জমা দিয়াৰ আগতে জমা কৰিব লাগিব। ইএমডি গুৱাহাটীত প্ৰদান কৰিবলগীয়া উত্তৰ পূব উন্নয়ন বিত্তীয় নিগম লিমিটেড (নেডফি)ৰ গুৱাহাটী সপক্ষে পে অৰ্ডাৰ/ডিমাণ্ড ড্ৰাফটৰ জৰিয়তেও পৰিশোধ কৰিব পাৰিব, অসমৰ যিকোনো ৰাষ্ট্ৰীয়কৃত বা অনুসূচিত বেংকৰ পৰা লগতে নিবিদাত অংশগ্ৰহণৰ বাবে পত্ৰখনকে ধৰি অৰ্থাৎ (ক) এনইএফটি/আৰটিজিএছ চালানৰ প্ৰতিলিপি; (খ) পেন কাৰ্ডৰ প্ৰতিলিপি; (গ) পৰিচয়ৰ প্ৰমাণ (কেৱাইচি); (ঘ) ঠিকনাৰ প্ৰমাণপত্ৰ ৪ বজাৰ ভিতৰত নিবিদা দাখিলৰ অন্তিম তাৰিখ বা তাৰ আগতে আৰু তেওঁলোকৰ নাম মেছাৰ্ছ ই-প্ৰক্ৰিয়ৰমেণ্ট টেকন’লজিছ লিমিটেড (অকচনটাইগাৰ)ত পঞ্জীয়ন কৰিব লাগিব। যোগাযোগৰ ব্যক্তিঃ ৰাম শৰ্মা, মোবাইলঃ ৮০০০০২৩২৯৭, ফোনঃ **৯২৬৫৫৬২৮১৮/ ৯২৬৫৫৬২৮২১/ ০৭৯-৬৮১৩৬৮৪২/ ৬৮৬৯** ই-মেইলঃ **rampraasad@auctiontiger.net & support@auctiontiger.net** আৰু বিনামূলীয়াকৈ ব্যৱহাৰকাৰী আইডি আৰু পাছৱৰ্ড লাভ কৰিব আৰু মেছাৰ্ছ ই-প্ৰক্ৰিয়াৰমেণ্ট টেকন’লজিছ লিমিটেড-অকচনটাইগাৰ, বি-৭০৫, ৱাল ষ্ট্ৰিট-২, অৰিয়েণ্ট ক্লাবৰ সন্মুখত, গুজৰাট কলেজৰ সমীপত, ইলিছ ব্ৰিজ, আহমেদাবাদ-৩৮০০০৬, গুজৰাট (ভাৰত)ৰ পৰা ই-নিলামৰ প্ৰশিক্ষণ লাভ কৰিব পাৰিব। ইএমডিৰ বাবে কোনো চেক গ্ৰহণ কৰা নহ’ব। **(৩)** সফল নিবিদাকাৰীৰ আমানত ধন জমা (ইএমডি) অংশ বিক্ৰীৰ বিবেচনাৰ দিশত ৰখা হ’ব আৰু অসফল নিবিদাকাৰীৰ ইউৰ ইএমডি ঘূৰাই দিয়া হ’ব। আমানত ধন জমাৰ কোনো সুত নাথাকিব। সফল নিলামকাৰীয়ে বিক্ৰী মূল্যৰ ২৫%, ই-নিলাম বিক্ৰীৰ প্ৰক্ৰিয়া বন্ধ হোৱাৰ লগে লগে, আৰু বাকী থকা বিক্ৰী মূল্যৰ ৭৫% বিক্ৰীৰ ১৫ সংখ্যক দিন বা তাৰ আগতে বা অনুমোদিত বিষয়াৰ দ্বাৰা আৰু কেৱল অনুমোদিত বিষয়াৰ বিবেচনা অনুসৰি লিখিতভাৱে চুক্তিবদ্ধ হোৱা বৰ্ধিত সময়ৰ ভিতৰত জমা কৰিব লাগিব। সফল নিবিদাকাৰীয়ে ধন পৰিশোধ নকৰাৰ ক্ষেত্ৰত সফল নিবিদাকাৰীয়ে ইতিমধ্যে জমা কৰা ধনৰাশি জব্দ কৰিব লাগিব আৰু সম্পত্তি পুনৰ নিলাম কৰিব লাগিব আৰু ঋণ পৰিশোধ নকৰা সম্পত্তি/ৰাশিৰ ক্ষেত্ৰত কোনো দাবী/অধিকাৰ নাথাকিব। বিক্ৰীৰ বাবে উপাৰ্জন ৫০ লাখ টকা (পঞ্চাশ লাখ টকা) আৰু তাৰ ওপৰত সফল নিবিদাকাৰীয়ে বিক্ৰীৰ উপাৰ্জনৰ ১% হাৰত টিডিএছ পৰিশোধ কৰিব লাগিব আৰু টিডিএছ প্ৰমাণ পত্ৰৰ মূল ৰচিদ নিগমত জমা দিব লাগিব আৰু প্ৰযোজ্য অনুসৰি যাতায়াত, আইনী কৰ/জিএছটি পঞ্জীয়ন, নিৰিখ আদিৰ সকলো নিৰিখ কেৱল সফল নিবিদাকাৰীয়েহে বহন কৰিব। **(৪)** নিবিদা দাখিল কৰাৰ পূৰ্বে সম্পত্তি আৰু নিৰ্দিষ্টকৰণৰ বিষয়ে পৰিদৰ্শন কৰি নিজকে সন্তুষ্ট কৰাটো নিবিদাকাৰীৰ দায়িত্ব হ’ব। এই সন্দৰ্ভত অনুমোদিত বিষয়াৰ অনুমতি সাপেক্ষে ইচ্ছুক নিলামকাৰীক ওপৰত উল্লেখ কৰা তাৰিখত নিলামত ৰখা সম্পত্তি পৰিদৰ্শনৰ অনুমতি দিয়া হ’ব। পৰিদৰ্শনৰ বাবে ইচ্ছুক নিবিদাকাৰীয়ে তিনিচুকীয়া শাখাৰ নেডফিৰ শাখা পৰিচালকৰ সৈতে (মোবাইল নং **৯৮৫৪০২৮২২২**) যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হ’ল। **(৫)** অনুমোদিত বিষয়াই সৰ্বোচ্চ অফাৰ গ্ৰহণ কৰিবলৈ বাধ্য নহয় আৰু অনুমোদিত বিষয়াৰ কোনো বা সকলো অফাৰ (সমূহ) গ্ৰহণ বা প্ৰত্যাখ্যান কৰাৰ বা কোনো কাৰণ নিৰ্ধাৰণ নকৰাকৈ ই-নিলাম গ্ৰহণ/প্ৰত্যাখ্যান/ স্থগিত/ বাতিল কৰাৰ নিৰপেক্ষ অধিকাৰ আছে। অধিক তথ্যৰ বাবে যিকোনো কৰ্মদিনৰ কাৰ্যালয়ৰ সময়ত **উত্তৰ-পূব উন্নয়ন বিত্তীয় নিগম লিমিটেড (নেডফি), নেডফি হাউচ, জি এছ ৰোড, দিছপুৰ, গুৱাহাটী-৭৮১০০৬ৰ কৰ্তৃত্বপ্ৰাপ্ত বিষয়া শ্ৰী সত্যজিৎ নাথৰ সৈতে যোগাযোগ কৰক (ফোন নং ৯৮৫৪০-২৮২০৫) ই-মেইল আইডিঃ satyajit@nedfi.com**। **(৬)** ওপৰৰ সূচীত উক্ত সম্পত্তিসমূহৰ সন্দৰ্ভত উল্লেখ কৰা বিৱৰণসমূহ অনুমোদিত বিষয়া/ নিগমৰ তথ্য অনুসৰি উল্লেখ কৰা হৈছে, কিন্তু কোনো ভুলৰ বাবে অনুমোদিত বিষয়া বা নিগম জবাবদিহি নহ’ব, এই ৰাজহুৱা জাননীত ভুল বিবৃতি বা বাদ দিয়া হৈছে। **(৭)** অনুমোদিত বিষয়াৰ জ্ঞাত আৰু তথ্য অনুসৰি সম্পত্তিসমূহৰ ওপৰত আন কোনো বোজা নাই। কিন্তু নিলাম দাখিল কৰাৰ পূৰ্বে নিলামকাৰীয়ে নিলামত ৰখা সম্পত্তিৰ বোজা, সম্পত্তিৰ উপাধি আৰু সম্পত্তিক প্ৰভাৱিত কৰা দাবী/ অধিকাৰ/ বকেয়া/ বাবদ/ বোজা সম্পৰ্কৰ বিষয়ে নিজাববীয়াকৈ সোধা-পোছা কৰিব লাগে। ই-নিলামৰ বিজ্ঞাপনটোৱে নিগমৰ কোনো প্ৰতিনিধিত্বৰ কোনো প্ৰতিশ্ৰুতি গঠন নকৰে আৰু ইয়াক গণ্য কৰা নহ’ব। নিগমৰ জ্ঞাত বা অজ্ঞাত সকলো বৰ্তমানৰ আৰু ভৱিষ্যতৰ বোজা লৈ এই সম্পত্তি বিক্ৰী কৰা হৈছে। নিৰাপদ পাওনাদাৰৰ অনুমোদিত বিষয়া কোনো তৃতীয় পক্ষৰ দাবী/ অধিকাৰ বাবদ ধনৰ বাবে কোনো ধৰণে দায়বদ্ধ নহ’ব। বিক্ৰী ছাৰফেইছী আইন ২০০২-ৰ বিধান মতে সম্পাদিত হ’ব। **(৮)** নিবিদাকাৰীসকলক তেওঁলোকৰ নিলাম দাখিল কৰাৰ আগতে আৰু ই-নিলামত অংশগ্ৰহণ কৰাৰ আগতে ৱেব পৰ্টেলঃ **https://sarfaesi.auctiontiger.net**-ত উপলব্ধ ই-নিলামৰ বিশদ চৰ্ত আৰু নিয়মসমূহৰ চাবলৈ পৰামৰ্শ দিয়া হৈছে। **(৯) বন্ধকদাতা/ জামিনদাৰ/ ঋণগ্ৰাহকৰ দৃষ্টি আইনৰ ধাৰা ১৩ৰ উপ-ধাৰা (৮)ত উল্লেখিত বিধানলৈ আকৰ্ষিত কৰা হৈছে, য’ত সুৰক্ষিত সম্পত্তি উদ্ধাৰ কৰিবলৈ উপলব্ধ সময়ৰ বিষয়ে স্পষ্টকৈ উল্লেখ আছে।**

**নিৰাপত্তা স্বাৰ্থ (বলবৎকৰণ) নিয়ম, ২০০২ৰ নিয়ম ৯(১)ৰ অধীনত বিধিগত ৩০ দিনৰ বিক্ৰীৰ জাননী**

ইয়াৰ দ্বাৰা উপৰোক্ত ঋণসমূহৰ ঋণগ্ৰহণকাৰী/ জামিনদাৰ/ বন্ধকদাতালৈ জাননী দিয়া হৈছে যে, ৩০ দিনৰ ভিতৰত তেওঁলোকৰ সমগ্ৰ বকেয়া ধনসহ তাৰিখ ব্যৱহাৰৰ সুত আৰু আন সহায়ক খৰচ পূৰ্ণৰূপে জমা নকৰিলে, ওপৰত উল্লেখ কৰা তাৰিখত সম্পত্তিৰ বিক্ৰয় অনুষ্ঠিত হ’ব।

**স্থান: গুৱাহাটী**
**দিনাংক: ১৫-১২-২০২৫**

**স্বা/-**
**অনুমোদিত বিষয়া, নেডফি**

# স ম্পা দ কী য়

২৮ আঘোণ, সোমবাৰ, ১৯৪৭ শক

## জুবিন হত্যাৰ চাৰ্জশ্বীট

অৱশেষত ৮৪ দিনীয়া শ্বাসৰুদ্ধকৰ উৎকণ্ঠা আৰু অপেক্ষাৰ অন্ত পেলাই প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক হত্যাৰ তদন্তৰ অভিযোগনামা দাখিল কৰিলে এছ আই টিয়ে। এই চাৰ্জশ্বীটক লৈ বিভিন্ন প্ৰশ্নৰ অৱতাৰণা হৈছে যদিও অসমৰ জনগণৰ আগত উন্মোচন হ'ল জুবিন হত্যাৰ নেপথ্যৰ এচাম মানুহৰূপী লোভী, স্বাৰ্থপৰ, নৰপিশাচৰ কুটিল অমানবীয় বৰ্বৰতাৰ ঘৃণনীয় অকথিত কাহিনী। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আৰম্ভণিৰে পৰা দাবী কৰি অহাৰ দৰেই অভিযোগনামাত প্ৰতীয়মান হ'ল জুবিন হত্যাৰ নাৰকীয় দস্তাৱেজ। তদন্তত স্পষ্ট হৈ পৰিল ছিংগাপুৰৰ অনাকাংক্ষিত মৃত্যুৰ ঘটনাটো সাধাৰণ দুৰ্ঘটনা নাছিল। বৰং জুবিনৰ সোঁৱে-বাঁৱে থাকি মৃত্যুলৈকে তেজ শুহি খোৱা এচাম তথাকথিত বিশ্বস্ত সহচৰে দীৰ্ঘদিনীয়া পৰিকল্পনাৰে শীতল মস্তিষ্কৰে সংঘটিত কৰা হত্যাকাণ্ডহে। চি আই ডি থানাত ৰুজু হোৱা ১৮/২০২৫ গোচৰটোত প্ৰথমতে সন্নিবিষ্ট কৰা হোৱা নাছিল হত্যাৰ ধাৰা। কিন্তু উক্ত ধাৰাটো সন্নিবিষ্ট কৰাৰ পাছতে তদন্তই নাটকীয় মোৰ লোৱা দেখা যায়। এছ আই টিৰ অভিযোগনামাত চাৰিজনক হত্যাৰ ধাৰাত মূল অভিযুক্তৰূপে চিহ্নিত কৰা হৈছে। জুবিনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা, নৰ্থ-ইষ্ট ফেষ্টিভেলৰ প্ৰধান উদ্যোক্তা শ্যামকানু মহন্ত, বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী আৰু সহঃশিল্পী অমৃতপ্ৰভা মহন্তৰ বিৰুদ্ধে আন ধাৰাৰ লগতে ১০৩ ধাৰাত ৰুজু কৰা হৈছে হত্যাৰ গোচৰ। আনহাতে, জুবিনৰ সম্পৰ্কীয় ভাতৃ আৰক্ষী বিষয়া সন্দীপন গাৰ্গ আৰু দুই নিৰাপত্তাৰক্ষী নন্দেশ্বৰ বৰা, পৰেশ বৈশ্যৰ বিৰুদ্ধে অপৰাধমূলক ষড়যন্ত্ৰৰ ধাৰা সন্নিবিষ্ট কৰা হৈছে। সামগ্ৰিকভাৱে নথি-পত্ৰ সম্বলিত বাৰ হেজাৰ পৃষ্ঠাৰ অভিযোগনামাৰ পাতে পাতে অনুৰণিত হৈছে জুবিন হত্যাৰ অকথিত নাৰকীয় কাহিনী। জুবিন হত্যা সন্দৰ্ভত ৰুজু হোৱা আন এটি গোচৰ ১৯/২০২৫ তদন্ত এতিয়াও অব্যাহত আছে। অসমৰ সমান্তৰালকৈ ছিংগাপুৰতো আন এক গোচৰৰ তদন্ত চলি আছে। অৱশ্যে ছিংগাপুৰ পুলিচে হত্যাৰ দৃষ্টিকোণেৰে নে আন দিশত তদন্ত চলাই আছে, সেয়া অহা ১৮ মাৰ্চতহে দাখিল কৰিবলগীয়া চূড়ান্ত প্ৰতিবেদনত স্পষ্ট হ'ব। ছিংগাপুৰৰ আৰক্ষীয়ে প্ৰাৰম্ভিক তদন্ত প্ৰতিবেদনত জুবিনৰ পানীত ডুবি মৃত্যু হোৱা বুলিহে প্ৰকাশ কৰিছিল। ইতিমধ্যে বিদেশী ৰাষ্ট্ৰখনৰ তদন্তকাৰী সংস্থাই মৰণোত্তৰ প্ৰতিবেদনো জুবিনৰ পত্নী গৰিমা গাৰ্গক অৰ্পণ কৰিছে। কিন্তু অসমৰ ৰাইজৰ মনত এটাই প্ৰশ্ন আৰু সেইটো হৈছে জুবিনৰ মৃত্যু-ৰহস্য উন্মোচন হ'ব লাগে। আইনৰ সুৰুঙাৰে এজনো দোষী সাৰি নোযোৱাকৈ জুবিনে যাতে অবিলম্বে ন্যায় পায়, সেয়া চৰকাৰে নিশ্চিত কৰিব লাগিব। ছিংগাপুৰত সংঘটিত ঘটনাই অন্ততঃ এটা কথা স্পষ্ট কৰি দিলে যে জুবিনে কোনো অচিনাকি লোকৰ হাতত প্ৰাণ হেৰুওৱা নাই, সহজ-সৰল, সকলোকে মৰম, সহৃদয়তা আৰু বিশ্বাসেৰে আঁকোৱালি লৈ অহা শিল্পীগৰাকীক তিলতিলকৈ মৃত্যুমুখলৈ ঠেলি দিলে তেওঁৰেই উচ্ছিষ্ট সেৱনকাৰী একাংশ কৃতঘ্ন নৰাধমে। হত্যাকাৰীৰ এই দলটোত আছে তেওঁৰ বিশ্বস্ত সহচৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা, বন্ধুৰূপী পাতকী শ্যামকানু মহন্ত, মঞ্চত ছাঁৰ দৰে লাগি থকা তথাকথিত শিল্পী অমৃতপ্ৰভা মহন্ত, তেজৰ সম্পৰ্ক থকা ভাতৃ সন্দীপন গাৰ্গৰ উপৰি দুগৰাকী চৰকাৰী নিৰাপত্তাৰক্ষী। বিশেষকৈ এগৰাকী শীৰ্ষ আৰক্ষী বিষয়া তথা ভাতৃৰ চকুৰ সমুখতে অসহায়ভাৱে জুবিনে কৰুণ মৃত্যুক আঁকোৱালি ল'বলগীয়া হোৱাটো মানি ল'ব পৰা নাই কোনো এজন অসমীয়াই। প্ৰয়োজনত নিজৰ জীৱন বিপন্ন কৰিও জনতাৰ প্ৰাণ বচোৱাৰ পণ লৈ আৰক্ষীত ভৰ্তি হোৱা এইসকল 'তথাকথিত বিশ্বস্ত' লোকৰ কৃতঘ্নতাৰ আন উদাহৰণ আৰু কি হ'ব পাৰেনো? মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে অভিযোগনামাত সন্নিবিষ্ট হৈছে হত্যা, ষড়যন্ত্ৰৰ পৰা আৰম্ভ কৰি ধনদাবী, অপৰাধমূলক ষড়যন্ত্ৰলৈ একাধিক অপৰাধৰ অভিযোগ।

তদন্তত স্পষ্ট হৈ পৰিছে যে মেনেজাৰ সিদ্ধাৰ্থৰ জুবিন হত্যাৰ ম'টিভ সুস্পষ্ট। পুৱতি নিশালৈকে বিভিন্ন মঞ্চ, অনুষ্ঠানত বিৰামহীনভাৱে গান গাই, সংগীতৰ বহু হিট এলবাম উপহাৰ দি, কেইবাখনো হিট ছবি নিৰ্মাণ কৰি, নিজেই অভিনয় কৰি জুবিনে সঞ্চিত কৰা জীৱনজোৰা কষ্টোপাৰ্জিত ধনৰ অবাধ লুণ্ঠনেৰে অগাধ ধন-সম্পত্তিৰ গৰাকী হৈ সুখ-স্বাচ্ছন্দ্যৰ জীৱন কটাইছিল সিদ্ধাৰ্থই। দীৰ্ঘদিন ধৰি আত্মসাৎ কৰি অহা বিপুল ধন-সম্পত্তিৰ হিচাপ এদিন বিচাৰিব পাৰে বুলিয়ে আশংকাতে যে জুবিনক চিৰদিনৰ বাবেই আঁতৰাই পঠালে, সেয়া এতিয়া স্পষ্ট হৈ পৰিছে। চাৰ্জশ্বীটত সংযোজিত কৰা ধাৰাসমূহৰপৰাই বুজা গৈছে— কিদৰে চতুৰ সিদ্ধাৰ্থই নিজৰ দুৰ্বৃত্ত চক্ৰৰে প্ৰায় দুবছৰ ধৰি জুবিনক শীতল মস্তিষ্কৰে হত্যাৰ নিখুঁত পৰিকল্পনা ৰচিছিল। জুবিনৰ দৰে জনতাৰ হাৰ্টথ্ৰ'ব শিল্পী এগৰাকীক হত্যা কৰাটো ইমান সহজসাধ্য নাছিল, তাতে আকৌ গৃহভূমিত। এই ভয়ংকৰ পৰিকল্পনাৰ জাল গোঁঠোতে প্ৰধান সংগী কৰি ল'লে উদ্যোক্তা শ্যামকানুক। এইদৰেই প্ৰচাৰ-প্ৰসাৰ, ছপা-ইলেক্ট্ৰনিক মিডিয়া, ছ'চিয়েল মিডিয়া সকলোতে অখণ্ড প্ৰভাৱ বিস্তাৰ কৰি থকা অসমৰ 'কালচাৰেল বেৰন' শ্যামকানু মহন্তক। শ্যামকানু এক শক্তিশালী, প্ৰভাৱশালী পৰিয়ালৰ লোক হোৱা হেতুকে নিশ্চিন্ত আছিল সিদ্ধাৰ্থ। ৰাজ্যৰ একালৰ শীৰ্ষ আৰক্ষীৰ ভাতৃ হোৱাৰ সুবাদতে শ্যামকানু লোকচক্ষুত সন্দেহৰ পাত্ৰ নহ'ব। জুবিন পৰিয়ালৰো অন্যতম ঘনিষ্ঠ ব্যক্তি। ইমান ডাঙৰ বিপজ্জনক কাম এটা সমাধা কৰিবলৈ সিদ্ধাৰ্থই আৰু দুজন জুবিনৰ ঘনিষ্ঠ লোক শেখৰজ্যোতি আৰু অমৃতপ্ৰভাক সংগী কৰি ল'লে। সিদ্ধাৰ্থ জুবিনৰ মেনেজাৰ হোৱা হেতুকে বেণ্ডৰ ওপৰত ভালেখিনি কৰ্তৃত্ব আছিল। গতিকে শেখৰ, অমৃতপ্ৰভা কোনেও তাৰ ওপৰত মাত মাতিব পৰা নাছিল। হয়তো ধনৰ লোভ দেখুৱাই বা আন কোনো গোপন কথাৰ বাবে ব্লেকমেইলিঙৰ ভয় দেখুৱাই দুয়োকে সহযোগ কৰিবলৈ বাধ্য কৰাইছিল। পৰিকল্পনা অনুসৰিয়েই অসুস্থ জুবিনক ছিংগাপুৰলৈ নিয়া হৈছিল। সংগীতৰ অনুষ্ঠান এক অজুহাতহে আছিল। আচল উদ্দেশ্য আছিল দূৰৈৰ সমুদ্ৰত যট পাৰ্টীৰ আয়োজন। সুৰা আৰু পাৰ্টীৰ প্ৰতি থকা দুৰ্বলতাই যেন জুবিনৰ বাবে কাল হ'ল। কৌশলগতভাৱেই শ্যামকানুৱে যট পাৰ্টীলৈ নগ'ল দূৰৈৰ পৰাই সূত্ৰধাৰৰ ভূমিকা ল'লে। লোকচক্ষুত এটা সাধাৰণ দুৰ্ঘটনাৰ ৰূপ দিবলৈ বিচাৰিছিল যদিও তেওঁলোকে কল্পনাও কৰিব নোৱাৰা প্ৰতিক্ৰিয়ামুখৰ পৰিস্থিতিৰ সৃষ্টি হয় অসমত; যি প্ৰতিক্ৰিয়াৰ ঢৌ আজিও মাৰ যোৱা নাই। এই অভিযুক্তসকল আদালতত দোষী সাব্যস্ত হৈ ফাঁচিকাঠত নোলোমালৈকে অসমবাসী ক্ষান্ত নহ'ব। জুবিনক হেৰুওৱাৰ ক্ষোভ আৰু শোকৰ এই জুইকুৰা খুব সোনকালে নিৰ্বাপণ হ'ব বুলি আশা কৰিব নোৱাৰি। অভিযুক্তৰ পক্ষে ওকালতি নকৰিবলৈ অসমৰ অধিবক্তা সমাজে দৃঢ় স্থিতি অটল হৈ আছে যদিও অভিযুক্তৰ পৰিয়ালবোৰে নিশ্চয় হাত সাবটি বহি নাথাকিব। তেওঁলোকে সৰ্বোচ্চ ন্যায়ালয়ত দেশৰ আন ৰাজ্যৰ অধিবক্তাৰ জৰিয়তে আইনী সাহায্য লোৱাৰ তৎপৰতা অব্যাহত ৰাখিব। এই সকলো দিশৰ প্ৰতি অসমৰ ৰাইজে অতন্দ্ৰ প্ৰহৰীৰ দৰে সতৰ্ক দৃষ্টি ৰাখিব লাগিব। গুৰুত্বপূৰ্ণ কথাটো হৈছে অভিযোগনামা দাখিলতেই দায়িত্ব সামৰিলে নহ'ব, জুবিনে উচিত ন্যায় নোপোৱালৈকে চৰকাৰ তৎপৰ হ'ব লাগিব আৰু দোষীসকলক দৃষ্টান্তমূলক শাস্তি দিলেহে অসমবাসীয়ে শান্তি পাব।

## সময়ৰ শৰ



কেৰালাত বাঁওপন্থীৰ দুৰ্গত উৰিল বিজেপিৰ বিজয় নিচান।

**বহুদিনীয়া হেঁপাহ পূৰ্ণ হোৱা উপলক্ষে দেশজুৰি নতুন উৎসৱ আহেহে লাগে!**

❖ ❖ ❖

নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতে বাংলাদেশত হিংসা।

**কিনো নতুন কথা, নিৰ্বাচন বুলি ক'লেই দেশখনত বহুতৰে গা সাতখন-আঠখন হয়েই দিয়কচোন!**

❖ ❖ ❖

এজন ৰক্ষীৰেই চলিছে ফিল'বাৰী খণ্ড বন কাৰ্যালয়।

**মিতব্যয়িতাৰ নিদৰ্শন হিচাপে এতিয়া বাকী কাৰ্যালয়বোৰতো এয়া প্ৰয়োগ কৰাৰহে কথা!**

❖ ❖ ❖

নগাঁৱৰ ৩ কাৰখানাত জিলা প্ৰশাসনৰ তলা।

**দিয়া-লোৱাত হীন-ডেঢ়ি হ'লে এনে ঘটনা ঘটিবই, সময়ত সকলো ঠিক হৈ যাব!**

❖ ❖ ❖

ছমৰীয়াত দুই কংগ্ৰেছীৰ শীতল যুঁজ।

**খোৱা-কামোৱা বা শীতল যুঁজ যিয়েই নোবোলক কিয়— এইবোৰত কংগ্ৰেছীক কোনেও বলে নোৱাৰে!**

# জেন জি চিন্তা, মূল্যবোধ আৰু প্ৰত্যাহ্বান

অংকিতা বৰুৱা

বিশ্বায়নৰ এই যুগ ব্যাপক পৰিৱৰ্তনৰ যুগ। সমাজ, ৰাজনীতি, অৰ্থনীতি, সংস্কৃতি, প্ৰযুক্তিৰ লগতে মানুহৰ দৈনন্দিন জীৱনধাৰাৰ দ্ৰুতগতিত পৰিৱৰ্তন ঘটিছে। স্বাভাৱিকতে সমাজ একোখনৰ সামগ্ৰিক পৰিৱৰ্তনৰ এই ধাৰাটোক বহন কৰে প্ৰজন্মৰ ব্যৱধানে। ভিন্ন সময়ত জন্মগ্ৰহণ কৰা লোকৰ বাবে পাৰিপাৰ্শ্বিকৰ প্ৰতিটো কথাই পৃথক পৃথক চিন্তাধাৰা, মূল্যবোধ আৰু জীৱন-দৰ্শন। স্বাভাৱিকতে একোটা পৃথক সমাজ ব্যৱস্থাৰ সৃষ্টি হয়। এই সামগ্ৰিক পৰিৱৰ্তনসমূহৰ ওপৰত ভিত্তি কৰি প্ৰজন্মসমূহক একো একোটা নাম বা গোটত অন্তৰ্ভুক্ত কৰা হয়। আমি সকলোৱে জানো যে প্ৰজন্মসমূহৰ একত্ৰীকৰণৰ কাৰণ আৰু যুক্তি দৰ্শাই বহুতো তাত্ত্বিক বিশ্লেষণ আৰু মতবাদ আছে। সেই বিশ্লেষণসমূহৰ আঁত ধৰিয়েই সৃষ্টি হৈছে প্ৰজন্মৰ বিভিন্ন নামসমূহ— ডি গ্ৰেটেষ্ট জেনেৰেচন (১৯০১-১৯২৭), ডি ছাইলেণ্ট জেনেৰেচন (১৯২৮-১৯৪৫), বেবী বুমাৰ্ছ (১৯৪৬-১৯৬৪), জেনেৰেচন এক্স (১৯৬৫-১৯৮০), মিলেনিয়েল্‌ছ (জেনেৰেচন ৱাই, ১৯৮১-১৯৯৬), জেনেৰেচন জেড (Generation Z, iGen) (১৯৯৭-২০১২), জেনেৰেচন আলফা (২০১৩-২০২৫)। আজিৰ এই আলোচনাত মিলেনিয়েল্‌ছ আৰু জেনেৰেচন জেড (Generation Z, iGen)ৰ কিছু তুলনামূলক বিশ্লেষণেৰে ৰাজনীতি, সামাজিক পৰিৱেশ আৰু সামাজিক মাধ্যমৰ ক্ষেত্ৰসমূহত জেন জিৰ সক্ৰিয় অংশগ্ৰহণ আৰু তেওঁলোকৰ মানসিক জগতখনৰ বিষয়ে কিছু লিখাৰ প্ৰয়াস কৰা হৈছে।

মিলেনিয়েলসকল আৰু জেন জি, দুয়োটা প্ৰজন্মই আধুনিকতাক বিভিন্ন ধৰণে প্ৰতিনিধিত্ব কৰি আহিছে। মিলেনিয়েলসকলে সময়ৰ লগে লগে ম'বাইল ফোন, ইণ্টাৰনেট, সামাজিক মাধ্যম আদিৰ ব্যৱহাৰৰ সৈতে অভ্যস্ত হৈ, আজিৰ তাৰিখত জেনেৰেচন জিৰ সৈতে সমান্তৰালভাৱে এখন ডিজিটেল জগতৰ সৈতে সংযুক্ত হৈছে যদিও জেন জিৰ সৈতে তেওঁলোকৰ দৰ্শন বহুক্ষেত্ৰত ভিন্ন। তেওঁলোকে আধুনিকতা আৰু পৰম্পৰাৰ মাজত সমতুলতা ৰক্ষা কৰি আগুৱাই যোৱাত বিশ্বাসী। জীৱনৰ বিভিন্ন অভিজ্ঞতাক অগ্ৰাধিকাৰ দিহে মিলেনিয়েলসকলে আধুনিকতাক গ্ৰহণ কৰাৰ পৃষ্ঠপোষকতা কৰে। নিজস্ব অভিমত দাঙি ধৰাৰ সমান্তৰালকৈ তেওঁলোকে অগ্ৰজ প্ৰজন্মৰ চিন্তাধাৰাকো সন্মানপূৰ্বকভাৱে গ্ৰহণ কৰাটো মিলেনিয়েলসকলৰ বৈশিষ্ট্য।

জেন জি মিলেনিয়েল প্ৰজন্মৰ ঠিক পাছৰে যদিও তেওঁলোকৰ মনস্তাত্ত্বিক জগতখন সম্পূৰ্ণ বেলেগ। বিশ্বৰ সৰ্ববৃহৎ জনগাঁথনিগত গোট 'জেন জি'ৰ প্ৰতিটো বিষয়কে আধুনিক আৰু যুক্তিপূৰ্ণ দৃষ্টিভংগীৰে চোৱাটো প্ৰধান বৈশিষ্ট্য। তেওঁলোকে স্মাৰ্টফোন, ইণ্টাৰনেট আৰু ছ'চিয়েল মিডিয়াৰ পৃথিৱীখনত জন্মগ্ৰহণ কৰা হেতুকে ডিজিটেল পৃথিৱীখনৰ সৈতে তেওঁলোকৰ ওতপ্ৰোত সম্পৰ্ক। আমেৰিকাৰ মনোবিজ্ঞানী জিন টুৱেংগে (Jean Twenge)ৰ মতে, 'Generation Z is a super connected cohort'– সহজ অৰ্থত 'অতি সংযুক্ত প্ৰজন্ম'। অৰ্থাৎ এই প্ৰজন্ম ডিজিটেল মাধ্যম, ইণ্টাৰনেট, ছ'চিয়েল মিডিয়া আৰু যোগাযোগ প্ৰযুক্তিৰ সৈতে অতিমাত্ৰা সংযুক্ত থাকে। জীৱনৰ মূল উপাদানস্বৰূপ হৈ পৰা ডিজিটেল জগতখনৰ সৈতে অহৰহ সংযুক্ত থকাৰ বাবে তেওঁলোকৰ বহিৰ্বিশ্বৰ প্ৰতি দৃষ্টিভংগী সুকীয়া। যিকোনো বিষয়কে তেওঁলোকে তাৎক্ষণিকভাৱে অনুধাৱন কৰি সিদ্ধান্ত লোৱাত আগ্ৰহী।

জেন জিক কেৱল এটা সংখ্যাগত দলত সীমাবদ্ধ বুলি ভাবিলে ভুল কৰা হ'ব। বৰঞ্চ এই সময়ত তেওঁলোক পৰিৱৰ্তনকামী সমাজ এখনক প্ৰতিনিধিত্ব কৰা এটা সক্ৰিয় শক্তি হৈ পৰিছে। ডিজিটেল জগতখনৰ জৰিয়তে এই প্ৰজন্মই গঠনমূলক নতুন চিন্তাৰে নাগৰিকৰ জীৱনৰ লগতে সমাজৰ বিভিন্ন দিশত গভীৰভাৱে প্ৰভাৱান্বিত কৰিবলৈ সক্ষম হৈছে। ইনষ্টাগ্ৰাম, ইউটিউব, ফে'চবুক, লিংকডিন আদি সামাজিক মাধ্যমসমূহক শক্তিশালী মঞ্চলৈ ৰূপান্তৰ কৰি ৰাজনীতি, লিংগসমতা, পৰিৱেশ সংৰক্ষণ, দুৰ্নীতিৰোধ, নাগৰিকৰ সম অধিকাৰৰ দৰে বিষয়সমূহত জনমত গঠন কৰি নতুন আদৰ্শ প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰিছে। তেওঁলোকে ডিজিটেল সক্ৰিয়তাক পৰিৱৰ্তনৰ মূল চালিকা শক্তিৰূপে গ্ৰহণ কৰিছে। নৈতিক সিদ্ধান্ত গ্ৰহণত বিশ্বাসী জেন জিয়ে দলীয় ৰাজনীতিতকৈ কৰ্মত অধিক গুৰুত্ব দিয়ে। সৌ সিদিনা মাত্ৰ ঘটি যোৱা নেপাল আৰু বাংলাদেশৰ পৰিস্থিতিৰ বিষয়ে আমি সকলো অৱগত। নেপালত ২০২৫ চনৰে ছেপ্টেম্বৰ মাহৰ আৰম্ভণিত সামাজিক মাধ্যমৰ নিষেধাজ্ঞাই ব্যাপক প্ৰতিবাদৰ সৃষ্টি কৰিছিল। জেন জিৰ যুৱক-যুৱতীয়ে সেই নিষেধাজ্ঞাৰ প্ৰতিবাদত ৰাজপথলৈ ওলাই আহিছিল। তেওঁলোকে চৰকাৰক জবাবদিহি কৰি দুৰ্নীতিৰ অৱসানৰ দাবী তুলিছিল। এই আন্দোলনৰ ফলাফলত বহু লোকৰ মৃত্যু হোৱাৰ লগতে বহু লোক আহত হৈছিল। আন্দোলনৰ পাছতে নেপালৰ প্ৰধানমন্ত্ৰীয়ে পদত্যাগ কৰিছিল আৰু সুশীলা কাৰ্কীৰ নেতৃত্বত এখন অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন কৰা হৈছিল।

২০২৪ চনতো বাংলাদেশত ঘটি যোৱা ছাত্ৰ নেতৃত্বাধীন আন্দোলনৰ ফলস্বৰূপে ৰাজনৈতিক পৰিৱৰ্তন ঘটিছিল। ২০২২ চনত শ্ৰীলংকাৰ ক্ষেত্ৰতো অৰ্থনৈতিক দুৰৱস্থা আৰু দুৰ্নীতিৰ বিৰুদ্ধে যুৱপ্ৰজন্মৰ আন্দোলনে গুৰুত্বপূৰ্ণ ৰাজনৈতিক পৰিৱৰ্তন আনিছিল। এই ঘটনাবোৰে প্ৰমাণ কৰে জেন জিয়ে ডিজিটেল মাধ্যম ব্যৱহাৰৰ যোগেদি কিমান বেছি সক্ৰিয় জনমত গঠন কৰিবলৈ সক্ষম হৈছে।

প্ৰকৃতাৰ্থত জেন জিৰ চিন্তাধাৰা প্ৰযুক্তিনিৰ্ভৰ হোৱাৰ বাবে সকলো দিশতে ক্ষিপ্ৰগতিত পৰিৱৰ্তন ঘটিছে। সামাজিক মাধ্যম তেওঁলোকৰ বাবে তথ্যৰ উৎস মাত্ৰ নহয়। প্ৰতিবাদী পৰিৱেশ তথা আন্দোলন গঢ়ি তোলাৰ ক্ষেত্ৰত সামাজিক মাধ্যমৰ ভূমিকা অতুলনীয়। বিভিন্ন বিষয়ক জনগণৰ মাজলৈ সহজে লৈ যাবলৈ 'হেছটেগ' ব্যৱহাৰ কৰি শ্লোগানৰ সৃষ্টি কৰা হৈছে। হেছটেগৰ উদাহৰণস্বৰূপে #MeTooৰ লগতে অসমৰ বাবে অতিকৈ দুৰ্ভাগ্যজনক, অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ দাবীত গঢ়ি তোলা ডিজিটেল আন্দোলন #JusticeforZubeenGarg-এ অসমত সৰ্বকালৰ অভিলেখ ভংগ কৰি বৰ্তমান ষাঠি লাখৰ ঘৰ অতিক্ৰম কৰিছে। এইক্ষেত্ৰত সামাজিক মাধ্যমৰ ভূমিকা অনস্বীকাৰ্য।

> জেন জিয়ে প্ৰতিটো দিশতে নতুনত্ব অনাৰ সময়ত আৰু এটা প্ৰশ্ন জাগে— অগ্ৰজ তথা অভিভাৱকৰ লগত সৌহাৰ্দ্যপূৰ্ণ, মাৰ্জিত ব্যৱহাৰৰ সীমাৰেখাডাল তেওঁলোকে অতিক্ৰম কৰি গৈছে নেকি? তেওঁলোকৰ সম্পৰ্কক অতি সহজ ৰূপ এটা দিয়াৰ চেষ্টাই জ্যেষ্ঠজনৰ প্ৰতি, সম্পৰ্কৰ প্ৰতি থাকিবলগীয়া সন্মানখিনি লাঘৱ কৰিছে নেকি? এয়া সকলোৱে ক্ষেত্ৰত নহ'লেও আংশিকভাৱে এই কথাৰ প্ৰভাৱ দেখা যায়। পিতৃ-মাতৃৰ সৈতে বন্ধুত্বসুলভ সম্পৰ্ক ৰক্ষা কৰাটো সদায়েই গ্ৰহণযোগ্য। কিন্তু তাকে কৰিবলৈ যাওঁতে এই প্ৰজন্মৰ অতি মুকলি মনোভাবক আন এটা প্ৰজন্মই সহজে গ্ৰহণ কৰিব নোৱাৰা পৰিস্থিতিও আহি পৰা দেখা যায়।

ৰাজনীতিৰ সহজ কাঠামোক সলনি কৰি জেন জিৰ দৃষ্টিভংগীৰে ৰাজনীতি হৈছে জনগণৰ মাজত ঐক্য, সহযোগিতা আৰু অন্যায়ৰ বিৰুদ্ধে উচ্চাৰিত এক কণ্ঠ। তেওঁলোকৰ ৰাজনৈতিক দৰ্শন মূলতঃ ন্যায়, স্বচ্ছতা আৰু ভৱিষ্যৎ সচেতনতাৰ ওপৰত নিৰ্ভৰশীল। উল্লেখ কৰিব পাৰি যে পৰম্পৰাগত যি ৰাজনৈতিক আদৰ্শৰ পৰিসৰ, তেওঁলোকে সেইখিনিৰ সৈতে সংযুক্ত নোহোৱাকৈও, কেৱল ডিজিটেল পৃথিৱীখনৰ পৰা লাভ কৰা তথ্য আৰু অভিজ্ঞতাৰ ভিত্তিত নতুনকৈ একোটা নেৰেটিভ সৃষ্টি কৰি লৈছে। বহু সময়ত ডিজিটেল আন্দোলনেৰে জনসমাৱেশৰ সৃষ্টি কৰি তেওঁলোকে সেই আন্দোলন ৰাজপথলৈ লৈ অহাও আমি দেখিবলৈ পাইছোঁ। ৰাজনীতি তেওঁলোকৰ বাবে ক্ষমতাতকৈ বেছি দায়িত্ববোধ। তেওঁলোকৰ মূল্যবোধ আৰু দৰ্শনে ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত উদাৰ গণতান্ত্ৰিক দেশ এখন দাবী কৰে। সমলিংগ অধিকাৰৰ সপক্ষে, LGBTQ অধিকাৰ, সংখ্যালঘুৰ সুৰক্ষা ইত্যাদি বিষয়সমূহত তেওঁলোক অধিক তীক্ষ্ণ আৰু সংবেদনশীল।

তৎসত্ত্বেও উল্লেখ কৰিব লাগিব যে সকলো কথাৰে যোগাত্মক আৰু ঋণাত্মক দুয়োটা দিশেই থকাৰ দৰে জেন জিৰ অত্যধিক ডিজিটেল সংযোগ সকলো সময়তে শুদ্ধ বুলি মানি ল'ব নোৱাৰি। বৃহৎ স্বাৰ্থক পৰিহাৰ কৰি যদি চোৱা হয়, ব্যক্তিগতভাৱে প্ৰতিজন জেন জিৰ অন্তৰ্ভুক্ত ব্যক্তিৰে অধিক 'স্ক্ৰীন টাইম' চিন্তনীয়। এই আধিক্যই তেওঁলোকৰ মানসিক জগতখনতো নেতিবাচক প্ৰভাৱ পেলোৱাৰ সম্ভাৱনাই অধিক। যিহেতু তেওঁলোক ডিজিটেল তথ্যনিৰ্ভৰ প্ৰজন্ম, স্বাভাৱিকতে তেওঁলোকৰ মনত উদয় হোৱা প্ৰতিটো প্ৰশ্নৰে একোটা তাৎক্ষণিক সমিধান বিচাৰে। ফলস্বৰূপে কৰ্মৰ বহুমুখিতাৰ প্ৰভাৱত একে সময়তে তেওঁলোকে বহুকেইটা বিষয়ৰ ওপৰত অধ্যয়ন তথা চৰ্চা কৰি যায়। এই বিষয়টোৱে যদিও তেওঁলোকৰ মন-মগজুক অধিক সক্ৰিয় কৰি ৰাখে, সমান্তৰালকৈ তেওঁলোকৰ মনৰ স্থায়িত্ব কমাই অনাৰ দৰে চিন্তনীয় দিশ এটাও উন্মোচিত হয়। এটা বিষয়ৰ পৰা আন এটা বিষয়লৈ দ্ৰুত সালসলনি ঘটি থকাৰ নিৰন্তৰ এই প্ৰক্ৰিয়াত তেওঁলোকে এটা বিষয়ক লৈ বহু সময় নিমজ্জিত হৈ থাকি বিষয়টোৰ অধিক ভিতৰলৈ যাব পৰাকৈ মানসিক স্থায়িত্ব হেৰুৱাই পেলোৱাৰ সম্ভাৱনা অধিক। বহুবিধ উৎসৰ তথ্য একেলগে গ্ৰহণ কৰিব পৰা সক্ষমতাক যোগাত্মক দৃষ্টিভংগীৰে গ্ৰহণ কৰিলেও তেওঁলোক চঞ্চল, অস্থিৰ আৰু দ্ৰুত সিদ্ধান্ত গ্ৰহণৰ পৰিপ্ৰেক্ষিতত কোনো কোনো সময়ত ভুল বাটেৰে যোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। জেন জিৰ তাৎক্ষণিক সমস্যা সমাধানৰ প্ৰতি থকা অত্যধিক আগ্ৰহে তেওঁলোকৰ মানসিক উদ্বেগ বঢ়াইছে। স্বাভাৱিকতে মানসিক অস্থিৰতা বাঢ়ি যায় আৰু পৰিসমাপ্তিত তেওঁলোক অতি সহজতে হতাশাগ্ৰস্ত হৈ পৰে। তদুপৰি সামাজিক মাধ্যমৰ জৰিয়তে গঠন হোৱা জনমত আৰু তাৎক্ষণিকভাৱে ফলাফল বিচাৰাৰ প্ৰক্ৰিয়াটো কিমান প্ৰণালীবদ্ধ, সেয়াও এক প্ৰশ্ন। জেন জিৰ তাৎক্ষণিক সিদ্ধান্তৰে কৰা আন্দোলনে দেশৰ আন্তঃগাঁথনিত পেলোৱা প্ৰভাৱ কিমান যোগাত্মক?

মানৱীয় সম্পৰ্কসমূহৰ লগতে আন সামাজিক সংযোগৰ ক্ষেত্ৰতো জেন জিয়ে একান্ত নিজস্ব মানসিকতাক অধিক গুৰুত্ব দিয়ে। অনলাইন বন্ধুত্ব বা ডিজিটেল সংযোগী সম্পৰ্কসমূহত তেওঁলোকে অধিক সময় অতিবাহিত কৰা দেখা যায়। যাৰ ফলস্বৰূপে আজিকালি সামাজিক সম্পৰ্কৰ গভীৰতা হ্ৰাস পাইছে। ব্যক্তিগত পৰ্যায়ত সম্পৰ্কবোৰৰ মাজত দূৰত্ব বাঢ়ি গৈছে। অনলাইন জগতখনত অত্যন্ত সংযুক্ত হৈ থকাৰ ফলত তেওঁলোকে ব্যক্তিগতভাৱে আন্তৰিক সম্পৰ্কসমূহৰ গুৰুত্ব বুজি পাবলৈ অক্ষম।

জেন জিয়ে প্ৰতিটো দিশতে নতুনত্ব অনাৰ সময়ত আৰু এটা প্ৰশ্ন জাগে— অগ্ৰজ তথা অভিভাৱকৰ লগত সৌহাৰ্দ্যপূৰ্ণ, মাৰ্জিত ব্যৱহাৰৰ সীমাৰেখাডাল তেওঁলোকে অতিক্ৰম কৰি গৈছে নেকি? তেওঁলোকৰ সম্পৰ্কক অতি সহজ ৰূপ এটা দিয়াৰ চেষ্টাই জ্যেষ্ঠজনৰ প্ৰতি, সম্পৰ্কৰ প্ৰতি থাকিবলগীয়া সন্মানখিনি লাঘৱ কৰিছে নেকি? এয়া সকলোৱে ক্ষেত্ৰত নহ'লেও আংশিকভাৱে এই কথাৰ প্ৰভাৱ দেখা যায়। পিতৃ-মাতৃৰ সৈতে বন্ধুত্বসুলভ সম্পৰ্ক ৰক্ষা কৰাটো সদায়েই গ্ৰহণযোগ্য। কিন্তু তাকে কৰিবলৈ যাওঁতে এই প্ৰজন্মৰ অতি মুকলি মনোভাবক আন এটা প্ৰজন্মই সহজে গ্ৰহণ কৰিব নোৱাৰা পৰিস্থিতিও আহি পৰা দেখা যায়। তেনেক্ষেত্ৰত এই প্ৰজন্ম সহনশীল হোৱাটো বাঞ্ছনীয়। তেওঁলোকে বুজা উচিত, সলনিক গ্ৰহণ কৰিব পৰাকৈ সকলোকে একো একোটা সময়ৰ প্ৰয়োজন। তেওঁলোকৰ এটা চিএঞৰত এটা প্ৰজন্ম জাগি উঠিলেও তেওঁলোকৰ অগ্ৰজসকলৰ চিন্তা তথা দৰ্শনক সমূলি নোহোৱা কৰি পেলাব নোৱাৰে। তাৰ বাবে সময়ৰ প্ৰয়োজন হ'ব, লগতে ভুল-শুদ্ধৰ বিচাৰ কৰিহে সমাজে তেওঁলোকৰ সিদ্ধান্তক গ্ৰহণ কৰিব। আৰু এয়াও লক্ষণীয় হ'ব জেন জিৰ এইধৰণৰ নতুনত্ব অনাৰ প্ৰচেষ্টাই সমাজত প্ৰচলিত সংস্কাৰসমূহক কিমান দূৰলৈকে ধৰি ৰাখিব পাৰিব। পুৰণিৰ ভেটিটোৰ আশ্ৰয় নহ'লে নতুনত্ব শিপাহীন হৈ পৰাৰ আশংকা নুই কৰিব নোৱাৰি। তদুপৰি অভিজ্ঞতা নোহোৱাকৈ অনা বিপ্লৱ ক্ষণস্থায়ী হোৱাৰ সম্ভাৱনাই অধিক। জেন জিৰ ইতিবাচক দিশসমূহৰ লগতে চিন্তনীয় এই দিশসমূহ আলোচিত হোৱা উচিত।

তেওঁলোকৰ মানসিক জগতখন যদিও স্বাধীনচিতীয়া, সংবেদনশীল, প্ৰযুক্তিনিৰ্ভৰ আৰু আত্মসচেতন, সমান্তৰালভাৱে তেওঁলোক উদ্বেগ, মানসিক চাপ আৰু অনিশ্চয়তাৰ অভ্যাসেৰেও জৰ্জৰিত। সামাজিক মাধ্যমৰ প্ৰতি থকা অতিমাত্ৰা আসক্তিৰ ফলত একাংশ লোকৰ উৎপাদনশীলতা হ্ৰাস পাইছে আৰু ওপৰত কৈ অহাৰ দৰে এই ব্যৱস্থাটোৱে তেওঁলোকৰ মানসিক স্বাস্থ্যৰ ওপৰতো বিৰূপ প্ৰভাৱ পেলাইছে। আধুনিক বিশ্বৰ দ্ৰুত পৰিৱৰ্তনত তেওঁলোকৰ নিত্য নতুন প্ৰতিবাদ আৰু তাৰ সফল ৰূপায়ণৰ মানসিক তাগিদাত ব্যক্তিগতভাৱে তেওঁলোক অধিক মানসিক চাপ আৰু উদ্বেগৰ বশৱৰ্তী হৈ পৰা পৰিলক্ষিত হৈছে। যাৰ ফলত তেওঁলোক অতি সহজে হতাশাগ্ৰস্ত হৈ পৰে। অত্যধিক মানসিক চাপ সৃষ্টিৰ ফলত বহু সময়ত অপৰাধমূলক কাৰ্যকলাপত লিপ্ত হোৱাৰ ঘটনাও শুনিবলৈ পোৱা যায়।

অতি সংযুক্ত প্ৰজন্ম হৈও তেওঁলোকক ব্যক্তিকেন্দ্ৰিকতাৰ ৰোষত পৰা দেখা যায়। তেওঁলোকৰ চিন্তাৰ পৃথিৱীখন যদিও সামূহিক উন্নতিৰ হকে, তথাপি আক্ষৰিক অৰ্থতহে সেইখিনি সীমাবদ্ধ হৈ ৰৈছে যেন অনুমান হয়। তেওঁলোকে অতিমাত্ৰা আধুনিকতাক আঁকোৱালি লোৱাৰ ফলত পৰিয়াল তথা সমাজৰ প্ৰতি থাকিবলগীয়া সন্মানপূৰ্বক দায়বদ্ধতাখিনি নোহোৱা হৈছে। আমাৰ পৰম্পৰা, সংস্কাৰ, ধৰ্মীয় মূল্যবোধ, সামাজিক মূল্যবোধৰ দৰে অত্যন্ত গভীৰ আৰু সংবেদনশীল বিষয়সমূহক তেওঁলোকৰ অতি আধুনিক মানসিকতাই বহু সময়ত অৱজ্ঞা কৰা দেখা যায়। সমাজ এখনক প্ৰচলিত ধ্যান-ধাৰণাৰ পৰা সমূলঞ্চে সলনি কৰি পেলোৱাৰ যি ধাৰা এটা সৃষ্টি হৈছে সেয়া সকলো দিশতে গ্ৰহণযোগ্য হ'ব নোৱাৰে। অতি আধুনিকতাক গ্ৰহণ কৰাৰ ফলত এখন সমাজ নিয়ন্ত্ৰণহীন হৈ পৰাৰ সম্ভাৱনাই অধিক।

এনেক্ষেত্ৰত অভিভাৱক তথা অগ্ৰজসকলৰ কৰণীয় নিশ্চয় আছে। সৰুৱে বাট ভুল কৰিলে সেয়া পোনাই-পজৰাই লোৱাটো ডাঙৰৰেই কৰ্তব্য। জেন জিৰ মনৰ জগতখনক বুজিবলৈ চেষ্টা নকৰি কেৱল তেওঁলোকক দোষাৰোপ কৰিলেও ভুল হ'ব। অত্যন্ত আধুনিক পৃথিৱী এখনত জন্মগ্ৰহণ কৰাৰ বাবে তেওঁলোকে বস্তুবাদিতাক অতি গুৰুত্বপূৰ্ণ স্থান দি আহিছে। তেওঁলোকৰ প্ৰয়োজন যেন বোধ হোৱা প্ৰতিটো বস্তুৱে প্ৰয়োজন প্ৰকৃততে কিমান, সেয়া আমি অভিভাৱকসকলেও চালিজাৰি চোৱা উচিত। বস্তুৰ সহজ উপলব্ধতাই তেওঁলোকক বৈষয়িকভাৱে অধিক সচেতন তথা আত্মকেন্দ্ৰিক কৰি তুলিছে। বিজ্ঞানমনস্কতা যিদৰে প্ৰয়োজনীয়, আধ্যাত্মিক চিন্তা-চৰ্চাও যে জীৱনৰ এক এৰাব নোৱাৰা অংশ— সেই সত্য তেওঁলোকে হৃদয়ংগম কৰিব পৰা এটা পৰিৱেশ আমি অভিভাৱকসকলে দিব লাগিব। ক্ষণিক আৱেগৰ বশৱৰ্তী হৈ সকলো সিদ্ধান্ত লোৱাৰ পৰিৱৰ্তে ধীৰে-সুস্থিৰে, গভীৰ চিন্তাৰ জৰিয়তে লোৱা সিদ্ধান্তইহে প্ৰকৃত সফলতা আনে।

শেহতীয়াকৈ অসম এক গণ-হতাশাৰ সন্মুখীন হৈছে। অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুৱে সৰু-বৰ সকলোৰে মনত এক গভীৰ বিষাদ তথা শূন্যতাৰ সৃষ্টি কৰিছে। এই বিষাদগ্ৰস্ততাক মন কৰিলে দেখা যায়, এই প্ৰজন্মৰ অনুৰাগীসকল আটাইতকৈ বেছি হতাশ হৈছে। বিভিন্ন ধৰণে তেওঁলোকে জুবিন গাৰ্গৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ভালপোৱাক প্ৰকাশ কৰিছে। কিন্তু তেওঁলোক প্ৰকৃত অনুৰাগী বুলি তেতিয়াহে দাবী কৰিব পাৰিব, যেতিয়া জুবিন গাৰ্গৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ তেওঁৰ কৰ্মৰ প্ৰতি থকা স্পৃহা আৰু দায়িত্ববোধক হৃদয়ংগম কৰিব পাৰিব। তাৎক্ষণিক সিদ্ধান্তৰে উচ্ছৃংখলতাক প্ৰশ্ৰয় দিয়াৰ পৰিৱৰ্তে জুবিন গাৰ্গৰ আদৰ্শৰে প্ৰকৃতাৰ্থত প্ৰকৃতিপ্ৰেমী, মানৱ-দৰদী হ'ব পাৰিব লাগিব। নিজৰ দেশখন, মাতৃভূমি, আইৰ মুখৰ ভাষাটোক উজ্জীৱিত কৰি ৰখাৰ চেষ্টাৰ লগতে জুবিন গাৰ্গৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ কৰ্মৰ প্ৰতি সদা সচেতন হওক। কৰ্মবিমুখ হৈ কেৱল আন্দোলনেৰে দেশ এখনৰ উন্নতি সাধন হ'ব নোৱাৰে। জুবিন গাৰ্গে কেইবাটাও সাক্ষাৎকাৰত কৈছিল— 'কাম কৰি থাকিব লাগিব। কাম নহ'লে মই থাকিব নোৱাৰোঁ। ভাল কাম কৰি যাওক, সফলতা নিজে নিজেই আহিব। মাত্ৰ কামবোৰ ভাল হ'ব লাগে। সমাজৰ বাবে সকলোৱে চিন্তা কৰি কাম কৰি যাওক।'— এনে এক আদৰ্শ যুৱ প্ৰজন্মৰ বাবে পাথেয় হওক। সহজতে উত্তেজিত হোৱাৰ প্ৰৱণতাক ৰোধ কৰি সুস্থিৰতাক গুৰুত্ব দিলে আধুনিক পৃথিৱীখনত জেন জিৰ দক্ষতা আৰু নিপুণতা অধিক ফলপ্ৰসূ হ'ব বুলি বিশ্বাস। অগ্ৰজসকলৰ অভিজ্ঞতাপুষ্ট চিন্তা-চৰ্চাৰে জেন জিৰ বহুমুখী কৰ্মক সমৃদ্ধ কৰিলে তেওঁলোকৰ আদৰ্শ আৰু কৰ্ম সঠিক দিশত আগুৱাই যাব পাৰিব। এই প্ৰজন্মৰ সৃষ্টিশীলতা, নতুনত্ব আৰু প্ৰযুক্তিগত দক্ষতাই সঠিক দিশত গতি কৰিলে, লগতে অভিজ্ঞসকলৰ সমৰ্থন পালে জেন জিয়ে সকলো প্ৰত্যাহ্বানক সফলভাৱে অতিক্ৰম কৰি প্ৰগতিৰ নতুন দিশৰ সূচনা কৰিব।

*ফোন : ৯৮৫৪০৮৫৭২০*

# মহৎ জাবৰৰ বিড়ম্বনা!

হৰ্ষজিৎ কলিতা

> এখন পুৰস্কাৰপ্ৰাপ্ত গ্ৰন্থ সকলো সময়তে এখন মহৎ বা কালজয়ী গ্ৰন্থ নহ'বও পাৰে। ই কেৱল মুষ্টিমেয় বিচাৰকৰ চকুত ধৰা পৰা আপেক্ষিক শ্ৰেষ্ঠতাৰহে নিৰ্বাচন। এই নিৰ্বাচন বেছিভাগ পঢ়ুৱৈক প্ৰতিনিধিত্ব কৰা এটা নিৰ্বাচন নহ'বও পাৰে।

এই লেখাৰ শিৰোনামৰ প্ৰথম দুটা শব্দ এখন চৰ্চিত অসমীয়া গ্ৰন্থৰ শিৰোনামৰপৰা 'ধাৰ কৰা' আৰু গুৰুত্বপূৰ্ণভাৱে একে নামৰ সেই গ্ৰন্থখনৰ বৃহৎ আলোচ্য বিষয় আৰু এই লেখাৰ প্ৰতিপাদ্য বিষয়ৰ মূল ক্ষেত্ৰ একেই— 'সাহিত্য'। প্ৰতিবছৰে গ্ৰন্থমেলাৰ বতৰত সাহিত্য জগতক আক্ৰান্ত আৰু সমৃদ্ধ কৰা কিছুমান বিষয় আমাৰ মন-গহনত ভুমুকি মাৰে আৰু এই লেখাত তেনেকুৱা দুই-এক বিষয়কেই সামৰি লোৱা হৈছে। যিবোৰে আমাৰ দৃষ্টিত সৃষ্টিশীলতাৰ পথাৰখনক লাহে লাহে ক্লেদময় কৰি তুলিছে। আমাৰ বোধেৰে সেই বিষয়বোৰৰ মুক্ত আলোচনা আৰু শালীন বিতৰ্ক হোৱাটো জৰুৰী। যিয়ে সাহিত্যৰ বিভিন্ন বলয়ত বাস কৰা প্ৰতিজন ব্যক্তিক উদ্বুদ্ধ, প্ৰবুদ্ধ আৰু উৎসাহিত কৰিব পাৰে।

যোৱা সময়ছোৱাত ৰাজ্যখনৰ গ্ৰন্থ উদ্যোগ আৰু সাহিত্যৰ বলয়টোৰ পৰা কিছু দূৰত অৱস্থান কৰিও, অথবা এজন সাধাৰণ পাঠক হিচাপে আমাৰ জ্ঞানচক্ষু ব্যৱহাৰ নকৰাকৈও আমি এই সত্যৰ মুখামুখি হৈছোঁ যে অসমত 'লেখক বনি যোৱা' আৰু কিতাপ লিখা কামটো একেবাৰে উজু। আপোনাৰ লেখাৰ ন্যূনতম মান আৰু শ্ৰম অবিহনেই আপোনাৰ পকেটত পইচা থাকিলেই আপুনি কিতাপ এখন উলিয়াই ৰাতিৰ ভিতৰতে এজন 'বিশিষ্ট লেখক' হৈ যাব পাৰে। কবিতাৰ স'তে জড়িত নহৈও কবিতাৰ এজন পাঠক হোৱাৰ বাবেই এই কথা আমাৰ বোধগম্য হৈছে যে ৰাতিটোৰ ভিতৰতে ন্যূনতম মানবিহীন এখন কিতাপ (এই প্ৰক্ৰিয়াটো বেছিকৈ সংঘটিত হৈছে কবিতাত) এখন প্ৰকাশ কৰি প্ৰখ্যাত হোৱা অনেক যশপ্ৰাৰ্থী কবি-লেখক আমাৰ চাৰিওফালে বিৰাজমান হৈ আছে। এই প্ৰক্ৰিয়াটোত আপোনাৰ বা মোৰ কৌতূহল নিৰসিত প্ৰশ্নটো এনেকুৱাও হ'ব পাৰে— যদি কোনোবাই কিতাপ লিখিছে আৰু তাত সমস্যা কি? সৰৱ হ'ব লগাকৈ এয়াতো চুৰি-ডকাইতি-ধৰ্ষণো নহয়। উত্তৰটো হ'ব এনেকুৱা— আপোনাৰ হাতত যদিহে কিতাপ এখন প্ৰকাশ কৰিবলৈ পৰ্যাপ্ত পৰিমাণৰ ধন থাকে, তেন্তে আপুনি কিতাপখনৰ বাবে মানবিশিষ্ট প্ৰকাশকৰ অনুগ্ৰহ, প্ৰকাশন গোষ্ঠীৰ বাছনি প্ৰক্ৰিয়া আদিৰ দীঘলীয়া সুৰংগটো অতিক্ৰম কৰাৰ দৰকাৰ নাই। গোটেই অসমতেই বৰ্তমান ৰঘুমলাৰ দৰে নামী-অনামী অজস্ৰ প্ৰকাশন গোষ্ঠীৰ জন্ম হৈছে, যাৰ বাবে গ্ৰন্থ এখন প্ৰকাশ কৰি নিজৰ বাণিজ্যিক লাভালাভতকৈ সাহিত্যৰ বিকাশ-উত্তৰণজাতীয় মহৎ উদ্দেশ্য তুচ্ছ। তেওঁলোকৰ কোনোধৰণৰ বাছনি প্ৰক্ৰিয়া নাই, যাৰ ফলত ভুলে-শুদ্ধই এখন গ্ৰন্থ প্ৰকাশ পায় আৰু 'প্ৰসিদ্ধ সাহিত্যিক'ৰ ৰেচক'ৰ্ছত এদল যশপ্ৰাৰ্থী, কষ্ট কৰিবলৈ অপাৰগ, তুলনামূলকভাৱে প্ৰতিভাহীন লেখক সোমাই পৰে। সোমাই পৰে সস্তীয়া জনপ্ৰিয়তা অৰ্জনৰ এক অশুৱনি প্ৰতিযোগিতাত।

সাহিত্যৰ মূল অৰ্থ কি? সৃষ্টিশীলতাৰ বিভিন্ন প্ৰকৰণেৰে জীৱনৰ মহৎ সত্যৰ উদ্‌ঘাটন। আমাৰ চেতনাক উদ্বেলিত কৰা, আমাৰ মগজুৰ কোষবোৰক বিভিন্ন অনুভূতিৰ মিশ্ৰণেৰে সক্ৰিয় আৰু সংবেদনশীল কৰি তোলা আৰু শেষত ইয়াৰ মাজেৰে এক জাতীয় দায়বদ্ধতাৰ উদ্‌গম! অৰ্থাৎ সাহিত্য মানেই একপ্ৰকাৰৰ মগজুৰ কচৰতেৰে সমাজক সমৃদ্ধ কৰাৰ প্ৰচেষ্টা। এই প্ৰক্ৰিয়াত ভাল কিতাপ, বেয়া কিতাপৰ শেষ বিচাৰজাতীয় বিষয় বা সময়ৰ ডাষ্টবিনত কিবা বৈ যাব ধৰণৰ চিন্তাৰ বিষয়টো সদ্যহতে সাহিত্যৰ আলোচনাৰ পৰা আঁতৰাই ৰখাটোৱেই যুগুত!

আহিছোঁ আন এটা বিষয়লৈ। এই যে কিতাপৰ বজাৰত আমি প্ৰতিদিনেই নতুন হৰেক-ৰকমৰ কিতাপ দেখিবলৈ পাওঁ, ইয়াৰে ভিতৰত আমাৰ আগ্ৰহৰ লগত ৰজিতা খোৱা কোনখন বা কোনকেইখন কিতাপ পঠনযোগ্য, তাক নিৰ্ণয় কৰাৰ এটা সৰ্বগ্ৰহণযোগ্য সূত্ৰ আমাৰ হাতত নাই। কিন্তু তৎসত্ত্বেও এজন পাঠক হিচাপে আমি তাৰ পৰা ভাল কিতাপ এখন কিনি আনি পঢ়াৰ তাগিদাজনিত কৌতূহল হেতুকে আমাৰ ওচৰত ভাল কিতাপ আৰু বেয়া কিতাপ নিৰ্বাচনৰ এডাল নিৰপেক্ষ মাপকাঠীৰ খুবেই প্ৰয়োজন হৈ পৰে। সম্পূৰ্ণকৈ নহ'লেও আংশিকভাৱে সেই মাপকাঠীৰ কাম কৰে কাকতৰ সাহিত্য পৃষ্ঠাত প্ৰকাশ পোৱা গ্ৰন্থ আলোচনা জাতীয় লেখাবোৰ আৰু ফেচবুক বা আভাসী মাধ্যমত দেখা পোৱা কিতাপ পঢ়ি দিয়া মতামতবোৰে। এতিয়া এই দুয়োটা মাধ্যমৰ গ্ৰন্থকেন্দ্ৰিক বিৱৰণিবোৰ বিশ্বাসযোগ্যভাৱে নিৰপেক্ষ হোৱাৰ সম্ভাৱনা থাকেনে? অপ্ৰিয় সত্য যে কাকত-আলোচনীৰ সাহিত্য পৃষ্ঠাত আলোচনা আৰু সমালোচনামূলক লেখা সম্প্ৰতি একাকাৰ হৈ পৰিছে। এই লেখাবোৰত বেছিভাগ ক্ষেত্ৰতেই বিৰাজ কৰে দুই-এক লেখকৰ নিজৰ গ্ৰন্থ বিষয়ক ছদ্মনামী আলোচনা বা তেওঁৰ অনুগামীগোটৰ দ্বাৰা যোগাত্মক অভিমত প্ৰকাশ কৰোৱাৰ এটা সুচতুৰ প্ৰৱণতা, সমান্তৰালভাৱে চলি থাকে অধিক সংস্কৰণ প্ৰকাশৰ চাতুৰীৰে পাঠকক আভুৱা-ভাঁৰাৰ এটা শেহতীয়া কৌশল। সমান্তৰালভাৱে এইধৰণৰ বতৰাই সাহিত্য ক্ষেত্ৰলৈ কঢ়িয়াই আনে এক দুঃসহ বৰ্তমান। কিয়নো এখন তুলনামূলকভাৱে কম গুৰুত্বপূৰ্ণ (গুৰুত্বপূৰ্ণতাৰ ধাৰণাটোও আপেক্ষিক) কিতাপৰ যোগাত্মক আলোচনা বা বাৰ্তাই পাঠকৰ মাজত এটা ভুল বাৰ্তাৰ সৃষ্টি কৰাৰ সম্ভাৱনাই থাকে। লেখকসকলে এই কথাও গমি চোৱাটো উচিত যে নব্য উদাৰীকৰণৰ বাণিজ্যিক সম্প্ৰসাৰণে দূৰদৰ্শনৰ পৰ্দাত দৃশ্যমান কৰোৱা বিপণন বিজ্ঞাপন আৰু কিতাপৰ দৰে শিল্পৰ বিজ্ঞাপনৰ মাজত অলপ-অচৰপ হ'লেও যোগাত্মক তফাৎ আছে।

আহিছোঁ এটা ব্যক্তিগত অভিজ্ঞতালৈ। কেইবছৰমান আগেয়ে বয়স আৰু অভিজ্ঞতাৰে আমাৰ এজন প্ৰবীণে ব্যক্তিগতভাৱে আমাৰ আগত অত্যন্ত ক্ষোভ আৰু দুখেৰে ব্যক্ত কৰিছিল— 'আমাৰ কিতাপৰ কথা কোনেও নিলিখে'। এই 'আমাৰ কিতাপৰ কথা কোনেও নিলিখে'জাতীয় ক্ষোভমিশ্ৰিত বিষোদ্‌গাৰবোৰৰ আঁৰত বেছিভাগ ক্ষেত্ৰত সোমাই থাকে নিজৰ সৃষ্টিৰ সফলতাৰ প্ৰতি মুক্তভাৱে বিশ্বাসী এদল লেখক। কোৱা বাহুল্য যে দুই-এখন ভাল (ভালৰ ধাৰণাটো আপেক্ষিক) গ্ৰন্থও কালৰ গতিত উপেক্ষিত হৈ পৰাৰ উদাহৰণ আমাৰ সাহিত্যত বিৰল নহয়। কিন্তু সেইবুলিয়েই প্ৰত্যেক ক্ষেত্ৰত লেখকে নিজৰ সৃষ্টিক লৈ ইমান বেছি গৰ্বিত আৰু বিশ্বাসী হোৱাটো ভাল সাহিত্য সৃষ্টি আৰু উদগনিৰ পক্ষেও ক্ষতিকাৰক নহয়নে? লেখকসকল এই দিশত বিশ্বাসী হৈ থকাটো জৰুৰী যে কিতাপ এখন সাধ্যানুসৰি নিখুঁত কৰালৈকেহে লেখকৰ দায়িত্ব; ৰচনাৰ পাছৰ পৰ্যায়ৰ যাত্ৰাটো সদায় কিতাপখনৰ নিজৰহে; পাঠকৰ পৰা চেনেহ-আদৰ আদায় কৰাৰ এই সমগ্ৰ পৰ্যায়টো কেৱল কিতাপখনৰ, ইয়াত লেখকৰ বিশেষ ভূমিকা নথকাটোৱে শ্ৰেয়। ভাল সাহিত্যই বিশ্বৰ যি ঠাইতেই নহওক কিয়, ইয়াৰ সমাদৰ কেতিয়াও নেহেৰুৱায়। অৱশ্যে সমান্তৰালভাৱে ভাল গ্ৰন্থক পাঠকৰ মাজত প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে সমালোচক আৰু আলোচক-পঢ়ুৱৈসকলো যথাসম্ভৱ নিৰপেক্ষ আৰু বিনয়ী হোৱাটো জৰুৰী।

এইসমূহ আলোচনাৰ শেষত আহে লেখকৰ পুৰস্কাৰপ্ৰীতিৰ মুখৰোচক খবৰ। এই কথা আমি স্বীকাৰ কৰিবই লাগিব যে যশ-পুৰস্কাৰৰ প্ৰতি লালায়িত লেখকৰ এটা শ্ৰেণী পূৰ্বতেও আছিল, বৰ্তমানো আছে আৰু ভৱিষ্যতেও থকাৰ অসীম সম্ভাৱনা আছে! এই শ্ৰেণীটোৱে অনুধাৱন কৰিবলৈ ইচ্ছুক নহয় যে গ্ৰন্থ এখন লিখি উলিওৱালৈকেহে লেখকৰ দায়িত্ব। তাৰ পাছৰ পৰ্যায়ত গ্ৰন্থখনৰ সমুদায় যাত্ৰা কেৱল ইয়াৰ নিজৰ। এই যাত্ৰাত লেখকৰ কোনো কৰণীয় নাই; ইয়াৰ মাজতেই যোৱা দুই-এবছৰত দেখি অহা পুৰস্কাৰৰ অশুৱনি প্ৰতিযোগিতা আৰু যশপ্ৰাৰ্থী লেখকৰ বৰ্দ্ধিত সংখ্যা নিঃসন্দেহে আমাৰ দৃষ্টিত এটা দুখৰ খবৰ। এই পুৰস্কাৰপ্ৰীতিৰ এটা গ্ৰহণযোগ্য কাৰণ হয়তো এনেকুৱাও যে আমাৰ মাজৰেই বহুতেই এতিয়াও পুৰস্কাৰপ্ৰাপ্ত গ্ৰন্থ এখনক ভাল বা মহৎ গ্ৰন্থ বুলি চকু মুদি বিশ্বাস কৰাৰ প্ৰৱণতা এটা বৰ্তি আছে। এই কথা আমি বুজি উঠাটো দৰকাৰ যে এখন পুৰস্কাৰপ্ৰাপ্ত গ্ৰন্থ সকলো সময়তে এখন মহৎ বা কালজয়ী গ্ৰন্থ নহ'বও পাৰে। ই কেৱল মুষ্টিমেয় বিচাৰকৰ চকুত ধৰা পৰা আপেক্ষিক শ্ৰেষ্ঠতাৰহে নিৰ্বাচন। এই নিৰ্বাচন বেছিভাগ পঢ়ুৱৈক প্ৰতিনিধিত্ব কৰা এটা নিৰ্বাচন নহ'বও পাৰে।

সাহিত্য মহৎ শিল্প। অসমীয়া জাতিৰ, বিশেষকৈ অসমৰ দৰে এখন ৰাজ্যত সাহিত্যৰ বিভিন্ন বলয়ত থিয় হৈ 'মহৎ জাবৰ'ৰ মহৎ বিড়ম্বনাৰ সাক্ষী হোৱাৰ দুৰ্ভাগ্য অৰ্জন কৰাৰ পৰত, বীতৰাগ হৈ উন্নাসিক সমালোচনা কৰাৰ পৰত প্ৰায়েই মনত উদয় হয় এইধৰণৰ অনেক প্ৰশ্ন। আমি ভাবোঁ যে সাহিত্যৰ বিভিন্ন বলয়ত বাস কৰা প্ৰতিজন লোকে উপৰিউক্ত বিষয়সমূহত এটা যোগাত্মক বাটৰ সন্ধানৰ বাবে চিন্তা-চৰ্চা কৰাটো জৰুৰী। অৱশ্যে পাঠকৰ আত্মসচেতনতাতকৈ গুৰুত্বপূৰ্ণ এই বিষয়ত আন একো হ'ব নোৱাৰে!

ফোন : ৯১০১৫৪৫২৯৫

■ প্ৰাক্তন বায়ুসেনা বিষয়াৰ পাকিস্তানৰে সম্পৰ্ক ■

## আৰক্ষীৰপৰা তথ্য সংগ্ৰহ ভাৰতীয় সেনাৰ



দৈনিক অসমৰ প্ৰতিনিধি

**তেজপুৰ, ১৪ ডিচেম্বৰ ঃ** ৰাষ্ট্ৰদ্ৰোহৰ অভিযোগত তেজপুৰত গ্ৰেপ্তাৰ হোৱা প্ৰাক্তন বায়ুসেনা বিষয়া কুলেন্দ্ৰ শৰ্মাৰ বিৰুদ্ধে শোণিতপুৰ আৰক্ষীয়ে অতি সতৰ্কতাৰে তদন্ত আৰম্ভ কৰিছে। দেশৰ নিৰাপত্তা সম্পৰ্কীয় স্পৰ্শকাতৰ তথ্য শত্ৰু ৰাষ্ট্ৰ পাকিস্তানৰ চোৰাংচোৰা সংস্থাক তথ্য যোগান ধৰাৰ অপৰাধত শনিবাৰে গ্ৰেপ্তাৰ কৰা ১৩ পৃষ্ঠাত চাওক

■ ১ নং উপৰ ওৱন গাঁৱত চাঞ্চল্য ■

## কাকপথাৰত নৱজাতকৰ মৃতদেহ ভক্ষণ কৰিলে কুকুৰে

দৈনিক অসমৰ প্ৰতিনিধি

**কাকপথাৰ, ১৪ ডিচেম্বৰ ঃ** কাকপথাৰত সংঘটিত হৈছে মানৱ সমাজক ভূ-লুণ্ঠিত কৰা ঘটনা। আজি পুৱা কুকুৰে ভক্ষণ কৰা অৱস্থাত এটি নৱজাতকৰ মৃতদেহ উদ্ধাৰ হয়। কাকপথাৰ ১নং উপৰ ওৱন গাঁৱত উদ্ধাৰ হয় নৱজাতকৰ মৃতদেহটো। পুৱাৰ সময়ত কোনো স্থানৰপৰা কুকুৰে গাঁওখনৰ এটা পৰিয়ালৰ চোতালত চোঁচৰাই আনি ভক্ষণ কৰি থকা অৱস্থাত প্ৰত্যক্ষ কৰে ১৩ পৃষ্ঠাত চাওক

**মানৱ সমাজক লজ্জানত কৰা দানৱীয় কাণ্ডক লৈ গভীৰ উদ্বেগ**

বৰপেটাত অনন্তৰাম দাস বঁটা গ্ৰহণ কৰি ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী

## জুবিন গাৰ্গ সাগৰৰ দৰে বিশাল-উদাৰ আছিল

দৈনিক অসমৰ প্ৰতিনিধি

**বৰপেটা, ১৪ ডিচেম্বৰ ঃ** 'জুবিন গাৰ্গক জীৱিত অৱস্থাত আমি আৱিষ্কাৰ কৰিব নোৱাৰিলোঁ। মৃত্যুৰ পিছতহে জুবিনক আৱিষ্কাৰ কৰিছোঁ। সকলো স্তৰৰ মানুহৰ বাবে আদৰৰ আছিল জুবিন। মানুহে জীৱিত কালত জুবিনক ইমান অন্তঃকৰণেৰে ভাল পাইছিল সেয়া জুবিনে জীৱিত অৱস্থাত গম নাপালে। জুবিনৰ সৈতে মুখামুখি হোৱা মানে সাগৰৰ সৈতে মুখামুখি হোৱা। জুবিন সাগৰৰ দৰে বিশাল আৰু উদাৰ আছিল।'— এই মন্তব্য বিশিষ্ট ঔপন্যাসিক, সাহিত্যিক ১৩ পৃষ্ঠাত চাওক



## বিতোপন কলঙক বিলী অৰ্জন সিং মেম'ৰিয়েল এৱাৰ্ড ফৰ ৱাইল্ডলাইফ গাইড অব ইণ্ডিয়া বঁটা প্ৰদান



দৈনিক অসমৰ প্ৰতিনিধি

**কাজিৰঙা, ১৪ ডিচেম্বৰ ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ এগৰাকী সুদক্ষ বন্যপ্ৰাণী গাইড হিচাপে পৰিচিত বিতোপন কলঙলৈ আগবঢ়োৱা হৈছে 'বিলী অৰ্জন সিং মেম'ৰিয়েল এৱাৰ্ড ফৰ ৱাইল্ডলাইফ গাইড অব ইণ্ডিয়া-২০২৫'ৰ সন্মান। নতুন দিল্লীত অনুষ্ঠিত 'অষ্টম টি অ'এফ টি ৱাইল্ড লাইফ এণ্ড নেচাৰ ট্যুৰিজম এৱাৰ্ড - ২০২৫'ৰ গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত 'ৰীৱাইল্ডিং ট্যুৰিজম ঃ চাষ্টেইনিং নেচাৰ, এম্পাৱাৰিং কমিউনিটিজ' থীমৰ অধীনত যোৱা ১২ ডিচেম্বৰত এই বঁটা কলঙক প্ৰদান কৰা হয়। বিগত এক দশকতকৈ অধিক কাল কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বন্যপ্ৰাণী গাইড হিচাপে কৰ্মৰত ১৩ পৃষ্ঠাত চাওক

## গংগাধৰ নৈত বিদ্যুৎ সংযোগেৰে মাছ নিধন

নিৰ্বিকাৰ বন বিভাগ- প্ৰশাসন

দৈনিক অসমৰ প্ৰতিনিধি

**তামাৰহাট, ১৪ ডিচেম্বৰ ঃ** যি সময়ত ৰাজ্যৰ মীন বিভাগে গাঁৱে-ভুঞে মৎস্য পালন কৰি আৰ্থিক স্বাৱলম্বী হোৱাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে তেনে সময়ত চোৰাংকৈ বিদ্যুৎ সংযোগ কৰি নদীত মাছ ধৰাৰ ঘটনাই মীন বিভাগৰ লগতে বন বিভাগৰ ফোঁপোলা স্বৰূপ উদঙাই দিছে বুলি চৰ্চা চলিছে। সন্ধিয়া হ'লেই বিদ্যুৎ সংযোগ কৰি নদীত নামি পৰে মাছ মৰিয়া। কিন্তু খবৰ নাই মীন বিভাগৰ বিষয়া-কৰ্মী আৰু বন বিভাগৰ। ধুবুৰী জিলাৰ তামাৰহাটত এই ভয়ংকৰ ঘটনা সংঘটিত হৈ আহিছে। বৈদ্যুতিক ইনভাটাৰ ব্যৱহাৰ কৰি মাছ ধৰাই ১৩ পৃষ্ঠাত চাওক

বজালীৰ ৰাজাখাট-বৰশিমলা পথত চৰম দুৰ্ভোগ জনসাধাৰণৰ

# গ্ৰাম চড়ক যোজনাৰ নামত ভেঁকো-ভাওনা




### সাংসদ ফণীভূষণ, বিধায়ক জাকিৰ হুছেইনে আধাৰশিলা স্থাপন কৰাৰ পাছতো নিৰ্মাণ নহ'ল পথ

দৈনিক অসমৰ প্ৰতিনিধি

**বজালী, ১৪ ডিচেম্বৰ ঃ** বজালী জিলাৰ ৰাজাখাট-বৰশিমলা পথত ৰাইজে চৰম দুৰ্ভোগৰ সন্মুখীন হ'বলগীয়া হৈছে। বজালী জিলাৰ দক্ষিণ অঞ্চলৰ অতি গুৰুত্বপূৰ্ণ এই ৰাজাখাট-বৰশিমলা পথত ৰাইজে যাতায়াতৰ ক্ষেত্ৰত এক নৰক যন্ত্ৰণা ভোগ কৰি আহিছে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি এই পথটোত প্ৰকাণ্ড গাঁতৰ সৃষ্টি হৈ থকাত ৰাইজ যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিছে। প্ৰায় ১৫ কিলোমিটাৰৰ এই পথছোৱাৰ অধিকাংশতে ১৩ পৃষ্ঠাত চাওক



## গৌৰীসাগৰ সিংখাপ মহিলা সমিতিৰ উদ্যোগ

## ভূপেন্দ্ৰ সংগীত-জুবিন গাৰ্গৰ গীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা

দৈনিক অসমৰ প্ৰতিনিধি

**গৌৰীসাগৰ, ১৪ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ গৌৰীসাগৰৰ অন্যতম সামাজিক, সাংস্কৃতিক অনুষ্ঠান সিংখাপ মহিলা সমিতিৰ উদ্যোগত গৌৰীসাগৰবাসীৰ সহযোগত অহা ২০ ডিচেম্বৰত শিৱসাগৰ জিলা ভিত্তিত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ জন্ম-শতবৰ্ষৰ লগত সংগতি ৰাখি ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আৰু সদ্য প্ৰয়াত গৌৰীসাগৰৰ মেধাৱী ছাত্ৰী মৌচুমী দেৱ সোঁৰণত অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ ১৩ পৃষ্ঠাত চাওক

স্থানীয় ক্ষুব্ধ ৰাইজে খেদি খেদি ধৰিলে দুই নগা দুৰ্বৃত্তক

## অস্ত্ৰধাৰী নগাই অসমীয়া যুৱকক মাৰপিট কৰাক লৈ উত্তপ্ত মেৰাপানীৰ জয়পুৰ

দৈনিক অসমৰ প্ৰতিনিধি

**মেৰাপানী, ১৪ ডিচেম্বৰ ঃ** অসম-নগালেণ্ড সীমাৰ মেৰাপানীৰ জয়পুৰ গাঁৱত আজি বিয়লি তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। আবেলি ৪ বজামানত চুবুৰীয়া নগালেণ্ডৰপৰা অহা ১১জনীয়া অস্ত্ৰধাৰী চিকাৰীৰ দলে জয়পুৰ গাঁৱত চৰাই মাৰিবলৈ আহি অসমীয়াক ভাবুকি দি মাৰপিট কৰে। ভেলৌগুৰি জয়পুৰ গাঁৱৰ স্থানীয় লোকে চৰাই মৰা কাৰ্যত বাধা দিয়াৰ বাবেই গাঁওখনৰ কিশোৰ কুমাৰ, ধীৰেশ্বৰ দৈমাৰী, লুলু গগৈ, ৰুমী গুৱালা নামৰ চাৰিগৰাকীকৈ লোকক নগা দুৰ্বৃত্তৰ দলটোৱে গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰে। নগা যুৱকৰ ১৩ পৃষ্ঠাত চাওক



## ডিব্ৰুগড়ত 'ৰাগ-অনুৰাগ' কাব্যগ্ৰন্থ উন্মোচন ডঃ নগেন শইকীয়াৰ

দৈনিক অসমৰ প্ৰতিনিধি

**শিৱসাগৰ, ১৪ ডিচেম্বৰ ঃ** ডিব্ৰুগড়ৰ জীৱন ফুকন নগৰ নিৱাসী সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডঃ নগেন শইকীয়াৰ বৰ্ণমালা গৃহত আজি পুৱা ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ বীৰেন বৰুৱাই আঁতধৰা অনুষ্ঠানত ডঃ নগেন শইকীয়াই শিৱসাগৰৰ ইলোৱা ভাগৱতীৰ স্বৰচিত কবিতা পুথি 'ৰাগ-অনুৰাগ' উন্মোচন কৰে। ডঃ শইকীয়াই কবিতা পুথিখনি উন্মোচন কৰি কয় যে 'ৰাগ-অনুৰাগ' কবিতা পুথিখনৰ চৰিত্ৰ অলপ পৃথক। ১৩ পৃষ্ঠাত চাওক

যোৰহাটত যুৱ নেতৃত্ব সমাৰোহত ডঃ আলেখ্য বৰুৱা


## আমি সকলোৱে প্ৰত্যেক ভাষাকে মান্যতা প্ৰদান কৰিব লাগিব

### প্ৰজ্ঞাৰ লক্ষ্য জ্ঞানৰ পোহৰেৰে সমাজক পোহৰাই তোলা ঃ ভগৱত প্ৰীতম

দৈনিক অসমৰ প্ৰতিনিধি

**যোৰহাট, ১৪ ডিচেম্বৰ ঃ** 'আমাৰ ভাষা-সংস্কৃতি আমাৰ পৰিচয়। আমাৰ ভাষা-সংস্কৃতিৰ ভেটি চহকী তথা টনকিয়াল কৰি থৈ গৈছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ লগতে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে ব্যক্তিয়ে। বৰ্তমান সময়ত অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰিছে। ই আমাৰ বাবে অতি গৌৰৱৰ বিষয়। কিন্তু আমি প্ৰত্যেক ভাষাকে মান্যতা প্ৰদান কৰিব লাগিব। কিয়নো, আমাৰ ১৩ পৃষ্ঠাত চাওক



## দৌলাশালত নিচাজাতীয় দ্ৰব্যসহ ধৃত ২

দৈনিক অসমৰ প্ৰতিনিধি

**মুকালমুৱা, ১৪ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ মুকালমুৱা থানাৰ অন্তৰ্গত দৌলাশাল আৰক্ষী চকীৰ আৰক্ষীয়ে হাজো-দৌলাশাল পথত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই নিচাজাতীয় টেবলেটসহ দুই সৰবৰাহকাৰীক কৰায়ত্ত কৰে। দৌলাশাল আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জ্যোতি কমল বণিয়াৰ নেতৃত্বত কালি সন্ধিয়া ১৩ পৃষ্ঠাত চাওক

দলীয় সভাত তাঞ্জিলৰ প্ৰাৰ্থিত্ব মানি নোলোৱাৰ হুংকাৰ

## সাংসদ ৰকিবুলৰ পুত্ৰৰ বিৰুদ্ধে চামগুৰিত তীব্ৰ বিসম্বাদ

দৈনিক অসমৰ প্ৰতিনিধি

**নগাঁও, ১৪ ডিচেম্বৰ ঃ** আসন্ন বিধানসভা নিৰ্বাচনলৈ মাজত মাত্ৰ কেইটামান মাহ বাকী থকা অৱস্থাত ৰাজ্যৰ ৰাজনীতিৰ অন্যতম চৰ্চিত সমষ্টি চামগুৰিৰ কংগ্ৰেছ শিবিৰত তীব্ৰ বিসম্বাদে গা কৰি উঠিছে। বিগত ২০০১ চনৰ নিৰ্বাচনত ৰকিবুল হুছেইনৰ বিৰুদ্ধে আধা ডজন নেতাই কংগ্ৰেছৰ প্ৰাৰ্থিত্ব বিচাৰিছিল যদিও ২০০৬, ২০১১, ২০১৬ আৰু ২০২১ৰ নিৰ্বাচনত সাংসদ ৰকিবুল হুছেইনৰ বিৰুদ্ধে কোনো এজন কংগ্ৰেছী নেতাই প্ৰাৰ্থিত্ব বিচৰা নাছিল। কিন্তু যোৱা ২০২৪ চনৰ লোকসভা নিৰ্বাচনত ১৩ পৃষ্ঠাত চাওক

## মদাৰজ্যোতিলৈ 'শব্দকল্প কাব্য বঁটা'

দৈনিক অসমৰ প্ৰতিনিধি

**ৰহা, ১৪ ডিচেম্বৰ ঃ** সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠান শব্দকল্পই ২০২৫-২৬ বৰ্ষৰ বাবে আগবঢ়োৱা সাহিত্য বঁটা আৰু কাব্য বঁটাপ্ৰাপকৰ নাম ঘোষণা কৰিছে। শব্দকল্পৰ সম্পাদক নাৰায়ণ চন্দ্ৰ ৰজাই প্ৰেৰণ কৰা প্ৰেছ বিবৃতি অনুসৰি, ২০২৫-২৬ বৰ্ষৰ বাবে আগবঢ়োৱা শব্দকল্প সাহিত্য বঁটা লাভ কৰিছে মৰিগাঁও জিলাৰ শিমলুগুৰিৰ বিশিষ্ট কবি, সাহিত্যিক বলেন চন্দ্ৰ বৰুৱাই আৰু শব্দকল্প কাব্য বঁটা লাভ কৰিছে নগাঁও জিলাৰ ৰহাৰ ১৩ পৃষ্ঠাত চাওক

## ডঃ অহিজুদ্দিন শ্বেখক 'সাহিত্যিক এম ইলিম উদ্দিন দেৱান বঁটা' প্ৰদান

### স্মৃতিগ্ৰন্থ উন্মোচন

দৈনিক অসমৰ প্ৰতিনিধি

**গোৱালপাৰা, ১৪ ডিচেম্বৰ ঃ** গোৱালপাৰা জিলা সাহিত্য সভাৰ উদ্যোগত সাহিত্যৰথী শাখা সাহিত্য সভা, হেলাপাখৰীৰ সহযোগত আৰু বলদমাৰী চৰ হাইস্কুলৰ আতিথ্যত আজি উলহ-মালহেৰে ১৩ পৃষ্ঠাত চাওক



মাজুলীত ১০০১ শিল্পীৰ বৰগীত পৰিৱেশনেৰে শুভাৰম্ভ শিশু ভাওনা সমাৰোহ ■ 'ভাওনা ভাৰস্তি' উন্মোচন

## ভাওনা শিশুক আধ্যাত্মিক জ্ঞান দিব পৰা মাধ্যম ঃ ডঃ পীতাম্বৰ দেৱগোস্বামী



দৈনিক অসমৰ প্ৰতিনিধি

**মাজুলী, ১৪ ডিচেম্বৰ ঃ** 'অসমত নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ সৃষ্ট ভাওনাই আজিও এখন সমাজৰ গতি নিৰ্ণয় কৰিব পাৰে। মূলতঃ কৃষ্ণ চিন্তাৰ নাট ভাওনাত পোৱা যায় আধ্যাত্মিক জ্ঞান। ভাওনাত থকা নৱৰসৰ সমাহাৰ আৰু অভিনয় প্ৰয়াসৰ মাজেদি আধ্যাত্মিক ১৩ পৃষ্ঠাত চাওক

## কিশোৰী পলুৱাই নিয়াক লৈ উৰিয়ামঘাটত চাঞ্চল্য, গোচৰ

দৈনিক অসমৰ প্ৰতিনিধি

**ধনশিৰি, ১৪ ডিচেম্বৰ ঃ** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত উৰিয়ামঘাট আৰক্ষী থানাৰ অধীনৰ ২ নং ৰজাপুখুৰী নাওঘাটৰ এগৰাকী পোন্ধৰ বছৰীয়া কিশোৰীক দুটা সন্তানৰ এজন পিতৃয়ে পলুৱাই নিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। কিশোৰীগৰাকীৰ বিধৱা মাতৃয়ে আজি উৰিয়ামঘাট আৰক্ষীক দিয়া অভিযোগ অনুসৰি নগাঁৱৰ ১৩ পৃষ্ঠাত চাওক

বগামাটিৰ বনভোজস্থলী পৰ্যটকৰ বাবে মুকলি বি টি চিৰ ই এম গণেশ কছাৰীৰ

## বগামাটি অকল বনভোজস্থলীয়েই নহয়, ই পৰ্যটনস্থলী হ'ব লাগিব

দৈনিক অসমৰ প্ৰতিনিধি

**গোৰেশ্বৰ, ১৪ ডিচেম্বৰ ঃ** তামুলপুৰ জিলাৰ কুমাৰীকাটা ফৰেষ্ট ৰেঞ্জৰ অধীনৰ প্ৰাকৃতিক ৰম্যভূমি বগামাটি বনভোজস্থলী আজি মুকলি কৰে বি টি আৰৰ ই এম গণেশ কছাৰীয়ে। 'বছৰৰ শেষ আৰু বছৰৰ প্ৰথম মাহত বহু শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকৰ উপৰি বহু পৰিয়ালে লগ-বন্ধুৰে এসাঁজ বনভোজ (পিকনিক) খাবলৈ বগামাটিলৈ আহে। বগা মাটিত অকল অসমৰে নহয়, দেশ-বিদেশৰ পৰ্যটকৰ বাবেও আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে।'— এই বক্তব্য শুক্ৰাই ছেৰফাং পৰিষদীয় সদস্য তথা বি টি আৰৰ জলসিঞ্চন বিভাগৰ ই এম গণেশ কছাৰীৰ। বগামাটিৰ দাওঁৱায়ঝাৰ ইকো টুৰিজিম ছ'চাইটীৰ সভাপতি ৰবি ৰাম বড়ো, সম্পাদক জৌদাও বসুমতাৰীয়ে আজি সংবাদ মাধ্যমৰ জৰিয়তে কয় যে বছৰৰ শেষত শীত আগমনৰ লগে লগে



ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ভাৰত-ভুটান সীমান্তৰ তামুলপুৰ আৰু ওদালগুৰি জিলাৰ ভুটান পাদদেশৰপৰা ওলাই অহা কুল কুল পানীৰ শব্দ প্ৰাকৃতিক ৰম্যভূমি বগামাটিত বনভোজকাৰী আৰু পৰ্যটকৰ দলৰ আগমন হয়। বৰনদী অভয়াৰণ্যত হাতী, বাঘ, ভালুক, হৰিণ, ময়ূৰ পক্ষী ইত্যাদিৰ উপৰি বিভিন্ন সৰীসৃপেৰে পৰিপূৰ্ণ প্ৰাকৃতিক ৰম্যভূমি বগামাটি যাতে কোনোধৰণৰ ক্ষতি নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি বনভোজস্থলীত মদ বিক্ৰী আৰু খোৱা বন্ধ কৰি সুৰামুক্ত এলেকা হিচাপে ঘোষণা কৰা হৈছে। তদ্ৰূপ বনভোজকাৰী দলসমূহে উচ্চস্তৰত শব্দ যন্ত্ৰ, প্লাষ্টিক ব্যৱহাৰ নিষিদ্ধ কৰি ছ'চাইটীৰ বিনা অনুমতিত জংঘললৈ যোৱা নিষিদ্ধ কৰা হৈছে বুলি ঘোষণা কৰি বনভোজকাৰী দলসমূহে পুৱা ৯ বজাত প্ৰৱেশ কৰি আবেলি ৪ বজাৰ ভিতৰত ওলাই অহাৰ বাবে আহ্বান জনাই ১৩ পৃষ্ঠাত চাওক

# পদ্মশ্ৰী প্ৰফুল্ল গোবিন্দ বৰুৱাৰ

২৬ জুলাইত ডিব্ৰুগড়ত জন্মগ্ৰহণ কৰা বৰুৱাৰ বয়স হৈছিল ৯৩ বছৰ। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুগৰাকী কন্যাসহ আত্মীয়-স্বজনক এৰি থৈ গৈছে। কাইলৈ দিনৰ ভাগত নৱগ্ৰহ শ্মশানত বৰুৱাৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। চিকিৎসালয়ৰপৰা পুৱা ৯.৩০ বজাত বৰুৱাৰ নশ্বৰ দেহ প্ৰথমে চানমাৰিৰ বাসগৃহলৈ, তাৰ পাছত দি আছাম ট্ৰিবিউনৰ চৌহদলৈ আনি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হ'ব। বৰুৱাৰ মৃত্যুত অসমকে ধৰি সমগ্ৰ উত্তৰ-পূৱৰ সংবাদ ক্ষেত্ৰত শোকৰ ছাঁ পৰিছে। ডিব্ৰুগড়ত শিক্ষা জীৱন আৰম্ভ কৰা বৰুৱাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৪৯ চনত দুটা বিষয়ত লেটাৰ নম্বৰসহ প্ৰথম বিভাগত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। বৰুৱাই ১৯৫১ চনত কটন কলেজৰ পৰা আই এ পৰীক্ষাত আৰু ১৯৫৩ চনত কলকাতাৰ প্ৰেছিডেন্সী কলেজৰ পৰা অৰ্থনীতি বিষয়ত সন্মানসহ স্নাতক হয়। ১৯৫৫ চনত প্ৰেছিডেন্সী কলেজৰ পৰা স্নাতকোত্তৰ হোৱা বৰুৱা ১৯৫৭ চনত কলকাতা বিশ্ববিদ্যালয়ৰ পৰা স্বৰ্ণ পদকসহ এল এল বি পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৬৪ চনত বৰুৱাই বৃটেইনৰ থমছন ফাউণ্ডেচনত সাংবাদিকতা আৰু ছপা প্ৰযুক্তি বিষয়ত অধ্যয়ন কৰিবলৈ এটা বৃত্তি লাভ কৰে। ১৯৬২ চনত সংবাদপত্ৰত কাম কৰিবলৈ আৰম্ভ কৰা বৰুৱাই ১৯৬৬ চনত আছাম ট্ৰিবিউন প্ৰতিষ্ঠানত পৰিচালন সঞ্চালক ৰূপে দায়িত্ব গ্ৰহণ কৰে। ১৯৯৭ চনৰ পৰা আমৃত্যু দি আছাম ট্ৰিবিউনৰ সম্পাদকৰ দায়িত্বত থকা বৰুৱাক ২০১৮ চনত দেশৰ চতুৰ্থ সৰ্বোচ্চ অসামৰিক সন্মান 'পদ্মশ্ৰী' প্ৰদান কৰা হয়। বৰুৱাক সাহিত্য, শিক্ষা আৰু সাংবাদিকতা শিতানত এই সন্মান প্ৰদান কৰা হয়। 'পদ্মশ্ৰী'প্ৰাপক প্ৰফুল্ল গোবিন্দ বৰুৱাক প্ৰদান কৰা স্মাৰকত 'আছাম ট্ৰিবিউন' গোষ্ঠীৰ তদানীন্তন পৰিচালন সঞ্চালকগৰাকীক উত্তৰ-পূৰ্বাঞ্চলৰ সাংবাদিকতাৰ ক্ষেত্ৰখনৰ অন্যতম বৰেণ্য ব্যক্তি বুলি অভিহিত কৰিছে। বৰুৱাৰ নেতৃত্বতে 'আছাম ট্ৰিবিউন' কাকতে উত্তৰ-পূৰ্বাঞ্চলৰ সাধাৰণ মানুহৰ সৈতে জড়িত বিভিন্ন বিষয় গুৰুত্বসহকাৰে উত্থাপন কৰি ভাৰত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰাবলৈ সক্ষম হৈছে। যেতিয়াই অসম তথা উত্তৰ-পূৰ্বাঞ্চল কোনো সমস্যাৰ সন্মুখীন হৈছে, সেয়া লাগিলে বিদেশীৰ অনুপ্ৰৱেশেই হওক বা ১৯৬২ চনৰ চীনৰ আগ্ৰাসনেই হওক, কিম্বা ১৯৭১ চনৰ পাকিস্তানৰ সৈতে হোৱা যুদ্ধই হওক, তেতিয়া তেওঁ আছাম ট্ৰিবিউন সংবাদ-পত্ৰ গোষ্ঠীক সন্মুখৰপৰা নেতৃত্ব দি অঞ্চলটোৰ জনসাধাৰণৰ কাষত থিয় দিছে আৰু সামগ্ৰিকভাৱে দেশৰ স্বাৰ্থত কাম কৰিছে। উল্লেখ্য যে দেশৰ এই পাছপৰা অঞ্চলটোত বৰুৱাই সাংবাদিকতাৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ বাবে তেওঁক বিভিন্ন সংগঠনে সন্মানো জনাইছে। ২০১৪ চনত 'আছাম ট্ৰিবিউন' কাকতে আয়োজন কৰা মহাৰজত জয়ন্তীত উপস্থিত থাকি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কাকতখনক 'অঞ্চলটোৰ মানুহৰ কণ্ঠস্বৰ' বুলি অভিহিত কৰিছিল আৰু কৈছিল— 'উত্তৰ-পূৱৰ মানুহে পুৱাৰ চাহকাপ নোহোৱাকৈ থাকিব পাৰে, কিন্তু 'আছাম ট্ৰিবিউন' নপঢ়াকৈ থাকিব নোৱাৰে।' এই কথাই প্ৰফুল্ল গোবিন্দ বৰুৱাৰ নেতৃত্বৰ মান আৰু সম্পাদনাৰ দক্ষতাৰ বিশালতাকেই প্ৰমাণ কৰে। 'আছাম ট্ৰিবিউন'ৰ মহাৰজত জয়ন্তীৰ সামৰণী অনুষ্ঠানত তিব্বতী ধৰ্মীয় গুৰু দালাই লামাই অংশগ্ৰহণ কৰিছিল। সাংবাদিকতাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে বৰুৱাই অনেক প্ৰশস্তি লাভ কৰিছে। বৰুৱাক প্ৰয়াত কমলা শইকীয়া ন্যাসেও সন্মানিত কৰিছে। সাহিত্য, কলা আৰু সংস্কৃতিলৈ বৰুৱাই আগবঢ়োৱা অৱদানৰ বাবে অসম সাহিত্য সভাই তেওঁক সম্বৰ্দ্ধনা জ্ঞাপন কৰিছে। বৰুৱাৰ উদ্যোগতে ১৯৬৫ চনৰ ৪ আগষ্টত 'দৈনিক অসম' কাকতৰ জন্ম হৈছিল। দীৰ্ঘকাল ধৰি দৈনিক অসমৰ সম্পাদকৰূপে দায়িত্ব গ্ৰহণ কৰিও তেওঁ কাকতখনৰ নেতৃত্ব দি আগবঢ়াই লৈ গৈছিল। জাতীয় জীৱনৰ বিভিন্ন বিষয়ত দৈনিক অসমৰ অতুলনীয় ভূমিকাৰ আঁৰৰ ব্যক্তিজনো আছিল প্ৰফুল্ল গোবিন্দ বৰুৱা। প্ৰকাশন প্ৰতিষ্ঠান সাহিত্য প্ৰকাশৰ উপৰি বৰুৱাই সাহিত্য আলোচনী 'গৰীয়সী'ও আৰম্ভ কৰিছিল। আৰ জি বৰুৱা মহাবিদ্যালয় স্থাপনত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা বৰুৱাক কৰ্কট ৰোগ নিৰ্মূলৰ ক্ষেত্ৰত সজাগতাৰ সৃষ্টি কৰাৰ হেতু বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানে সন্মান প্ৰদৰ্শন কৰিছিল। যুৱ প্ৰতিভাক প্ৰেৰণা দিবলৈ তেওঁ প্ৰতিষ্ঠা কৰিছে সামাজিক-সাংস্কৃতিক সংস্থা 'জ্যোতিৰূপা'। এই সংস্থাই বছৰি নাট প্ৰতিযোগিতা অনুষ্ঠিত কৰাই নহয়, দেশৰ বিভিন্ন স্থানৰ প্ৰসিদ্ধ শিল্পীসকলক অসমলৈ অনুষ্ঠান পৰিৱেশনৰ বাবে আমন্ত্ৰণ জনায়, যাতে ৰাজ্যখনৰ মানুহে বিশিষ্ট শিল্পীসকলৰ অনুষ্ঠান উপভোগ কৰাৰ সুযোগ পায়। অসমৰ সাৰ্বিক অৰ্থনৈতিক বিকাশৰ বাবে বৰুৱা আৰু তেওঁৰ কেইবাজনো বন্ধুৱে মিলি অসম প্ৰকল্পৰ অধীনত এলানি আলোচনাচক্ৰৰ আয়োজন কৰিছিল। এই আলোচনা সভাসমূহত অৰ্থনীতিবিদকে ধৰি বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞ ব্যক্তিয়ে অংশ লৈছিল আৰু চৰকাৰী নীতি নিৰ্দ্ধাৰণত এই আলোচনাই অন্যতম ভূমিকা লৈছিল। 'বিনিয়োগৰ সা-সুবিধা' শীৰ্ষক এখনি কাৰ্যসূচীত অন্যান্যসকলৰ লগতে প্ৰাক্তন প্ৰধানমন্ত্ৰী ডঃ মনমোহন সিঙেও অংশগ্ৰহণ কৰিছিল। বৰুৱাৰ উদ্যোগতে 'দি আছাম ট্ৰিবিউন' কাকতে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন স্থানত শিক্ষাৰ্থীৰ সুবিধাৰ্থে শিক্ষামেলা অনুষ্ঠিত কৰি আহিছে। এই মেলাসমূহত দেশৰ আগশাৰীৰ শিক্ষানুষ্ঠানবোৰে অংশগ্ৰহণ কৰি আহিছে। তেওঁ পিতৃ ৰাধাগোবিন্দ বৰুৱাৰ স্মৃতিত আন্তঃৰাজ্যিক টেবল টেনিছ প্ৰতিযোগিতাৰো আয়োজন কৰি আহিছে। স্মৰ্তব্য যে বৰুৱাৰ পিতৃ ৰাধাগোবিন্দ বৰুৱাও এজন ভাল খেলুৱৈ আছিল। উল্লেখ্য যে নবেল বঁটা বিজয়ী অমৰ্ত্য সেনৰ ঘনিষ্ঠ বন্ধু আছিল আৰু একেটা শ্ৰেণীৰ প্ৰথম বেঞ্চত একেলগে বহা বৰুৱাই বি এ পৰীক্ষা দি উঠিয়েই 'দ্য ষ্টেটছমেন' কাকতৰ মিঃ এণ্ড্ৰেছৰ অধীনত সম্পাদকীয় পৃষ্ঠাত কাম কৰাৰ উপৰি বৰুৱাই 'দি আছাম ট্ৰিবিউন'ৰ বাবে বা-বাতৰি প্ৰেৰণ কৰাৰ লগতে নিয়মীয়াকৈ সম্পাদকীয় লিখিছিল। লণ্ডন স্কুল অৱ ইকনমিক্সত অধ্যয়নৰ সুযোগ পায়ো পিতৃৰ অনুৰোধ আৰু ইচ্ছা অনুসৰি 'আছাম ট্ৰিবিউন'ৰ নেতৃত্ব দিয়াৰ বাবে কলিকতাত অধ্যয়ন, কাম-কাজ সমাপ্ত কৰি গুৱাহাটীলৈ উভতি আহে। উভতি আহি 'দি আছাম ট্ৰিবিউন'ৰ সম্পাদনাত নিজকে সম্পূৰ্ণকৈ নিয়োগ কৰে। বাতৰিৰ সমান্তৰালভাৱে কাকতখনৰ বিজ্ঞাপন, প্ৰচলন আদি দিশতো পিতৃ বাক্য মানি নিজকে জড়িত কৰাইছিল তেওঁ। কৰ্মযোগী সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা আৰু মাতৃ লীলাৱতী দেৱীৰ তিনি পুত্ৰ সন্তানৰ ভিতৰত বৰুৱা আছিল দ্বিতীয় সন্তান। প্ৰথম সন্তান প্ৰয়াত তুলসী গোবিন্দ বৰুৱা, তৃতীয় পুত্ৰ সন্তান প্ৰদীপ বৰুৱা। যোৰহাটৰ প্ৰয়াত ৰবীন শৰ্মাৰ কন্যা ৰেখা দেৱীৰ সৈতে ১৯৬০ চনৰ ২৫ ছেপ্টেম্বৰত বৰুৱাৰ বিবাহ সম্পন্ন হয়। তেওঁৰ দুগৰাকী কন্যায়ে (ৱবিতা ৰাজখোৱা, বনিতা বৰুৱা) ক্ৰমে সাংবাদিক আৰু আছাম ট্ৰিবিউন প্ৰতিষ্ঠানৰ পৰিচালনাৰ দায়িত্ব চম্ভালিছে। বৰুৱাৰ আত্মজীৱনী 'সৌৱৰণীৰ বাটে বাটে'ত তেওঁৰ ঘটনাবহুল আৰু নানাৰঙী বৈচিত্ৰ্যময় জীৱনৰ নানা কথা সন্নিবিষ্ট হৈছে।

**দৈনিক অসম পৰিয়ালৰ শোক ঃ** সংবাদ জগতৰ পুৰোধা ব্যক্তি প্ৰফুল্ল গোবিন্দ বৰুৱাৰ মৃত্যুত শোকাহত হৈ পৰিছে 'দৈনিক অসম' পৰিয়াল। আজি নিশা কাৰ্যালয় কক্ষত 'দৈনিক অসম'ৰ কাৰ্যবাহী সম্পাদক শংকৰ লস্কৰে আঁত ধৰা এখন শোকসভাত কাৰ্যালয়ৰ বিভিন্ন বিভাগৰ কৰ্মচাৰীসকলে বৰুৱাৰ মৃত্যুত শোক প্ৰকাশ কৰাৰ লগতে তেওঁৰ আত্মাৰ সদগতি কামনা কৰি এক মিনিট মৌন প্ৰাৰ্থনাও কৰে।

**'দৈনিক অসম'ৰ প্ৰকাশক, বিভিন্ন দল-সংগঠনৰ শোক ঃ** অসমৰ সংবাদ জগতৰ মহীৰূহ, আছাম ট্ৰিবিউনৰ সম্পাদক, পদ্মশ্ৰী প্ৰাপক প্ৰফুল্ল গোবিন্দ বৰুৱাৰ আজি নিশা মৃত্যু হোৱাৰ খবৰ বিয়পি পৰাৰ লগে লগে ৰাজ্যজুৰি শোকৰ ছাঁ পৰে। বিশিষ্ট সাংবাদিকগৰাকীৰ মৃত্যুত 'দৈনিক অসম'ৰ প্ৰকাশক জ্যোতিষ পৱন বৰদলৈয়ে গভীৰ শোক প্ৰকাশ কৰে। তেওঁ কয় যে প্ৰফুল্ল গোবিন্দ বৰুৱাৰ মৃত্যু অসমৰ সংবাদ জগতৰ লগতে অসমৰ সমাজ জীৱনলৈ গভীৰ ক্ষতি। সুদীৰ্ঘকাল তেওঁ নীতি-নিষ্ঠ আৰু সাহসী সাংবাদিকতাক নেতৃত্ব দিছিল আৰু অসমৰ সংবাদ জগতক এটা নতুন মাত্ৰা দিবলৈ সক্ষম হৈছিল। তেওঁ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। ইফালে সংবাদ জগতৰ মহীৰূহগৰাকীৰ মৃত্যুত আছাম ট্ৰিবিউন এমপ্লইজ ইউনিয়নৰ প্ৰাক্তন সভাপতি শিৱ প্ৰসাদ ডেকা, অসম বাৰ্তাজীৱী সংঘৰ সভাপতি মধুসূদন মেধি, উপ-সভাপতি অঞ্জন শৰ্মা, সাধাৰণ সম্পাদক মুকুট ৰাজ শৰ্মা, গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি গগন কলিতা, সাধাৰণ সম্পাদক অমৰেন্দ্ৰ ডেকা, মিডিয়া এছ'চিয়েচন অসমৰ সভাপতি হীৰেন চন্দ্ৰ কলিতা, সম্পাদক প্ৰধান চন্দ্ৰ কুমাৰ শইকীয়া, পূৱ গুৱাহাটী প্ৰেছ ক্লাৱৰ সভাপতি ছামছুল ৰহমান, কাৰ্যকৰী সভাপতি গোকুল তালুকদাৰ, সম্পাদক মনোজ কুমাৰ ডেকা, জাফাৰ সভাপতি অভিজীপ চৌধুৰী, কাৰ্যকৰী সভাপতি পংকজ ডেকা, সম্পাদক প্ৰধান কুঞ্জমোহন ৰায়, যুৱ সাংবাদিক সন্থাৰ উপদেষ্টা চন্দন দাস, সভাপতি বাবুল হাজৰিকা, কাৰ্যকৰী সভাপতি কাঞ্চন জ্যোতি গোহাঁই, সম্পাদক ঋতুপৰ্ণ চক্ৰৱৰ্তীয়ে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

**ৰামপুৰৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** দক্ষিণ কামৰূপৰ আগশাৰীৰ বাতৰিকাকত পৰিবেশক, ৰামপুৰৰ কালিকান্ত নিউজ এজেন্সীৰ স্বত্বাধিকাৰী তথা জ্যেষ্ঠ সাংবাদিক বিমল শৰ্মাই দি আছাম ট্ৰিবিউনৰ পৰিচালন সঞ্চালক তথা সংবাদ জগতৰ মহীৰূহ প্ৰফুল্ল গোবিন্দ বৰুৱাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁৰ বিয়োগত ছপা মাধ্যমৰ অপূৰণীয় ক্ষতি হোৱা বুলিও বিমল শৰ্মাই মন্তব্য কৰে।

# বিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি হিচাপে বিহাৰৰ মন্ত্ৰী নীতিন

দায়িত্ব গ্ৰহণ কৰা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাৰ কাৰ্যকাল কেতিয়াবাই উকলিছে। কিন্তু যোৱা লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি তেওঁৰ কাৰ্যকাল বৃদ্ধি কৰা হৈছিল। কিন্তু বৰ্দ্ধিত কাৰ্যকালো লোকসভা নিৰ্বাচনৰ পাছত শেষ হৈছে। তাৰ পাছত প্ৰথমে মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচন আৰু পাছত বিহাৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিয়ে নতুন ৰাষ্ট্ৰীয় সভাপতিৰ নাম ঘোষণা কৰিব বুলি চৰ্চা চলিছিল যদিও কাৰ্যতঃ সেয়া নহ'ল। সম্প্ৰতি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিৰ লগতে কেন্দ্ৰীয় মন্ত্ৰীৰূপেও কাৰ্যনিৰ্বাহ কৰি আছে জে পি নাড্ডাই। দলটোৰ সংবিধান অনুসৰি একে সময়তে এগৰাকী নেতাই দল আৰু চৰকাৰৰ দুটা গুৰুত্বপূৰ্ণ পদত থাকিব নোৱাৰে। কাজেই নতুন ৰাষ্ট্ৰীয় সভাপতি বাছনি নোহোৱালৈ নীতিন নবীনে দলৰ নেতৃত্ব চম্ভালিব। একমাত্ৰ নীতিন নবীনক কাৰ্যকৰী সভাপতি পদত নিযুক্তি দি জে পি নাড্ডাক দলৰ দায়িত্বৰ পৰা অব্যাহতি দিছে বিজেপিয়ে। সম্প্ৰতি বিহাৰৰ লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰী ৰূপে কাৰ্যনিৰ্বাহ কৰি আছে ৪৫ বছৰ বয়সীয়া ৰাংকীপুৰ সমষ্টিৰ বিধায়ক নীতিন নবীনে। দলৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতিৰ দায়িত্ব লাভৰ পাছত তেওঁ বিহাৰ চৰকাৰৰ মন্ত্ৰী পদ ত্যাগ কৰিব বুলি জানিব পৰা গৈছে। চৰ্চা চলিছে নীতিন নবীনেই বিজেপিৰ পৰৱৰ্তী ৰাষ্ট্ৰীয় সভাপতিৰূপে নিৰ্বাচিত হ'ব পাৰে। কিয়নো বিজেপিত কোনো নেতা কিছুসময়ৰ বাবে কাৰ্যকৰী সভাপতি পদত থাকি সভাপতি পদত অধিষ্ঠিত হোৱাৰ নজিৰ আছে। জে পি নাড্ডাকো ৰাষ্ট্ৰীয় সভাপতিৰূপে বাছনিৰ প্ৰায় ছমাহ পূৰ্বে কাৰ্যকৰী সভাপতিৰূপে নিযুক্তি দিয়া হৈছিল। অনুৰূপ ধৰণে নীতিন নবীনকো ৰাষ্ট্ৰীয় সভাপতি পদৰ বাবে বাছনি কৰিলে তেৱেঁই হ'ব সেই পদ লাভ কৰা বিজেপিৰ সৰ্বকনিষ্ঠ নেতা। সম্প্ৰতি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি পদৰ বাবে দলৰ আঠগৰাকী নেতা ক্ৰমে শিৱৰাজ সিং চৌহান, মুনীন বাঞ্চাল, ধৰ্মেন্দ্ৰ প্ৰধান, ৰঘুবৰ দাস, বান্তি শ্ৰীনিবাসন, তিমিলিসাই সৌন্দৰ্য ৰাজন আৰু ডি পুৰণ্ডেশ্বৰীৰ নাম ব্যাপক চৰ্চাত আছে। কিন্তু প্ৰায়েই নেতা বাছনিৰ ক্ষেত্ৰত চমক দিয়া বিজেপিয়ে এইবাৰো চৰ্চাত নথকা কোনো নেতাৰ নাম সভাপতিৰূপে ঘোষণা কৰাৰ সম্ভাৱনাক অস্বীকাৰ কৰিব নোৱাৰি। ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতিৰূপে নাম ঘোষণাৰ পাছত নীতিন নবীনক শুভেচ্ছা জনাইছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে। নেতাগৰাকীক শুভেচ্ছা জনাই কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে বিহাৰ বিজেপি যুৱ মৰ্চাৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদকৰপৰা ছত্তিশগড় বিজেপিৰ প্ৰভাৰীলৈ সকলো দলীয় দায়িত্ব নীতিন নবীনে নিষ্ঠা আৰু সফলতাৰে পালন কৰিছে। ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই নেতাগৰাকীৰ প্ৰতি আস্থা প্ৰকাশ কৰি কৈছে যে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ মাৰ্গদৰ্শনত নেতৃত্ব প্ৰদানেৰে দলক সফলতাৰ এক নতুন স্তৰলৈ লৈ যাব। কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানসহ বিজেপিৰ প্ৰায় সকলো শীৰ্ষ পৰ্যায়ৰ নেতায়ো নতুন ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি নীতিন নবীনক শুভেচ্ছা জ্ঞাপন কৰিছে।

**মুখ্যমন্ত্ৰীৰ অভিনন্দন ঃ** বিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি হিচাপে দায়িত্ব গ্ৰহণ কৰা নীতিন নবীনক আন্তৰিক অভিনন্দন জনাইছে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। ডঃ শৰ্মাই নবীনক শুভেচ্ছা জনাই কয়— নীতিন নবীনে সংগঠনটোক নিৰন্তৰভাৱে শক্তিশালী কৰি আহিছে। তেওঁৰ প্ৰশাসনিক দক্ষতা আৰু সাংগঠনিক প্ৰভাৱ সৰ্বজনবিদিত।

# বড়ো-ৰাভাৰ জনজাতিকৰণ পুনৰীক্ষণ মহাপঞ্জীয়কক সাক্ষাৎ

আৰু কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী জুৱেল ওৰামক লগ ধৰিবৰ বাবে কাইলৈ নতুন দিল্লীলৈ ৰাওনা হ'ব আক্ৰাছুৰ প্ৰতিনিধিৰ দল। 'দৈনিক অসম'ৰ আগত আজি এই কথা সদৰি কৰে আক্ৰাছুৰ সাধাৰণ সম্পাদক বলোৰাম বৰ্মনে। তেওঁ কয় যে প্ৰচলিত বিধি অনুসৰি দেশৰ যিকোনো জনগোষ্ঠীক মাত্ৰ ১০ বছৰৰ বাবেহে সাংবিধানিকভাৱে জনজাতিৰ মৰ্যাদা প্ৰদান কৰে কেন্দ্ৰীয় চৰকাৰে। দেশৰ মূলসুঁতিৰ বাসিন্দাসকলৰ সমপৰ্যায়লৈ উন্নীত কৰাৰ বাবেই এই প্ৰচলন আছে সংবিধানত। সেইমৰ্মে প্ৰতি ১০ বছৰৰ অন্তৰে অন্তৰে জনজাতিৰ মৰ্যাদা লাভ কৰি থকা প্ৰতিটো জনগোষ্ঠীৰ জনজাতিকৰণৰ দিশটো বাধ্যতামূলকভাৱে পুনৰীক্ষণ কৰিব লাগে। সেয়ে স্বাধীনতাৰ পাছৰেপৰা ৰাজ্যত সাংবিধানিকভাৱে জনজাতিৰ মৰ্যাদা লাভ কৰি থকা বড়ো আৰু ৰাভা জনগোষ্ঠীৰ জনজাতিকৰণৰ দিশটো পুনৰীক্ষণৰ দাবীৰে দেশৰ মহাপঞ্জীয়ক, এন চি এছ টিৰ অধ্যক্ষ আৰু কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী জুৱেল ওৰামক সাক্ষাৎ কৰি স্মাৰকপত্ৰ প্ৰদান কৰা হ'ব। ইয়াৰ বাবে আইনজ্ঞৰপৰা আইনী পৰামৰ্শ গ্ৰহণ কৰিব বুলিও তেওঁ কয়।

**মন্ত্ৰীগোটৰ আহ্বায়কৰে কোচ ৰাজবংশী সমাজৰ বৈঠক**

ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দিশ নিৰীক্ষণৰ বাবে গঠন কৰা মন্ত্ৰীগোটৰ আহ্বায়ক ডাঃ ৰণোজ পেগুক আজি দিছপুৰৰ চৰকাৰী আৱাসত সাক্ষাৎ কৰে সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা, কোচ ৰাজবংশী সন্মিলনীকে ধৰি জনগোষ্ঠীটোৰ ১০টাকৈ সংগঠনৰ নেতৃত্বই। উক্ত সাক্ষাৎকালতেই শেহতীয়াকৈ অসম বিধানসভাৰ শীতকালীন অধিৱেশনত দাখিল কৰা মন্ত্ৰীগোটৰ প্ৰতিবেদনখন শীঘ্ৰেই কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণৰ দাবী জনায় কোচ ৰাজবংশী সমাজে। বৈঠকৰ অন্তত এই কথা সদৰি কৰি আক্ৰাছুৰ সাধাৰণ সম্পাদক বলোৰাম বৰ্মনে কয় যে ৰাজ্যৰ কোচ ৰাজবংশী জনগোষ্ঠীক ভৈয়াম জনজাতিৰ মৰ্যাদা প্ৰদান কৰাটো কোচ ৰাজবংশী সমাজে বিচাৰিছিল। কিন্তু মন্ত্ৰীগোটে দুটা ভাগত বিভক্ত কৰাৰ পৰামৰ্শ দিছে। ইয়াৰ গইনা লৈ যাতে জনজাতিকৰণ প্ৰক্ৰিয়াত অযথা বিলম্ব নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি মন্ত্ৰীগোটৰ প্ৰতিবেদনে জনগোষ্ঠীটোক যিধৰণেই জনজাতিৰ মৰ্যাদা প্ৰদানৰ পোষকতা কৰিছে, সেইধৰণেই দিয়াৰ ক্ষেত্ৰত কোচ ৰাজবংশী সমাজ সহমতত উপনীত হৈছে। যোৱা ১১ ডিচেম্বৰত বঙাইগাঁৱত জনগোষ্ঠীটোৰ সকলো নেতৃস্থানীয় সংগঠনৰ উপস্থিতিত অনুষ্ঠিত জৰুৰী বৈঠকৰ জৰিয়তে গ্ৰহণ কৰা এই সিদ্ধান্তৰ বিষয়ে আজি মন্ত্ৰীগোটৰ আহ্বায়ক ডাঃ ৰণোজ পেগুক অৱগত কৰা হয়। লগতে কম সময়ৰ ভিতৰতে মন্ত্ৰীগোটৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণৰ আহ্বান জনাই বিধানসভাৰ সমাগত নিৰ্বাচনৰ পূৰ্বেই কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদানৰ বাবে দাবী জনোৱা হয়। আনহাতে, মন্ত্ৰীগোটৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ শীঘ্ৰেই প্ৰেৰণ কৰিব বুলি আহ্বায়ক ডাঃ পেগুৱে আশ্বাস দিয়া বুলিও বৰ্মনে উল্লেখ কৰে। তদুপৰি ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়ক লৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা অত্যন্ত সংবেদনশীল বুলিও মন্ত্ৰী পেগুৱে বৈঠকতে উল্লেখ কৰা বুলিও জনায় বৰ্মনে।

# সংগীতা বৰুৱা পিছাৰটি পি চি আইৰ সভাপতি

নিৰ্বাচিত হোৱা ব্যক্তিগৰাকী হ'ল দেশৰ বিশিষ্ট সাংবাদিক সংগীতা বৰুৱা পিছাৰটি। উল্লেখ্য যে পিছাৰটি কেৱল এগৰাকী অসমীয়াই নহয়, প্ৰেছ ক্লাব অৱ ইণ্ডিয়াৰ প্ৰথমগৰাকী মহিলা সভাপতি। লগতে তেওঁ উত্তৰ-পূৰ্বাঞ্চলক প্ৰতিনিধিত্ব কৰা প্ৰেছ ক্লাবটোৰ প্ৰথমগৰাকী সভাপতিও। আজি সন্ধিয়া ঘোষণা কৰা ফলাফলত সংগীতা বৰুৱা পিছাৰটিয়ে প্ৰতিনিধিত্ব কৰা নিৰ্বাচনী পেনেলত থকা আটাইকেইগৰাকী প্ৰতিনিধিইয়েই বিপুল ভোটত জয়লাভ কৰে। সভাপতি হিচাপে নিৰ্বাচিত পিছাৰটিয়ে প্ৰেছ স্বাধীনতা ওভতাই অনাৰ হকে কাম কৰি যোৱাৰ অংগীকাৰ কৰে। উল্লেখ্য যে টাইমছ অৱ ইণ্ডিয়া, দ্য হিন্দুৰ পাছত দ্য ৱায়াৰত জ্যেষ্ঠ সাংবাদিক হিচাপে দায়িত্ব পালন কৰা পিছাৰটিয়ে বৰ্তমানে স্বতন্ত্ৰ সাংবাদিক হিচাপে কাম কৰি আছে। সাংবাদিকতাৰ উপৰি তেওঁ কেইবাখনো গ্ৰন্থও ৰচনা কৰিছে। আজি ঘোষণা কৰা ফলাফলত উপ-সভাপতি হিচাপে নিৰ্বাচিত হৈছে যতীন গান্ধী। সম্পাদকপ্ৰধান হিচাপে নিৰ্বাচিত হৈছে আফজল ইমাম। যুটীয়া সম্পাদক আৰু কোষাধ্যক্ষ হিচাপে বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে ক্ৰমে পি আৰ সুনীল কুমাৰ আৰু অদিতি ৰাজপুত। পৰিচালনা সমিতিৰ সদস্য হিচাপে নিৰ্বাচিত হৈছে অভিষেক কুমাৰ সিং, অগ্ৰজ প্ৰতাপ সিং, অশোক কৌশিক, প্ৰেম বাহুখাণ্ডি, জাহ্নৱী সেন, জাভেদ আখতাৰ, কল্লোল ভট্টাচাৰ্য,

# 'কা'ৰ জৰিয়তে বৰাকত পুনৰ দুই বাংলাদেশীক নাগৰিকত্ব প্ৰদান

শিলচৰ চহৰৰ গোস্বামী উপাধিৰ এজন ব্যক্তিয়ে 'কা'ৰ জৰিয়তে লাভ কৰিছে ভাৰতীয় নাগৰিকত্ব। ইয়াৰে বদৰপুৰৰ মহিলাগৰাকীয়ে ২০০৭ চনত ভাৰতত প্ৰৱেশ কৰি বিবাহসূত্ৰে লাভ কৰিছে নাগৰিকত্ব। নাগৰিকত্ব লাভ কৰা দুই বাংলাদেশীক সহায় কৰা শিলচৰৰ অধিবক্তা ধৰ্মান্ধ দেৱে জানিবলৈ দিয়া মতে, বদপুৰৰ বেনাৰ্জী উপাধিৰ এগৰাকী বাংলাদেশী মহিলাসহ শিলচৰ চহৰৰ গোস্বামী উপাধিৰ এজন লোকে শুকুৰবাৰে 'কা'ৰ অধীনত লাভ কৰিছে ভাৰতীয় নাগৰিকত্ব। তেওঁ কয় যে বদৰপুৰত বসবাস কৰা মহিলাগৰাকী মূলতঃ বাংলাদেশৰ চট্টগ্ৰামৰ বাসিন্দা। ২০০৭ চনত পৰিয়ালৰ এজনৰ চিকিৎসাৰ বাবে তেওঁ শিলচৰ মেডিকেল কলেজলৈ আহিছিল। আৰু তাতে তেওঁৰ পৰিচয় হয় বদৰপুৰৰ এজন চিকিৎসকৰ সৈতে। আৰু পৰিচয়ৰ পৰাই প্ৰথমে প্ৰেম আৰু তাৰ পাছত চিকিৎসকজনৰ সৈতে তেওঁৰ বিয়া হয়। স্বামীৰ সৈতে তেওঁ ইমানদিনে বদৰপুৰত বসবাস কৰি আছিল। নাগৰিকত্ব সংশোধনী আইন-২০১৯ কাৰ্যকৰী হোৱাৰ পাছত মহিলাগৰাকীয়ে নাগৰিকত্বৰ বাবে আবেদন কৰে আৰু বিবাহসূত্ৰে মহিলাগৰাকীয়ে শুকুৰবাৰে নাগৰিকত্ব লাভ কৰিছে। অধিবক্তাজনে লগতে কয় যে বিবাহসূত্ৰে ভাৰতীয় নাগৰিকত্ব লাভ কৰা প্ৰথম নাগৰিক হৈছে বদৰপুৰৰ এই মহিলাগৰাকী। আনহাতে, একেদিনাই 'কা'ৰ অধীনত ভাৰতীয় নাগৰিকত্ব লাভ কৰা দ্বিতীয়জন বাংলাদেশী হৈছে শিলচৰ চহৰৰ গোস্বামী উপাধিৰ ৬১ বছৰীয়া এজন লোক। ১৯৭৫ চনত বাংলাদেশৰ মৌলবী বজাৰ জিলাৰপৰা সপৰিয়ালে ভাৰতলৈ আহিছিল তেওঁ। পৰৱৰ্তী সময়ত তেওঁ শিলচৰ চহৰত বাস কৰিবলৈ লয়। 'কা' বলৱৎ হোৱাৰ পাছত তেওঁ আবেদন কৰিছিল আৰু শুকুৰবাৰে তেৱোঁ ভাৰতীয় নাগৰিকত্ব লাভ কৰে বুলি জনায় অধিবক্তা ধৰ্মান্ধ দেৱে। উল্লেখ্য যে এই দুই বাংলাদেশীকে ধৰি 'কা'ৰ অধীনত অসমত এতিয়ালৈকে চাৰিগৰাকী বাংলাদেশী হিন্দুৱে লাভ কৰিছে ভাৰতীয় নাগৰিকত্ব। উল্লেখ্য যে নাগৰিকত্ব লাভ কৰা আটাইকেইজন হৈছে বৰাকৰ।

# গেলাপুখুৰীত অৱৰ্ণনীয় পৰিস্থিতি

তিনিচুকীয়া সদৰ থানাত ৪৩২/২০২৫ নম্বৰত এটা গোচৰ ৰুজু কৰি উক্ত গোচৰৰ ভিত্তিত তিনিচুকীয়া আৰক্ষীয়ে ক্ৰমে চিৰাজুল আহমেদ আৰু চাইৰুদ্দিন আলীক গ্ৰেপ্তাৰ কৰি নিজৰ জিম্মাত লৈছে। তিনিচুকীয়াৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণ্ময় দাসে কয়— সমগ্ৰ ঘটনাৰ প্ৰাথমিক তদন্তত আমি তিনিচুকীয়া সদৰ আৰক্ষী থানাৰ অন্তৰ্গত চিৰাজুল আহমেদ আৰু চাইৰুদ্দিন আলীক গ্ৰেপ্তাৰ কৰি নিজৰ জিম্মাত লৈছোঁ। তেওঁলোকে শ্ৰমিকসকলক অৰুণাচল প্ৰদেশলৈ প্ৰেৰণ কৰাৰ তথ্য পোৱা গৈছে। পৰৱৰ্তী সময়ত তদন্তত আৰু কোন কোন জড়িত আছে পোহৰলৈ আহিব। উক্ত শ্ৰমিকসকলক এখন মালবাহী বাহনত কঢ়িয়াই নিয়া, শ্ৰমিক কাৰ্ড আছেনে নাই সেই সকলো বিষয় তদন্তত পোহৰলৈ আহিব। ইফালে, শুকুৰবাৰে ছজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰি শনিবাৰে তিনিচুকীয়া আহি পোৱাৰ পাছত শনিবাৰে উদ্ধাৰ কৰা ১১জন আৰু আজি দেওবাৰে পুৱা উদ্ধাৰ কৰা ৩জন শ্ৰমিকৰ মৃতদেহ সন্ধিয়া তিনিচুকীয়া আহি পায়। মৃতদেহ আহি পোৱাৰ পাছতে কান্দোনত ভাগি পৰে ১৪জন লোকৰ পৰিয়ালৰ লগতে গেলাপুখুৰী চাহ বাগিচাৰ লোকসকল। তিনিচুকীয়াৰ গেলাপুখুৰী ৰাজহুৱা খেলপথাৰত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ জিলা প্ৰশাসন তথা স্থানীয় লোকসকলে সকলো ব্যৱস্থা কৰাৰ লগতে শ্মশানত তিনিখনকৈ এক্সকেভেটৰেৰে গাঁত খান্দি যাৱতীয় কাম-কাজখিনি কৰি ৰাখে। কালি মৃতদেহ আহি পোৱাৰ পাছত সৃষ্টি হোৱা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসন, আৰক্ষী আৰু স্বাস্থ্য বিভাগে কৰিছে সকলো যাৱতীয় কাম-কাজ। জৰুৰীকালীন সময়ত ব্যৱস্থা গ্ৰহণ কৰিব পৰাকৈ চিকিৎসকৰ দল, এম্বুলেন্সৰ লগতে বৃহৎসংখ্যক আৰক্ষী মোতায়েন কৰিছে। কালি আৰু আজি উদ্ধাৰ হোৱা মৃতদেহকেইটা ক্ৰমে সমীৰ দীপ, অৰ্জুন কুমাৰ, পংকজ মানকি, অজয় মানকি, বিজয় কুমাৰ, ৰহিত মানকি, বীৰেন্দ্ৰ কুমাৰ, ধীৰেন চাটৰিয়া, দীপ গোলাৱা, ৰামশিৰা চুনা , সনাতন নাগ, কৰণ কুমাৰ, ৰমেশ তাঁতী, লেমুগুৰিৰ অশ্বিন চাৰাৱা আৰু চালক ন-পুখুৰীৰ মংগল ৰয়ৰ। চালকজনৰ মৃতদেহ ন-পুখুৰীলৈ লৈ যোৱাৰ লগতে আন শ্ৰমিক অশ্বিন চাৰাৱাৰ মৃতদেহ লেমুগুৰিলৈ লৈ যায়। আজি মৃতদেহ আহি পোৱাৰ সময়ত শ্ৰমমন্ত্ৰী ৰূপেশ গোৱালা, তিনিচুকীয়া জিলাৰ অভিভাৱক মন্ত্ৰী বিমল বড়া, বিধায়ক সঞ্জয় কিষাণ, সাংসদ ৰামেশ্বৰ তেলী, জিলা আয়ুক্ত স্বপ্নীল পাল, জ্যেষ্ঠ আৰক্ষী অধীক্ষক মায়ংক কুমাৰ ঝাৰ লগতে আটছা, আছাৰ নেতা তথা জিলা প্ৰশাসন, স্বাস্থ্য বিভাগৰ বিষয়াসকল উপস্থিত আছিল।

# জুবিনৰ পডকাষ্টৰ জৰিয়তে পোৱা ধন দিয়া হ'ব উদীয়মান

বাবে পৰিকল্পনা কৰিছোঁ। সেই অনুসৰি জুবিনৰে হোৱা প'ডকাষ্টৰ বাবে ইউটিউবৰ পৰা লাভ কৰা ২,৯০৯ ডলাৰ ৰাজহ আগন্তুক ২০ বছৰৰ বাবে ফিক্সড ডিপ'জিট কৰা হ'ব। আৰু তাৰ পৰা সুতযোগে লাভ কৰা আয় উদীয়মান শিল্পীক উদগনি যোগোৱাৰ বাবে ব্যয় কৰিম।'— ঔপন্যাসিক তথা 'গৰীয়সী'ৰ সম্পাদক ডঃ ৰীতা চৌধুৰীয়ে আজি গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি এইদৰে কয়। তেওঁ আৰু কয়— জুবিন গাৰ্গৰ সকলো কৰ্মক গোট খুৱাই আমি এটা তৰা সাজিব বিচাৰোঁ। জুবিন গাৰ্গ আছিল মানৱতাবাদী চিন্তা-চেতনাসম্পন্ন প্ৰকৃতিক ভাল পোৱা, নিজে জীয়াই থাকি আনক জীয়াই থাকিবলৈ দিয়া আৰু বৰ অসমক বিশ্বাস কৰা লোক। সকলোকে সমানভাৱে লৈ আগবাঢ়িব বিচাৰিছিল, কিন্তু অসময়ত গুচি গ'ল। আমাৰ এই পদক্ষেপ হ'ব জুবিন গাৰ্গে তেওঁৰ জীৱনকালত উদীয়মান শিল্পীসকলৰ উত্তৰণৰ হকে কৰা অহোপুৰুষাৰ্থৰ প্ৰতি বিশেষ সন্মান। আনহাতে, জুবিন গাৰ্গৰ মৃত্যুৰ চাৰ্জশ্বীট দাখিল সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দি বিশিষ্ট ঔপন্যাসিকগৰাকীয়ে কয়— যিহেতু বিষয়টো বিচাৰাধীন, সেয়ে এই বিষয়ত মই মন্তব্য কৰিব নিবিচাৰোঁ। মই কলমৰ মাজেৰে যিখিনি কৰি আছোঁ কৰি যাম। জুবিন গাৰ্গৰ সকলো কৰ্মক গোট খুৱাই আমি এটা তৰা সাজিব বিচাৰোঁ। মই এছআইটিয়ে দাখিল কৰা চাৰ্জশ্বীটখন দেখা নাই। কিন্তু আমি সকলোৱে বিচাৰিছে প্ৰাণৰ শিল্পী জুবিন গাৰ্গে ন্যায় পাওক। উল্লেখ্য যে আজি সংবাদমেলৰ মূল বিষয় আছিল অহা ৬ৰ পৰা ৮ ফেব্ৰুৱাৰীলৈ তিনিদিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক শিৱসাগৰ চহৰত অনুষ্ঠিত হ'ব লগা ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱ-২০২৬ । 'ছন্দ শব্দ আৰু শিল্পৰ প্ৰয়োগ-মানৱীয় কণ্ঠৰ উদ্‌যাপন' শীৰ্ষক বিষয়বস্তুৰে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া সাহিত্য উৎসৱত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন আৰু অনিৰুদ্ধ কণ্ঠৰ অধিকাৰী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব বুলি তেওঁ কয়। বিশিষ্ট ঔপন্যাসিক, উৎসৱৰ সঞ্চালক তথা 'আধাৰশিলা' ন্যাসৰ মুখ্য ন্যাসৰক্ষী ডঃ ৰীতা চৌধুৰীয়ে সংবাদমেলত লগতে কয়— সাহিত্য, সংগীত আৰু মানৱীয় অভিজ্ঞতাৰ অবিস্মৰণীয় এই উৎসৱত সমগ্ৰ দেশৰ লগতে চুবুৰীয়া দেশ আৰু বিশ্বৰ আন আন ঠাইৰ পৰা কেইবাগৰাকীও আগশাৰীৰ আৰু জনপ্ৰিয় কবি, সংগীতজ্ঞ, চিন্তাবিদ আৰু শিল্পীয়ে অংশগ্ৰহণ কৰিব। অংশগ্ৰহণকাৰীসকলে কলা, স্থাপত্য, কবিতাৰ অনুষ্ঠানৰ লগতে যুৱ কৰ্মশালাও উপভোগ কৰিব পাৰিব। তেওঁ লগতে কয়— এইবাৰৰ উৎসৱত কেইবাটাও শিতানত বঁটা প্ৰদান কৰা হ'ব। সেই অনুসৰি শিশু সাহিত্যিক দিব্যলতা দত্তলৈ ৰূপা চৌধুৰী শিশু সাহিত্য বঁটা, কবি-গল্পকাৰ বিকিয়ান বাইলুঙলৈ সৃজনীশীল সাহিত্য বঁটা, দিনকৰ কুমাৰলৈ অনুবাদ বঁটা, প্ৰতিশ্ৰুতিসম্পন্ন গল্পকাৰ পৰীস্মিতা বৰদলৈলৈ মলিনা চৌধুৰী সাহিত্য বঁটা আৰু অৰূপ কুমাৰ দত্তলৈ ৰংমন বঁটা নামেৰে জীৱনজোৰা সাধনা বঁটা আগবঢ়োৱা হ'ব। প্ৰতিটো বঁটাতে এক লাখ টকাকৈ মাননি আগবঢ়োৱা হ'ব বুলি চৌধুৰীয়ে উল্লেখ কৰে। তদুপৰি এই উৎসৱত বড়ো আৰু মিচিং জনগোষ্ঠীৰ স্বকীয় সংস্কৃতি, পৰম্পৰা, শিল্পকলা আৰু সংস্কৃতি প্ৰদৰ্শন কৰা হ'ব।

# যুগাগ্ৰগামী ভূমিকা

পিতামহ প্ৰফুল্ল গোবিন্দ বৰুৱাই অসমৰ সংবাদ ক্ষেত্ৰত নতুন যুগৰ সূচনা কৰিছিল। অসমীয়া সাংবাদিকতাৰ গতি-প্ৰগতিত তেওঁৰ যুগাগ্ৰগামী ভূমিকা চিৰস্মৰণীয় হৈ ৰ'ব। অসমীয়া সমাজ, সাহিত্য আৰু বৌদ্ধিক জগতলৈ তেওঁ আগবঢ়োৱা বহুমূলীয়া অৱদান জাতীয় জীৱনে চিৰকাল শ্ৰদ্ধাৰে স্মৰণ কৰিব। এগৰাকী সমাজচিন্তক হিচাপে তেওঁ দেখুৱাই যোৱা দায়বদ্ধতা, স্পষ্ট মত আৰু নিৰলস কৰ্মস্পৃহাই অসমৰ সমাজ-জীৱনক অনুপ্ৰাণিত আৰু সমৃদ্ধ কৰি গৈছে। তেওঁৰ চিন্তা, কৰ্মৰ জৰিয়তে গঢ় লৈ উঠা সামাজিক চেতনা আৰু মূল্যবোধ ভৱিষ্যতেও আমাৰ বাবে অনুকৰণীয় হৈ থাকিব। বিশিষ্ট সাংবাদিক-সম্পাদকগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ। এই শোকাকুল সময়ত তেওঁৰ পৰিয়ালবৰ্গ, আত্মীয়-স্বজন আৰু গুণগ্ৰাহী শুভানুধ্যায়ীলৈ আমি গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ।

# সংবাদ জগত, জাতীয় জীৱনলৈ

সামাজিক দায়বদ্ধতাৰ নিদৰ্শন দাঙি ধৰি সমগ্ৰ জীৱন জাতিৰ সেৱাত নিজকে উৎসৰ্গা কৰিছিল এইগৰাকী মহীৰূহে। সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ পদাংক অনুসৰণ কৰি অসমৰ সংবাদ জগতলৈ তেওঁ যি অৱদান আগবঢ়াই গ'ল, সেয়া তুলনাবিহীন। চিৰকাল অসমীয়া জাতি, অসমীয়া ভাষা-সাহিত্যৰ উৎকৰ্ষৰ বাবে কাম কৰিবলৈ তেওঁ নেতৃত্ব দি গ'ল দি আছাম ট্ৰিবিউন গোষ্ঠীক। 'দি আছাম ট্ৰিবিউন', 'দৈনিক অসম'ৰ দৰে দুখনকৈ দৈনিক কাকতক যুগমীয়া যাত্ৰাৰ বাবে আগবঢ়াই দিয়াত তেওঁৰ যি অৱদান, সেয়া অসমীয়া জাতিয়ে সদায় মনত ৰাখিব। কেৱল প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰীৰ ৰূপতেই নহয়, সাংবাদিক-সম্পাদক হিচাপেও কাকত দুখনলৈ তেওঁ অসামান্য সেৱা আগবঢ়াইছে। জাতিৰ সকলো সংকট আৰু বিপদৰ সময়ত যেতিয়াই নেতৃত্বৰ প্ৰয়োজন হৈছিল, এই নেতৃত্ব দিবলৈ আগুৱাই আহিছিল 'দৈনিক অসম'ৰ দৰে কাকত। সেয়া সম্ভৱ হৈছিল প্ৰফুল্ল গোবিন্দ বৰুৱাৰ দৰে পুৰোধাৰ তীব্ৰ দেশপ্ৰেম আৰু জাতিৰ প্ৰতি অসামান্য দায়বদ্ধতাৰ বাবে। অসমৰ সংবাদ জগতখনৰ দিগন্ত প্ৰসাৰিত কৰাত এইগৰাকী পুৰোধাৰ অৱদান চিৰস্মৰণীয় হৈ থাকিব। তেওঁৰ প্ৰেৰণাৰেই 'দৈনিক অসম' কাকতৰ যাত্ৰাক অধিক গতিশীল আৰু ভৱিষ্যৎমুখী কৰি তোলাৰ বাবে আমি অগ্ৰসৰ হ'বলৈ সক্ষম হৈছিলোঁ আৰু এই যাত্ৰাপথত তেওঁৰ আশীৰ্বাদেই আছিল আমাৰ পৰম পাথেয়। তেওঁৰ বিয়োগ অসমৰ সংবাদ জগতেই নহয়, অসমৰ জাতীয় জীৱনৰ বাবেও গভীৰ ক্ষতি। এই শোকৰ ক্ষণটোত পুৰোধাগৰাকীলৈ আমাৰ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ আৰু তেওঁৰ পৰিয়াল, গুণমুগ্ধ সকলোলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ।

# গভীৰ দুখ প্ৰকাশ মুখ্যমন্ত্ৰী

সদায়ে স্মৰণীয় হৈ থাকিব। তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেওঁৰ পৰিয়াল, সহকৰ্মী আৰু অগণন গুণমুগ্ধৰ প্ৰতি সমবেদনা জ্ঞাপন কৰিছোঁ আৰু তেওঁৰ আত্মাৰ সৰগ বাস কামনা কৰিছোঁ।'

**অবিস্মৰণীয় চিহ্ন ৰাখি গ'ল ঃ সৰ্বানন্দ সোণোৱাল**

ইফালে, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও কয়, 'পদ্মশ্ৰী সন্মানপ্ৰাপক, পুৰোধা সম্পাদক প্ৰফুল্ল গোবিন্দ বৰুৱাৰ মৃত্যুত মৰ্মাহত হৈছোঁ। সাংবাদিকতাৰ এগৰাকী পুৰোধা তথা আছাম ট্ৰিবিউন গোষ্ঠীৰ 'চেয়াৰমেন এমেৰিটাছ' বৰুৱাৰ সম্পাদকীয় মৰ্যাদাৰ প্ৰতি অবিচল দায়বদ্ধতাই আমাৰ সমাজৰ বাবে এটা অবিস্মৰণীয় চিহ্ন ৰাখি থৈ গ'ল। তেওঁৰ বিয়োগে সংবাদ জগতৰ লগতে সামাজিক জীৱনলৈ গভীৰ শূন্যতাৰ সৃষ্টি কৰিলে। এই শোকৰ সময়ত তেওঁলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে তেওঁৰ পৰিয়াল, সহকৰ্মী আৰু বন্ধুবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ। তেওঁৰ আত্মাই সৰগীয় শান্তি লাভ কৰক।'

# এগৰাকী প্ৰচাৰবিমুখ মেধাৱী...

নিজক প্ৰচাৰৰ পৰিধিৰ বাহিৰত ৰাখি চলা বৰুৱাৰ আত্মীয়-স্বজন আৰু অনুৰাগী, বন্ধু-বান্ধৱ আটাইৰে বাবে শোকাৰহ খবৰ। তেওঁৰ বিয়োগত আজিৰ পৰিস্থিতি গভীৰ সংকটাপন্ন অসমৰ সংবাদসেৱাই ভৱিষ্যতে কি পথ বাছি ল'ব, সেয়া গুৰুত্বপূৰ্ণ প্ৰশ্ন হৈ পৰিছে। বিয়োগ-বেথাত কাতৰসকলৰ লগতে প্ৰকাশন গোষ্ঠীটোকো মোৰ সমবেদনা জ্ঞাপন কৰিলোঁ।

# ২১ ডিচেম্বৰত প্ৰধানমন্ত্ৰীয়ে

নতুন ব্ৰাউনফিল্ড এম'নিয়া-ইউৰিয়া কমপ্লেক্স, নামৰূপৰ চতুৰ্থ সাৰ প্ৰকল্পৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰিব। এই উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰী তথা স্থানীয় সাংসদ সৰ্বানন্দ সোণোৱালে আজি অনুষ্ঠানস্থলী পৰিদৰ্শন কৰি সামগ্ৰিক প্ৰস্তুতিৰ সবিশেষ পৰ্যালোচনা কৰে আৰু অগ্ৰগতিৰ বুজ লয়। প্ৰধানমন্ত্ৰীয়ে অংশ ল'বলগীয়া অনুষ্ঠানটো সাফল্যমণ্ডিত কৰাৰ বাবে সংশ্লিষ্ট সকলোকে পূৰ্ণোদ্যমে কাম কৰিবলৈ আহ্বান জনায় সোণোৱালে। সোণোৱালে কয়— এই অভিলাষী প্ৰকল্পটোৱে উত্তৰ-পূৰ্বাঞ্চলৰ লগতে পূব ভাৰতত সাৰৰ যোগান শৃংখলা প্ৰসাৰিত কৰিব আৰু কৃষি উৎপাদনশীলতা বৃদ্ধিৰে কৃষকসকলক উপকৃত কৰিব। তদুপৰি ইয়াৰ জৰিয়তে ব্যাপক কৰ্মসংস্থাপনৰ সৃষ্টি হ'ব আৰু ঔদ্যোগিক আন্তঃগাঁথনি টনকিয়াল হ'ব। এই প্ৰকল্পৰ উৎপাদন ক্ষমতা হ'ব প্ৰতি বছৰে ১২.৫ লাখ মেট্ৰিকটন। এই প্ৰকল্পটোৱে অসম তথা উত্তৰ-পূৰ্বাঞ্চলক দক্ষিণ-পূব এছিয়াৰ এক অন্যতম শক্তিশালী ঔদ্যোগিক প্ৰাণকেন্দ্ৰৰূপে গঢ়ি তোলাৰ দিশত নতুন গতি দিব। সোণোৱালে লগতে কয়— প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এই উল্লেখযোগ্য পদক্ষেপ লোৱাৰ বাবে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাইজ চিৰকৃতজ্ঞ হৈ থাকিব। দীৰ্ঘদিন ধৰি অসমৰ ৰাইজে নামৰূপত চতুৰ্থটো গোট নিৰ্মাণ কৰাৰ বাবে দাবী জনাই আহিছিল, কিন্তু কংগ্ৰেছ চৰকাৰে দীৰ্ঘদিন শাসন কৰাৰ পাছতো এই দাবীক অলপো গুৰুত্ব নিদি সম্পূৰ্ণৰূপে অৱজ্ঞা কৰিলে আৰু শাসনত থাকিও একো কৰিব নোৱাৰিলে। কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে বিগত ১১ বছৰতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ অভূতপূৰ্ব পৰিৱৰ্তন সাধন কৰিলে আৰু এই গুৰুত্বপূৰ্ণ বিষয়টোক আন্তৰিকতাৰে লৈ চতুৰ্থ গোটটো নিৰ্মাণ কৰাৰ বাবে ঐতিহাসিক ভূমিকা গ্ৰহণ কৰিলে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত যাতায়াত-যোগাযোগ ব্যৱস্থাৰ ৰূপান্তৰৰপৰা আৰম্ভ কৰি ছেমিকণ্ডাক্টৰলৈকে বিভিন্ন নতুন অনুষ্ঠান-প্ৰতিষ্ঠান স্থাপন কৰাত আমাৰ চৰকাৰে বিশেষ অগ্ৰাধিকাৰ দিছে, যাৰ যোগেদি যুৱক-যুৱতী, খেতিয়ক, শ্ৰমিক, আৰ্থিকভাৱে পিছপৰা পৰিয়াল সকলোৱে আজি উপকৃত হৈছে। অহা ২১ ডিচেম্বৰত প্ৰধানমন্ত্ৰীয়ে নামৰূপলৈ আহি চতুৰ্থটো গোটৰ আধাৰশিলা স্থাপন কৰিব। অসমৰ উন্নয়নৰ যাত্ৰাত নিৰন্তৰ ভূমিকা পালন কৰা বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাকো ধন্যবাদ জ্ঞাপন কৰি সোণোৱালে কয়— স্থানীয় সাংসদ হিচাপে মই বিশেষ আনন্দ অনুভৱ কৰিছোঁ, কিয়নো মই সদৌ অসম ছাত্ৰ সন্থাত থকাৰ দিনৰপৰাই এই প্ৰকল্পটোৰ বাবে নামৰূপৰ ৰাইজৰ সৈতে সংগ্ৰাম কৰি আহিছিলোঁ। কিন্তু কংগ্ৰেছ চৰকাৰে আমাৰ বহুদিনীয়া দাবীক কোনো গুৰুত্বই প্ৰদান কৰা নাছিল, বৰঞ্চ অৱহেলাহে কৰিছিল। অৱশেষত অসমবাসীৰ এই দীৰ্ঘদিনীয়া আশা পূৰণ কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আগভাগ লৈ শক্তিশালী সিদ্ধান্ত গ্ৰহণ কৰিলে। আগন্তুক দিনত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাইজে এই উদ্যোগটোৰ জৰিয়তে বিশ্বৰ বজাৰত স্থিতি সুদৃঢ় কৰিবলৈ সক্ষম হ'ব আৰু খেতিয়কৰ আয় দুগুণৰপৰা তিনি গুণলৈ বৃদ্ধি কৰাৰ বাবে যি লক্ষ্য আগত ৰখা হৈছে, সেই লক্ষ্যত আমি উপনীত হ'ব পাৰিম। স্থানীয় বিধায়ক তৰংগ গগৈয়েও এই প্ৰকল্পটোৰ বাবে নিৰন্তৰভাৱে লাগি আছে। তেওঁকো ধন্যবাদ জনাইছোঁ। সোণোৱালৰ সৈতে উপস্থিত থাকে চৰকাৰৰ মন্ত্ৰী প্ৰশান্ত ফুকন, যোগেন মহন, বিধায়কসকল তৰংগ গগৈ, বিনোদ হাজৰিকা, চক্ৰধৰ গগৈ, তেৰছ গোৱালা, ভাস্কৰ শৰ্মা, ধৰ্মেশ্বৰ কোঁৱৰ, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ চৈকত পাত্ৰ, উপ-মেয়ৰ উজ্জ্বল ফুকন, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱাল, জিলা আয়ুক্ত বিক্ৰম কৈৰী প্ৰমুখ্যে ব্যক্তিসকল।

# অত্যন্ত মৰ্মাহত হৈছোঁ

আন্দোলনকে ধৰি অসমৰ প্ৰতিটো সংকটৰ মুহূৰ্তত বৌদ্ধিক নেতৃত্ব প্ৰদান কৰি অহা অসমক সঁচা অৰ্থত মনে-প্ৰাণে ভালপোৱা ব্যক্তিগৰাকীৰ মৃত্যু অসমৰ জাতীয় জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি। তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালক গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ।

## পশ্চিম নলবাৰীৰ নামতী প্ৰেমদা দেৱীৰ বিয়োগ



**দৈনিক অসমৰ প্ৰতিনিধি**
**চামতা, ১৪ ডিচেম্বৰ ঃ** পশ্চিম নলবাৰী অঞ্চলৰ সৰুনন্দী নিবাসী সৰ্ববৰহী মহিলা, নামতী প্ৰেমদা দেৱী (৭৮)ৰ কালি নিশা বাৰ্ধক্যজনিত কাৰণত নিজ গৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ তিনিজন ল'ৰা, দুগৰাকী বোৱাৰীৰ লগতে নাতি-নাতিনী আৰু অনেক গুণমুগ্ধক সংসাৰত এৰি থৈ যায়।

## মহাপুৰুষীয়া সমাজ দৰং জিলা সমিতিৰ অধিৱেশনৰ লাইখুঁটা স্থাপন

**দৈনিক অসমৰ প্ৰতিনিধি**
**পশ্চিম দৰং, ১৪ ডিচেম্বৰ ঃ** দৰঙৰ বুঢ়াত মহাপুৰুষীয়া সমাজ দৰং জিলা সমিতিৰ পঞ্চদশ বাৰ্ষিক পূৰ্ণাংগ অধিৱেশনখন ৩১ জানুৱাৰী আৰু ১ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। আজি গায়ন-বায়ন, খোল-তাল, হৰিধ্বনিৰ মাজেৰে মহাপুৰুষীয়া সমাজৰ সম্পূৰ্ণ মাংগলিক পৰম্পৰাৰে লাইখুঁটা স্থাপন কৰে বুঢ়া গৰৈমাৰা শাখাৰ সভাপতি প্ৰভাত



চহৰীয়া, দগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পবিত্ৰ কুমাৰ, সমাজকৰ্মী নন্দৰাম কুমাৰ, ৰভামঞ্চ উপ-সমিতিৰ সভাপতি ভূষণ চহৰীয়াই। আদৰণী সমিতিৰ সভাপতি ৰমেশ চহৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত মহাপুৰুষীয়া সমাজৰ অসংখ্য ভকত-বৈষ্ণৱ উপস্থিত থাকে। মহাপুৰুষীয়া সমাজৰ দৰং জিলা সমিতিৰ পঞ্চদশ বাৰ্ষিক পূৰ্ণাংগ অধিৱেশনৰ লাইখুঁটা স্থাপন কৰে।

## জকাইত সমীৰণ কুমাৰ দাসলৈ শ্ৰদ্ধাঞ্জলি

**দৈনিক অসমৰ প্ৰতিনিধি**
**চাবুৱা, ১৪ ডিচেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ বৈৰাগীমঠ আলোকপথৰ নিবাসী, জকাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক, লেকাই কে চি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ, সমাজহিতৈষী, মানৱদৰদী প্ৰয়াত সমীৰণ কুমাৰ দাসলৈ ১৩ আৰু ১৪ ডিচেম্বৰত ডিব্ৰুগড় জিলাৰ জকাই চেঁচা চাহ বাগিচা তিনিআলিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। কালি লেকাই কে চি জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক নৰোত্তম চৰৱ, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক লক্ষীন্দৰ কুৰ্মী, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ জ্যেষ্ঠ নেতা বসন্ত কুৰ্মী প্ৰমুখ্যে বহুকেইজন প্ৰাক্তন ছাত্ৰৰ উপৰি অসংখ্য গুণমুগ্ধই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে, আজিও প্ৰয়াত শিক্ষকগৰাকীলৈ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, গুণমুগ্ধসকলে শ্ৰদ্ধাৰ্ঘ্য জনায়। শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ সময়ত শিক্ষক-সমাজসেৱক নৰোত্তম চৰৱ, ছাত্ৰনেতা লক্ষীন্দৰ কুৰ্মী, বসন্ত কুৰ্মীয়ে কয় যে প্ৰয়াত শিক্ষক সমীৰণ কুমাৰ দাসে জকাই অঞ্চলৰ উপৰি চাহ বাগিচাৰ শিক্ষাৰ উত্তৰণৰ হকে নিঃস্বাৰ্থভাৱে আজীৱন ত্যাগ স্বীকাৰ কৰি সেৱা আগবঢ়াইছিল।



## টীয়কৰ কৰুণা গোস্বামীৰ মৃত্যু



**দৈনিক অসমৰ প্ৰতিনিধি**
**টীয়ক, ১৪ ডিচেম্বৰ ঃ** টীয়ক নেপালী সত্ৰৰ বাসিন্দা, ধৰ্মপ্ৰাণা, সৰ্ববৰহী মহিলা কৰুণা গোস্বামীৰ আজি পুৱা ৭.৫০ বজাত নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি হয়। কিছুদিন ধৰি অসুস্থ হৈ থাকি যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ থকা কৰুণা গোস্বামীৰ মৃত্যুৰ সময়ত ৭৭ বছৰ হৈছিল। ইহ সংসাৰত তেওঁ তিনিজন পুত্ৰ, দুগৰাকী জী, জোঁৱাই, নাতি-নাতিনী আৰু ইষ্ট-কুটুম্বক এৰি থৈ যায়। মূল ৰংদৈ আধাৰ সত্ৰৰ বংশৰ প্ৰয়াত গণেশ গোস্বামীৰ পত্নী কৰুণা গোস্বামীৰ মৃত্যুত টীয়কৰ নেপালী সত্ৰ অঞ্চলত শোকৰ ছাঁ পৰে।

### মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পাছতো মন্ত্ৰী-বিধায়কৰ মইমতালিত দুৰ্ভোগ মাতৃ-পুত্ৰৰ

# কমলপুৰত চৰকাৰী গৃহৰপৰা বঞ্চিত বিধৱা

**দৈনিক অসমৰ প্ৰতিনিধি**
**কমলপুৰ, ১৪ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ পূৰ্বৰ জালুকবাৰী সমষ্টি আৰু বৰ্তমানৰ কমলপুৰ সমষ্টিৰ বাইহাটা চাৰিআলিৰ গুৱাহাটী পথৰ বিগবজাৰৰ সন্মুখত এগৰাকী ৫০ বছৰ বয়সৰ মহিলাই হুইল-চেয়াৰত এজন যুৱকক লৈ প্ৰায়ে সাহায্য বিচাৰি জীৱন নিৰ্বাহ কৰি থকা দৃশ্য সৰ্বজনবিদিত। বিধৱা মহিলাগৰাকীৰ নাম কুসুম বণিয়া আৰু হুইল-চেয়াৰত বহি এটি নিষ্পাপ শিশুৰ দৰে কেতিয়াবা হাঁহি থকা, কেতিয়াবা আমন-জিমনকৈ বহি থকা যুৱকজন কুসুম বণিয়াৰ বিশেষভাৱে সক্ষম পুত্ৰ পল্লৱ দাস। বয়স জোখাৰে প্ৰায় ২২টা বসন্ত পাৰ কৰা পল্লৱে কথা ক'ব নোৱাৰে, আনকি থিয় হ'বও নোৱাৰে। যিটো বয়সত ডেকা ল'ৰা হৈ পুত্ৰ হিচাপে নিজৰ মাতৃক উপাৰ্জন কৰি খুৱাব লাগিছিল, সেই বয়সত বিধৱা মাতৃৰ ওপৰতে নিৰ্ভৰশীল বিশেষভাৱে সক্ষম যুৱক পল্লৱ। নিজৰ নিত্য-নৈমিত্তিক কামফেৰাও নিজে কৰিব নজনা পল্লৱে কেৱল কোনোবাই কিবা মৰমত দিলে সৰু শিশুৰ দৰে খোলা হাঁহি এটা মাৰি মনৰ অভিব্যক্তি প্ৰকাশ কৰে। আশ্চৰ্যজনক কথা, চৰকাৰে বিশেষভাৱে সক্ষমসকলৰ বাবে বিভিন্ন আঁচনি বা সাহায্য বলবৎ কৰিছে যদিও দুৰ্ভগীয়া পল্লৱে চুকি পোৱা নাই কোনো চৰকাৰী আঁচনি অথবা কোনো সাহায্য। উল্লেখ্য, পল্লৱৰ মাতৃ কুসুম বণিয়াৰ স্বামীৰ মৃত্যুৰ পাছত স্বামীগৃহৰ পৰা আহি পূৰ্বৰ জালুকবাৰী বিধানসভা সমষ্টি, বৰ্তমানৰ কমলপুৰ বিধানসভা সমষ্টিৰ আগডলা গাঁও পঞ্চায়তৰ অধীনস্থ উত্তৰ আগডলাৰ বণিয়া চুবুৰিৰ মাতৃগৃহত থাকিবলৈ লয় যদিও কিছুদিন পাছত মাতৃগৃহৰ পৰা আহি পুত্ৰ পল্লৱৰ লগত গুৱাহাটী পথৰ ভাৰাঘৰত থাকিবলৈ লয়। বিগত কুৰি বছৰৰো অধিক কাল ধৰি ভাৰাঘৰতে থকা মাতৃ-পুত্ৰই দুৰ্বিষহ জীৱন কটাইছে। উল্লেখ্য যে, বৰ্তমানৰ মুখ্যমন্ত্ৰী, পূৰ্বৰ জালুকবাৰী সমষ্টিৰ বিধায়ক ডঃ হিমন্ত বিশ্ব শৰ্মাৰ একান্ত ভক্ত কুসুম বণিয়াই কিবা পালেও-নাপালেও ডঃ হিমন্ত বিশ্ব শৰ্মাকে ভোট দি অহা বুলি দাবী কৰি পূৰ্বৰ বিভিন্ন বিভাগৰ মন্ত্ৰীগৰাকীক একাধিকবাৰ সাহায্য বিচাৰি আবেদন কৰি আহিছে যদিও কোনো সুফল লাভ কৰা নাই। কুসুম বণিয়াৰ অভিযোগ— মন্ত্ৰী ডঃ শৰ্মাই প্ৰত্যেকবাৰতে একোজন স্থানীয় দলীয় নেতাক প্ৰয়োজনীয় সাহায্য দিয়াৰ ব্যৱস্থা কৰি দিয়াৰ বাবে নিৰ্দেশ দিয়ে যদিও মন্ত্ৰীগৰাকীয়ে পিছ দিয়াৰ লগে লগে তেওঁলোকে তথাকথিত নেতাসকলেও বিষয়টোৰ পৰা ফালৰি কাটি যায়। এনেদৰেই বছৰৰ পাছত বছৰ ধৰি সকলো চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চিত হৈ আহিছে দুৰ্ভগীয়া কুসুম বণিয়া। সম্প্ৰতি পঞ্চায়তীৰাজ আঁচনিৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰে দৰিদ্ৰ হিতাধিকাৰীক প্ৰদান কৰি অহা চৰকাৰী ঘৰ পাবলৈও সক্ষম হোৱা নাই কুসুম বণিয়াই। পঞ্চায়তৰ লগত যোগাযোগ কৰাত জানিব পৰা যায় যে কুসুম বণিয়াৰ নামত ক'তো এডৰা মাটি নোহোৱাৰ বাবেই চৰকাৰী ঘৰৰ পৰা বঞ্চিত হৈ আছে কুসুম বণিয়া। সেয়েহে এই প্ৰতিবেদকে কমলপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ লগত যোগাযোগ কৰাত বিষয়াগৰাকীয়ে কুসুম বণিয়াক এক কঠা চৰকাৰী মাটি প্ৰদানৰ আশ্বাস দিছে যদিও সেয়া সময়ৰ মূৰকতহে গম পোৱা যাব উক্ত আশ্বাস কিমানদূৰ কাৰ্যকৰী হয়।



### তামুলপুৰত কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ বৈঠক

## '২৬ৰ নিৰ্বাচনৰ পূৰ্বে জনজাতিকৰণৰ দাবী

**দৈনিক অসমৰ প্ৰতিনিধি**
**তামুলপুৰ, ১৪ ডিচেম্বৰ ঃ** তামুলপুৰ জিলা সদৰৰ চিলাৰায় ভৱনত সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ এখন গুৰুত্বপূৰ্ণ বৈঠক আজি অনুষ্ঠিত হয়। বৈঠকত কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকসকলৰ বাবে একেটা ভাগতে জনজাতিৰ মৰ্যাদা প্ৰদান কৰিবলৈ আহ্বান জনায়। তামুলপুৰ, বাক্সা আৰু ওদালগুৰি জিলাৰ কোচ ৰাজবংশী জনগোষ্ঠীক দুটা ভাগত বিভক্ত নকৰি বঙাইগাঁও জিলাৰ কোচ ৰাজবংশী লোকসকলৰ লগত একে মৰ্যাদাৰেই এছটি-পিৰ মৰ্যাদা প্ৰদান কৰি আমাৰ জনগোষ্ঠীটোক একেটা ভাগতে ৰাখিবলৈ চৰকাৰক আহ্বান জনায়। বৈঠকৰ অন্তত সাংবাদিকৰে সাক্ষাৎকাৰত কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ হৈ সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক শংকৰ ৰাজবংশীয়ে কয়— কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকসকলক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে জনজাতিৰ মৰ্যাদা প্ৰদান কৰক। অন্যথা ২০২৬ চনত বিজেপি বিধানসভা নিৰ্বাচনত জয় হ'ব নোৱাৰিব বুলি স্পষ্ট কৰি দিয়ে। নিৰ্বাচনৰ পূৰ্বে যাতে আভুৱা-নাভাঁৰে তাৰ বাবেও চৰকাৰক আহ্বান জনায় কোচ ৰাজবংশী ছাত্ৰ সন্থাই। সাংবাদিকক পুনৰ কয়— আমি কাৰো অধিকাৰ খৰ্ব কৰিব খোজা নাই। কাৰোবাৰ অধিকাৰ খৰ্ব কৰি আমি আমাৰ জনগোষ্ঠীটোৰ অধিকাৰ ল'ব বিচৰা নাই। আমি অসমৰ ভূমিপুত্ৰ, সেই হিচাপে আমি আমাৰ অধিকাৰ বিচাৰিছোঁ। অন্যথা আগন্তুক দিনত তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হ'ব বুলি মন্তব্য কৰাৰ লগতে তামুলপুৰ, বাক্সা আৰু ওদালগুৰিক সমপৰ্যায়ৰ স্বীকৃতি প্ৰদান কৰিবলৈও চৰকাৰক আহ্বান জনায়। বৈঠকত সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক শংকৰ ৰাজবংশী, কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি তাপস সিংহ, তামুলপুৰ জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি মতিকান্ত বৰ্মন, বাক্সা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি হিতেশ মেধি, সম্পাদক নৱজিৎ কোচ, কৈলাস দাস, তামুলপুৰ আঞ্চলিক সমিতিৰ সভাপতি ভূমিধৰ দাসৰ লগতে কোচ ৰাজবংশী জনগোষ্ঠীৰ বহুকেইগৰাকী বুদ্ধিজীৱীয়ে অংশগ্ৰহণ কৰে।

### ১৬, ১৭ আৰু ১৮ জানুৱাৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন

## বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শতবৰ্ষ অনুষ্ঠানৰ লাইখুঁটা স্থাপন

**দৈনিক অসমৰ প্ৰতিনিধি**
**বজালী, ১৪ ডিচেম্বৰ ঃ** বজালী জিলাৰ পাঠশালাৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আজি শতবৰ্ষ অনুষ্ঠানৰ লাইখুঁটা স্থাপন কৰা হয়। বিদ্যালয়খনে ২০২৬ বৰ্ষৰ ১৬, ১৭ আৰু ১৮ জানুৱাৰীত শতবৰ্ষ উদ্‌যাপন কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। আজি মাংগলিক অনুষ্ঠানৰ মাজেৰে



দিনৰ প্ৰায় ১১ বজাত লাইখুঁটা স্থাপন কৰে উদ্‌যাপন সমিতিৰ সভাপতি, স্থানীয় বিধায়ক, অসম চৰকাৰৰ জ্যেষ্ঠ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। মাংগলিক অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয়— বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে এক গৌৰৱময় ইতিহাস বহন কৰি আহিছে। উক্ত বিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা লাভ কৰি দেশ-বিদেশত কৰ্মস্থান লাভ কৰি বৌদ্ধিক দিশত এক গুৰুত্বপূৰ্ণ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। উদ্‌যাপন সমিতিৰ উপ-সমিতিৰ সভাপতি ৰুবুল শৰ্মাই আঁত ধৰা অনুষ্ঠানত শিক্ষাবিদ মুনিন্দ্ৰ নাৰায়ণ গোস্বামী, অসম সৌৰভ বঁটাপ্ৰাপক কৃষ্ণ ৰয়, প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ কমলেশ্বৰ উজীৰ, পাঠশালা সাহিত্য সভাৰ সভাপতি অনিল ডেকা আৰু প্ৰাক্তন ছাত্ৰসকলে বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গৌৰৱময় ইতিহাস সোঁৱৰণ কৰি শতবাৰ্ষিকী উদ্‌যাপনৰ বাবে বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ, শতবৰ্ষ উদ্‌যাপন সমিতিৰ সম্পাদক ৰঞ্জন চক্ৰৱৰ্তী, কাৰ্যকৰী সভাপতি স্বপন তালুকদাৰ, উপ-সমিতিসমূহৰ কৰ্মকৰ্তাকে ধৰি শতাধিক লোক উপস্থিত থাকে।

### সৰৱ অসম আদিবাসী শান্তি কেন্দ্ৰীয় সমিতি

## বৰগাঙত ধৰ্ষণকাৰীক ফাঁচি দিয়াৰ দাবীত প্ৰতিবাদ

**দৈনিক অসমৰ প্ৰতিনিধি**
**বিশ্বনাথ চাৰিআলি, ১৪ ডিচেম্বৰ ঃ** বৰগাঙৰ মৰাণবস্তিৰ এগৰাকী নাবালিকাক অন্তঃসত্ত্বা কৰা এইচ বি আই ইটাভাটাৰ মালিক মহম্মদ আলীক দৃষ্টান্তমূলক শাস্তি দিয়াৰ দাবীত আজি বিশ্বনাথত সংবাদমেল সম্বোধন কৰে সদৌ অসম আদিবাসী শান্তি কেন্দ্ৰীয় সমিতিয়ে। এইচ বি আই ইটাভাটাৰ মালিক মহম্মদ আলীক ইতিমধ্যে বিশ্বনাথ জিলা আৰক্ষীয়ে কলিয়াবৰৰ পৰা ১১ ডিচেম্বৰত গ্ৰেপ্তাৰ কৰিছে। বিহালী সমজিলাৰ জাতীয় দল-সংগঠনে ঘটনাৰ লগত জড়িত মহম্মদ আলীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনোৱাৰ সমান্তৰালভাৱে আজি সদৌ অসম আদিবাসী কেন্দ্ৰীয় সমিতিয়ে সংবাদমেলৰ মাধ্যমেৰে উক্ত গোচৰ ফাষ্ট ট্ৰেক আদালতৰ জৰিয়তে বিচাৰ প্ৰক্ৰিয়া চলাই দোষীক ফাঁচি দিয়াৰ দাবী জনায়। সংবাদমেলত অসম চৰকাৰৰ আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদৰ বিশেষভাৱে দায়িত্বপ্ৰাপ্ত বিষয়া ৰগেশ্বৰ খাণ্ডোৱালে লম্পট মহম্মদ আলীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনোৱাৰ লগতে বিহালী সমজিলাত থকা অধিকাংশ ইটাভাটাই অবৈধ হোৱাৰ লগতে উক্ত অবৈধ ইটাভাটাসমূহে কৃষিভূমি খান্দি পৰিৱেশ বিনষ্ট কৰাৰ অভিযোগ উত্থাপন কৰে। ইটাভাটাসমূহে বিহালীৰ কৃষিভূমিসমূহত অবৈধভাৱে ভূমি খনন কৰা কাৰ্যত বন বিভাগক ব্যৱস্থা ল'বলৈ আহ্বান জনায়।

## বিশ্বনাথত মনোজ বৰাৰ মৃত্যুত শোক চিকিৎসক সন্থাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**বিশ্বনাথ চাৰিআলি, ১৪ ডিচেম্বৰ ঃ** বিশ্বনাথ চাৰিআলিৰ এজন সমাজকৰ্মী, বৰা নাৰ্চিং হোমৰ স্বত্বাধিকাৰী, বিজেপিৰ জ্যেষ্ঠ কৰ্মী মনোজ বৰাৰ মৃত্যুত ভাৰতীয় চিকিৎসক সন্থাৰ বিশ্বনাথ চাৰিআলি শাখাই গভীৰ শোক প্ৰকাশ কৰিছে। কালি বৰা নাৰ্চিং হোমৰ প্ৰাংগণত মৃত বৰাৰ নশ্বৰ দেহত ফুলাম গামোচা আৰু পুষ্পমাল্য অৰ্পণ কৰি মৃতকৰ আত্মাৰ চিৰশান্তি কামনা কৰে সন্থাৰ সম্পাদক ডাঃ মনজিৎ কটকীয়ে। চিকিৎসক সন্থাৰ হৈ ডাঃ দুলাল চন্দ্ৰ শৰ্মাইও মৃত বৰাৰ সৎ গুণবোৰ উল্লেখ কৰে। উল্লেখ্য যে, মনোজ বৰা হৈছে বিশ্বনাথৰ সকলোৰে স্মৰণীয় ব্যক্তি স্বৰ্গীয় কোযেশ্বৰ বৰাৰ বৰপুত্ৰ। তেওঁৰ ভাতৃ ডাঃ সৰোজ বৰা চিকিৎসক সন্থাৰ এজন সক্ৰিয় সদস্য। চিকিৎসক সন্থাৰ হৈ উপস্থিত থাকে ডাঃ বিকাশ সৰকাৰ, ডাঃ দেৱযানী দাস, ডাঃ ৰঞ্জিত দাস, ডাঃ সৌৰভ গোস্বামী, ডাঃ ইয়াছিন আহমেদ, ডাঃ ৰিপন চুতীয়া, ডাঃ জীৱনজ্যোতি তেলী, ডাঃ প্ৰবীণ কাকতি, ডাঃ সুশান্ত খাৰঘৰীয়া।

### প্ৰতিষ্ঠাপক সভাপতি বুধীন ফুকনৰ অভিনন্দন গ্ৰন্থ উন্মোচন

## দৈয়াংপৰীয়া সাহিত্য সভাৰ আজীৱন সভ্য সন্মিলন

**দৈনিক অসমৰ প্ৰতিনিধি**
**ধনশিৰি, ১৪ ডিচেম্বৰ ঃ** দৈয়াংপৰীয়া শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি বুধীন ফুকনৰ অভিনন্দন গ্ৰন্থ উন্মোচন আৰু শাখাটোৰ আজীৱন সভ্য সন্মিলন শাখাৰ নাহৰবাৰীস্থিত কাৰ্যালয় মুক্তিনাথ শৰ্মা সোঁৱৰণী ভৱনত অনুষ্ঠিত হয়। পুৱা ৯ বজাৰ পৰা পতাকা উত্তোলন, স্মৃতি তৰ্পণ আদি অনুষ্ঠানৰ অন্তত দিনৰ ১২ বজাৰ পৰা শাখা সভানেত্ৰী দীপালী শৰ্মাৰ অধ্যক্ষতাত মুকলি সভা অনুষ্ঠিত হয়। উক্ত সভাত দৈয়াংপৰীয়া শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি বুধীন ফুকনৰ অভিনন্দন গ্ৰন্থ উন্মোচন কৰে সৰু পথাৰ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডঃ প্ৰণৱ ঢেকিয়াল ফুকনে। সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত





থাকে অসম নেপালী সাহিত্য সভাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক গোপাল শ্ৰেষ্ঠ, মিলন মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নবীন হাজৰিকা, সাংবাদিক বিবেকানন্দ দত্ত আৰু মাণিক চন্দ্ৰ শৰ্মা, পি এম শ্ৰী গেলাবিল জি বি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কমল বৰা। শাখাৰ আজীৱন সভ্যসকলৰ মাজত অন্তৰঙ্গ আলাপ অনুষ্ঠিত হয়।

## যোৰহাট বিজ্ঞান চ'ৰাত পক্ষী সংৰক্ষণ সন্দৰ্ভত সজাগতা

**দৈনিক অসমৰ প্ৰতিনিধি**
**যোৰহাট, ১৪ ডিচেম্বৰ ঃ** 'চৰকাৰী আৰু বেচৰকাৰীভাৱে তৃণমূল পৰ্যায়ত পক্ষী সংৰক্ষণৰ ক্ষেত্ৰত সজাগতা সৃষ্টিত অধিক গুৰুত্ব প্ৰদান কৰিব লাগিব। এইক্ষেত্ৰত জনসাধাৰণ অধিক সচেতন আৰু সচেষ্ট হ'ব লাগিব। অন্যথা পক্ষীহত্যা ৰোধ কৰাত সফলতা লাভ কৰিব নোৱাৰিব।'— যোৰহাট বিজ্ঞান চ'ৰাৰ ৫৬ সংখ্যক বৈঠকত যোৰহাটৰ বিশিষ্ট বন্যপ্ৰাণী সংৰক্ষক, পক্ষীবিদ শান্তা শৰ্মাই এইদৰে মন্তব্য কৰে। পক্ষী সংৰক্ষণৰ ক্ষেত্ৰত যোৰহাটত দীৰ্ঘকাল ধৰি প্ৰচেষ্টা চলোৱা প্ৰকৃতিপ্ৰেমীগৰাকীয়ে বালিমাহী চৰাই পৰিভ্ৰমী পক্ষীৰ ভিতৰত বছৰত প্ৰথম আহে বুলি কয় আৰু চাকৈ-চকোৱা চৰাই একেবাৰে শেষত উভতি যায় বুলি প্ৰকাশ কৰে। পাৰিপাৰ্শ্বিক অনুষ্ঠান প্ৰকৃতিৰ প্ৰতিষ্ঠাপক, চৰাইৰ বিষয়ে বিভিন্ন কাকত-আলোচনীত প্ৰবন্ধ লিখাৰ লগতে গ্ৰন্থ প্ৰণয়ন কৰা পৰিৱেশ কৰ্মীগৰাকীয়ে চৰায়ে কণীৰ চোকোৱা হ'বৰ কাৰণে ধান খায় আৰু এই সুবিধা গ্ৰহণ কৰিয়েই দুষ্কৃতিকাৰীয়ে পক্ষী নিধন কৰি আহিছে বুলি ব্যক্ত



কৰে। অসম বিজ্ঞান সমিতিৰ উপ-সভাপতি ৰমেন গগৈয়ে পৰিচালনা কৰা বৈঠকত মুখ্য আলোচকৰ পৰিচয় প্ৰদান কৰে যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহৰ শৈক্ষিক বিষয়া পূৰবী দেৱীয়ে। যোৰহাট পৰিৱেশ মঞ্চৰ সম্পাদক বেদান্ত দত্তই শলাগ জনোৱা বৈঠকত অৱসৰপ্ৰাপ্ত চাহ বিজ্ঞানী ডঃ বিচিত্ৰ কুমাৰ বৰঠাকুৰ, কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ ৰাজেন্দ্ৰ প্ৰসাদ দাস, অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ ইন্দিৰা বৰুৱা, যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অধ্যাপক ডঃ অতনু দত্ত, জিষ্টৰ অধ্যাপক ডঃ মনীষা ৰাজখোৱা, প্ৰধান শিক্ষক পৰমেশ্বৰ কৃষ্ণাত্ৰেয়, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰাজকুমাৰ গুপ্তা, যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহৰ শৈক্ষিক বিষয়া পলাশী বৰা প্ৰমুখ্যে বিভিন্নজন উপস্থিত থাকে।

## কলিতা জনগোষ্ঠী সন্মিলনৰ ধৰ্মপুৰ আঞ্চলিকৰ সভা

**দৈনিক অসমৰ প্ৰতিনিধি**
**অভয়াপুৰী, ১৪ ডিচেম্বৰ ঃ** কলিতা জনগোষ্ঠী সন্মিলনৰ ধৰ্মপুৰ আঞ্চলিকৰ সাধাৰণ সভাখন আজি অনুষ্ঠিত হয়। ধৰ্মপুৰ সত্ৰৰ সমূহীয়া ভৱনত তদৰ্থ সমিতিৰ সভাপতি জ্যোতিপ্ৰসাদ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক দেৱাশিস পাঠকে। সভাত উপস্থিত থাকি বঙাইগাঁও জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ সভাপতি সত্যনাৰায়ণ কলিতাই সংগঠনৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা আগবঢ়ায়। সাম্প্ৰতিক সময়ত জনগোষ্ঠীটোৰ সমস্যা সমাধান আৰু উন্নয়নৰ স্বাৰ্থত একত্ৰিত হৈ কাম কৰিবলৈ সকলোকে আহ্বান জনায়। তেওঁ সাধাৰণ সভাৰ সন্মতিক্ৰমে পূৰ্বৰ তদৰ্থ সমিতিখনক পূৰ্ণাংগৰূপে অনুমোদন জনায়। সভাত আলোচনাত ভাগ লৈ বিশ্বজিৎ দাস, দ্বিজেন্দ্ৰ চন্দ্ৰ দাস, নৱজ্যোতি দাস, কমল কলিতা, দুৰ্গেশ্বৰী কলিতা আদিয়ে জনগোষ্ঠীটোৰ লোকসকলৰ শৈক্ষিক, সামাজিক, সাংস্কৃতিক বিকাশৰ ওপৰত বক্তব্য আগবঢ়ায়। বিশেষকৈ চৰকাৰে আগবঢ়োৱা বিভিন্ন আঁচনিৰ সুবিধা যাতে জনগোষ্ঠীটোৰ লোকসকলে লাভ কৰে তাৰ বাবে সমিতিখনক সহায় কৰিবলৈ আহ্বান জনায়।

## চলচলিত পৰিত্যক্ত বাহন উদ্ধাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**পুৰণিগুদাম, ১৪ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত পুৰণিগুদামৰ চলচলি ৰামটিলা আটি গাঁৱৰ নলৈ দলঙৰ সমীপত আজি পুৱাৰ ভাগত উদ্ধাৰ হয় এখন দুৰ্ঘটনাগ্ৰস্ত বাহন। পৰিত্যক্ত অৱস্থাত উদ্ধাৰ হোৱা বাহনখন গৰু চুৰি কৰিবলৈ অহা চোৰৰ দলৰ বুলি সন্দেহ কৰে স্থানীয় লোকে। এ এছ-০২এএন-০৭৭২ নম্বৰৰ চাৰিচকীয়া বাহনখন দুৰ্ঘটনা হোৱা এলেকাতে এৰি থৈ চোৰৰ দলে পলায়ন কৰে বুলি স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰিছে।

### বন্যপ্ৰাণী সংক্ৰান্তীয় বাৰ্তালাপত দেশৰ ২৫গৰাকী শিক্ষাৰ্থীৰ অংশগ্ৰহণ

# কাজিৰঙাত বন্যপ্ৰাণী সংৰক্ষণৰ বিশেষ চিত্ৰ কৰ্মশালা

**দৈনিক অসমৰ প্ৰতিনিধি**
**বোকাখাত, ১৪ ডিচেম্বৰ ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল কৰ্তৃপক্ষ আৰু বিশ্ব প্ৰকৃতি নিধিৰ সহযোগত ১২ ডিচেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে কাজিৰঙাত 'জন বন চিত্ৰণ' নামৰ বন্যপ্ৰাণী সংৰক্ষণৰ বিশেষ চিত্ৰ কৰ্মশালা অনুষ্ঠিত হয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰ্মশালাত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক বন্যপ্ৰাণী অংকন আৰু তথ্য সংগ্ৰহৰ উপৰি চিত্ৰত বন্যপ্ৰাণীটোৰ গুৰুত্ব অংকনৰ লগতে স্থানীয় সংস্কৃতিৰ সৈতে থকা সম্পৰ্কক অংকন কৰাৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। কাজিৰঙাৰ ৱাইল্ড গ্ৰাছ ৰিজ'ৰ্টত অনুষ্ঠিত চিত্ৰ কৰ্মশালাত ৰাজ্যৰ উপৰি ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ২৫গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ১২ ডিচেম্বৰৰ পুৱা কাজিৰঙাৰ ৱাইল্ড গ্ৰাছ নামৰ ৰিজ'ৰ্টৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত পূব অসম বন্যপ্ৰাণী সংমণ্ডলৰ ডি এফ অ' অৰুণ বিঘ্নেশ, ওড়িশাৰ চিত্ৰশিল্পী সুদৰ্শন শ্ব, বোকাখাতৰ আয়ুস্কৰ চিত্ৰকলা বিদ্যালয়ৰ শ্ৰীমন্ত মাধৱ বৰা, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বিভাগীয় সমাজবিজ্ঞানী বিপাঞ্চী তামুলীয়ে অংশগ্ৰহণ কৰে। পৰিৱেশ কৰ্মী উত্তম শইকীয়াই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত ডি এফ অ' অৰুণ বিঘ্নেশে আনুষ্ঠানিকভাৱে কৰ্মশালা উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানৰ পাছত চিত্ৰশিল্পী সুদৰ্শন শ্বই কৰ্মশালাৰ প্ৰাৰম্ভিক বিৱৰণ





দিয়াৰ পাছত কৰ্মশালাৰ কাৰ্যসূচী আৰম্ভ হয়। বিয়লি কৰ্মশালাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলক কাজিৰঙাৰ কেন্দ্ৰীয় বনাঞ্চল কঁহৰা দৰ্শন কৰোৱাৰ লগতে ক্ষেত্ৰভিত্তিক অধ্যয়ন, দৃশ্যপটত জৈৱ-বৈচিত্ৰ্যৰ তাৎক্ষণিক চিনাক্তকৰণ আৰু বিৱৰণ, কাজিৰঙাৰ সাংস্কৃতিক অৱদান আদিৰ ওপৰত বনাঞ্চলতে আলোচনা কৰা হয়। পৰৱৰ্তী সময়ত চিত্ৰশিল্পী সুদৰ্শন শ্বৰ নেতৃত্বত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলে বন্যপ্ৰাণী সংৰক্ষণৰ বাৰ্তাৰে চিত্ৰকৰ্মৰ অনুশীলন কৰে। ১৩ ডিচেম্বৰৰ পুৱা চিত্ৰ অংকন আৰু পৰিৱেশ নিৰীক্ষণৰ পাছত ৱাইল্ড গ্ৰাছ ৰিজ'ৰ্টৰ প্ৰেক্ষাগৃহত কৰ্মশালাৰ বিশেষ বৈঠক অনুষ্ঠিত হয়। কাজিৰঙাৰ সঞ্চালকৰ কাৰ্যালয়ৰ অধীক্ষক গীতাঞ্জলি কলিতাই আঁত ধৰা অনুষ্ঠানত নগাঁৱৰ বিশিষ্ট চিত্ৰশিল্পী প্ৰশান্ত বৰদলৈ, কাজিৰঙাৰ শিল্পী পাপু ঘোষ, বোকাখাতৰ বিজয় তাঁতী, বোকাখাত প্ৰেছ ক্লাবৰ সভাপতি ভৱানন্দ কলিতা, আয়ুস্কৰ চিত্ৰকক বিদ্যালয়ৰ সচিব শ্ৰীমন্ত মাধৱ বৰা, বিশ্ব প্ৰকৃতি নিধিৰ ৰাজ্যিক সমন্বয়ক অৰ্চিতা ভট্টাচাৰ্য আৰু নীৰজ কাকতি, তিনিচুকীয়াৰ লেখক কবিতা দুৱৰা, শিল্পী সংগীতা দত্ত, ৱাইল্ড গ্ৰাছ ৰিজ'ৰ্টৰ স্বত্বাধিকাৰী মঞ্জু বৰুৱা, বোকাখাতৰ চিত্ৰশিল্পী পৰিৱেশকৰ্মী উত্তম শইকীয়া আৰু বিশিষ্ট সাংবাদিক শিৱাশীষ ঠাকুৰক আয়োজক সমিতিৰ হৈ কাজিৰঙাৰ সঞ্চালক ডঃ সোণালী ঘোষ আৰু ডি এফ অ' অৰুণ বিঘ্নেশে ফুলাম গামোচা আৰু বন্যপ্ৰাণীৰ তৈল্যচিত্ৰৰে সম্বৰ্ধনা জনায়। সন্ধিয়া একুৱা জুইৰ কাষত বহি অৰ্চিতা ভট্টাচাৰ্য, উত্তম শইকীয়া, নিৰঞ্জন নায়ক আৰু বিপাঞ্চী তামুলীয়ে কৰ্মশালাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ লগত বন্যপ্ৰাণী আৰু জৈৱ-বৈচিত্ৰ্যৰ লগতে বিভিন্ন লোককথাত বন্যপ্ৰাণী সম্পৰ্কত বাৰ্তালাপ কৰে। আজি পুৱা পক্ষী নিৰীক্ষণ কৰা ছাত্ৰ-ছাত্ৰীসকলে বন, বন্যপ্ৰাণী আৰু প্ৰকৃতি সংৰক্ষণ বিষয়ক নিজৰ নিজৰ শিল্পকৰ্ম নিৰ্মাণ কৰে। বিয়লি অনুষ্ঠিত সমাৱৰ্তন সমাৰোহত নিজৰ শিল্পকলাৰ বিৱৰণ আৰু কৰ্মশালাৰ অভিজ্ঞতা ব্যক্ত কৰাৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ তৰফৰ পৰা প্ৰতিগৰাকী অংশগ্ৰহণকাৰীক মানপত্ৰ আৰু স্মাৰক প্ৰদান কৰা হয়। সমাৱৰ্ত অনুষ্ঠানত ডি এফ অ' অৰুণ বিঘ্নেশ, ডঃ মৰমী বৰুৱা, উত্তম শইকীয়া আৰু বিপাঞ্চী তামুলী উপস্থিত থাকে।

## মুছলপুৰ প্ৰেছ ক্লাবৰ নতুন সমিতিৰ দায়িত্ব গ্ৰহণ

**দৈনিক অসমৰ প্ৰতিনিধি**
**মুছলপুৰ, ১৪ ডিচেম্বৰ ঃ** বাক্‌সা জিলাৰ মুছলপুৰ প্ৰেছ ক্লাবৰ নতুন কাৰ্যনিৰ্বাহক সমিতিয়ে আজি দায়িত্ব গ্ৰহণ কৰে। মুছলপুৰ প্ৰেছ ক্লাবৰ আগন্তুক দুবছৰীয়া কাৰ্যকালৰ বাবে নিৰ্বাচিত সভাপতি আৰু সাধাৰণ সম্পাদক ক্ৰমে চাণক্য বৈশ্য আৰু দেৱজিৎ নাথৰ নেতৃত্বত নতুন সমিতিক কাৰ্যভাৰ অৰ্পণ কৰে পুৰণি কাৰ্যনিৰ্বাহকে। চাণক্য বৈশ্যৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত তেওঁ মুছলপুৰ প্ৰেছ ক্লাবক বৰ্তমানৰ পৰ্যায়ত উপনীত কৰাৰ ক্ষেত্ৰত কৰা ত্যাগৰ বাবে প্ৰতিগৰাকী বিষয়ববীয়াক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে বিশেষভাৱে প্ৰেছ ক্লাবৰ উপদেষ্টাদ্বয় কাৰ্তিক দাস আৰু নিকুঞ্জ কলিতাৰ অৱদানৰ কথা উল্লেখ কৰে। সাধাৰণ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰি দেৱজিৎ নাথে আগন্তুক দিনত মুছলপুৰ প্ৰেছ ক্লাবক শক্তিশালী কৰি তোলাৰ বাবে প্ৰতিগৰাকী সাংবাদিকৰ দিহা-পৰামৰ্শৰে পদক্ষেপ গ্ৰহণ কৰা হ'ব আৰু সাংবাদিকৰ লগতে সংবাদক্ষেত্ৰৰ বিকাশৰ বাবে কাম কৰা হ'ব বুলি উল্লেখ কৰে। বৃহত্তৰ মুছলপুৰ অঞ্চলৰ বিভিন্ন দল-সংগঠন, চৰকাৰী বিভাগক বাতৰি, সংবাদমেল সন্দৰ্ভত মুছলপুৰ প্ৰেছ ক্লাবৰ নৱনিৰ্বাচিত সভাপতি চাণক্য বৈশ্যক (৯৬৭৮৬-৭০৬৭০) নাইবা সাধাৰণ সম্পাদক দেৱজিৎ নাথক (৯৪৩৫৭-৩৩৭৯৫) যোগাযোগ কৰিবলৈ আহ্বান জনায়।

## ভগা কাঁহৰ আকাশলংঘী দামত জুৰুলা কঁহাৰ, নিৰ্বিকাৰ চৰকাৰ

# সৰ্থেবাৰীৰ কাঁহ শিল্পলৈ অশনি সংকেত



দৈনিক অসমৰ প্ৰতিনিধি
**সৰ্থেবাৰী, ১৪ ডিচেম্বৰ ঃ** সৰ্থেবাৰীৰ কাঁহশিল্পত কেঁচামাল হিচাপে ব্যৱহৃত ভগাকাঁহৰ আকাশলংঘী দামে এতিয়া শিল্পটোক মৃত্যুৰ মুখলৈ ঠেলি দিছে। বৰ্তমান বজাৰত ভগাকাঁহৰ দাম ডেৰ গুণ বৃদ্ধি পোৱাত বহু কাঁহৰ গঢ়শালিত এতিয়া কাঁহৰ বাচন-বৰ্তন উৎপাদন প্ৰক্ৰিয়া প্ৰায় বন্ধ হৈ পৰাৰ উপক্ৰম হৈছে। সাধাৰণতে গুৱাহাটীৰ ফাঁচীবজাৰত থকা ব্যৱসায়ীৰ দোকানৰপৰাই সৰ্থেবাৰীৰ অসম সমবায় কঁহাৰ সংঘ আৰু ব্যক্তিগত ব্যৱসায়ীসকলে ভগাকাঁহ ক্ৰয় কৰি কাঁহশিল্পীসকলক নতুন বাচন-বৰ্তন তৈয়াৰৰ বাবে যোগান ধৰে। আনহাতে, কাঁহশিল্পীসকলে নতুন বাচন-বৰ্তন তৈয়াৰ কৰি অসম সমবায় কঁহাৰ সংঘ নাইবা ব্যক্তিগত ব্যৱসায়িক প্ৰতিষ্ঠানক ঘূৰাই দিয়ে আৰু তাৰ বাবে নিৰ্দ্ধাৰিত নিৰিখত শিল্পীসকলে বানচ বা মজুৰি লাভ কৰে। এবছৰ পূৰ্বে ভগাকাঁহৰ দাম আছিল প্ৰতি কিলোগ্ৰামত এহেজাৰ এশ টকা আৰু আজি ই হৈছেগৈ এহেজাৰ পাঁচশ পঞ্চাশ টকা। তিনিটা মাহৰ ভিতৰতে ভগাকাঁহৰ দাম দৈনিক দ্ৰুতগতিত বৃদ্ধি পোৱাত কাঁহ ব্যৱসায়ী আৰু কাঁহশিল্পীসকলৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। ভগাকাঁহৰ অভাৱত বহু গঢ়শাল বন্ধ হৈ পৰিছে। ফলত কাঁহশিল্পীসকলৰ জীৱন-জীৱিকাৰ ক্ষেত্ৰতে সমস্যাৰ উদ্ভৱ হৈছে আৰু গোটেই শিল্পটোতে এক স্থবিৰতা নামি আহিছে। এতিয়া সৰ্থেবাৰী সভা মহোৎসৱৰ প্ৰাক্‌সময় আৰু বতৰো অনুকূল। এই সময়ছোৱাত শিল্পীসকলে পূৰ্ণগতিত দিনে-ৰাতি কাম কৰি কাঁহৰ বাচন-বৰ্তন তৈয়াৰ কৰে। কিন্তু, চৰাদামৰ বাবে অসম সমবায় কঁহাৰ সংঘ আৰু ব্যক্তিগত ব্যৱসায়ীসকলে সীমিত পৰিমাণত ভগাকাঁহ ক্ৰয় কৰি শিল্পীসকলক কমকৈ ভগাকাঁহ যোগান ধৰাত ভগাকাঁহৰ অভাৱত বেছিভাগ গঢ়শালতেই এতিয়া দুদিন কাম চলে আৰু চাৰিদিন বন্ধ থাকে। কেঁচামালৰ উৰ্দ্ধগামী দামৰ বাবেই ভগাকাঁহৰ যোগান পৰ্যাপ্ত নহয়। ৰাং (জিংক) আৰু তামৰ মিশ্ৰণত নতুন কাঁহ উৎপাদন হয় যদিও সৰ্থেবাৰীত নতুন কাঁহ উৎপাদন ব্যৱস্থা নাই। আনহাতে, কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণত থকা তাম যোগানৰ ব্যৱস্থাও হৈ উঠা নাই। ফলত পুৰণি নাইবা ভগাকাঁহৰ ওপৰত নিৰ্ভৰ কৰিয়েই এই পুৰণি জাতীয় কুটীৰ শিল্পটো যুগ যুগ ধৰি চলি আহিছে। আনহাতে, চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগে ভগাকাঁহৰ মূল্য নিয়ন্ত্ৰণৰ বাবেও কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ফাঁচীবজাৰৰ এচাম ব্যৱসায়ীয়ে ভগাকাঁহৰ কৃত্ৰিম নাটনি সৃষ্টি কৰি সময়ে সময়ে নিজ ইচ্ছাত ভগাকাঁহৰ দামবৃদ্ধি কৰি আহিছে।

## মাজবাটত চুৰি কাৰ্য ৰোধৰ বাবে টোল ফ্ৰী নম্বৰ মুকলি

দৈনিক অসমৰ প্ৰতিনিধি
**ওৰাং, ১৪ ডিচেম্বৰ ঃ** মাজবাটত বিগত সময়ৰেপৰা ব্যাপক হাৰত চুৰিকাৰ্যৰ ঘটনা সঘনাই সংঘটিত হৈ আহিছে। বহুকেইটা পৰিয়ালৰ ঘৰত কোনো নথকাৰ সুযোগতে দিন-দুপৰতে চোৰে চুৰ কৰি উধাও হোৱাৰ ঘটনাই চিন্তিত কৰি তুলিছে সৰ্বসাধাৰণক। মাজবাট আৰক্ষীয়ে এই চুৰিকাৰ্য সন্দৰ্ভত ব্যাপক অভিযান আৰম্ভ কৰিছে। চুৰিকাৰ্যৰ প্ৰতি লক্ষ্য ৰাখি মাজবাট আৰক্ষীয়ে অঞ্চলটোৰপৰা কোনো গৃহস্থই যদি ঘৰত তলাবন্ধ কৰি বাহিৰলৈ যায়, সেই বিষয়ে আগতীয়াকৈ আৰক্ষীক অৱগত কৰিবলৈ ৬০২৬৯০১১২৪ নম্বৰ মুকলি কৰি দিছে মাজবাট আৰক্ষীয়ে। চুৰিকাৰ্য ৰোধ কৰাৰ প্ৰতি লক্ষ্য ৰাখি মাজবাট আৰক্ষীয়ে উক্ত পদক্ষেপ গ্ৰহণ কৰাত ৰাইজৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে।

## গেলেকীৰ এটা ভাৰাঘৰৰ পৰা মৃতদেহ উদ্ধাৰ



দৈনিক অসমৰ প্ৰতিনিধি
**শিমলুগুৰি, ১৪ ডিচেম্বৰ ঃ** নাজিৰা সমজিলাৰ গেলেকী আৰক্ষী থানাৰ অন্তৰ্গত গেলেকী চাৰিআলিৰ এটা ভাৰাঘৰৰপৰা আৰক্ষীয়ে এজন ব্যক্তিৰ মৃতদেহ উদ্ধাৰ কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইফতিকাৰ ৰহমান বড়া নামৰ ব্যক্তিজন কোঠাৰ ভিতৰত চিপ লৈ থকা প্ৰত্যক্ষ কৰি স্থানীয় ৰাইজে গেলেকীৰ আৰক্ষীক খবৰ দিয়ে। ঘটনাৰ খবৰ পাই আৰক্ষীৰ দল উপস্থিত হৈ নাজিৰা সমজিলাৰ এগৰাকী দণ্ডাধীশৰ তত্ত্বাৱধানত মৃতদেহ উদ্ধাৰ কৰে। ইফতিকাৰ ৰহমান বড়াৰ ঘৰ শিৱসাগৰত বুলি জানিব পৰা গৈছে আৰু বৰ্তমান তেওঁ গুৱাহাটীৰ হাতীগাঁৱত বাস কৰি আছিল বুলি স্থানীয় ৰাইজে জানিব দিয়ে। বড়াই দীৰ্ঘদিন ধৰি কয়লা ব্যৱসায়সূত্ৰে গেলেকীৰ ভাৰাঘৰত থাকি লৈছিল। কিন্তু হঠাৎ কালি তেওঁ চিপ লোৱাৰ বুলি খবৰ বিয়পি পৰাৰ লগে লগে অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে।

## ভৱানীপুৰত কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শৰ্মাৰ ঘোষণা

# পুৰণি পেন্সন ব্যৱস্থা বাহালৰ দাবীত আন্দোলন



দৈনিক অসমৰ প্ৰতিনিধি
**সৰুপেটা, ১৪ ডিচেম্বৰ ঃ** অহা ২৪ ডিচেম্বৰৰ পৰা নতুন পেন্সন আঁচনি প্ৰত্যাহাৰ আৰু পুৰণি পেন্সন আঁচনি বাহাল ৰখাৰ দাবীত সদৌ অসম কৰ্মচাৰী পৰিষদৰ নেতৃত্বত ৰাজ্যৰ শিক্ষক-কৰ্মচাৰীসকলে ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰিব। প্ৰথমাৱস্থাত স্বাক্ষৰ সংগ্ৰহ, বাইক ৰেলী, শোভাযাত্ৰা, ধৰ্ণা আদি বিভিন্ন কাৰ্যসূচীৰে আন্দোলন আগুৱাই লৈ যোৱা হ'ব। ১২ ডিচেম্বৰত ভৱানীপুৰৰ শিয়ালমাৰী সৰ্বোদয় মধ্য ইংৰাজী বিদ্যালয়ত অনুষ্ঠিত বজালী জিলা মধ্য ইংৰাজী শিক্ষক সংস্থাৰ সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি এই মন্তব্য কৰে সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শৰ্মাই। আনহাতে সভাপতিগৰাকীয়ে কালি সাংবাদিকৰে হোৱা আছুতীয়া বাৰ্তালাপত শিক্ষক-কৰ্মচাৰীসকলৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহে প্ৰৱৰ্তন কৰিব খোজা নতুন পেন্সন নীতি, অৰ্থাৎ এন পি এছ বাতিলকৰণ আৰু পুৰণি পেন্সন নীতি, অৰ্থাৎ অ' পি এছ ব্যৱস্থা ৰাজ্যখনত পুনৰ প্ৰৱৰ্তনৰ দাবীত জনাই অহা দীৰ্ঘদিনীয়া দাবীৰ ক্ষেত্ৰত কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। তেওঁ কয়— এন পি এছ ব্যৱস্থা প্ৰৱৰ্তনৰ ঘোষণাৰ পাছৰে পৰাই দুই-এখনত বাদে দেশৰ গৰিষ্ঠসংখ্যক ৰাজ্যৰ শিক্ষক-কৰ্মচাৰীসকলে এই ব্যৱস্থাৰ বিৰোধ কৰি আহিছে। এন পি এছ ব্যৱস্থাত কৰ্মচাৰীসকলে ন্যূনতম সা-সুবিধাহে লাভ কৰাৰ আশংকা আছে। সভাপতিগৰাকীয়ে সভাত কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিয়া অষ্টম দৰমহা আয়োগ অসমতো গঠন কৰাৰ বিষয়ে আলোচনা হোৱাৰ কথা জানিবলৈ দিয়ে। বজালী জিলা মধ্য ইংৰাজী শিক্ষক সংস্থাৰ সভাপতি নিৰণ চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত কালিৰ সভাখনত ৰঞ্জন মেধিয়ে উদ্দেশ্য ব্যাখ্যা কৰে। সভাত বজালী জিলা মধ্য ইংৰাজী শিক্ষক সংস্থাৰ নৱনিৰ্বাচিত সভাপতি অতুল চন্দ্ৰ দাসেও ভাষণ দিয়ে। উল্লেখ্য যে যোৱা ২ আৰু ৩ ডিচেম্বৰত ধুবুৰীত অনুষ্ঠিত মধ্য ইংৰাজী শিক্ষক সংস্থাৰ অধিৱেশনত বজালী জিলা মধ্য ইংৰাজী শিক্ষক সংস্থাৰ সম্পাদক ৰঞ্জন মেধি সদৌ অসম মধ্য ইংৰাজী শিক্ষক সংস্থাৰ কেন্দ্ৰীয় সমিতিৰ প্ৰধান সম্পাদক হিচাপে নিৰ্বাচিত হোৱাত তেওঁৰ সৈতে বজালী জিলা মধ্য ইংৰাজী শিক্ষক সংস্থাৰ নৱনিৰ্বাচিত সভাপতি অতুল চন্দ্ৰ দাস আৰু সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শৰ্মাকো সংস্থাৰ তৰফৰ পৰা বিপুল সম্বৰ্ধনা জনোৱা হয়। সভাত বজালী জিলা মধ্য ইংৰাজী শিক্ষক সংস্থাৰ অন্তৰ্গত বিদ্যালয়সমূহৰ কেইবাগৰাকীও বিদ্যালয় প্ৰধানৰ লগতে বিশেষভাৱে আমন্ত্ৰিত বজালী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কিশোৰ কুমাৰ ৰাজবংশীয়ে সভাত বক্তব্য আগবঢ়ায়।

## কলবাৰী প্ৰাথমিক বিদ্যালয়ৰ বঁটা বিতৰণী সভা

দৈনিক অসমৰ প্ৰতিনিধি
**বাঁহজানী, ১৪ ডিচেম্বৰ ঃ** 'সংস্কাৰী অভিভাৱকৰ সন্তানেহে শিক্ষাগুৰুক সন্মান জনায়।' এই মন্তব্য নলবাৰী জিলাৰ বাঁহজানীৰ কুমাৰীকাটাৰ ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা সাংবাদিক ৰূপক বৈশ্যৰ। নলবাৰী জিলাৰ পশ্চিম প্ৰান্তৰ কলবাৰী প্ৰাথমিক বিদ্যালয়ত যোৱা ৮ ডিচেম্বৰৰপৰা পাঁচদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা বিদ্যালয় সপ্তাহ উপলক্ষে ১২ ডিচেম্বৰত আবেলিৰ ভাগত অনুষ্ঠিত বঁটা বিতৰণী সভাত বিশেষ অতিথি হিচাপে অংশগ্ৰহণ কৰে ৰূপক বৈশ্যই। বিদ্যালয়খনৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী হিয়াংগনা শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি অধিৱেশন আৰু বঁটা বিতৰণী সভাত মুখ্য অতিথি হিচাপে পশ্চিম নলবাৰী শিক্ষাখণ্ডৰ ২৬নং মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক কমল কুমাৰ তালুকদাৰে নতুন শিক্ষানীতিৰ বিষয়ে পৰ্যালোচনা আগবঢ়ায়। বিদ্যালয়খনৰ শিক্ষক হীৰকজ্যোতি শৰ্মাই আঁতধৰা সভাখনত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি যাদৱ বৈশ্য, শিক্ষক ক্ৰমে সুৰেশ কুমাৰ গোস্বামী, প্ৰদীপ ভট্ট, দিলীপ বৈশ্য, মুনীন্দ্ৰ ভাগৱতী, শিক্ষয়িত্ৰী ৰানু দেৱীৰ লগতে শতাধিক ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকা তথা ৰাইজ উপস্থিত থাকে। ইফালে, এই সভাতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰদৰ্শন কৰা বিভিন্ন কৃতিত্বৰ বাবে তেওঁলোক পুৰস্কৃত কৰা হয়।

## ডঃ নীলম নন্দিনী শৰ্মা 'ভাৰতীয় জ্ঞান পৰম্পৰা কেন্দ্ৰ'ৰ মুখ্য সচিব নিযুক্ত

দৈনিক অসমৰ প্ৰতিনিধি
**নগাঁও, ১৪ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ জীয়ৰী, বৰ্তমান বাংগালুৰুৰ ৰেৱা বিশ্ববিদ্যালয়ত কৰ্মৰত ডঃ নীলম নিন্দনী 'ভাৰতীয় জ্ঞান পৰম্পৰা কেন্দ্ৰৰ' মুখ্য সচিবৰ দায়িত্ব গ্ৰহণৰ খবৰে জন্মস্থান নগাঁৱলৈ আনন্দৰ জোৱাৰ কঢ়িয়াই আনিছে। সমান্তৰালভাৱে ডঃ শৰ্মাই বিশ্ববিদ্যালয়খনৰ 'স্কুল অব পাৰফৰ্মিং আৰ্টিছ এণ্ড ইণ্ডিক ষ্টাডী'ৰ মুখ্য গৱেষক অধ্যাপকৰ দায়িত্বতো নিয়োজিত হৈ আছে। নগাঁও মণ্টেছৰী স্কুলৰ পৰা প্ৰাইমাৰী, নগাঁও চৰকাৰী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু নগাঁও কলংপাৰ বিদ্যাপীঠৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীৰ সন্দিকৈ ছোৱালী কলেজৰ পৰা বুৰঞ্জী বিভাগত সন্মানসহ স্নাতক ডিগ্ৰী লাভ কৰি পুণেৰ পৰা স্নাতকোত্তৰ আৰু আৰ্কিঅ'লজীত পি এইচ ডি ডিগ্ৰী লাভ কৰে। ইতিমধ্যে তেওঁ বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত গৱেষণামূলক কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে গৱেষণামূলক পত্ৰ আৰু গ্ৰন্থ পাঠ কৰি সুখ্যাতি অৰ্জন কৰিছে। এগৰাকী কন্যা সন্তানৰ মাতৃ নীলম নন্দিনী নগাঁও চহৰৰ লাওখোৱা ৰোডৰ বিশিষ্ট লেখিকা মীৰা শৰ্মা আৰু প্ৰয়াত উত্তম শৰ্মাৰ জীয়ৰী তথা বাংগালোৰ নিবাসী ধ্ৰুৱজ্যোতি ভট্টাচাৰ্যৰ পত্নী।



## 'হাতে-কামে শিকা শিক্ষাইহে জীৱন গঢ়ে'

# কৈঠালকুছিৰ সাধনা একাডেমীৰ বাৰ্ষিক অধিৱেশন

দৈনিক অসমৰ প্ৰতিনিধি
**চামতা, ১৪ ডিচেম্বৰ ঃ** 'আজি সকলোতে চলিছে প্ৰতিযোগিতা। শিক্ষাতো চলিছে প্ৰতিযোগিতা। প্ৰাচীনকালৰ শিক্ষা আছিল হাতে-কামে শিকাৰ শিক্ষা। হাতে-কামে কৰা শিক্ষাইহে জীৱন গঢ়িব পাৰে।' এই মন্তব্য চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বীৰেন্দ্ৰ নাথ বৰ্মনৰ। ১২ ডিচেম্বৰত সাধনা একাডেমী, কৈঠালকুছিৰ দ্বাদশ বাৰ্ষিক অধিৱেশন আৰু বঁটা বিতৰণী সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি এনেদৰে কয় বৰ্মনে। একাডেমীৰ অধ্যক্ষ লক্ষেশ্বৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি নলবাৰী জিলা সাহিত্য সভাৰ বিত্তীয় আহ্বায়ক কুমুদ ডেকা, আমন্ত্ৰিত অতিথি হিচাপে কৈঠালকুছি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিকাশ বেজবৰুৱা, হাৰিভাঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক গোৱিন্দ ভাগৱতী উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী, অভিভাৱকক উদ্দেশ্যি অনুপ্ৰেৰণামূলক ভাষণ দিয়ে। সভাৰ অতিথিসকলৰ ভাষণৰ মাজে মাজে একাডেমীৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে গীত, নৃত্য পৰিৱেশন কৰি সভাখন মনোগ্ৰাহী কৰি তোলে।

## বিজেপিৰ মথনগুৰি মণ্ডল কাৰ্যালয় উদ্বোধন

দৈনিক অসমৰ প্ৰতিনিধি
**হাউলী, ১৪ ডিচেম্বৰ ঃ** বি টি চিৰ বাক্‌সা জিলাৰ মানস বিধানসভা সমষ্টিৰ অন্তৰ্গত বিজেপি দলৰ মথনগুৰি মণ্ডল সমিতিৰ কাৰ্যালয় উদ্বোধন কৰাৰ উদ্দেশ্যে ১২ ডিচেম্বৰত সন্ধিয়া ৭ বজাত এখন গুৰুত্বপূৰ্ণ সভা জাখলিবিল পথাৰত অনুষ্ঠিত হয়। উক্ত সভাত দলৰ মথনগুৰি মণ্ডল কাৰ্যালয়টো আনুষ্ঠানিকভাৱে মুকলি কৰে ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে। ইয়াৰ পাছত দলৰ মথনগুৰি মণ্ডলৰ সভাপতি ঘনশ্যাম বৰ্মনৰ পৌৰোহিত্যত এখন সভা অনুষ্ঠিত হয়। সভাখনত ভৱানীপুৰ সমষ্টিৰ বিধায়ক তালুকদাৰে আগন্তুক বিধানসভা নিৰ্বাচনত মানস সমষ্টিটো বিজেপি মিত্ৰজোঁটৰ দলৰ দখলৰ কাৰণে দলীয় কাৰ্যকৰ্তাসকলক জোৰদাৰভাৱে কাম কৰি যাবলৈ আহ্বান জনায়। উক্ত সভাত মণ্ডলৰ সাধাৰণ সম্পাদক নৰোত্তম বিশ্বাস, দলৰ বাক্‌সা জিলাৰ বিত্ত সম্পাদক চম্পক দাস, মানস সমষ্টিৰ বি এল এ অভিজিৎ ঘটক, নন্দি শক্তিৰ প্ৰমুখ দিগন্ত তালুকদাৰসহ ভালেসংখ্যক দলীয় কাৰ্যকৰ্তা উপস্থিত থাকে।


## বৰমা উঃ মাঃ বিদ্যালয় ভৱন নিৰ্মাণৰ শুভাৰম্ভ

দৈনিক অসমৰ প্ৰতিনিধি
**বৰমা, ১৪ ডিচেম্বৰ ঃ** বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱন নিৰ্মাণৰ কালি শুভাৰম্ভ কৰা হয়। উল্লেখযোগ্য যে বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ, বৰ্তমান বৰমা সমষ্টিৰ বিধায়ক ভূপেন বড়োৰ নেৰানেপেৰা প্ৰচেষ্টাত অসম চৰকাৰৰ উত্তৰ-পূৰ্বাঞ্চল বিশেষ আন্তগাঁথনি আঁচনিৰ অধীনত সাত কোটি টকা বিদ্যালয় ভৱন নিৰ্মাণৰ বাবে মঞ্জুৰ হয়। সেই টকাৰে আধুনিক ৰূপত বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱন নিৰ্মাণ কৰা হ'ব। কালি আনুষ্ঠানিকভাৱে এই নতুন ভৱনৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে বৰমা সমষ্টিৰ বিধায়ক ভূপেন বড়ো আৰু বৰমা পৌৰসভাৰ অধ্যক্ষ ৰজনী বৰজৌৱাৰীয়ে।

## নলবাৰীত ৰন্ধন কৰ্মীৰ প্ৰশিক্ষণ আৰম্ভ

দৈনিক অসমৰ প্ৰতিনিধি
**নলবাৰী, ১৪ ডিচেম্বৰ ঃ** এতিয়াৰেপৰা চৰকাৰী বিদ্যালয়সমূহত পি এম পোষণ অভিযানৰ অধীনত বাৰবিধ বিভিন্ন তৰহৰ খাদ্য যোগান ধৰা হ'ব। সেয়েহে ৰান্ধনীসকলৰ এক দিনজোৰা প্ৰশিক্ষণ কালি পূব নলবাৰী শিক্ষাখণ্ডৰ বিজুলীঘাট মজলীয়া বিদ্যালয়ত অনুষ্ঠিত হয়। শিক্ষাখণ্ডটোৰ অন্তৰ্গত ৯৪ (৪) উপৰ বৰভাগ মণ্ডল সমল কেন্দ্ৰ, দুইৰ উদ্যোগত অনুষ্ঠিত এই প্ৰশিক্ষণত দহখন বিদ্যালয়ৰ ২৪গৰাকী মধ্যাহ্ন ভোজনৰ ৰন্ধনকৰ্মী আৰু সহায়িকাই অংশগ্ৰহণ কৰি এই নতুন খাদ্য-সম্ভাৰ কেনেদৰে প্ৰস্তুত কৰে, সেই বিষয়ে হাতে-কামে প্ৰশিক্ষণ গ্ৰহণ কৰে। প্ৰশিক্ষণত গীতা হালৈয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ৰমেন কলিতা, উলাবড়ী মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক চবন চন্দ্ৰ বড়ো, বিজুলীঘাট মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক জয়ন্ত চক্ৰৱৰ্তী অতিথি হিচাপে উপস্থিত থাকি বিভিন্ন খাদ্যৰ সোৱাদ লয়।

## শব্দৰ ধেমালি ঃ ৭৮



**পথালিকৈ**

১। নাৱৰ গুৰি ধৰোঁতা (৩)
৩। হাতী, হস্তী (৩)
৬। তৃতীয়খন অসমীয়া চিনেমা (৪)
৮। লাজ; চূড়ান্ত (৩)
১০। প্ৰচুৰতা, আতিশয্য (৩)
১১। বলৰাম (৪)
১৩। পথাৰত হোৱা বা গজা (৪)
১৪। পুতল, বহলফাল (৩)
১৫। আৰ্হি, আদৰ্শ (৩)
১৭। বাকী, উঠলা (৪)
১৯। ছিদ্ৰ, হিংসা কৰিবলৈ পোৱা সুৰুঙা (৩)
২০। সাগৰ, অৰ্ণৱ (৩)
১০। আগ-বঢ়া, অগ্ৰসৰ (৪)
১২। ওপৰত উঠি ভৰিৰে খচা কাৰ্য (৪)
১৪। খেৰৰ ঢাপলিকা, কামীৰে বন্ধা খেৰৰ ঢাকনী (৩)
১৬। মৃণাল, পদুম ফুলৰ ঠাৰি (৩)
১৭। পকী ঘৰৰ মূধৰ বাহিৰ ওলাই থকা অংশ (৩)
১৮। মাখন, লৱণু (৩)

**থিয়কৈ**

২। ৰঘু, এবিধ গছ (৩)
৩। এবিধ চেপেটা মাছ (৩)
৪। বেতন বা মূল্যৰ ওপৰত দিয়া ধন (৩)
৫। ঐক্যৰ অভাৱ, বিভেদ (৩)
৭। ইচ্ছা, বাঞ্ছা, অভিলাষ (৪)
৯। গৰ্ব, বৰাই (৪)

**শব্দৰ ধেমালি ঃ ৭৭ৰ উত্তৰ**




ঐশানুব্ৰত

## নুমলীগড় শোধনাগাৰৰ নগৰাঞ্চলত নাহৰফুটুকী পিঞ্জৰাবদ্ধ

দৈনিক অসমৰ প্ৰতিনিধি
**মৰঙি, ১৪ ডিচেম্বৰ ঃ** নুমলীগড় শোধনাগাৰৰ নগৰাঞ্চলত কালি এটা নাহৰফুটুকী পিঞ্জৰাবদ্ধ কৰা হয়। বিগত কিছুদিন ধৰি নগৰাঞ্চলৰ আৱাসিক এলেকাত বিচৰণ কৰি আতংকৰ সৃষ্টি কৰিছিল এই নাহৰফুটুকীটোৱে। অৱশেষত নুমলীগড় খণ্ড বন বিভাগৰ তৎপৰতাত পিঞ্জৰাবদ্ধ কৰিলে নাহৰফুটুকীটোক। নাহৰফুটুকীটো পিঞ্জৰাবদ্ধ হোৱাত স্বস্তিৰ নিশ্বাস এৰিছে আৱাসীসকলে।

## সদৌ অসম বহুমুখী স্বাস্থ্যকৰ্মী সংস্থাৰ চতুৰ্থ দ্বি-বাৰ্ষিক অধিৱেশন

# স্বাস্থ্যসেৱাৰে মানৱ সেৱা কৰাসকল ভাগ্যৱান



দৈনিক অসমৰ প্ৰতিনিধি
**শুৱালকুছি, ১৪ ডিচেম্বৰ ঃ** স্বাস্থ্যসেৱাই পৰম ধৰ্ম। আমি প্ৰত্যেকে এই কথাটো অনুভৱ কৰোঁ আৰু স্বাস্থ্যসেৱাৰ জৰিয়তে মানৱসেৱা কৰিব পৰাটো তাতকৈ ভাগ্যৱান। বহুমুখী স্বাস্থ্য কৰ্মচাৰীসকলে দিনে-নিশাই স্বাস্থ্যসেৱাৰ জৰিয়তে মানৱসেৱা কৰি আহিছে। —এই মন্তব্য আছুৰ প্ৰাক্তন উপদেষ্টা তথা বিজেপিৰ অসম প্ৰদেশৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক প্ৰকাশ চন্দ্ৰ দাসৰ। কালি সদৌ অসম বহুমুখী স্বাস্থ্য কৰ্মচাৰী সংস্থাৰ কামৰূপৰ দদৰাস্থিত ভৃগু কুমাৰ ফুকন প্ৰেক্ষাগৃহত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত অধিৱেশনৰ মুখ্য তোৰণ মুকলি কৰি তেওঁ এই মন্তব্য কৰে। সদৌ অসম বহুমুখী স্বাস্থ্যকৰ্মী (পুৰুষ) সংস্থাৰ চতুৰ্থ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন কামৰূপ জিলা বহুমুখী স্বাস্থ্যকৰ্মী সংস্থাৰ আতিথ্যত কালিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত হৈছে। কালি পুৱা ৮ বজাত সংস্থাৰ পতাকা উত্তোলন কৰে সভাপতি পংকজ কুমাৰ তালুকদাৰে। শ্বহীদ তৰ্পণ কৰে সম্পাদক অৰূপ হাজৰিকাই। প্ৰয়াত সতীৰ্থসকলৰ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি গীতুমণি দাসে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি আৰু বন্তি প্ৰজ্বলন কৰে অভ্যৰ্থনা সমিতিৰ সম্পাদকদ্বয় নৃপেন ডেকা আৰু দিগন্ত কলিতাই। ইয়াৰ পাছতে মুখ্য তোৰণ মুকলি কৰে বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক প্ৰকাশ চন্দ্ৰ দাসে। প্ৰথম দিনৰ কাৰ্যসূচীত প্ৰতিনিধিৰ নাম পঞ্জীয়ন, অৱসৰপ্ৰাপ্ত সতীৰ্থসকলৰ সম্বৰ্ধনা অনুষ্ঠান, কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সন্ধিয়া বিশিষ্ট সমাজকৰ্মী মাণিক দাসে বন্তি প্ৰজ্বলন কৰাৰ পাছতে প্ৰতিনিধি সভা আৰম্ভ হয়।

## মৃত্যু-শোক

### প্ৰতাপ চন্দ্ৰ বৰ্মন

দৈনিক অসমৰ প্ৰতিনিধি
**বইটামাৰী, ১৪ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ নৰ্থ বইটামাৰী অঞ্চলৰ বাঁশবাৰী সুখবাসপাৰাৰ এগৰাকী শিক্ষানুৰাগী ব্যক্তি-সমাজকৰ্মী প্ৰতাপ চন্দ্ৰ বৰ্মনৰ ১২ ডিচেম্বৰৰ বিয়লি বাৰ্দ্ধক্যজনিত ৰোগত নিজ বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত বৰ্মনৰ বয়স আছিল ৯৩ বছৰ। লোকজন দীৰ্ঘদিন ধৰি বাৰ্দ্ধক্যজনিত ৰোগত শয্যাগত হৈ আছিল। তেওঁৰ মৃত্যুৰ খবৰ পাই বহু আত্মীয়-স্বজন তথা গুণমুগ্ধই তেওঁৰ বাসগৃহত উপস্থিত হৈ নশ্বৰ দেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। উল্লেখ্য যে পূৰ্বে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত বৰ্মনে মৃত্যুৰ সময়ত পত্নী, এজন পুত্ৰ, বোৱাৰী-নাতিক এৰি যায়। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

### ৰফিকুদ্দিন আহমেদ



দৈনিক অসমৰ প্ৰতিনিধি
**চামতা, ১৪ ডিচেম্বৰ ঃ** পশ্চিম নলবাৰী অঞ্চলৰ চামতাৰ পাহলংপাৰা গাঁৱৰ সৰ্বৰহী ব্যক্তি তথা মধুপুৰ উন্নয়ন খণ্ডৰ প্ৰাক্তন মুখ্য কাউন্সিলাৰ ৰফিকুদ্দিন আহমেদৰ কালি পুৱা নিজ বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৮ বছৰ। তেওঁ দীৰ্ঘদিন ধৰি যকৃতৰ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। তেওঁৰ মৃত্যুত অঞ্চলটোৰ বিভিন্ন সামাজিক আৰু ৰাজনৈতিক সংস্থা আৰু শুভাকাংক্ষীসকলে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ আগমুহূৰ্তলৈকে তেওঁ অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, এজন পুত্ৰ আৰু এগৰাকী কন্যাক এৰি যায়।



## হাৰিভাংগাৰ দেৰেন্দ্ৰ নাৰায়ণ গোস্বামীলৈ ৰাজ্যপালৰ সন্মান

**দৈনিক অসমৰ প্ৰতিনিধি**
**জাগাৰা, ১৪ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ নপ্তিপাৰা সত্ৰৰ স্থায়ী বাসিন্দা, টিহুৰ হাৰিভাংগা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দেৰেন্দ্ৰ নাৰায়ণ গোস্বামীলৈ আগবঢ়োৱা হৈছে 'ৰাজ্যপাল অসম বয়োজ্যেষ্ঠ শিক্ষক সন্মান'। উল্লেখ্য যে 'ৰাজ্যপাল অসম বয়োজ্যেষ্ঠ শিক্ষক সন্মান' কাৰ্যক্ৰমটো ৰাজ্যখনৰ আটাইতকৈ জ্যেষ্ঠ অৱসৰপ্ৰাপ্ত বিদ্যালয়ৰ শিক্ষকৰ সন্মানাৰ্থে আৰম্ভ কৰা হৈছে। বৰ্তমান গোস্বামীৰ বয়স হৈছে ৯৭ বছৰ ৬ মাহ। বৰক্ষেত্ৰী সমষ্টিৰ প্ৰথমগৰাকী ডিষ্টিংচনসহ বি এছ চি ডিগ্ৰীধাৰী ব্যক্তি হোৱাৰ উপৰি অসমৰ বিদ্যালয়সমূহৰ এড্‌ভান্স মেথামেটিক্‌ছ বিষয়ৰ পৰীক্ষক হিচাপে তেওঁক অসম চৰকাৰে প্ৰথমতে নিৰ্বাচন কৰিছিল। শাৰীৰিক অসুস্থতাৰ বাবে দেৰেন্দ্ৰ নাৰায়ণ গোস্বামী উপস্থিত থাকিব নোৱাৰাত তেওঁৰ পুত্ৰ আৰু কনিষ্ঠ ভাতৃয়ে নলবাৰী জিলাৰ আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰপৰা উক্ত বঁটা গ্ৰহণ কৰে।

## পকাবাঙিপাৰাত দিন-দুপৰতে কৰায়ত্ত ছাগলী চোৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**ছিপাঝাৰ, ১৪ ডিচেম্বৰ ঃ** ছিপাঝাৰ থানাৰ অন্তৰ্গত বৰদৌলগুৰিৰ নিকটৱৰ্তী পকাবাঙিপাৰাত পথাৰত এৰাল দি থোৱা পঠা ছাগলী এটা কালি দিন-দুপৰতে মাৰি বস্তাত ভৰাই থকা অৱস্থাতে হাতে-লোটে ধৰা পৰে এটা চোৰ। জানিব পৰা মতে, পকাবাঙিপাৰা গাঁৱৰ দীপক ডেকাৰ পথাৰত এৰাল দি থোৱা পঠা ছাগলী এটা ডিঙি মুচৰি মাৰি বস্তাত ভৰাই থকা অৱস্থাতে কৰায়ত্ত হোৱা চোৰজন একেখন গাঁৱৰে বাসিন্দা ক্ষিৰোদ শৰ্মা। ঘটনাস্থলীত ছিপাঝাৰ থানাৰ আৰক্ষী উপস্থিত হৈ ছাগলী চোৰটোক আটক কৰি থানালৈ লৈ যায়। উল্লেখ্য যে দীৰ্ঘদিন ধৰি অঞ্চলটোত ছাগলী চোৰটোৱে সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছিল।

### এসপ্তাহৰ পাছতো কাণসাৰ নাই চৰকাৰৰ

# কাৰ্বিভূমিত খিলঞ্জীয়াৰ অনিৰ্দিষ্টকালীন অনশন

**দৈনিক অসমৰ প্ৰতিনিধি**
**হামৰেণ, ১৪ ডিচেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত চৰকাৰ তথা প্ৰশাসনে উচ্ছেদ অভিযান চলাই থকাৰ মাজতে পশ্চিম কাৰ্বি আংলঙৰ খেৰণিত অনশন কাৰ্যসূচীৰে উচ্ছেদ অভিযানৰ দাবী উত্থাপন কৰা পৰিলক্ষিত হৈছে। শীঘ্ৰে কাৰ্বি আংলঙৰ পি জি আৰ আৰু ভি জি আৰ ভূমিত উচ্ছেদ চলোৱাৰ দাবী তুলি কাৰ্বি আংলঙৰ একাংশ খিলঞ্জীয়া সচেতন লোকে খেৰণিত অনশন অৱস্থানেৰে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। সুদীৰ্ঘ দিন ধৰি জাতি, মাটি, ভেটি সুৰক্ষাৰ স্বাৰ্থত কাৰ্বি জনগণে উচ্ছেদৰ দাবী কৰি আহিছে যদিও অসম চৰকাৰ তথা কাৰ্বি আংলং স্বায়ত্ত পৰিষদ কৰ্তৃপক্ষই কোনো গুৰুত্ব আৰোপ নকৰাৰ পৰিপ্ৰেক্ষিতত অনশন অৱস্থান কৰি প্ৰতিবাদ সাব্যস্ত কৰে সন্মিলিত




প্ৰতিবাদকাৰীয়ে। উল্লেখ্য যে প্ৰতিবাদকাৰীৰ দাবীক চৰকাৰে কোনোধৰণৰ সঁহাৰি বা গুৰুত্ব নিদিয়া পৰ্যন্ত এনেদৰে অনাহাৰে থাকি নিৰ্দিষ্টকাললৈ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিব বুলিও হুংকাৰ দিয়ে প্ৰতিবাদকাৰীয়ে। উল্লেখ্য যে সপ্তাহজোৰা আমৰণ অনশনত ভৰি দিয়াৰ পাছতো কাণসাৰ নাই ৰাজ্য চৰকাৰ কিম্বা কাৰ্বি পৰিষদৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ। ইফালে, বিগত সপ্তাহজোৰা অনশনত অনাহাৰে অবিৰতভাৱে থাকি পালন কৰা প্ৰতিবাদত কিছু লোক অনশনস্থলীত ঢলি পৰে বুলি জানিব পৰা গৈছে। অৱশ্যে কালি জিলা দণ্ডাধীশে অনশনস্থলীত উপস্থিত হৈ প্ৰতিবাদকাৰীৰ সৈতে আলোচনাত মিলিত হয় আৰু বিষয়টো সন্দৰ্ভত চৰকাৰক অৱগত কৰিব বুলি আশ্বাস দিয়ে।

## ৰাজ্যিক পুৰস্কাৰপ্ৰাপক শিক্ষক হৰিশ্চন্দ্ৰ গোস্বামীৰ সোঁৱৰণী গ্ৰন্থ উন্মোচন



**দৈনিক অসমৰ প্ৰতিনিধি**
**টিহু, ১৪ ডিচেম্বৰ ঃ** বাদেশিলা নিবাসী, ৰাজ্যিক পুৰস্কাৰপ্ৰাপক অৱসৰপ্ৰাপ্ত শিক্ষক, বিশিষ্ট সমাজকৰ্মী হৰিশ্চন্দ্ৰ গোস্বামীৰ প্ৰথম মৃত্যুবাৰ্ষিকী উপলক্ষে যোৱা ১২ ডিচেম্বৰত 'স্মৰণৰ পাতত জ্ঞানৰ সাধক হৰিশ্চন্দ্ৰ গোস্বামী' শীৰ্ষক এখন সোঁৱৰণী গ্ৰন্থ উন্মোচন কৰা হয়। বাদেশিলাৰ শিক্ষাব্ৰতীগৰাকীৰ বাসগৃহত হোৱা গ্ৰন্থ উন্মোচনী সভাৰ আৰম্ভণিতে হৰিশ্চন্দ্ৰ গোস্বামীৰ প্ৰতিচ্ছবিত বন্তি জ্বলায় তেওঁৰ পত্নী হিৰণ্ময়ী দেৱীয়ে আৰু পৰিয়ালৰ সদস্যবৰ্গই মাল্যাৰ্পণ কৰে। ইয়াৰ পাছতে সোঁৱৰণী গ্ৰন্থখনৰ সম্পাদক ডঃ সঞ্জয় শৰ্মাই আঁতধৰা গ্ৰন্থ উন্মোচনী সভাখনত ডায়েটৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কুলৰঞ্জন ডেকাই 'স্মৰণৰ পাতত জ্ঞানৰ সাধক হৰিশ্চন্দ্ৰ গোস্বামী' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে। এই অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক যোগেন্দ্ৰনাথ শৰ্মা, অৱসৰপ্ৰাপ্ত গাঁওপ্ৰধান ৰজনীকান্ত ডেকা, শিক্ষক অশ্বিনী কুমাৰ বৈশ্য, গণেশ চন্দ্ৰ চৌধুৰী, আৰক্ষী বিষয়া মনোজ কুমাৰ শৰ্মা প্ৰমুখ্যে কেবাগৰাকী বিশিষ্ট লোকে হৰিশ্চন্দ্ৰ গোস্বামীৰ গুণানুকীৰ্তন কৰে। শেষত শিক্ষকগৰাকীৰ পুত্ৰ উৎপল গোস্বামীয়ে উপস্থিত সকলোকে শলাগৰ শৰাই আগবঢ়ায়।

## সুৰেন্দ্ৰ নাথ কাকতি স্মৃতি ন্যাসৰ বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন

**দৈনিক অসমৰ প্ৰতিনিধি**
**বেবেজীয়া, ১৪ ডিচেম্বৰ ঃ** নগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত আৰু সুৰেন্দ্ৰ নাথ কাকতি স্মৃতি ন্যাসৰ সহযোগত ২০২৫ বৰ্ষৰ 'কৃতী শিক্ষক' বঁটা আৰু 'সাহিত্যৰত্ন' উপাধি প্ৰদান অনুষ্ঠানৰ দিহা কৰা হৈছে। শিক্ষাবিদ ডঃ স্বাধীনতা মহন্তলৈ 'কৃতী শিক্ষক বঁটা' প্ৰদানৰ লগতে বিশিষ্ট সাহিত্যিক উপেন্দ্ৰ বৰকটকী, ডঃ জ্যোতিৰ্ময় জানাৰ লগতে প্ৰয়াত বিশিষ্ট সাহিত্যিক তিলক চন্দ্ৰ মজুমদাৰলৈ (মৰণোত্তৰভাৱে) 'সাহিত্য ৰত্ন' উপাধি প্ৰদান কৰা হ'ব। উক্ত অনুষ্ঠানৰ লগত ৰজিতা খুৱাই সুৰেন্দ্ৰনাথ কাকতি স্মাৰক বক্তৃতা প্ৰদান কৰিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ মৃণাল কুমাৰ বৰুৱাই। নগাঁও ছোৱালী মহাবিদ্যালয়ৰ 'কুশীলৱ' প্ৰেক্ষাগৃহত অহা ২১ ডিচেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠানটিৰ আয়োজন কৰা হৈছে।

## কচুগাঁৱত সদৌ অসম বড়ো প্ৰাথমিক শিক্ষক সন্থাৰ বাৰ্ষিক অধিৱেশন

**দৈনিক অসমৰ প্ৰতিনিধি**
**গোসাঁইগাঁও, ১৪ ডিচেম্বৰ ঃ** গোসাঁইগাঁও মহকুমাৰ কচুগাঁৱত ১২ আৰু ১৩ ডিচেম্বৰত সদৌ অসম বড়ো প্ৰাথমিক শিক্ষক সন্থাৰ বাৰ্ষিক অধিৱেশন আৰু গোসাঁইগাঁও জিলা বড়ো শিক্ষক সন্থাৰ ২১সংখ্যক বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। কচুগাঁও আৰ এন ডি খেলপথাৰত আয়োজিত অনুষ্ঠানৰ কাৰ্যসূচী মতে, ১২ ডিচেম্বৰত পুৱা গোসাঁইগাঁও জিলা বড়ো শিক্ষক সন্থাৰ পতাকা উত্তোলন কৰে সভাপতি বীৰেন চন্দ্ৰ ব্ৰহ্মই। ইয়াৰ পাছতে প্ৰয়াত শিক্ষকসকলৰ স্মৃতিত স্মৃতি তৰ্পণ কৰা হয়। পুৱা বীৰেন চন্দ্ৰ ব্ৰহ্মৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি সভাত লেবথ ব্ৰহ্মক সভাপতি আৰু বিলিফাং ব্ৰহ্মক সম্পাদক হিচাপে লৈ আগন্তক তিনি বছৰীয়া কাৰ্যকালৰ বাবে নতুন সমিতি গঠন কৰা হয়। আনহাতে, কালি অধিৱেশনৰ অন্তিম দিনা পুৱা পতাকা উত্তোলন কৰে সদৌ অসম বড়ো প্ৰাথমিক শিক্ষক সন্থাৰ সভাপতি মদন স্বৰ্গীয়াৰীয়ে। ইয়াৰ পাছত স্মৃতি তৰ্পণ কৰা হয়। দুপৰীয়া সভাপতি মদন স্বৰ্গীয়াৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত আদৰণী ভাষণ দিয়ে অভ্যৰ্থনা সমিতিৰ সভাপতি বিল্লা কুমাৰ ব্ৰহ্মই। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি শিক্ষা বিভাগৰ কাৰ্যবাহী সদস্য ৰবিৰাম নাৰ্জাৰীয়ে কয় যে সাম্প্ৰতিক সময়ত বহু বিদ্যালয়ত পৰ্যাপ্ত শিক্ষকৰ অভাৱত শিক্ষাৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হৈছে। এজনীয়া শিক্ষক থকা স্কুলত সময়ে সময়ে ছাত্ৰ-ছাত্ৰীসকলে উপযুক্ত শিক্ষাগ্ৰহণৰপৰা বঞ্চিত হ'বলগীয়া হয়। বিশেষকৈ বড়ো মাধ্যমৰ একাংশ বিদ্যালয়ত পৰ্যাপ্ত শিক্ষক নোহোৱাৰ বাবে শিক্ষাৰ মান নিম্নগামী হৈছে। ইপিনে, অসমীয়া মাধ্যমত নিয়োজিত বহু শিক্ষকক বড়ো মাধ্যমতো নিয়োগ কৰাৰ বাবে বড়ো মাধ্যমৰ শিক্ষা ব্যৱস্থা যথেষ্ট সমস্যাৰ সন্মুখীন হৈ আহিছে। ইয়াৰ বাবে ৰাজ্য চৰকাৰে যথেষ্ট গুৰুত্ব দিয়াৰ প্ৰয়োজন আছে বুলি উল্লেখ কৰি বড়ো মাধ্যমৰ লগতে সকলো শিক্ষা ব্যৱস্থাৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰৰ ওচৰত আবেদন কৰে কাৰ্যবাহী সদস্যগৰাকীয়ে।

## ১৯, ২০ ডিচেম্বৰত নলবাৰীত ভ্ৰাম্যমাণ গ্ৰন্থমেলা

**দৈনিক অসমৰ প্ৰতিনিধি**
**নলবাৰী, ১৪ ডিচেম্বৰ ঃ** অসমৰ আগশাৰীৰ প্ৰকাশন গোষ্ঠী 'অধিকাৰী প্ৰকাশন'ৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অহা ১৯ ডিচেম্বৰত নলবাৰী জিলাৰ বনভাগ ঘোঁহকুছি হাইস্কুলত আৰু ২০ ডিচেম্বৰত কুমাৰীকাটাৰ ভাৰত ডেকা একাডেমীত দিনৰ ১০ বজাৰপৰা আবেলি ৪ বজালৈ এদিনীয়া ভ্ৰাম্যমাণ গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। ১৯ ডিচেম্বৰত গ্ৰন্থমেলাখন উদ্বোধন কৰিব বনভাগ ঘোঁহকুছি হাইস্কুলৰ প্ৰধান শিক্ষক গোবিন্দ কলিতাই। একেদৰে ২০ ডিচেম্বৰত গ্ৰন্থমেলাখন উদ্বোধন কৰিব ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যই। আন গ্ৰন্থমেলাতকৈ প্ৰতিখন কিতাপত বিশেষ ৰেহাইৰ ব্যৱস্থা কৰা হৈছে বুলি অধিকাৰী প্ৰকাশনৰ স্বত্বাধিকাৰীয়ে জানিবলৈ দিছে।

## বিশ্বনাথত চিকিৎসা শিক্ষাসভা সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**
**বিশ্বনাথ চাৰিআলি, ১৪ ডিচেম্বৰ ঃ** ভাৰতীয় চিকিৎসক সন্থাৰ বিশ্বনাথ চাৰিআলি শাখাৰ উদ্যোগত নগৰৰ হোটেল পেৰেডাইজত যোৱা ১২ ডিচেম্বৰত নিশা এখনি চিকিৎসা শিক্ষাসভা অনুষ্ঠিত হয়। সন্থাৰ সভাপতি ডাঃ নাৰায়ণ চন্দ্ৰ উপাধ্যায়ে সভাপতিত্ব কৰা শিক্ষাসভাখনত বক্তা হিচাপে উপস্থিত থাকি ডাঃ জীৱনজ্যোতি তেলীয়ে ঠাণ্ডাকালত বৃদ্ধি পোৱা শ্বাস-প্ৰশ্বাসজনিত ৰোগৰ লক্ষণ কেনেকৈ ধৰা পেলাব পাৰি আৰু কি কি চিকিৎসা কৰিব পাৰি, তাৰ বিষয়ে বিৱৰি কয়। সমল ব্যক্তি হিচাপে উপস্থিত থাকি ডাঃ আশিস আগৰৱালাই ইনফ্লুয়েঞ্জা ভেকচিনৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। সন্থাৰ সম্পাদক ডাঃ মনজিত কটকীয়ে আঁতধৰা অনুষ্ঠানটোত ডাঃ অমল শইকীয়া, ডাঃ নৃপেন শইকীয়া, ডাঃ দিলীপ কুমাৰ শৰ্মা, ডাঃ দুলাল চন্দ্ৰ শৰ্মা, ডাঃ দেৱযানী দাস পাঠক, ডাঃ সৌৰভ গোস্বামী, ডাঃ গুঞ্জন পাঠক, ডাঃ মুকুন্দ বৰা, ডাঃ ৰাজুমণি বৰা, ডাঃ বিষ্ণু শৰ্মা, ডাঃ ইয়াচিন আহমেদ, ডাঃ বিচিত্ৰ গগৈ, ডাঃ বিষ্ণু কামান, ডাঃ আলফ্ৰেড বৰুৱা, ডাঃ ৰূপমজিত ভৰালী আৰু বিকাশজ্যোতি কাকতি আদি চিকিৎসকসকল উপস্থিত থাকে।

## জাতীয় শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ জিলা সমিতি গঠন

**দৈনিক অসমৰ প্ৰতিনিধি**
**মৰিগাঁও, ১৪ ডিচেম্বৰ ঃ** সদৌ অসম জাতীয় শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ মৰিগাঁও জিলাৰ ২১জনীয়া নতুন সমিতিখন কালি কন্দৰ্প কুমাৰ ডেকাক সভাপতি আৰু জয়ফুল বৰদলৈক সম্পাদক হিচাপে লৈ গঠন কৰা হয়। মৰিগাঁও সৰ্বমংগলম সংগীত মহাবিদ্যালয়ত সদৌ অসম জাতীয় শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ এই সভাখন জিলা সমিতিৰ সভাপতি কন্দৰ্প কুমাৰ ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জয়ফুল বৰদলৈয়ে। আনহাতে, মুকলি সভা উদ্বোধন কৰে 'বৰ অসম' কাকতৰ সম্পাদক বিৰিঞ্চি কুমাৰ শৰ্মাই। সভাত পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰাজেন ডেকা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত সাধাৰণ সভাৰ আৰম্ভণিতে পুৱা পৰিষদৰ পতাকা উত্তোলন কৰে জিলা সভাপতি কন্দৰ্প কুমাৰ ডেকাই আৰু শ্বহীদ তৰ্পণ কৰে সমাজকৰ্মী বিষ্ণু ডেকাই। সন্ধিয়া ৫ বজাত সমূহীয়া বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ অন্ত পৰে।

## ধুবুৰীত এ বি ভি পিৰ ৰাজ্যিক অধিৱেশন

**দৈনিক অসমৰ প্ৰতিনিধি**
**গোলোকগঞ্জ, ১৪ ডিচেম্বৰ ঃ** অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ অসম প্ৰদেশৰ ৩১সংখ্যক ৰাজ্যিক অধিৱেশন অহা ২৪, ২৫ আৰু ২৬ ডিচেম্বৰত ধুবুৰী চহৰত অনুষ্ঠিত হ'ব। ধুবুৰী জিলাৰ পুথিভঁৰালত অনুষ্ঠিত হ'বলগীয়া বিদ্যাৰ্থী পৰিষদৰ ৰাজ্যিক অধিৱেশন ক্ষেত্ৰৰ নাম গোৱালপাৰীয়া লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডেৰ নামেৰে নামাংকিত কৰা হ'ব। ইয়াৰ লগতে অধিৱেশনৰ সভাগৃহৰ নাম ডঃ ভূপেন হাজৰিকাৰ নামত আৰু প্ৰদৰ্শনীৰ নাম গুৰু টেগ বাহাদুৰৰ নামত নামাংকিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে সমগ্ৰ অসমৰপৰা ৪০০ৰো অধিক বিদ্যাৰ্থী পৰিষদৰ কাৰ্যকৰ্তাৰ উপস্থিতিত অনুষ্ঠিত হ'বলগীয়া এই অধিৱেশনৰ প্ৰদৰ্শনী, সাংস্কৃতিক কাৰ্যক্ৰমত অসমীয়া সংস্কৃতিৰ প্ৰদৰ্শন কৰাৰ লগতে ২৫ ডিচেম্বৰত আবেলি ধুবুৰী চহৰত এটি শোভাযাত্ৰা উলিওৱা হ'ব। এই সাংস্কৃতিক শোভাযাত্ৰাত সমগ্ৰ অসমৰপৰা অহা কাৰ্যকৰ্তাসকলৰ লগতে প্ৰায় এহেজাৰ স্থানীয় কাৰ্যকৰ্তা উপস্থিত থাকিব। অধিৱেশনৰ উদ্বোধনী অনুষ্ঠানত ৰাজ্য চৰকাৰৰ পঞ্চায়তীৰাজ আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিৎ দাস উপস্থিত থকাৰ লগতে অধিৱেশনত বিদ্যাৰ্থী পৰিষদৰ ৰাষ্ট্ৰীয় সহঃসাংগঠনিক সম্পাদক গোবিন্দ নায়ক বিশেষভাৱে উপস্থিত থাকিব। অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ অসম প্ৰদেশৰ ৰাজ্যিক সম্পাদক হেৰল্ড মহনে ১২ ডিচেম্বৰত ধুবুৰীত ৰাজ্যিক অধিৱেশন সংক্ৰান্তত ধুবুৰী পৌৰসভাৰ সভাকক্ষত এক সংবাদমেল সম্বোধন কৰি এই অধিৱেশনৰ সফল ৰূপ দিবলৈ সমূহ ধুবুৰীবাসী ৰাইজৰ সহায়-সহযোগ বিচাৰে। সংবাদমেলত এ বি ভি পিৰ ধুবুৰী বিভাগৰ সংযোজক শিৰম ব্ৰহ্ম, অধিৱেশনৰ ব্যৱস্থা সমিতিৰ প্ৰমুখ বিবেক প্ৰসাদ, ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয় এ বি ভি পি গোটৰ সম্পাদিকা পৰিণীতা ৰায় উপস্থিত থাকে।




## পুৰণিগুদামৰ বৰচুংজাৰ প্ৰাথমিক বিদ্যালয়ত ৰাইজৰ উৎসৱ পালন

**দৈনিক অসমৰ প্ৰতিনিধি**
**পুৰণিগুদাম, ১৪ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ ৰূপহী শিক্ষাখণ্ডৰ অধীনৰ চাপানালা মণ্ডল সমল কেন্দ্ৰৰ ১০খন বিদ্যালয়ৰ ব্যৱস্থাপনাত কালি বৰচুংজাৰ প্ৰাথমিক বিদ্যালয়ত সমগ্ৰ শিক্ষা, নগাঁৱৰ উদ্যোগত অনুষ্ঠিত হয় ৰাইজৰ উৎসৱ। উৎসৱত ছাত্ৰ-ছাত্ৰীসকলে সাংস্কৃতিক আৰু ক্ৰীড়াৰ দিশত তেওঁলোকৰ প্ৰতিভা প্ৰদৰ্শন কৰাৰ লগতে এক সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। ইফালে, দহখনকৈ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল একত্ৰিত হৈ বিভিন্ন খেলত অংশগ্ৰহণ কৰাৰ লগতে সাংস্কৃতিক দিশত অংশগ্ৰহণ কৰে। দিনজোৰাকৈ অনুষ্ঠিত ৰাইজৰ উৎসৱৰ কাৰ্যসূচীত দুপৰীয়া অনুষ্ঠিত হয় মুকলি সভা। বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত শিক্ষক হীৰালাল কুৰ্মীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত দহখনকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ উপৰি বৰচুংজাৰ অঞ্চলৰ স্থানীয় ৰাইজ উপস্থিত থাকে। শিক্ষক বিভু কুমাৰ দাসে আঁতধৰা সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সমাজকৰ্মী সঞ্জীৱ বিশ্বাসে ৰাইজৰ উৎসৱে চৰকাৰী মাধ্যমৰ বিদ্যালয়ৰ শিক্ষাৰ উত্তৰণত এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিব বুলি উল্লেখ কৰে। ইফালে, চাপানলা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক বসন্ত হাজৰিকাই ভাষণ প্ৰসংগত কয় যে ভিতৰুৱা অঞ্চলৰ চৰকাৰী বিদ্যালয়সমূহে পিছপৰা অঞ্চল চাপানালাৰ শৈক্ষিক আৰু অন্যান্য পৰিৱেশ সুন্দৰ কৰি গঢ়ি তোলাত দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে। ইফালে, ৰূপহী শিক্ষাখণ্ডৰ অধীনৰ সূতাৰ গাঁও মণ্ডল সমল কেন্দ্ৰৰদ্বাৰাও দিনজোৰা কাৰ্যসূচীৰে ৰাইজৰ উৎসৱ-২০২৫ শীৰ্ষক অনুষ্ঠান আয়োজন কৰা হয়। পুৰণিগুদামৰ নিশিকান্ত বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সমীপৰ ভৱেন্দ্ৰনাথ নাথ শইকীয়া প্ৰেক্ষাগৃহত অনুষ্ঠিত এই ৰাইজৰ উৎসৱত পুৱা পতাকা উত্তোলন, বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ আৰু শোভাযাত্ৰাৰে আৰম্ভ হোৱা কাৰ্যসূচীত সূতাৰগাঁও মণ্ডলৰ অধীনৰ সমূহ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন, নৃত্য, কবিতা আবৃত্তি, কুইজ আদি বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াৰ পাছতেই ৰাইজৰ উৎসৱ উপলক্ষে অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে পুৰণিগুদামৰ ঐতিহ্যমণ্ডিত নিশিকান্ত বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ভাস্কৰ ভূঞাই। সূতাৰগাঁও মণ্ডলৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক নৱজ্যোতি বৰাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু ব্ৰহ্মচাৰী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক দীপজ্যোতি নাথে আঁতধৰা মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ৰূপহী শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ৰঞ্জন কুমাৰ দাস, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, চামগুৰিৰ প্ৰবক্তা ৰূপজ্যোতি বৰা, ৰূপহী শিক্ষাখণ্ডৰ সমল ব্যক্তি বসন্ত কৌশিক ভাগৱতী। আমলখি, ভৰাগুৰি, গটঙা আৰু হালোৱাগাঁও মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়কসকলো উপস্থিত থকাৰ লগতে নিশিকান্ত বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু মণ্ডলৰ আন আন বিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে।

## পৰমেশ হালৈৰ স্মৃতিচাৰণ সভা সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**
**পাটাছাৰকুছি, ১৪ ডিচেম্বৰ ঃ** পাটাছাৰকুছি নিবাসী অসম আন্দোলনৰ সক্ৰিয় কৰ্মী, বিশিষ্ট ব্যৱসায়ী, পাটাছাৰকুছিৰ বিশিষ্ট সমাজকৰ্মী, অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত, প্ৰাগজ্যোতি ক্লাবৰ অন্যতম উপদেষ্টা প্ৰয়াত পৰমেশ হালৈৰ স্মৃতিত প্ৰাগজ্যোতি ক্লাবৰ উদ্যোগত তথা পাটাছাৰকুছি উন্নয়ন সমিতি আৰু প্ৰয়াত হালৈৰ পৰিয়ালৰ সহযোগত ১০ ডিচেম্বৰৰ সন্ধিয়া এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হৈ যায়। সভাৰ আৰম্ভণিতে প্ৰয়াত হালৈৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে অৱসৰী অধ্যাপক তথা বিশিষ্ট সমাজকৰ্মী মুনীন্দ্ৰ নাৰায়ণ গোস্বামী আৰু প্ৰয়াত হালৈৰ পুত্ৰত্ৰয় ক্ৰমে অভিজিৎ হালৈ, প্ৰাণজিৎ হালৈ আৰু পৰাগ হালৈয়ে। প্ৰাগজ্যোতি ক্লাবৰ সভাপতি ৰফিকুল হকৰ সভাপতিত্বত অনুষ্ঠিত সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ ক্ৰীড়া সঞ্চালকালয়ৰ অৱসৰী উপ-সঞ্চালক ভূপেন দেৱচৌধুৰীয়ে কয় যে সফল ব্যৱসায়ী পৰমেশ হালৈ আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত নাছিল, কিন্তু এজন ব্যৱসায়ী হিচাপে এম বি এ ডিগ্ৰীধাৰীতকৈ কম নাছিল। তেওঁ ড্ৰিমলেণ্ড এটা ব্ৰেণ্ড হিচাপে গঢ়ি তুলিছে। এজন সৰল অন্তৰৰ অধিকাৰী হালৈ আছিল এগৰাকী পৰোপকাৰী ব্যক্তি। আন এগৰাকী নিৰ্দিষ্ট বক্তা ভাৰতীয় সেনাবাহিনীৰ অৱসৰপ্ৰাপ্ত বিষয়া কৰ্নেল ধৰণীধৰ শৰ্মাই ভাষণ ৰাখি কয় যে পৰমেশ হালৈ পাটাছাৰকুছিৰ অভিভাৱকস্বৰূপ। তেওঁৰ ব্যৱসায়িক প্ৰতিষ্ঠান ড্ৰিমলেণ্ড আছিল পাটাছাৰকুছিৰ আন অফিচিয়েল ডাকঘৰ। পাটাছাৰকুছিৰ বাহিৰত থকাসকলে ঘৰলৈ আহিলে প্ৰথমে হালৈক এবাৰ মাত লগাইহে ঘৰলৈ গৈছিল। নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অৱসৰী সহযোগী অধ্যাপক তথা বিভাগীয় মুৰব্বী ডঃ প্ৰবোধ চন্দ্ৰ গোস্বামীয়ে কয় যে পৰমেশ হালৈৰ ব্যক্তিত্ব সমগ্ৰ বজালী ব্যাপী আছিল। সভাত মুনীন্দ্ৰ নাৰায়ণ গোস্বামী, প্ৰয়াত হালৈৰ পুত্ৰ অভিজিৎ হালৈ, পাটাছাৰকুছি উন্নয়ন সমিতিৰ সভাপতি কুশল ডেকা, ফুকন কলিতা, টিহু মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ গিৰীন্দ্ৰ নাথ শৰ্মা, বিশিষ্ট লেখক দিলীপ কুমাৰ ৰয় আদিয়ে ভাষণ আগবঢ়ায়। সভাত পাটাছাৰকুছি বিদাপীঠৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ খনীন্দ্ৰ নাথ তালুকদাৰ, বিনন্দ নাথ শীল, নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ কৌশিক ডেকা, বিশিষ্ট পুথি প্ৰকাশক ধীৰাজ গোস্বামীকে ধৰি যথেষ্টসংখ্যক লোক উপস্থিত থাকে। আমিনুল হকে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আঁত ধৰা সভাখনত ক্লাবৰ সম্পাদক ৰাজীৱ কুমাৰ শৰ্মাই সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু সহঃ সম্পাদক দ্বীপেন দাসে শলাগৰ শৰাই আগবঢ়ায়।


## চাৰিদুৱাৰত দুৰ্যোগ ব্যৱস্থাপনাৰ 'মকড্ৰিল'

**দৈনিক অসমৰ প্ৰতিনিধি**
**ৰঙাপৰা, ১৪ ডিচেম্বৰ ঃ** শোণিতপুৰ জিলাৰ চাৰিদুৱাৰত কালি ভূমিকম্প, অগ্নিকাণ্ডৰ দৰে প্ৰাকৃতিক দুৰ্যোগত কেনে সাৱধানতা অৱলম্বন কৰা উচিত, সেই বিষয়ে সজাগতা অনাৰ বাবে 'মকড্ৰিল' কৰা হয়। এই মকড্ৰিলত ৰঙাপৰা সমজিলা কাৰ্যালয়ৰ আয়ুক্ত সংস্কৃতি সোনামী, চাৰিদুৱাৰ ৰাজহ চক্ৰ বিষয়া ডাঃ ক্ষীৰোদ কমল হাজৰিকা, চাৰিদুৱাৰ থানাৰ বিষয়া সতীশ চাহু, চাৰিদুৱাৰ ৰাজহ চক্ৰ কাৰ্যালয়ৰ দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰ বিষয়া অভিলাসা মহন্ত, কৃষি বিভাগৰ কৃষি বিকাশ প্ৰকল্পৰ লয়নময় বৰঠাকুৰ, এ ডি অ' সূৰুয বৰা, বালিপৰা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ বিষয়া ডাঃ নিভাৰাণী কেওট, ৰঙাপৰা পৌৰসভা কাৰ্যালয়ৰ কাৰ্যবাহী বিষয়া আজাহাৰ আলম, পশু বিভাগৰ চিকিৎসা বিষয়া অভিলাসা শৰ্মাৰ লগতে চাৰিদুৱাৰ যান-বাহন বিভাগ, নাগৰিক প্ৰতিৰক্ষা বিভাগ, ৰেডিঅ' যোগাযোগ বিষয়া, তেজপুৰ লোকনিৰ্মাণ বিভাগৰ পথ ভৱনৰ অভিযন্তাসকল, অগ্নিনিৰ্বাপক বাহিনী, বালিপৰা-ৰঙাপৰা সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া, ৰেচম বিভাগ, সৈন্যবাহিনী, চাৰিদুৱাৰ অঞ্চলৰ গাঁওপ্ৰধান আৰু মণ্ডলসকল উপস্থিত থাকে।

# মেঘালয়ৰ সীমাঞ্চলত পৰম্পৰাগতভাৱে ধান চপাইছে জনজাতীয় সমাজে

### নং লগোৱা প্ৰথাই আকৰ্ষণ কৰিছে বহুতকে

■ **অসম-মেঘালয়ৰ শালসেৰৰপৰা নীৰেন্দ্ৰ প্ৰসাদ ৰাভা**
**১৪ ডিচেম্বৰ ঃ** গুৱাহাটী মহানগৰীৰ পাৰ্শ্বৱৰ্তী বৃহত্তৰ ৰাণী অঞ্চলৰ খেতিপথাৰসমূহ ইতিমধ্যে উদং হৈ পৰিছে। এই উদং খেতিপথাৰসমূহত এতিয়া বনৰীয়া হাতীয়ে বিচৰণ কৰি ফুৰাও দেখা গৈছে। বৃহত্তৰ ৰাণী হ'ল বনৰীয়া হাতীৰ উপদ্ৰুত অঞ্চল। গতিকে আধা পকা ধানকে চপাই নিয়াৰ বাবে খেতিয়কসকলে যুদ্ধংদেহী গতিৰে পথাৰত নামি পৰিছিল। উল্লেখ্য যে প্ৰতিটো বৰ্ষত ৰাণীৰ খেতিপথাৰসমূহত ধান কাটিবলৈ চৰ অঞ্চলৰপৰা অগণন লোক আহে। এই বৰ্ষতো আহিছে, লগতে পথাৰৰ ধান কঢ়িয়াবলৈ ম'হ, ঘোৰা গাড়ী, মৰণা মৰা যন্ত্ৰও লৈ আহিছে। চৰ অঞ্চলৰে অন্য এদল লোকে এইবাৰ ৰাণীৰ খেতিপথাৰসমূহত আধুনিক কৃষিযন্ত্ৰ 'কম্বাইন হাৰ্ভেষ্টৰ' নমাইছে। এই যন্ত্ৰই পথাৰৰ ধান কটা আৰু মৰণা মৰা কামটো একেলগে



কৰি দিয়ে। খেতিয়কে মাত্ৰ যন্ত্ৰটোত বস্তা পাতি ধান ধৰিব লাগে। এই যন্ত্ৰই খেতিয়কসকলৰ বহুখিনি কষ্ট লাঘৱ কৰি দিছে। সেয়ে অলপ ধন ভৰি হ'লেও পথাৰৰ ধান সোনকালে চপাই নিয়াৰ চেষ্টা কৰিছে। বিপৰীতে পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদীয় এলেকাৰ অসম-মেঘালয় আন্তঃৰাজ্যিক সীমাঞ্চলৰ মাটাইখাৰ, শালসেৰ, বাটাবাৰী, ঔগুৰি, লংচাই, পাটগাঁও, জিমিৰিগাঁও, বাখালাপাৰা, মুদুকী আদি জনজাতীয় গাঁওসমূহত এই পৰ্যন্ত আধুনিক যন্ত্ৰ আৰু বহিৰাগত লোকক প্ৰৱেশ কৰিবলৈ সুযোগ দিয়া নাই। এইবোৰৰ সলনি গাঁওকেইখনৰ পুৰুষ-মহিলা, যুৱক-যুৱতী সকলো পথাৰলৈ ওলোৱাহে দেখা গৈছে। সোণালী ধাননিৰ পথাৰসমূহত এইপৰ্যন্ত ব্যস্ত আছে জনজাতীয় খেতিয়কসকল যদিও পথাৰৰ সোণগুটি চপোৱা কাৰ্যৰ শেষ পৰ্যায়ত উপনীত হৈছে। উল্লেখ্য যে পূৰ্বতে কৃষিকাৰ্যত জনজাতীয় মহিলাসকলেও পুৰুষৰ সমানে সমানে সহযোগ আগবঢ়াই আহিছিল। ঠাইবিশেষে এই নিয়ম এতিয়াও বৰ্তি আছে যদিও ক'ৰবাত ক'ৰবাত শেষ হৈ গৈছে। কিন্তু, সীমাৱৰ্তী অঞ্চলটোৰ জনজাতীয় গাঁওসমূহত আজিও বৰ্তি আছে এই নিয়ম। এই গাঁওসমূহৰ মহিলাসকলে এতিয়াও পুৰুষৰ সমানে সমানে কৃষিকাৰ্যত সহযোগ আগবঢ়াই অহা দেখা গৈছে। নিজৰ পথাৰখনৰ বাহিৰেও মহিলাসকলে লগ লাগি অন্যান্য পথাৰতো ঠিকাভিত্তিত ধান কাটিছে। কোনোবাই বিচাৰিলে এইসকল মহিলাই দূৰ-দূৰণিৰ গাঁওলৈকো যায় ধান কাটিবলৈ। উল্লেখ্য যে সীমাৱৰ্তী অঞ্চলটোৰ জনজাতীয় গাঁওসমূহত কোনো বহিৰাগত লোকক কাম-কাজত লগোৱা কাৰ্যত ৰাজহুৱাভাৱে বাধা আৰোপ কৰি থৈছে। তাৰ পৰিৱৰ্তে হাজিৰা বা নং লগোৱা কাৰ্য গাঁওখনৰ মাজতেই আবদ্ধ ৰখাৰ নিয়ম বান্ধি লৈছে। সীমা অঞ্চলৰ গাঁওসমূহে অতিপূৰ্বৰেপৰা এনে ধৰণৰ নিয়মেৰে চলি আহিছে। এই নিয়মেৰে গাঁওখনত হাজিৰা কাম কৰিলে প্ৰতিগৰাকীৰ বিপৰীতে দুশ বা তিনিশ টকাকৈ পাৰিশ্ৰমিক দিয়াৰ নিয়ম বান্ধি লৈছে। এই নিয়মে গাঁওখনৰ সকলো পৰিয়ালক উপকৃত কৰিছে।

# শিমলুগুৰিত শ্বহীদ পৰিয়ালক সম্বৰ্দ্ধনা



**দৈনিক অসমৰ প্ৰতিনিধি**
**শিমলুগুৰি, ১৪ ডিচেম্বৰ ঃ** তেজেধোৱা বিদেশী বহিষ্কৰণ আন্দোলনত শ্বহীদবৰণ কৰা শিমলুগুৰিৰ কেশৰ শইকীয়াৰ পৰিয়ালক যোৱা ১০ ডিচেম্বৰত বিজেপি যুৱমৰ্চাই সম্বৰ্দ্ধনা জনায়। শ্বহীদ কেশৰ শইকীয়াৰ শিমলুগুৰিৰ বাসগৃহত স্থানীয় বিধায়ক সুশান্ত বৰগোহাঁই, বিজেপিৰ যুৱমৰ্চাৰ সমীৰণ বৰদলৈ, ভাস্কৰ গগৈ, সত্য মহন আৰু জিলা তথা মণ্ডল পৰ্যায়ৰ কৰ্মকৰ্তাসকল উপস্থিত থাকি পৰিয়ালক সম্বৰ্দ্ধনা জনায়। বিজেপি যুৱমৰ্চাৰ কৰ্মকৰ্তাসকলে শ্বহীদৰ সমাধিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বিজেপি চৰকাৰ তথা যুৱমৰ্চাৰ এনে পদক্ষেপ বৰ্তমান সময়ত অতি প্ৰাসংগিক আৰু ভৱিষ্যৎ প্ৰজন্মক দেশপ্ৰেম তথা জাতীয়তাবোধৰ প্ৰতি অধিক দায়বদ্ধ কৰিব বুলি কেশৰ শইকীয়াৰ পৰিয়ালে মন্তব্য কৰে।

## চুৰি ম'বাইল উদ্ধাৰ

শিমলুগুৰিৰ নগৰৰ বিভিন্ন স্থানৰ লগতে শিৱসাগৰ জিলাৰ শিমলুগুৰি আৰক্ষীৰ অধীনত একাংশ অসাধু চুৰি চক্ৰ গঢ় লৈ উঠাত সমগ্ৰ শিমলুগুৰিতে চাঞ্চল্যৰ সৃষ্টি কৰিছে। বিশেষভাৱে শিমলুগুৰি আৰক্ষী থানাৰ অধীনত এই কাৰ্য সংঘটিত হোৱাত অধিক চিন্তিত হৈ পৰিছে সচেতন মহল। যাৰ ফলত শিমলুগুৰি আৰক্ষীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দেৱজিত কলিতাৰ নেতৃত্বত চলা চুৰি ম'বাইল উদ্ধাৰ অভিযানত শিমলুগুৰি অঞ্চলৰপৰা চুৰি হোৱা বহুকেইটা ম'বাইল ফোন জিলাখনৰ বিভিন্ন স্থানৰপৰা উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে শিমলুগুৰি আৰক্ষীয়ে।

# চিলাপথাৰৰ ডনবস্কো হায়াৰ ছেকেণ্ডাৰী স্কুলত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

**দৈনিক অসমৰ প্ৰতিনিধি**
**চিমেন চাপৰি, ১৪ ডিচেম্বৰ ঃ** জয় জুবিন দা ধ্বনিৰে মঞ্চ মুখৰিত কৰি জনপ্ৰিয় শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনালে চিলাপথাৰ অঞ্চলৰ আগশাৰীৰ শিক্ষানুষ্ঠান ডন বস্কো হায়াৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে। কালি আন্তঃবিদ্যালয় সাংস্কৃতিক প্ৰতিযোগিতাত চিলাপথাৰ অঞ্চলৰ ১৬খন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি গীত-নৃত্যৰ জৰিয়তে শিল্পীগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰি জুবিনৰ ন্যায় দাবীৰে পৰিৱেশ মুখৰ কৰে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত আন্তঃবিদ্যালয় সাংস্কৃতিক প্ৰতিযোগিতাত জুবিন গাৰ্গৰ গীত- নৃত্য আৰু সংগীতানুষ্ঠানত ডন বস্কোৰ চৌহদ আৱেগেৰে ভৰি উঠে। অনুষ্ঠানৰ সময়ছোৱাত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকল আৱেগিক হৈ পৰে আৰু জুবিন গাৰ্গৰ হত্যাকাণ্ডৰ লগত জড়িত সকলো দোষীক কঠোৰতম শাস্তি প্ৰদানৰ দাবী তোলে। 'প্ৰাণৰ শিল্পী, হিয়াৰ আমঠু' জুবিন গাৰ্গৰ ন্যায় বিচাৰি একমুখে দাবী উত্থাপন কৰে চিলাপথাৰৰ ডন বস্কো পৰিয়ালে।

# বামুণী বিল মজলীয়া বিদ্যালয়ত 'ৰাইজৰ উৎসৱ' উদ্‌যাপন

**দৈনিক অসমৰ প্ৰতিনিধি**
**টিংখাং, ১৪ ডিচেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ জয়পুৰ শিক্ষাখণ্ডৰ অধীনৰ মেৰবিল (ক) মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত কালি বামুণী বিল মজলীয়া বিদ্যালয় প্ৰাংগনত বৰ্ণাঢ্য কাৰ্যসূচীৰে 'ৰাইজৰ উৎসৱ' ২০২৫ উদ্‌যাপন কৰা হয়। পুৱা সামূহিক প্ৰাৰ্থনাৰে আৰম্ভ কৰাৰ পাছতে মূল পতাকা উত্তোলন কৰে মেৰবিল মণ্ডল সমন্বয়ক অনন্ত দুৱৰাই। সমান্তৰালকৈ ১২খন বিদ্যালয়ৰ পতাকা উত্তোলন কৰে প্ৰতিখন বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতিসকলে। স্মৃতি তৰ্পণ কৰে বামুণী বিল গাঁৱৰ জ্যেষ্ঠ নাগৰিক মাণিক বৰাই। গছপুলি ৰোপণ কৰে বামুণীবিল গাঁৱৰ গাঁওপ্ৰধান বসন্ত দত্তই। সমল কেন্দ্ৰটোৰ অন্তৰ্গত আটাইকেইখন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজৰ অংশগ্ৰহণেৰে আয়োজিত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰে জয়পুৰ শিক্ষাখণ্ডৰ শিক্ষা বিষয়া আখেৰুল ইছলাম সৰকাৰে। শিক্ষণ-শিকন সঁজুলি আৰু খাদ্যমেলাৰ দ্বাৰ মুকলি কৰে সমগ্ৰ শিক্ষা জিলা আঁচনি বিষয়া জোনালী কটকী আৰু জিলা প্ৰাথমিক শিক্ষা কাৰ্যালয়ৰ মুখ্য সহায়িকা ববিতা সোণোৱালে। ৰাইজৰদ্বাৰা বাৰেৰহণীয়া সাংস্কৃতিক প্ৰদৰ্শন আৰু প্ৰতিযোগিতা মঞ্চ মুকলি কৰে মঠাৰনী গাঁৱৰ গাঁও প্ৰধান দ্বীপেন শইকীয়াই। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ মাজত অনুষ্ঠিত চিত্ৰাংকন, গীত-নৃত্য, মিউজিক চেয়াৰ, হাঁহ ধৰা, ৰছী টনা ইত্যাদি বিভিন্ন প্ৰতিযোগিতাৰ অন্তত মুকলি আৰু বঁটা বিতৰণী সভাৰ সভাপতিত্ব কৰে বামুণী বিল মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক তুলসী ৰাম দত্তই। মুকলি সভাত পংকজ বড়াই প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ এটি গীত পৰিৱেশন কৰে। বিজিত সোণোৱাল আৰু মৃদুল দত্তই আঁত ধৰা অনুষ্ঠানৰ শেষত সন্মানীয় অতিথি আৰু উপস্থিত ৰাইজক কৃতজ্ঞতা জ্ঞাপন কৰে বামুণী মজলীয়া বিদ্যালয়ৰ প্ৰধান হৰি প্ৰসাদ গগৈয়ে।

# গ্ৰাম্য পৰ্যটনৰদ্বাৰা অৰ্থনীতি বিকাশৰ চেষ্টা

## বাখৰ বেঙেনা মহোৎসৱৰ লাইখুঁটা স্থাপন



**দৈনিক অসমৰ প্ৰতিনিধি**
**চেপন, ১৪ ডিচেম্বৰ ঃ** বকতাৰ বিস্ময়কৰ বৃক্ষ বাখৰ বেঙেনাৰ সমীপত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰিবলৈ লোৱা 'বাখৰ বেঙেনা মহোৎসৱ'ৰ কালি লাইখুঁটা স্থাপন কৰা হয়। টাই আহোম মলুঙৰ 'জন মিং' আৰু ভকত-বৈষ্ণৱৰ মংগল ধ্বনিৰ মাজেৰে ডিমৌ বিধানসভা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, প্ৰাক্তন বিধায়ক কুশল দুৱৰী, উদ্‌যাপন সমিতি আৰু বাখৰ বেঙেনা বৃক্ষ সংৰক্ষণ সমিতিৰ বিষয়ববীয়াসকলে মহোৎসৱৰ লাইখুঁটা স্থাপন কৰে। অনুষ্ঠানত বিশিষ্ট সমাজসেৱী দীপিকা দুৱৰী, শিৱসাগৰ জিলা পৰিষদৰ বকতা-লাকুৱাৰ সদস্য স্বপ্না ঘৰফলীয়া, ৩ নং শিৱসাগৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি পুণ্যলতা গগৈ, বকতা মৌজাৰ গাঁও পঞ্চায়তসমূহৰ সভাপতিসকল আৰু আঞ্চলিক পঞ্চায়তৰ সদস্যসকল, বাখৰ বেঙেনা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তুলতুল বৰুৱা প্ৰমুখ্যে শিক্ষকবৃন্দ, টাই আহোমৰ জ্যেষ্ঠ পণ্ডিত তিলেশ্বৰ মহন, টুপীধৰ বৰুৱা প্ৰমুখ্যে বাখৰ বেঙেনা কেন্দ্ৰীয় নামঘৰৰ বৈষ্ণৱ সমাজৰ ভকতবৃন্দ, উদ্‌যাপন সমিতি আৰু বাখৰ বেঙেনা বৃক্ষ সংৰক্ষণ সমিতিৰ সদস্য-সদস্যাসহ শতাধিক লোক উপস্থিত থাকে। উল্লেখ্য যে আহোম ৰজা স্বৰ্গদেউ চুহুংমুং বা দিহিঙীয়া ৰজাই ৰাজধানী পতা, শিৱসাগৰ জিলাৰ ঐতিহ্যমণ্ডিত বকতাৰ চুহুংমুং দিহিঙীয়া গাঁও আৰু জবলাটিং গাঁৱৰ মধ্যস্থলত, 'ধনেখনা জান'ৰ কাষতে থকা প্ৰায় ৬০০ বছৰীয়া 'বাখৰ বেঙেনা' নামৰ বিস্ময় বৃক্ষজোপাক চৌদিশে অধিক প্ৰচাৰ কৰাৰ লগতে অঞ্চলটোৰ গ্ৰাম্য অৰ্থনীতিৰ উত্তৰণত সহায়ক হোৱাকৈ বাখৰ বেঙনাক গ্ৰাম্য পৰ্যটনৰ এক কেন্দ্ৰৰূপে গঢ়ি তোলাৰ উদ্দেশ্যে বকতাবাসী আৰু 'বাখৰ বেঙেনা বৃক্ষ সংৰক্ষণ সমিতি'ৰ উদ্যোগত চলিত বৰ্ষৰ ৩১ ডিচেম্বৰ আৰু ২০২৬ বৰ্ষৰ ১ আৰু ২ জানুৱাৰীত বাখৰ বেঙেনা বৃক্ষৰ সমীপত তিনিদিনীয়া কাৰ্যসূচীৰে প্ৰথমবাৰলৈ 'বাখৰ বেঙেনা মহোৎসৱ, ২০২৫-২৬' আয়োজন কৰিছে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য প্ৰতিযোগিতা, বাণিজ্যমেলা, জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ, আমন্ত্ৰিত শিল্পীৰ সাংস্কৃতিক অনুষ্ঠান, বকতাৰ বাঁহ শিল্প আৰু অন্যান্য প্ৰদৰ্শনী, থলুৱা খাদ্যমেলা আদি বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা মহোৎসৱৰ তিনিওটা দিনতে ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে আয়োজকসকলে। তদুপৰি তিনিওটা দিনতে সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানত বিপিন চাউদাং, দেৱজিৎ বড়া, নীলাভ নীতা, ৰিদিপ ৰংকিট, মাধৱ ৰঞ্জন, বিজয় বিশাল, দিগন্ত মহন, লক্ষ্যজিৎ বৰুৱা, পম্পী কোঁৱৰ, গৌৰাংগ দত্ত, মৃণ্ময় গগৈ, প্ৰস্তুতি ফুকন, বিজয় বৰুণ আদি বহুকেইগৰাকী জনপ্ৰিয় শিল্পীয়ে গীত পৰিৱেশন কৰিব। কালি লাইখুঁটা স্থাপন কৰি উদ্‌যাপন সমিতিৰ সভাপতি তথা বিধায়ক সুশান্ত বৰগোহাঁয়ে— '৬০০ বছৰীয়া ইতিহাসেৰে সমৃদ্ধ বিস্ময়বৃক্ষ 'বাখৰ বেঙেনা' আমাৰ স্বাভিমান। বকতাৰ এই বিস্ময় বৃক্ষজোপাই আহোম ৰাজত্বকালৰ ইতিহাস সুঁৱৰি অঞ্চলটোক আজিও জীপাল কৰি ৰাখিছে। অনুষ্ঠিতব্য মহোৎসৱভাগিয়ে বাখৰ বেঙেনাস্থলীক প্ৰসাৰ আৰু প্ৰচাৰ কৰাৰ লগতে গ্ৰাম্য পৰ্যটন ক্ষেত্ৰৰূপে গঢ় দিয়াত সহায় কৰিব বুলি মই আশাবাদী।'— বুলি মন্তব্য কৰে।



# টীয়কত ডিজিটেল সংবাদগোষ্ঠীৰ পঞ্চম বৰ্ষপূৰ্তি অনুষ্ঠান

**দৈনিক অসমৰ প্ৰতিনিধি**
**টীয়ক, ১৪ ডিচেম্বৰ ঃ** ডিজিটেল মিডিয়া 'খবৰ ২৪×৭ অসম'ৰ পঞ্চম বৰ্ষপূৰ্তি উপলক্ষে ৭ ডিচেম্বৰত টীয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত উলহ-মালহেৰে বৰ্ষপূৰ্তি অনুষ্ঠান উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে আউনীআটী শাখা সত্ৰৰ বৈষ্ণৱ ৰাজেন ভৰালীয়ে। অসমীয়াৰ হিয়াৰ আমঠু প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সোঁৱৰণী মঞ্চ উদ্বোধন কৰে প্ৰধান শিক্ষক গজেন ফুকনে। জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ডঃ মাধুৰ্যমণ্ডিত বৰুৱাই বন্তি প্ৰজ্বনল কৰাৰ পাছতেই চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু বৈষ্ণাংগী সংগীত বিদ্যালয় দলে কালজয়ী গীত তথা প্ৰাৰ্থনা মায়াৰিনী ৰাতিৰ বুকুত পৰিৱেশন কৰে। শিশুশিল্পী অংশুমান বৰাই বৰগীত পৰিৱেশনেৰে উপস্থিত সকলোকে আপ্লুত কৰে। এই অনুষ্ঠানত চেলেংহাটৰ সাংবাদিক মদন মোহন পাগবন্ধাক 'সংবাদ সুকীৰ্তি বঁটা-২০২৫' আৰু শিৱসাগৰৰ ভিডিঅ' জাৰ্নেলিষ্ট সৌৰভ কাকতিক 'দৃশ্যজ্যোতি বঁটা' প্ৰদান কৰা হয়। 'কুঞ্জ কানন কলা কেন্দ্ৰ' আৰু 'মিছা' চুটি ছবিৰ নিৰ্মাতাৰ লগতে ছাত্ৰ সন্থাৰপৰা অৱসৰ গ্ৰহণ কৰা ছাত্ৰ নেতা জিতু নেওগ, মুখাশিল্প দেৱাশিস বৰা, হস্তশিল্প শিল্পী শংকৰ বৰদলৈ, উদ্যমী মহিলা কবিতা হাজৰিকাক এই অনুষ্ঠানত বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হয়। পঞ্চম বৰ্ষপূৰ্তিৰ লগত সংগতি ৰাখি অনুষ্ঠিত সদৌ অসম ভিত্তিত পুৰণি আধুনিক গীতৰ প্ৰতিযোগিতা আৰু যোৰহাট জিলা ভিত্তিত অনুষ্ঠিত ফটোগ্ৰাফী প্ৰতিযোগিতাৰ পুৰস্কাৰো এই অনুষ্ঠানত প্ৰদান কৰা হয়। লাকী দত্তয়ে আঁত ধৰা এই অনুষ্ঠানত কৰ্কট ৰোগ বিশেষজ্ঞ ডাঃ যদুনাথ বুঢ়াগোহাঁই, পূব যোৰহাট প্ৰেছ ক্লাবৰ সভাপতি ৰাম প্ৰসাদ ফুকন, টীয়ক ই মিডিয়া ফ'ৰাম, টীয়ক প্ৰেছ ক্লাব, ছাত্ৰ সন্থা, আটছা আদিৰ বহুসংখ্যক ব্যক্তি উপস্থিত থাকে।

# গোলাঘাট উত্তৰ শিক্ষাখণ্ডৰ বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰশিক্ষণ সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**
**দেৰগাঁও, ১৪ ডিচেম্বৰ ঃ** সমগ্ৰ শিক্ষা অসমৰ অধীনত গোলাঘাট উত্তৰ শিক্ষাখণ্ড তথা গোলাঘাট জিলা শিক্ষা বিভাগৰ উদ্যোগত ১০ আৰু ১১ ডিচেম্বৰত গোলাঘাট উত্তৰ শিক্ষাখণ্ডৰ অন্তৰ্গত মুঠ ১৯খন উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ প্ৰশিক্ষণ সফলভাৱে সম্পন্ন হয়। দেৰগাঁও ইন্দ্ৰাণী দেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীৰ আঁত ধৰে আৰবান ২ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক বিজিত বৰাই আৰু সমল প্ৰশিক্ষক হিচাপে প্ৰশিক্ষণ আগবঢ়ায় পি এম শ্ৰী কুৱালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা জ্যোতি কুমাৰী শৰ্মা আৰু কাকডোঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা জ্যোতি হাজৰিকাই। প্ৰশিক্ষণত বিদ্যালয়সমূহৰ পৰিচালনা সমিতিৰ সভাপতি, উপ-সভাপতি প্ৰমুখ্যে সদস্য আৰু বিদ্যালয়ৰ অধ্যক্ষ, প্ৰধান শিক্ষকসকল উপস্থিত থাকে। দেৰগাঁও ইন্দ্ৰাণী দেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰদীপ বৰাই বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা প্ৰশিক্ষণ কাৰ্যসূচীত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতি গঠনকে ধৰি দায়িত্ব আৰু কৰ্তব্য, শিক্ষাসেতু, সৰ্বাত্মক শিক্ষা, নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি, শিশুৰ স্বাস্থ্য ৰক্ষা, চাইবাৰ সুৰক্ষা, পকছ' আইন, নিচামুক্ত বিদ্যালয়, বিদ্যাঞ্জলি, প্ৰধানমন্ত্ৰী পোষণ শক্তি নিৰ্মাণ আঁচনি, আৰোহণ, শনিবৰীয়া চ'ৰা গঠন, বিদ্যালয়ে লাভ কৰা বিভিন্ন অনুদানৰ ব্যৱহাৰৰ ক্ষেত্ৰত পৰিচালনা সমিতিৰ কৰণীয় আদি নিৰ্দ্ধাৰিত গুৰুত্বপূৰ্ণ বিষয়বোৰ আলোচনা কৰা হয়। আলোচ্য বিষয়সমূহত দুয়োগৰাকী দক্ষ সমল ব্যক্তি আৰু পৰিচালনা সমিতিৰ উপস্থিত সদস্যসকলৰ মাজত ৰসাল আৰু ফলপ্ৰসূ ভাব বিনিময়ে বিদ্যালয়সমূহত সততে উদ্ভৱ হোৱা বিভিন্ন সমস্যা সমাধানৰ কৌশল উন্মোচিত কৰে।

# জাতীয়তাবাদী যুৱ সন্মিলনৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস

**দৈনিক অসমৰ প্ৰতিনিধি**
**ডিব্ৰুগড়, ১৪ ডিচেম্বৰ ঃ** সদৌ অসম জাতীয়তাবাদী যুৱ সন্মিলন কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা সমিতিৰ সহযোগত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা সাহিত্য ভৱনত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে কালি ত্ৰয়োদশ বাৰ্ষিক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আয়োজন কৰা হয়। কাৰ্যসূচী অনুসৰি কালি পুৱা পতাকা উত্তোলন কৰে সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি মাণিক তামুলীয়ে, শ্বহীদ তৰ্পণ কৰে কেন্দ্ৰীয় সমিতিৰ সম্পাদক মিণ্টু দত্তই। ইয়াৰ পাছতে প্ৰতিনিধি সভা আৰু মাণিক তামুলীৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। মিণ্টু দত্তই উদ্দেশ্য ব্যাখ্যা কৰা সভাত সাম্প্ৰতিক সময়ত অসমৰ সুৰক্ষিত ভৱিষ্যতৰ ভেটি নিৰ্মাণ, ভাষা-সংস্কৃতিৰ স্বাৰ্থত জাতীয়তাবাদৰ প্ৰাসংগিকতা সন্দৰ্ভত আলোচনা কৰে। সভাৰ শেষত অসমৰ জনপ্ৰিয় শিল্পী তথা হিয়াৰ আমঠু জুবিন জুবিন গাৰ্গৰ ন্যায় নোপোৱা পৰ্যন্ত প্ৰতিখন জিলা সমিতিয়ে জুবিনৰ ন্যায়ৰ দাবীত আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰে। অসমৰ প্ৰতিখন জিলাত থলুৱা কৃষকৰ সুবিধাৰ্থে একোখন থলুৱা বজাৰ নিৰ্মাণৰ দাবীকে ধৰি কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰে। আনহাতে সভাৰ আৰম্ভণিতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে কেন্দ্ৰীয় বিত্ত সম্পাদক মৃদুপৱন দুৱৰাই। প্ৰতিনিধি সভাতে ধেমাজি জিলাৰ সম্পাদক সঞ্জীৱ ফুকনক কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক হিচাপে দায়িত্ব অৰ্পণ কৰাৰ লগতে ধেমাজি জিলা সমিতিখন গঠন কৰাৰ বাবেও দায়িত্ব অৰ্পণ কৰে। সভাত ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক ৰূপজ্যোতি গগৈকে ধৰি অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

# ভোগালী উৎসৱৰ আয়োজন

**দৈনিক অসমৰ প্ৰতিনিধি**
**গোলাঘাট, ১৪ ডিচেম্বৰ ঃ** গোলাঘাট ভোগালী বিহু সন্মিলন সমিতিৰ সৌজন্যত অহা ১৫ জানুৱাৰীত এদিনীয়া কাৰ্যসূচীৰে ২৩ সংখ্যক ভোগালী উৎসৱ উদ্‌যাপনৰ আয়োজন কৰিছে। গোলাঘাটৰ ৰাজহুৱা খেলপথাৰ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হ'বলগীয়া ভোগালী উৎসৱৰ পতাকা উত্তোলন কৰিব ভোগালী বিহু সন্মিলনৰ স্থায়ী সমিতিৰ সভাপতি বিশ্বজিৎ শইকীয়াই। পতাকা উত্তোলনৰ পাছতে ক্ৰমে ৰূপায়িত হ'ব ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ। মাল্যাৰ্পণ কৰিব উদ্‌যাপন সমিতিৰ সভাপতি সঞ্জীৱ কুমাৰ দাস আৰু কাৰ্যকৰী সভাপতি জিতুল ৰাজখোৱাই, বন্তি প্ৰজ্বলন কৰিব স্থায়ী সমিতিৰ যুটীয়া সম্পাদক দিব্যজ্যোতি হাজৰিকা আৰু আব্দুল কাচিমে, প্ৰতীকী মেজি প্ৰজ্বলন কৰিব বিশিষ্ট সমাজকৰ্মী দুলাল গোহাঁয়ে, থলুৱা আৰু বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা (মিউজিক চকী-চিত্ৰাংকন-টেকেলি ভঙা-ৰছীটনা-পিঠা-পনা) উদ্বোধন কৰিব সাংস্কৃতিক কৰ্মী জীনা বৰুৱাই, দুপৰীয়া সমূহীয়া প্ৰীতিভোজৰ দ্বাৰ মুকলি কৰিব দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ অধ্যাপক ডঃ দেৱজিৎ ফুকনে। সন্ধিয়া অনুষ্ঠিত হ'ব বঁটা বিতৰণী সভা আৰু স্মৃতিগ্ৰন্থ উন্মোচনী সভা। এই সভাত বন্তি প্ৰজ্বলন কৰিব বিশিষ্ট বোলছবি পৰিচালক দীনেশ গগৈয়ে। উদ্বোধন কৰিব জ্যেষ্ঠ সাংবাদিক দ্বীপেন দত্তই। স্মৃতিগ্ৰন্থ উন্মোচন কৰিব অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ নৃপেন কুমাৰ বৰুৱাই আৰু সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব জ্যেষ্ঠ সাংবাদিক ৰোহিত গগৈয়ে। সাংস্কৃতিক সন্ধিয়াত গীত পৰিৱেশন কৰিব খ্যাতনামা কণ্ঠ শিল্পী জিতেন দত্তকে ধৰি কেইবাগৰাকীও কণ্ঠশিল্পীয়ে।

# মাহমৰাত ৪ বলাৎকাৰীক গ্ৰেপ্তাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**মাহমৰা, ১৪ ডিচেম্বৰ ঃ** মাহমৰাত এগৰাকী ১৩ বছৰীয়া কিশোৰীয়ে এটি মৃত সন্তান প্ৰসৱ কৰাৰ ঘটনাই অঞ্চলজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, মাহমৰাৰ কাকতিবাৰী আৰক্ষী থানাৰ অধীনৰ পছুচুঙী পথাৰৰ এগৰাকী ১৩ বছৰীয়া কিশোৰী ৯ মাহ পূৰ্বে বিদ্যালয়লৈ যোৱাৰ পথত নগাঁৱৰপৰা আহি অঞ্চলটোত থাকি পকা মিস্ত্ৰীৰ কামত নিয়োজিত হৈ থকা শ্ৰমিকৰ কামনাৰ বলি হয়। কিন্তু কিশোৰীগৰাকীয়ে ভয়তে ঘটনাটো লুকুৱাই ৰাখিছিল। পৰৱৰ্তী সময়ত অন্তঃসত্ত্বা হোৱা অষ্টম শ্ৰেণীত অধ্যয়নৰত কিশোৰীগৰাকীয়ে যোৱা ১০ ডিচেম্বৰত প্ৰসৱ কৰে এটি মৃত সন্তান। কিশোৰীয়ে মৃত সন্তান প্ৰসৱৰ পাছতে ঘটনাটো পোহৰলৈ অহাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ইয়াৰ পাছতে কাকতিবাৰী আৰক্ষী, আটছাৰ স্থানীয় বিষয়ববীয়া তথা স্থানীয় লোকে ঘটনাৰ অনুসন্ধান কৰাত পোহৰলৈ আহে উক্ত জঘন্য ঘটনা। ইতিমধ্যে ঘটনাৰ লগত জড়িত থকাৰ অভিযোগত ১২ ডিচেম্বৰৰ নিশা আৰক্ষীয়ে ইচফুল ইছলাম, চানোৱাৰ হুছেইন, ছাইফুল শেখ আৰু নুৰ আলমক আটক কৰে।

# নাজিৰাৰ সমল কেন্দ্ৰত ৰন্ধন কৰ্মীৰ প্ৰশিক্ষণ



**দৈনিক অসমৰ প্ৰতিনিধি**
**নাজিৰা, ১৪ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ 'বিদ্যালয় শিক্ষা' বিভাগৰ নিৰ্দেশনা অনুসৰি তথা 'পি এম পোষণ আঁচনি'ৰ অধীনত কালি নাজিৰা নগৰ 'খ' মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত আটাইকেইখন বিদ্যালয়ৰ ৰন্ধন কৰ্মীসকলৰ মণ্ডল পৰ্যায়ত এদিনীয়া প্ৰশিক্ষণ নাজিৰা নগৰ ল'ৰা প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হয়। এই প্ৰশিক্ষণ কাৰ্যসূচীৰ সমল ব্যক্তি হিচাপে দায়িত্ব পালন কৰে নাজিৰা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ ৰন্ধন কৰ্মী ৰীমা গগৈ আৰু নাজিৰা ষ্টেচন তিনিআলি প্ৰাথমিক বিদ্যালয়ৰ ৰন্ধন কৰ্মী মৰমী মহন্তই। প্ৰশিক্ষণৰ হাতপুথি, বিভাগে যোগান ধৰা ভিডিঅ'ৰ উপৰি হাতে-কামে ৰন্ধন কৰি দেখুৱাই দুয়োগৰাকী সমল ব্যক্তিয়ে প্ৰশিক্ষণৰ কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তোলে। উপস্থিত থকা প্ৰতিগৰাকী ৰন্ধন কৰ্মীয়ে প্ৰতিটো কাৰ্যত সহায়-সহযোগিতা আগবঢ়ায়। দুয়োগৰাকী সমল ব্যক্তি তথা উপস্থিত থকা সকলো ৰন্ধন কৰ্মী আৰু নাজিৰা নগৰ ল'ৰা প্ৰাথমিক বিদ্যালয়ৰ বিদ্যালয় কৰ্তৃপক্ষলৈ নাজিৰা নগৰ 'খ' মণ্ডল সমল কেন্দ্ৰৰ তৰফৰপৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে এনেধৰণৰ প্ৰশিক্ষণে কণ কণ ছাত্ৰ-ছাত্ৰীসকলক সুস্বাদু আহাৰ প্ৰস্তুত কৰি যোগান ধৰাৰ ক্ষেত্ৰত ৰন্ধন কৰ্মীসকলক যথেষ্ট সহায় কৰিব বুলি মন্তব্য প্ৰকাশ কৰে নাজিৰা নগৰ 'খ' মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক সত্যনাথ দাসে।

# গৌৰীসাগৰত ধন লুট ঃ দুটা দুৰ্বৃত্তক গ্ৰেপ্তাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**গৌৰীসাগৰ, ১৪ ডিচেম্বৰ ঃ** এখন মটৰচাইকেলত অহা দুটাকৈ দুৰ্বৃত্তই যোৱা ৩০ অক্টোবৰত গৌৰীসাগৰ আৰক্ষী থানাৰপৰা প্ৰায় দুশ মিটাৰ নিলগৰ দূৰত্বৰপৰা দিন দুপৰতে পাঁচ লক্ষাধিক টকা লুট কৰি নিয়া প্ৰায় দুমাহৰ পাছত গৌৰীসাগৰ আৰক্ষীয়ে উক্ত ঘটনা সন্দৰ্ভত দুটাকৈ দুৰ্বৃত্তক গহপুৰ আৰক্ষী থানাৰপৰা সোধা-পোছাৰ বাবে নিজৰ জিম্মাত আনে। গৌৰীসাগৰ আৰক্ষীয়ে জানিবলৈ দিয়া মতে, যোৱা ২৮ নৱেম্বৰত দুয়োটা দুৰ্বৃত্তই গহপুৰত ধন লুট কৰিবলৈ গৈ ৰাইজৰ হাতত আটক হ'বলগীয়া হয়। পাছত ৰাইজে দুয়োটা দুৰ্বৃত্তক গহপুৰ আৰক্ষীক চমজাই দিছিল। আনহাতে ১২ ডিচেম্বৰত গৌৰীসাগৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নীলকমল গগৈৰ নেতৃত্বত যোৱা এটা আৰক্ষীৰ দলে দুয়োটা দুৰ্বৃত্তক গহপুৰ আৰক্ষীৰপৰা নিজৰ জিম্মাত লোৱাৰ লগতে সোধা-পোছাৰ বাবে গৌৰীসাগৰ আৰক্ষী থানালৈ আনে। আটকাধীন দুই দুৰ্বৃত্ত ক্ৰমে বিৰাজ দাস আৰু ৰিংকু গোৱলা। তেওঁলোকৰ ঘৰ বিহাৰৰ কাতিহাৰ জিলাত। উল্লেখ্য যে গৌৰীসাগৰ থানাৰ অধীনস্থ ভিতৰুৱাল গাঁৱৰ ৰাজদীপ কোঁৱৰ নামৰ ব্যক্তিগৰাকীয়ে তেওঁৰ কন্যা প্ৰণামিকা কোঁৱৰৰ সৈতে যোৱা ৩০ অক্টোবৰত ঘৰুৱা বিশেষ কামৰ বাবে টকাৰ প্ৰয়োজন হোৱাত এছ বি আই গৌৰীসাগৰ শাখাৰপৰা ৫ লাখ টকা উলিয়াই আনিছিল। বেংকৰপৰা দুয়ো পিতৃ-কন্যা ওলাই কিছু দূৰ আহি গৌৰীসাগৰ পি এন বি শাখাৰ সন্মুখত এ এছ-০৪ এ এইচ-৮১১৩ নম্বৰৰ স্কুটীখন ৰাখি খন্তেক সময়ৰ বাবে আঁতৰি গৈছিল। সেই সময়তে কোনো অচিনাক্ত দুৰ্বৃত্তই স্কুটীখনৰ ডিকিটোৰ লকাৰটো ভাঙি নগদ পাঁচ লাখ টকা লৈ উধাও হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। ঘটনাৰ বিৱৰণী মতে, এই কাৰ্যত সৰ্বসাধাৰণ ৰাইজ শংকিত হৈ পৰিছিল। সেই সময়ৰ বিভিন্ন চিচি টিভিৰ ফুটেজৰপৰা পোৱা তথ্য অনুসৰি এখন মটৰচাইকেলত অহা দুটাকৈ দুৰ্বৃত্তই তেওঁলোকক অনুসৰণ কৰি অহাৰ লগতে হেলমেট আৰু চেক ছাৰ্ট পৰিধান কৰা এটা দুৰ্বৃত্তই মটৰচাইকেলখন ৰাষ্ট্ৰীয় ঘাইপথটোৰ ওপৰতে ষ্টাৰ্ট কৰি ৰাখিছিল আৰু আনটোৱে দুই পিতৃ-কন্যাই স্কুটীখন ৰখাই ক্ষন্তেক মুহূৰ্তৰ বাবে আঁতৰি যাওঁতেই স্কুটীখনৰ ডিকিটো খুলি টকাখিনি লৈ যোৰহাটৰ দিশে যোৱাৰ দৃশ্য চিচি টিভিত ধৰা পৰিছিল। আনহাতে উক্ত চিচি টিভিৰ ফুটেজৰ ভিত্তিত ধন লুট কৰি নিয়া এটা দুৰ্বৃত্তৰ চেহেৰা মিল থকা বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। আনহাতে কালি গৌৰীসাগৰ আৰক্ষীয়ে দুয়োটা দুৰ্বৃত্তক আদালতত হাজিৰ কৰোৱাৰ পাছত তিনি দিনৰ জিম্মাত লয়। গৌৰীসাগৰ আৰক্ষীয়ে ইতিমধ্যে দুই দুৰ্বৃত্তক সোধা-পোছা অব্যাহত ৰাখিছে।

# ৰঙাগড়া উচ্চ মাধ্যমিকৰ বিজ্ঞানাগাৰৰ আধাৰশিলা স্থাপন

**দৈনিক অসমৰ প্ৰতিনিধি**
**মহুৰামুখ, ১৪ ডিচেম্বৰ ঃ** বোকাখাত বিধানসভা সমষ্টিৰ অন্যতম অগ্ৰণী শৈক্ষিক প্ৰতিষ্ঠান ৰঙাগড়া উচ্চ মাধ্যমিক বিদ্যালয়ত সমন্বিত গণিত আৰু বিজ্ঞানাগাৰৰ আধাৰশিলা স্থাপন কৰে স্থানীয় বিধায়ক তথা কৃষিমন্ত্ৰী অতুল বৰাই। সমগ্ৰ শিক্ষা, অসমৰ ২০২৫-২৬ বৰ্ষৰ অনুমোদিত মুঠ ১৮,৯৭,০০০ টকা পুঁজিৰে নিৰ্মাণ কৰিবলগীয়া



বিজ্ঞানাগাৰৰ আধাৰশিলা স্থাপন কৰি মন্ত্ৰী বৰাই কয় যে ইয়াৰ জৰিয়তে শিক্ষাৰ্থীসকলে এক নতুন পৰিৱেশ লাভ কৰিব আৰু এই পৰীক্ষাগাৰৰদ্বাৰা শিক্ষাৰ্থীসকলে বিজ্ঞানসন্মত তথা বাস্তৱিক জ্ঞান আহৰণৰ এক আধুনিক পৰিৱেশ লাভ কৰিব। আনহাতে নিৰ্ধাৰিত সময়ৰ ভিতৰত গুণগত মান ৰক্ষা কৰি এই নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্টসকলক আহ্বান জনায় কেবিনেট মন্ত্ৰী বৰাই। অনুষ্ঠানত কেবিনেট মন্ত্ৰী অতুল বৰাৰ লগতে উপস্থিত থাকে প্ৰধান শিক্ষক, বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী, গোলাঘাট জিলা পৰিষদৰ সভানেত্ৰী পূৰ্ণিমা দাস, গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তৰ প্ৰতিনিধি, বিহৰা চাহ বাগিচাৰ প্ৰধান পৰিচালক, অসম গণ পৰিষদ আৰু বিজেপিৰ নেতা-কৰ্মী, আটছা, অসম চাহ মজদুৰ সংঘ, অসম চাহ পৰিষদ আৰু চাহ মৰ্চাৰ বিষয়ববীয়া তথা স্থানীয় ৰাইজ।

# পাৰমাণৱিক শক্তিখণ্ডত মুকলি হ'ব ব্যক্তিগত কোম্পানীৰ প্ৰৱেশৰ পথ

## আজি সংসদত কেন্দ্ৰীয় চৰকাৰৰ নতুন বিধেয়ক



**নতুন দিল্লী, ১৪ ডিচেম্বৰ ঃ** বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে কাইলৈ সংসদত পাৰমাণৱিক শক্তি সংশোধনী বিধেয়ক উত্থাপন কৰিব। এই বিধেয়কখনৰ জৰিয়তে প্ৰথমবাৰৰ বাবে দেশৰ পাৰমাণৱিক শক্তিখণ্ডৰ দুৱাৰ ব্যক্তিগত কোম্পানীবোৰৰ বাবে মুকলি কৰিব খোজা হৈছে। বৰ্তমানলৈকে দেশৰ পাৰমাণৱিক শক্তিখণ্ডটো সম্পূৰ্ণৰূপে চৰকাৰৰ নিয়ন্ত্ৰণত আছে। কেন্দ্ৰীয় কেবিনেটে ইতিমধ্যে এই বিধেয়কখনত অনুমোদন জনাইছে। কাইলৈ 'শান্তি' নামেৰে বিধেয়কখন সংসদত উত্থাপন কৰাৰ লগতে বিতৰ্কও অনুষ্ঠিত কৰা হ'ব। ব্যক্তিগত কোম্পানীবোৰক পাৰমাণৱিক শক্তি উৎপাদনত অংশগ্ৰহণৰ সুবিধা দিয়াটোৱে হৈছে বিধেয়কখনৰ মূল উদ্দেশ্য। ইয়াৰ জৰিয়তে দেশে ১০০ গিগাৱাট পাৰমাণৱিক ক্ষমতা লাভ কৰাত সহায় হ'ব। ভাৰতে নিৰ্মল শক্তি আৰু মুঠ কাৰ্বনশূন্য লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত ই গুৰুত্বপূৰ্ণ ভূমিকা ল'ব। কেন্দ্ৰীয় চৰকাৰৰ এটা উচ্চস্তৰীয় সূত্ৰই সদৰি কৰা মতে, দেশৰ শীৰ্ষস্থানীয় উদ্যোগপতি যেনে— আম্বানি, আদানি আৰু জিন্দালে পাৰমাণৱিক শক্তিখণ্ডত বিনিয়োগ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে। তেওঁলোকে পাৰমাণৱিক শক্তি প্ৰকল্প স্থাপন কৰি বিদ্যুৎ উৎপাদনৰ জৰিয়তে দেশৰ শক্তি চাহিদা পূৰণৰ পৰিকল্পনা কৰিছে। আনহাতে, কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে স্পষ্ট কৰিছে যে পাৰমাণৱিক শক্তিখণ্ডত ব্যক্তিগত কোম্পানীবোৰৰ প্ৰৱেশৰ পথ প্ৰশস্ত হ'লেও সুৰক্ষামূলক গুণমান আৰু পাৰমাণৱিক শক্তি বিভাগৰ সৈতে সহযোগিতাক অগ্ৰাধিকাৰ দিয়া হ'ব। কিয়নো পাৰমাণৱিক শক্তি এক স্পৰ্শকাতৰ খণ্ড। সেয়ে ইয়াৰ সকলো প্ৰকল্প স্থাপনৰ ক্ষেত্ৰত কঠোৰ সুৰক্ষামূলক নীতি-নিয়ম পালন কৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰৰ মুখ্য বৈজ্ঞানিক উপদেষ্টা অধ্যাপক অজয় কুমাৰ সুদে কয় যে কাইলৈ উত্থাপন কৰিব লগা বিধেয়কখন পাৰমাণৱিক শক্তি সুৰক্ষা আৰু মুঠ কাৰ্বনশূন্য লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে। দেশৰ পাৰমাণৱিক ক্ষেত্ৰখনলৈ ব্যক্তিগত কোম্পানীৰ প্ৰৱেশৰ পথ প্ৰশস্ত হ'লে বিনিয়োগ বৃদ্ধি হ'ব আৰু নতুন প্ৰযুক্তি গ্ৰহণৰ সুবিধা হ'ব।

# চাৰিদিনীয়া ভ্ৰমণসূচীৰে তিনি ৰাষ্ট্ৰ অভিমুখে প্ৰধানমন্ত্ৰী

## জৰ্ডান, ইথিঅ'পিয়া, ওমান যাত্ৰা

**নতুন দিল্লী, ১৪ ডিচেম্বৰ ঃ** কাইলৈ তিনি দেশৰ ভ্ৰমণলৈ ৰাওনা হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী। চাৰিদিনীয়া এই ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে জৰ্ডান, ইথিঅ'পিয়া আৰু ওমানলৈ যাব। কাইলৈ জৰ্ডান ভ্ৰমণেৰে প্ৰধানমন্ত্ৰী মোডীৰ বিদেশ যাত্ৰা আৰম্ভ হ'ব। জৰ্ডানত তেওঁ ৰাষ্ট্ৰখনৰ ৰজা আব্দুল্লা দ্বিতীয় বিন-আল-হুছেইনক সাক্ষাৎ কৰি দ্বিপাক্ষিক বাৰ্তালাপত মিলিত হ'ব। বহিঃপৰিক্ৰমা মন্ত্ৰণালয়ে সদৰি কৰা মতে, প্ৰধানমন্ত্ৰী মোডীৰ জৰ্ডান যাত্ৰাই দুয়োখন দেশৰ সম্পৰ্ক মজবুত কৰিব। ইয়াৰ জৰিয়তে দুয়োখন দেশৰ মাজত সহযোগিতা বৃদ্ধি পাব আৰু আঞ্চলিক শান্তি স্থাপনৰ পথ প্ৰশস্ত হ'ব। জৰ্ডান যাত্ৰা সামৰি ১৬ ডিচেম্বৰত প্ৰধানমন্ত্ৰী মোডী ইথিঅ'পিয়ালৈ ৰাওনা হ'ব। আফ্ৰিকা মহাদেশৰ পূব প্ৰান্তৰ দেশ ইথিঅ'পিয়ালৈ প্ৰধানমন্ত্ৰী মোডীৰ এয়া প্ৰথম যাত্ৰা। যাত্ৰাকালত তেওঁ ৰাজধানী আদিছ আবাবাত ইথিঅ'পিয়াৰ প্ৰধানমন্ত্ৰী আবি-আহমদ আলীৰ সৈতে দ্বিপাক্ষিক বাৰ্তালাপত মিলিত হ'ব। ইয়াৰ পাছত ১৭ ডিচেম্বৰত প্ৰধানমন্ত্ৰী মোডী ওমানলৈ যাব। তাত তেওঁ ওমানৰ ৰজা চুলতান হেথম বিন টাৰিকক সাক্ষাৎ কৰিব। ভাৰত আৰু ওমানৰ দ্বিপাক্ষিক সম্পৰ্কৰ ৭০ বৰ্ষ সম্পূৰ্ণ হৈছে। এই উপলক্ষে ওমানলৈ যোৱাৰ সিদ্ধান্ত লৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে। ২০২৩ চনৰ পাছত দ্বিতীয়বাৰৰ বাবে ওমান ভ্ৰমণ কৰিব প্ৰধানমন্ত্ৰী মোডীয়ে।



# কংগ্ৰেছৰ সভাত মোডী বিৰোধী শ্ল'গান

## ক্ষুব্ধ বিজেপি

**নতুন দিল্লী, ১৪ ডিচেম্বৰ ঃ** সংসদৰ শীতকালীন অধিৱেশনৰ মাজতে ৰামলীলা ময়দানত আয়োজিত কংগ্ৰেছৰ এখন সভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নাম লৈ একাংশই বিতৰ্কিত শ্ল'গান দিয়াক কেন্দ্ৰ কৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিশেষকৈ বিষয়টোক লৈ কংগ্ৰেছৰ বিৰুদ্ধে সৰৱ হৈছে বিজেপি। দলটোৱে কৈছে যে প্ৰধানমন্ত্ৰী মোডীৰ বিৰুদ্ধে বিতৰ্কিত শ্ল'গান দি কংগ্ৰেছে নিজৰ অভিপ্ৰায় স্পষ্ট কৰি দিছে। দলটোৱে প্ৰধানমন্ত্ৰী মোডীক আঁতৰাব বিচাৰে। সামাজিক মাধ্যমত কংগ্ৰেছৰ সভাত দিয়া বিতৰ্কিত শ্ল'গানৰ ভিডিঅ' ভাইৰেল হোৱাৰ পাছত বিজেপি নেতা শ্বাজাদ পুনাৱালাই অভিযোগ কৰিছে যে এছ আই আৰৰ নাম লৈ কংগ্ৰেছে প্ৰধানমন্ত্ৰী মোডীক ক্ষমতাৰপৰা আঁতৰাব বিচাৰিছে। শেহতীয়াকৈ ৰাহুল গান্ধীয়ে নিৰ্বাচন আয়োগকো ভাবুকি প্ৰদান কৰিছে।

# জামিন নাপালে মেছিৰ ভাৰত ভ্ৰমণৰ আয়োজকে

## ১৪ দিনৰ বাবে আৰক্ষী জিম্মালৈ প্ৰেৰণ

**কলকাতা, ১৪ ডিচেম্বৰ ঃ** জামিন লাভ নকৰিলে আন্তঃৰাষ্ট্ৰীয় ফুটবল তাৰকা লায়োনেল মেছিৰ ভাৰত ভ্ৰমণৰ আয়োজক শতদ্ৰু দত্তই। কলকাতাৰ বিধান নগৰ আদালতে আজি মেছিৰ 'গট ইণ্ডিয়া ট্যুৰ-২০২৫'ৰ প্ৰম'টাৰ আৰু আয়োজক শতদ্ৰু দত্তক ১৪ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। তেওঁৰ বিৰুদ্ধে কলকাতাৰ ছল্ট লেক ষ্টেডিয়ামত মেছিৰ অনুষ্ঠান আয়োজনত অব্যৱস্থাপনা আৰু খেলিমেলি কৰাৰ অভিযোগ উঠিছিল। উল্লেখযোগ্য যে কালি কলকাতাৰ ছল্ট লেক ষ্টেডিয়ামৰ পৰা ফুটবল তাৰকা মেছিয়ে অতি কম সময়ৰ ভিতৰতে প্ৰস্থান কৰাৰ পাছত তেওঁক চাবলৈ অহা অনুৰাগীসকল ক্ষুব্ধ হৈ পৰিছিল। দূৰ-দূৰণিৰ পৰা বাটকুৰি বাই আহি আৰু টিকটৰ বাবে অত্যধিক ধন ব্যয় কৰা সত্ত্বেও প্ৰিয় ফুটবল তাৰকাজনক ক্ষণিক দৰ্শন কৰিবলৈ নাপাই অনুৰাগীসকলে ছল্ট লেক ষ্টেডিয়ামত বিশৃংখল পৰিস্থিতিৰ সৃষ্টি কৰে। তেওঁলোকে ষ্টেডিয়ামখনৰ চকী, বেৰিকেড, অনুষ্ঠানৰ টেণ্ট, টেবুল আৰু অন্যান্য সামগ্ৰী ভাঙি-ছিঙি লণ্ডভণ্ড কৰিছিল। এই ঘটনাৰ পাছত কলকাতাৰ বিমানবন্দৰৰ পৰা স্থানীয় বিধান নগৰ আৰক্ষীয়ে শতদ্ৰু দত্তক গ্ৰেপ্তাৰ কৰে। শতদ্ৰু দত্ত আৰু কেইজনমান সহযোগীয়ে মেছিক হায়দৰাবাদলৈ আগবঢ়াই দিয়াৰ উদ্দেশ্যে বিমানবন্দৰলৈ যাওঁতে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে তেওঁলোকক। ছল্ট লেক ষ্টেডিয়ামত ফুটবল তাৰকা মেছিৰ অনুষ্ঠানত হোৱা বিশৃংখল পৰিস্থিতিৰ পাছত আজি পশ্চিমবংগৰ ৰাজ্যপাল চি ভি আনন্দ বসুৱে ঘটনাস্থলী পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। উল্লেখযোগ্য যে শনিবাৰে সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে ছল্ট লেক ষ্টেডিয়ামত প্ৰৱেশ কৰিব পৰা নাছিল ৰাজ্যপাল বসুৱে। তেওঁ ষ্টেডিয়ামখনত উপস্থিত হোৱাৰ সময়ত প্ৰৱেশদ্বাৰ বন্ধ কৰি থোৱা হৈছিল আৰু লাইটো নুমুৱাই ৰখা হৈছিল। ইয়াৰ পাছত ৰাজ্যপাল বসুৱে অভিযোগ কৰিছিল যে তেওঁৰ প্ৰৱেশ ৰুদ্ধ কৰাৰ উদ্দেশ্যে এনে পৰিস্থিতিৰ সৃষ্টি কৰা হৈছিল। এই সন্দৰ্ভত তেওঁ আয়োজকসকলৰ পৰা বিতং প্ৰতিবেদন বিচাৰিছিল। আনহাতে, ঘটনাটোৰ তদন্তৰ বাবে গঠন কৰা তিনিজনীয়া তদন্ত কমিটীয়েও আজি ছল্ট লেক ষ্টেডিয়াম পৰিদৰ্শন কৰে।



## চীনৰ ৪ নাগৰিকসহ ১৭জনৰ বিৰুদ্ধে চি বি আইৰ অভিযোগনামা

# দেশত এহেজাৰ কোটি টকাৰো অধিক চাইবাৰ প্ৰৱঞ্চনা

**নতুন দিল্লী, ১৪ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আয়ে আন্তঃৰাষ্ট্ৰীয় চাইবাৰ অপৰাধৰে জড়িত চাৰিজন চীনৰ নাগৰিক আৰু ৫৮টা কোম্পানীসহ ১৭জন লোকৰ বিৰুদ্ধে আদালতত অভিযোগনামা দাখিল কৰিছে। চি বি আইৰ এটা উচ্চস্তৰীয় সূত্ৰই এই তথ্য সদৰি কৰি কয় যে অভিযুক্তসকলে ১০০ৰো অধিক ভুৱা কোম্পানী প্ৰতিষ্ঠা কৰি ১,০০০ কোটি টকাৰো অধিক ধনৰ চাইবাৰ প্ৰৱঞ্চনা কৰিছিল। তেওঁলোক এটা আন্তঃৰাষ্ট্ৰীয় চাইবাৰ প্ৰৱঞ্চক চক্ৰৰ সৈতে জড়িত। এই চক্ৰটোৱে ভুৱা কোম্পানীৰ জৰিয়তে প্ৰৱঞ্চনা কৰি আহিছে। তেওঁলোকে ইণ্টাৰনেটত জমা ধন আঁচনি, কেইবা তৰপীয়া বিপণন (মাল্টিলেভেল মাৰ্কেটিং) পদ্ধতিৰ লগতে চাকৰিৰ প্ৰস্তাৱৰ জৰিয়তে বহু লোকৰ পৰা ধন সৰকাই আছিল। ভাৰতীয় চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰৰপৰা লাভ কৰা তথ্যৰ ভিত্তিত চক্ৰটোৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছিল চি বি আয়ে। চলিত বৰ্ষৰ অক্টোবৰত চি বি আয়ে চাইবাৰ প্ৰৱঞ্চনাৰে জড়িত চক্ৰটো উৎখাত কৰে। তদন্ত প্ৰক্ৰিয়াত চি বি আয়ে লাভ কৰা তথ্য অনুসৰি চক্ৰটোৱে অতি জটিল প্ৰযুক্তি ব্যৱহাৰ কৰি চাইবাৰ প্ৰৱঞ্চনা কৰি আহিছিল। এই পদ্ধতিৰ বাবে চাইবাৰ প্ৰৱঞ্চনাৰ আঁৰত থকা চক্ৰটোক সহজে চিনাক্ত কৰা সম্ভৱ হোৱা নাছিল। তদন্তকাৰীৰ চকুত ধূলি দিয়াৰ বাবে চক্ৰটোৱে গুগল বিজ্ঞাপন, বাল্ক এছ এম এছ অভিযান, ছিম বক্স মেছেজিং ছিষ্টেম, ক্লাউড ছাৰ্ভাৰ, বিত্তীয় প্ৰযুক্তি কোম্পানীৰ এপ আৰু বহু ভুৱা একাউণ্ট খুলি জনতাক প্ৰৱঞ্চনা কৰিছিল। ইয়াৰ বাবে তেওঁলোকে ১১১টা ভুৱা কোম্পানীও খুলিছিল বুলি চি বি আইৰ সূত্ৰটোৱে প্ৰকাশ কৰিছে।



# গুজৰাটত জৰীপ চলাবলৈ যোৱা আৰক্ষী-বনকৰ্মীক ভয়ংকৰ আক্ৰমণ

**আহমেদাবাদ, ১৪ ডিচেম্বৰ ঃ** গুজৰাটৰ অম্বাজী তীৰ্থ চহৰৰ পৰা ১৪ কিলোমিটাৰ নিলগত থকা দান্তা তালুকাৰ পাডলিয়া গাঁৱত আৰক্ষী আৰু বন বিভাগৰ লোকে জৰীপ চলাবলৈ যোৱাক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। জৰীপৰ বাবে গাঁওখনত উপস্থিত হোৱাৰ লগে লগে স্থানীয় লোকে আৰক্ষী আৰু বনকৰ্মীৰ ওপৰত শিলাবৰ্ষণ কৰে। লগে লগে পৰিস্থিতি ভয়াৱহ হৈ উঠে। একাংশ লোকে ধনু-কাঁড়েৰেও আৰক্ষীক আক্ৰমণ কৰে। তাতেই ক্ষান্ত নাথাকি চৰকাৰী বাহনো জ্বলাই দিয়ে ক্ষুব্ধ লোকসকলে। ঘটনাৰ বিৱৰণী অনুসৰি কালি দুপৰীয়া আৰক্ষী আৰু বন বিভাগৰ দলটো গছপুলি ৰোপণৰ বাবে গাঁওখনত উপস্থিত হৈছিল। সেই সময়তে পাঁচ শতাধিক লোকে দলটোক আক্ৰমণ কৰে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে গুলীচালনা কৰাৰ লগতে কন্দুৱা গেছ নিক্ষেপ কৰে। ঘটনাত আৰক্ষী, বন বিভাগ আৰু ৰাজহ বিভাগৰ ৪৭জন বিষয়া আহত হোৱাৰ খবৰ আহিছে। আহতসকলক অম্বাজী আৰু পালনপুৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। আহত আৰক্ষী পৰিদৰ্শক আৰ বি গোহিলৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। ঘটনাৰ পাছতে পাডলিয়া গাঁৱত বৃহৎসংখ্যক আৰক্ষী আৰু নিৰাপত্তাৰক্ষী মোতায়েন কৰা হৈছে। আনহাতে, আক্ৰমণকাৰীৰ বিৰুদ্ধে আৰক্ষী প্ৰশাসনে আইনী প্ৰক্ৰিয়া আৰম্ভ কৰিছে। জানিব পৰা মতে, পাডলিয়া গাঁৱত বন বিভাগৰ জৰীপক লৈ দীৰ্ঘদিন ধৰি ভূমি বিবাদ চলি আছিল। বন বিভাগে উচ্ছেদ চলাব পাৰে বুলি শংকিত হৈ আছিল গাঁওবাসী।



## কৰ্ণাটকৰ প্ৰাক্তন বিধায়িকাৰ তৎপৰতা

# বিমানত মাৰ্কিন মহিলাৰ জীৱন ৰক্ষা

**বেংগালুৰু, ১৪ ডিচেম্বৰ ঃ** ইণ্ডিগ'ৰ এখন বিমানত আমেৰিকাৰ মহিলা যাত্ৰীৰ জীৱন ৰক্ষা কৰি ব্যাপকভাৱে প্ৰশংসিত হৈছে এগৰাকী প্ৰাক্তন বিধায়ক। তথ্য অনুসৰি গোৱাৰপৰা দিল্লী অভিমুখী এখন ইণ্ডিগ' বিমানত কালি দুপৰীয়া এগৰাকী মাৰ্কিন মহিলা যাত্ৰী হঠাতে অচেতন হৈ পৰে। লগতে একেখন বিমানতে যাত্ৰা কৰি থকা কৰ্ণাটকৰ প্ৰাক্তন বিধায়িকা তথা চিকিৎসক ডাঃ অঞ্জলি নিম্বলকাৰে অচেতন মহিলাগৰাকীক চি পি আৰ দি জীৱন ৰক্ষা কৰে। যি সময়ত এই ঘটনা সংঘটিত হৈছিল সেই সময়ত বিমানখন আছিল ভূপৃষ্ঠৰ পৰা প্ৰায় ৩০ হেজাৰ ফুট উচ্চতাত। জানিব পৰা মতে, কেলিফ'ৰ্নিয়াৰ ৩৪ বছৰীয়া জেনী নামৰ মহিলাগৰাকী নিজৰ ভগ্নীৰ সৈতে এক বিবাহ অনুষ্ঠানত অংশ লোৱাৰ উদ্দেশ্যে দিল্লীলৈ গৈ আছিল। তেনে সময়তে তেওঁ হৃদৰোগত আক্ৰান্ত হয়। মহিলাগৰাকীক নতুন জীৱন দিয়া ডাঃ অঞ্জলি নিম্বলকাৰৰ ভূমিকাক ভূয়সী প্ৰশংসা কৰে বিমানখনৰ যাত্ৰীসকলে। কৰ্ণাটকৰ মুখ্যমন্ত্ৰী ছিদ্দাৰামায়ায়ো চিকিৎসকগৰাকীৰ শলাগ লৈছে।



## চৰ্চাত প্ৰাক্তন আই পি এছ বিষয়া আৰ শ্ৰীলেখা



# কেৰালাত প্ৰথমবাৰৰ বাবে হ'ব বিজেপি মেয়ৰ

**তিৰুৱনন্তপুৰম, ১৪ ডিচেম্বৰ ঃ** কেৰালাৰ নিকায় নিৰ্বাচনত বিজেপিৰ চমকপ্ৰদ সফলতাৰ পাছত প্ৰথমবাৰৰ বাবে ৰাজ্যখনত মেয়ৰ পদত দলটোৰ কোনো নিৰ্বাচিত প্ৰতিনিধি অধিষ্ঠিত হোৱাটো প্ৰায় নিশ্চিত হৈছে। মেয়ৰ পদৰ মুঠ ছখন আসনৰ বাবে অনুষ্ঠিত নিৰ্বাচনত এখন আসনত জয়ী হৈছে বিজেপি। ষষ্ঠ মংগলম ডিভিজনত বৃহৎ ব্যৱধানত জয়ী হৈছে বিজেপি প্ৰাৰ্থী তথা প্ৰাক্তন আই পি এছ বিষয়া আৰ শ্ৰীলেখা। ইয়াৰ পাছত কেৰালাত বিজেপিৰ প্ৰথমগৰাকী মেয়ৰৰ ৰূপত শ্ৰীলেখাৰ অভিষেক হোৱাৰ সম্ভাৱনা প্ৰকট হৈছে। তিৰুৱনন্তপুৰমত জন্মগ্ৰহণ কৰা কেৰালাৰ প্ৰথমগৰাকী মহিলা আই পি এছ বিষয়া। তিনি দশকৰো অধিক সময় কৰ্মজীৱনত তেওঁ চি বি আই, কেৰালা অপৰাধ শাখা, তদাৰকী শাখা, অগ্নিনিৰ্বাপক বাহিনী, যান-বাহন আৰক্ষী বিষয়া আৰু কাৰাগাৰ বিভাগত গুৰুত্বপূৰ্ণ পদবীত কাৰ্যনিৰ্বাহ কৰিছিল। ২০১৭ চনত তেওঁক আৰক্ষী সঞ্চালকপ্ৰধান পদলৈ পদোন্নতি দিয়া হৈছিল। শ্ৰীলেখা কেৰালাৰ ডিজিপি পদত কাৰ্যনিৰ্বাহ কৰা প্ৰথমগৰাকী মহিলা আই পি এছ। ২০২০ চনৰ ডিচেম্বৰত কৰ্মজীৱনৰ পৰা অৱসৰ লোৱাৰ পাছত তেওঁ যোৱাবৰ্ষত বিজেপিত যোগদান কৰিছিল। এতিয়া জ্যেষ্ঠ কংগ্ৰেছ সাংসদ শশী থাৰুৰে প্ৰতিনিধিত্ব কৰা তিৰুৱনন্তপুৰমৰ মেয়ৰ হ'ব পাৰে আৰ শ্ৰীলেখা।

## ইজৰাইলী প্ৰতিৰক্ষা বাহিনীৰ দাবী

# গাজাত নিহত হামাছৰ দ্বিতীয় সৰ্বোচ্চ মুৰব্বী

## নেতান্যাহুৰ নিৰ্দেশত 'কাৰ ষ্ট্ৰাইক'

**টেল আভিভ, ১৪ ডিচেম্বৰ ঃ** গাজা চিটীত ইজৰাইলৰ 'কাৰ ষ্ট্ৰাইক'ত নিহত হৈছে হামাছৰ ছেকেণ্ড-ইন-কমাণ্ড ৰায়েদ ছৈয়দ। এই দাবী কৰিছে ইজৰাইলী প্ৰতিৰক্ষা বাহিনীয়ে। অৱশ্যে ৰায়েদ নিহত হোৱাৰ কথা এই পৰ্যন্ত স্বীকাৰ কৰা নাই। ইজৰাইলী প্ৰতিৰক্ষা বাহিনীয়ে প্ৰকাশ কৰা মতে, ৰায়েদ ছৈয়দে গাজা চহৰৰ পশ্চিম অংশলৈ যাত্ৰা কৰি থকাৰ খবৰ গোপন সূত্ৰে লাভ কৰা হৈছিল। লগে লগে সময় অপচয় নকৰি হামাছৰ শীৰ্ষ কমাণ্ডাৰগৰাকী গৈ থকা বাহনখনৰ তথ্য সংগ্ৰহ কৰা হয় আৰু সেই বাহনক লক্ষ্য কৰি আক্ৰমণ কৰা হয়। ইজৰাইলী সেনাৰ ওপৰত শেহতীয়াকৈ হোৱা এটা আক্ৰমণৰ ঘটনাৰ পাছত ৰায়েদ ছৈয়দক হত্যা কৰাৰ নিৰ্দেশ দিছিল দেশখনৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহু আৰু প্ৰতিৰক্ষা মন্ত্ৰী ইজৰাইল কাৎজে। ইজৰাইলী সেনাই জনোৱা মতে বিগত দুটা বছৰত অধিকাংশ সময় ৰায়েদ ছৈয়দ গাজা চহৰৰ তলত নিৰ্মিত হামাছৰ সুৰংগত আত্মগোপন কৰি আছিল।



## সামাজিক মাধ্যমত ভাইৰেল লস্কৰ-ই-তৈবাৰ কমাণ্ডাৰৰ মন্তব্য

# ৫০ বছৰলৈ পাকিস্তান আক্ৰমণৰ সাহস নকৰে ভাৰতে


**ইছলামাবাদ, ১৪ ডিচেম্বৰ ঃ** পাকিস্তানত আশ্ৰয় লৈ থকা সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবাৰ কমাণ্ডাৰ হাফিজ আব্দুল ৰৌফে কৰা কেতবোৰ ভাৰতবিৰোধী মন্তব্য সম্প্ৰতি সামাজিক মাধ্যমত ভাইৰেল হৈছে। লস্কৰ-ই-তৈবাৰ কমাণ্ডাৰজনে কয় যে তেওঁলোকে দিল্লীক এদিন কইনাৰ সাজ পিন্ধাব। ভাৰতত বিজয় নিচান উৰুৱাব। ভাৰতৰ শাসকক সলনি কৰি দেশখনত শ্বৰিয়ৎ আইন বলৱৎ কৰিব। কিয়নো তেওঁলোক বিজয়ী ঘোষিত হোৱা সম্প্ৰদায়ৰ লোক। ৰৌফে লগতে কয় যে ভাৰতীয় বায়ুসেনাই পাকিস্তানৰ আকাশমাৰ্গত প্ৰৱেশ কৰাৰ সাহস নকৰিব। কিয়নো পাৰমাণৱিক শক্তিধৰ একমাত্ৰ ইছলামীয় ৰাষ্ট্ৰ হৈছে পাকিস্তান। 'অপাৰেচন সিন্দূৰ'ৰ পাছত অনাগত ৫০ বছৰলৈ ভাৰতে পাকিস্তানক আক্ৰমণ কৰাৰ সাহস নকৰে। ভাৰতক এসেকা দিলে পাকিস্তানে। উল্লেখযোগ্য যে চলিত বৰ্ষৰ নৱেম্বৰতে লস্কৰ-ই-তৈবাৰ কমাণ্ডাৰজনে এই মন্তব্য কৰিছিল। কিন্তু এতিয়াহে সামাজিক মাধ্যমত ব্যাপক প্ৰচাৰ হৈছে তেওঁৰ এই মন্তব্য। হাফিজ আব্দুল ৰৌফ ২০০৮ চনৰ মুম্বাইৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ মাষ্টাৰমাইণ্ড হাফিজ ছয়ীদৰ ঘনিষ্ঠ সহযোগী হিচাপে জনাজাত। তেওঁৰ বিৰুদ্ধে আমেৰিকাই ইতিমধ্যে নিষেধাজ্ঞা জাৰি কৰিছে।



# গুলমাৰ্গত বিশ্বৰ সৰ্বোচ্চ ঘূৰ্ণায়মান ৰেস্তোৰাঁ মুকলি

**শ্ৰীনগৰ, ১৪ ডিচেম্বৰ ঃ** অপৰূপ সৌন্দৰ্যৰ বাবে প্ৰসিদ্ধ জম্মু-কাশ্মীৰৰ গুলমাৰ্গত সংযোজিত হৈছে আন এক নতুন আকৰ্ষণস্থলী। যি স্থানৰ অভিজ্ঞতা ল'বলৈ ভূস্বৰ্গলৈ অধিক হাৰত দেশী-বিদেশী পৰ্যটকৰ সোঁত ব'ব বুলি আশা কৰা হৈছে। দৰাচলতে গুলমাৰ্গত মুকলি কৰা হৈছে বিশ্বৰ সৰ্বোচ্চ ঘূৰ্ণায়মান ৰেস্তোৰাঁখন। জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই আজি গুলমাৰ্গত কেইবাটাও উন্নয়ন প্ৰকল্প উদ্বোধন কৰে। সেই উন্নয়ন প্ৰকল্পসমূহৰ মাজত আছে ঘূৰ্ণায়মান ৰেস্তোৰাঁখনো। ঘূৰি থকা ৰেস্তোৰাঁখনত বহি পৰ্যটকসকলে পৰ্বতৰ চূড়াৰ পৰা গুলমাৰ্গৰ অপূৰ্ব ৰূপ উপভোগ কৰিব পাৰিব। পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পাছৰ পৰা কাশ্মীৰত পূৰ্বৰ তুলনাত পৰ্যটকৰ সংখ্যা যথেষ্ট হ্ৰাস পাইছে। এতিয়া ঘূৰ্ণায়মান ৰেস্তোৰাঁখন মুকলি হোৱাৰ পাছত পৰ্যটকৰ সংখ্যা বাঢ়িব বুলি জম্মু-কাশ্মীৰ চৰকাৰে আশা কৰিছে। উল্লেখযোগ্য যে গুলমাৰ্গতে আছে বিশ্বৰ সৰ্বোচ্চ আৰু এছিয়াৰ দীৰ্ঘতম গোণ্ডোলা ৰোপৱে। লগতে বিশ্বৰ সৰ্বোচ্চ স্কী পইণ্ট আৰু বিশ্বৰ সৰ্ববৃহৎ ইগলু কেফেও গুলমাৰ্গতে আছে।

# পাকিস্তানৰ দুখন বিশ্ববিদ্যালয়ত প্ৰথমবাৰলৈ সংস্কৃত পাঠ্যক্ৰমৰ পাঠদান



**লাহোৰ, ১৪ ডিচেম্বৰ ঃ** দেশ বিভাজনৰ পাছত পাকিস্তানৰ পঞ্জাব প্ৰদেশৰ দুখন বিশ্ববিদ্যালয়ত প্ৰথমবাৰৰ বাবে আৰম্ভ হৈছে সংস্কৃত পাঠ্যক্ৰমৰ পাঠদান। পঞ্জাব প্ৰদেশৰ লাহোৰ বিশ্ববিদ্যালয় আৰু লাহোৰ ইউনিভাৰ্ছিটী অব্ মেনেজমেণ্ট ছায়েন্সেজত সংস্কৃতৰ তিনিমহীয়া পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। এই পাঠ্যক্ৰমত পাঠদান সফল হ'লে ভৱিষ্যতে বিশ্ববিদ্যালয় দুখনত গীতা আৰু মহাভাৰতৰ পাঠদানৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ বাবে পঞ্জাব বিশ্ববিদ্যালয়ত বৰ্তমান মজুত থকা সংস্কৃতৰ গুৰুত্বপূৰ্ণ পাণ্ডুলিপি সংগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰা হ'ব। পঞ্জাব লাহোৰ বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ অধ্যাপক ডঃ অশোক কুমাৰে সংবাদ সংস্থা পি টি আইক সদৰি কৰা মতে, লাহোৰ ইউনিৰ্ভাছিটী অব্ মেনেজমেণ্ট ছায়েন্সেজে সৰ্বপ্ৰথমে বুনিয়াদী পৰ্যায়ত সংস্কৃতৰ পাঠদান আৰম্ভ কৰিছে। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত পঞ্জাব লাহোৰ বিশ্ববিদ্যালয়ে শাস্ত্ৰীয় ভাষাটোৰ লঘু পাঠ্যক্ৰম আৰম্ভ কৰিছে। ডঃ অশোক কুমাৰে লগতে কয় যে এই পাঠ্যক্ৰমে সংস্কৃতৰ বুনিয়াদী জ্ঞান প্ৰদান কৰিব। সংস্কৃত ভালকৈ আয়ত্ত কৰিবলৈ হ'লে এজন শিক্ষাৰ্থীয়ে সাতটা পৰ্যায় সম্পূৰ্ণ কৰিব লাগিব। ইয়াৰ বাবে কমেও তিনি বছৰৰ প্ৰয়োজন হয়। তিনি বছৰীয়া পাঠ্যক্ৰম সমাপ্ত কৰাৰ পাছতে শিক্ষাৰ্থীসকলে গীতা আৰু মহাভাৰত অধ্যয়ন কৰিব পাৰিব।

## বইটামাৰীত নিশা অগ্নিকাণ্ডত

চেষ্টা চলোৱাৰ লগতে অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়ে। তৎসত্ত্বেও অগ্নিকাণ্ডটোৱে এটা বাসগৃহৰ লগতে ধানৰ ভঁৰাল এটাও সম্পূৰ্ণৰূপে ভস্মীভূত কৰে। ইফালে ৰান্ধনীঘৰত থকা এটা চিলিণ্ডাৰো বিস্ফোৰণ ঘটাত জুয়ে বিধ্বংসী ৰূপ লয়। পিছত অগ্নিনিৰ্বাপক বাহিনী ঘটনাস্থলীলৈ উপস্থিত হৈ ৰাইজৰ সহযোগত জুই নিৰ্বাপন কৰাত গৃহসমূহ ৰক্ষা পৰে। বিদ্যুতৰ শ্বৰ্ট চাৰ্কিটৰ বাবে এই অগ্নিকাণ্ড সংঘটিত হোৱা বুলি পৰিয়ালটোৱে সন্দেহ কৰিছে। অগ্নিকাণ্ডটোৰ ফলত চাৰি লক্ষাধিক টকা মূল্যৰ সা-সম্পত্তি নষ্ট হয়।

## শিৱসাগৰত মুখ্যমন্ত্ৰী অথবা পীযূষক

গগৈয়ে। শিৱসাগৰত আজি অখিল গগৈ বিজেপিৰ বাবে ফেক্টৰ নহয় বুলি কৈছিল মহিলা মৰ্চাৰ ৰাজিক সভাপতি নীলিমা দেৱীয়ে। তাৰেই প্ৰত্যুত্তৰ দিবলৈ গৈ বিজেপিৰ এগৰাকী প্ৰত্যাশিত প্ৰাৰ্থীক আক্ৰমণ কৰে বিধায়কগৰাকীয়ে। চৰ্চাত থকা এজন প্ৰাৰ্থীক আক্ৰমণ কৰি অখিলে কয়, 'বিজেপিৰ বাবে মই ফেক্টৰেই নহয়, তেন্তে তেওঁলোকে শিৱসাগৰত এজন হত্যাকাৰী ছালফাক কিয় প্ৰাৰ্থিত্ব দিবলৈ আগবাঢ়িছে? কোনো হত্যাকাৰীৰ বিৰুদ্ধে মোৰ নিৰ্বাচন খেলিবলৈ লাজ লাগিব। মুখ্যমন্ত্ৰীয়ে সদনত দুগৰাকী বিয়া পতাৰ বিৰুদ্ধে বিল আনিছিল। কিন্তু মোৰ বিৰুদ্ধে শিৱসাগৰত প্ৰাৰ্থিত্ব দিব লগাজনে দুগৰাকী বিয়া পাতিছে তাৰ খবৰ মুখ্যমন্ত্ৰীয়ে ৰাখিছে নে নাই? আমি দুগৰাকী বিয়া পতা লোকক কাষেই চাপিবলৈ নিদিওঁ। তেওঁৰ পূৰ্বৰ গৰাকীৰ সৈতে বিবাহ বিচ্ছেদ হ'ল নে নাই আৰু এতিয়া কাৰ সৈতে থাকে?' মুখ্যমন্ত্ৰী অথবা মন্ত্ৰী পীযূষ হাজৰিকাক শিৱসাগৰত নিৰ্বাচন খেলিবলৈ আহ্বান জনাই অখিল গগৈয়ে আৰু কয়, 'মুখ্যমন্ত্ৰী অথবা পীযূষ হাজৰিকাই শিৱসাগৰত মোৰ বিৰুদ্ধে নিৰ্বাচন খেলিলেও হাৰিব। গতিকে তেওঁলোকে আহি শিৱসাগৰত নিৰ্বাচন খেলক। নহ'লে তেওঁলোকৰ পৰিবৰ্তে বিজেপিৰ ৰাজিক সভাপতি আহক।' অৱশ্যে বিজেপিৰ সভাপতিগৰাকীৰ নাম ৰাইজে নাজানে বুলি দিলীপ শইকীয়াক কটাক্ষ কৰে বিধায়কগৰাকীয়ে। তেওঁ লগতে কয়, 'শিৱসাগৰত মই ফেক্টৰ হয় নে নহয় ৰাইজে জানে। কোনো শিৱসাগৰলৈ আহিব আৰু যি-টি কৈ যাব। এনেবোৰ মানুহক মই গুৰুত্ব নিদিওঁ। যদি বিজেপিয়ে নাৰীৰ সবলীকৰণৰ বাবে চিন্তা কৰে তেন্তে শিৱসাগৰত এগৰাকী মহিলাক মোৰ বিৰুদ্ধে প্ৰাৰ্থিত্ব দিয়ক। ৰাজ্যত বিজেপি দলৰ কেইগৰাকী বিধায়িকা আছে, বিজেপিয়ে নিজেই হিচাপ কৰি চাওক। গতিকে তেওঁলোকে মহিলাৰ সবলীকৰণৰ কথা কৈ লাভ নাই।' ইফালে ভোট চুৰি প্ৰসংগত অখিল গগৈয়ে কয়, 'বিজেপিয়ে ভোট চুৰি কৰে, তাত কোনো সন্দেহ নাই। ভোট চুৰিৰ বিৰুদ্ধে আমাৰ বিৰোধী দলৰ সভাপতিসকলে দিল্লীত গ্ৰহণ কৰা প্ৰতিবাদী কাৰ্যসূচী সঠিক হৈছে। ইফালে আজি জিলা বিজেপিৰ কাৰ্যালয়ত এক মহিলাৰ সাংগঠনিক সভাত অংশগ্ৰহণ কৰি কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰিছিল মহিলা মৰ্চাৰ সভানেত্ৰী নীলিমা দেৱীয়ে। তেওঁ কয়, 'আগন্তুক নিৰ্বাচনত দলৰ তৰফৰ পৰা মহিলাক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিলে নিশ্চয় সুখী হ'ম। কিন্তু এইক্ষেত্ৰত দলে সিদ্ধান্ত ল'ব। নিৰ্বাচন প্ৰতিদ্বন্দ্বিতা কৰিব পৰাকৈ শিৱসাগৰত বহু যোগ্য মহিলা আছে। সুযোগ পালে তেওঁলোক শক্তিশালী প্ৰতিদ্বন্দ্বী হিচাপে পৰিগণিত হ'ব। ৰাইজে যাকেই বিচাৰে দলে তেওঁকেই সুযোগ প্ৰদান কৰিব। শিৱসাগৰৰ অখিল গগৈ কোনো ফেক্টৰ নহয় বুলি কৈ সভানেত্ৰীগৰাকীয়ে কয়, তেওঁ সদনৰ বাহিৰে-ভিতৰে চিঞৰ-বাখৰ কৰিবহে জানে। শিৱসাগৰবাসীয়ে এতিয়া তেওঁক বুজি পাইছে। সমষ্টিৰ বাবে তেওঁ কি কৰিব লাগিছিল আৰু কি কৰিলে। ইফালে জুবিন গাৰ্গৰ মৃত্যুৰ চাৰ্জশ্বীটৰ ওপৰতো তেওঁ কয়, জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত চৰকাৰে সকলো কৰিছে। যাৰ বাবে আজি চাৰ্জশ্বীট সময়মতে দাখিল কৰিবৰ বাবে সক্ষম হ'ল। জুবিন গাৰ্গৰ ক্ষেত্ৰত ন্যায় নিশ্চয় হ'ব।

## এজাক শিশুৰ কলৰৱত মুখৰিত

কৰা অসম গ্ৰন্থমেলাত আজি শিশুৰ দিন উদ্যাপন কৰে বিশিষ্ট লেখক, শিশু সাহিত্যিক জিতেন ভাগবতীয়ে। পুৱা ৯.৩০ বজাত শিশুৰ দিনৰ কাৰ্যসূচী উদ্বোধন কৰি তেওঁ কয় যে মণ্ডলটোৰ আয়োজক সংস্থাই শিশুসকলৰ প্ৰতি প্ৰকাশন পৰিষদে যি আগ্ৰহ দেখুৱালে এয়া প্ৰশংসনীয়। গ্ৰন্থমেলাত 'শিশুৰ দিন' অনুষ্ঠিত কৰি শিশুসকলৰ মানসিক বিকাশ সাধনৰ যি প্ৰচেষ্টা লৈছে সেয়া অত্যন্ত প্ৰেৰণাদায়ক। আজিৰ শিশুসকল হৈছে সমাজ তথা দেশৰ ভৱিষ্যৎ। সেয়ে আৰম্ভণিৰে পৰা ভেটিটো সবল কৰিবলৈ হ'লে শিশুসকলক গ্ৰন্থৰ প্ৰতি আকৰ্ষিত কৰিব লাগিব। গ্ৰন্থই শিশুৰ বাবে নতুন চিন্তাৰ পথ প্ৰশস্ত কৰে। অসম গ্ৰন্থমেলাত শিশুসকলৰ বাবে বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰি তেওঁলোকৰ মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে কৰা প্ৰয়াস অতি সুন্দৰ আৰু আদৰণীয়। ইয়াৰ পাছতে অনুষ্ঠিত হয় চিত্ৰাংকন আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা। চিত্ৰাংকন প্ৰতিযোগিতাৰ 'ক' শাখাত ঋদ্ধি দাসে প্ৰথম, কৃত্তিকা ডেকাই দ্বিতীয় আৰু হৰ্ষীতকেশ ডেকাই তৃতীয় স্থান লাভ কৰিছে। ইয়াত উদগনি বঁটা লাভ কৰিছে আবিৰ চৌধুৰী, শ্ৰুতি ডেকা আৰু আয়ুসী শিমনে। 'খ' শাখাত জেকলিন প্ৰিয়া ডেকাই প্ৰথম, সাক্ষী সাহাই দ্বিতীয় আৰু সুশান্ত মণ্ডলে তৃতীয় স্থান লাভ কৰিছে। ইয়াত উদগনি বঁটা লাভ কৰিছে পুষ্পাঞ্জলি শিমন, মিলাংগৰাজ কমল ডেকা আৰু অনল ডেকাই। 'গ' শাখাত দেৱাশিস কৌশিক কলিতাই প্ৰথম, নয়নমণি ডেকাই দ্বিতীয় আৰু কৃকিল ডেকাই তৃতীয় স্থান লাভ কৰিছে। ইয়াত উদগনি বঁটা লাভ কৰিছে হিয়া বাবিক, সুস্মিতা মণ্ডল আৰু জ্যোতিৰ্ময় শৰ্মাই। কবিতা আবৃত্তিৰ 'ক' শাখাত ভূমণি শৰ্মাই প্ৰথম, ধ্ৰাণপ্ৰভ চৌধুৰীয়ে দ্বিতীয় আৰু দিব্যাংকা দত্তই তৃতীয় স্থান লাভ কৰিছে। ইয়াত উদগনি বঁটা লাভ কৰিছে লুইত কাশ্যপ, হৃদয়াংক্ষী কাশ্যপ, মালাইকা জাৰা আৰু বৰ্ণিল দেৱ শৰ্মাই। 'খ' শাখাত হৰ্ষিত চক্ৰবৰ্তীয়ে প্ৰথম, প্ৰিয়াংশী শিমনে দ্বিতীয় আৰু দীপান্বিতা বৰাই তৃতীয় স্থান লাভ কৰে। ইয়াত উদগনি বঁটা লাভ কৰে জোনাক নীবিড় কাশ্যপ, শ্বেখ ছাহজাদ হুছেইন আৰু ৰিয়া চৌধুৰীয়ে। বিয়লি ২ বজাৰ পৰা অতি আকৰ্ষণীয়ভাৱে মুকলি কুইজ পৰিচালনা কৰে কুইজ মাষ্টাৰ মানস প্ৰতিম গোস্বামীয়ে।

## কামৰূপ জিলা সাহিত্য সভাৰ

জিলা সাহিত্য সভাৰ মধ্যকালীন ডিমু অধিৱেশনৰ আদৰণী সমিতিৰ সভাপতি ভৱেশ কলিতাই লাইখুঁটা স্থাপন কৰি অধিৱেশনৰ সফলতা কামনা কৰে। কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি ডঃ গণেশ্বৰ চহৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিধায়কগৰাকীয়ে অধিৱেশনখন সাফল্যমণ্ডিত কৰাত সকলোৰে সহায় বিচৰাৰ লগতে স্মৃতিগ্ৰন্থখনত কামৰূপ জিলাৰ ইতিহাস সন্নিৱিষ্ট কৰাৰ আহ্বান জনায়। সংস্কৃতিৰ বাতৰি 'দাপোণ'ৰ মুখ্য সম্পাদক দিনমণি ভাণ্ডাৰ কায়স্থই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰাত অনবদ্য অৱদান আগবঢ়োৱা ডিমু অঞ্চলত এইবেলি কামৰূপ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনখন অনুষ্ঠিত কৰাত সন্তোষ প্ৰকাশ কৰি অধিৱেশনখনৰ জৰিয়তে অঞ্চলটোত সাহিত্য চৰ্চাৰ নতুন গতি দিব বুলি কয়। কামৰূপ জিলা সাহিত্য সভাৰ মধ্যকালীন ডিমু অধিৱেশনৰ আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি তৰণীচৰণ কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা, সম্পাদক নগেন্দ্ৰনাথ শালৈ আৰু ত্ৰিৱেণী শতদল শাখা সাহিত্য সভাৰ সম্পাদক কনককৃষ্ণ ভট্টাচাৰ্যই আঁত ধৰা সভাত অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ সাধাৰণ সম্পাদক দ্বিজেন্দ্ৰ মোহন শৰ্মা, বড়িগোগ জিলা পৰিষদৰ সদস্যা গীতিকা দাস, কামৰূপ জিলা সাহিত্য সভাৰ উপ-সভাপতি ৰমেশ চন্দ্ৰ মেধি, প্ৰাক্তন উপ- সভাপতি শিশুৰাম শইকীয়া, কোষাধ্যক্ষ দিলীপ ঠাকুৰীয়াসহ জিলা সাহিত্য সভা আৰু ত্ৰিৱেণী শতদল শাখা সাহিত্য সভাৰ লগতে আদৰণী সমিতিৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে।

## নগৈ গড়গাঁৱৰ বতৰা দিয়া চাৰ্জশ্বীট

উত্থাপন কৰে গগৈয়ে। কাজিৰঙাৰ দুৰ্গাপুৰৰ অৰ্কিড উদ্যানত আয়োজিত সংবাদমেলত চাৰ্জশ্বীটখনৰ দ্বাৰা অভিযুক্তক ৰক্ষণাবেক্ষণ দিব পৰাৰ সুৰুঙা ৰাখি থোৱাৰ অভিযোগ উত্থাপন কৰি অখিল গগৈয়ে কয়— ঘটনাস্থলীলৈ তদন্তকাৰী বিষয়া যোৱা নাই। ঘটনাস্থলীলৈ তদন্তকাৰী বিষয়া নোযোৱাকৈ চাৰ্জশ্বীট প্ৰস্তুত কৰা আৰু সাধুকথা লিখা একেই কথা। আনহাতে, অভিযুক্তক লৈ ঘটনাস্থলীলৈ গৈ ঘটনাৰ দৃশ্যৰ নাটকীয় চিত্ৰণ কৰা হোৱা নাই বুলি উল্লেখ কৰি গগৈয়ে কয়— তদন্তৰ নামত চাৰ্জশ্বীটখন সাধুকথাহে। ছিংগাপুৰত সংঘটিত ঘটনাৰ তদন্ত দিছপুৰত কৰিছে বুলি উল্লেখ কৰি গগৈয়ে কয়— ছিংগাপুৰৰ চৰকাৰে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত 'ন' ফাউল প্লে' বুলি তথ্য প্ৰকাশ কৰিছে। তেনেক্ষেত্ৰত তদন্তকাৰী বিষয়া ঘটনাস্থলীলৈ নগৈ গুৱাহাটীত তদন্ত কৰি, সোধা-পোছা কৰি কেনেকৈ হত্যাকাৰীক শাস্তি বিহিব বুলি তেওঁ প্ৰশ্ন উত্থাপন কৰে। ৫৬৯গৰাকীৰ সাক্ষ্য গ্ৰহণ কৰিবলৈ প্ৰায় দুবছৰ সময় লাগিব বুলি মন্তব্য কৰি গগৈয়ে কয়— সাক্ষ্য ল'ব লাগে ক'ৰ আৰু লৈছে ক'ৰ! যিখন য়টত ঘটনা সংঘটিত হৈছিল তাৰ কেপ্টেইনজনৰ সাক্ষ্য নোলোৱাকৈ কোনো মানুহকে দোষী সাব্যস্ত কৰিব নোৱাৰিব। 'ভিচি' কৰি হ'লেও কেপ্টেইনৰ সাক্ষ্য ল'বই লাগিব বুলি উল্লেখ কৰি গগৈয়ে পুনৰ কয়— কেপ্টেইনজনে যে জুবিন গাৰ্গক পানীত জাঁপ মাৰিবলৈ অনুমতি দিলে, তাৰ কাৰণে যি প্ৰ-পত্ৰ পূৰণ কৰিব লাগে সেই প্ৰ-পত্ৰখন লাগিব। সেই প্ৰ-পত্ৰখনেই মূল নথি বুলিও কয় গগৈয়ে। গগৈয়ে কয়— মৃগী থকা জুবিন গাৰ্গক কিয় জাঁপ মাৰিবলৈ দিলে? যদি জাঁপ মাৰিবলৈ দিলে তেন্তে কেপ্টেইনজন কিয় জেললৈ নাযাব? কেপ্টেইনজনৰ লগতে থকা বাকীবোৰ কিয় জেললৈ নাযাব বুলিও গগৈয়ে প্ৰশ্ন উত্থাপন কৰে। 'মোৰ মৃগী নাই, মই সাগৰৰ পানীত সাঁতুৰিব পাৰোঁ' বুলি কোনে জুবিন গাৰ্গৰ সেই প্ৰ-পত্ৰখনত স্বাক্ষৰ কৰিছিল, 'মোৰ চিজাৰ হোৱা নাই, মই সাঁতুৰিব পাৰোঁ' বুলি কোনে স্বাক্ষৰ কৰিছিল বুলিও প্ৰশ্ন উত্থাপন কৰি গগৈয়ে কয়— সেই মানুহজনেই ফচি যাব। সেই কাগজখন আনিলেনে? য়টখনৰ চিচি টিভি ফুটেজ 'লেটাৰ্ছৰ' জেট'ৰী'ৰ দ্বাৰা অনা হ'লনে? সাগৰৰপৰা উদ্ধাৰ কৰি অনা উদ্ধাৰকাৰী দলটোৰ সাক্ষ্য লোৱা হ'লনে? সাগৰৰপৰা যিখন এম্বুলেন্সত উঠাই হাস্পতাললৈ নিছিল, সেই এম্বুলেন্সৰ এটেণ্ডেণ্ট আৰু চালকৰ সাক্ষ্য লোৱা হ'লনে? হাস্পতালৰ চিকিৎসকৰ সাক্ষ্য লোৱা হ'লনে বুলি প্ৰশ্ন উত্থাপন কৰি য'ত মৰণোত্তৰ পৰীক্ষা কৰা হৈছিল তাৰ চিকিৎসকৰ সাক্ষ্য নোলোৱাকৈ এয়া হত্যাকাণ্ড প্ৰমাণিত হ'বনে বুলিও গগৈয়ে প্ৰশ্ন উত্থাপন কৰে। কেৱল 'ম'টিভ'ৰ ওপৰত তদন্ত কৰি পৃথিৱীত ক'ৰবাত ফাঁচি হয় নেকি বুলিও তেওঁ প্ৰশ্ন উত্থাপন কৰে। প্ৰকৃত হত্যাকাণ্ডৰ ঘটনাটোৰ বাবে যিখিনি তথ্য-প্ৰমাণ আৰু 'ষ্টেটমেণ্ট' লাগে তাৰ একোৱেই কাম কৰা নাই বুলিও অভিযোগ তোলে গগৈয়ে। গগৈয়ে কয়— সেয়ে কৈছিলোঁ এই চাৰ্জশ্বীটখন প্ৰথম খণ্ড হিচাপে দিয়ক। দ্বিতীয় খণ্ডত কেনেকৈ হত্যাকাণ্ড সংঘটিত হৈছিল সেয়া দিয়ক আৰু তৃতীয় খণ্ডত আদালতৰ জৰিয়তে নথিবোৰ আনি তাৰ জৰিয়তে চাৰ্জশ্বীট এখন দিয়ক। এনেদৰে কৰিলেহে শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাই শাস্তি পাব বুলি উল্লেখ কৰি গগৈয়ে কয়— এতিয়া কিন্তু সিদ্ধাৰ্থ শৰ্মা আৰু শ্যামকানু মহন্ত বাচিবৰ কাৰণেহে এই চাৰ্জশ্বীট হিমন্ত বিশ্ব শৰ্মাই প্ৰস্তুত দিছে। ইয়াৰ লগতে মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা আৰু ছিংগাপুৰত থকা ভাৰতীয় ৰাষ্ট্ৰদূতক ধোৱা তুলসীৰ পাত সজাবৰ কাৰণে, বচাবৰ কাৰণে এই চাৰ্জশ্বীট প্ৰস্তুত কৰা হৈছে বুলিও অভিযোগ কৰে গগৈয়ে। গগৈয়ে পুনৰ কয়— এই চাৰ্জশ্বীটখন জুবিন গাৰ্গৰ হত্যাকাৰীক ধৰিবলৈ দিয়া চাৰ্জশ্বীট নহয়, এইখন হ'ল হিমন্ত বিশ্ব শৰ্মাই অসমৰ মানুহৰপৰা বাচিবৰ কাৰণে প্ৰস্তুত কৰা এখন নিৰ্বাচনী ইস্তাহাৰ। ভোট পাবৰ কাৰণে প্ৰস্তুত কৰা এখন নিৰ্বাচনী ইস্তাহাৰ। 'চাৰ্জশ্বীট সন্দৰ্ভত এয়া মোৰ চূড়ান্ত বক্তব্য' বুলি উল্লেখ কৰি গগৈয়ে অসমৰ ৰাইজক উদ্দেশ্যি কয়— মে' মাহত যিদিনা এই গোচৰটোৰ অভিযোগ নিৰ্দ্ধাৰণ হ'ব আপোনালোকে সেইদিনালৈকে ৰওক, মই নিশ্চয়তা দি কৈছোঁ এই চাৰ্জশ্বীটখনৰ জৰিয়তে শ্যামকানু মহন্তকো ফাঁচি দিব নোৱাৰি, সিদ্ধাৰ্থ শৰ্মাকো মৃত্যুদণ্ড বিহিব নোৱাৰি আৰু বাকীবিলাককো ১০৫ৰ অধীনত যাৱজ্জীৱন কাৰাবাস বিহিব নোৱাৰি। এই চাৰ্জশ্বীটৰ জৰিয়তে কোনোপধ্যে শাস্তি দিয়াটো সম্ভৱপৰ নহ'ব বুলি মন্তব্য কৰি গগৈয়ে কয়— মাত্ৰ ছমাহ বা এবছৰ ৰৈ দিয়ক ইয়াৰ দ্বাৰা যে প্ৰকৃত অৰ্থত দোষী সাব্যস্ত নহ'ল সেয়া প্ৰমাণ পাই যাব। জুবিন গাৰ্গৰ হত্যাকাণ্ড বা ৰহস্যজনক মৃত্যুৰ উচিত তদন্তৰ বাবে যিখিনি কাম কৰিব লাগে সেইখিনি নকৰি মুখ্যমন্ত্ৰীয়ে জাতিদ্ৰোহী কাম কৰিছে বুলিও উল্লেখ কৰে গগৈয়ে। তদুপৰি গগৈয়ে কয়— অসমীয়া গামোচা প্ৰায়ে ডিঙিত লোৱা প্ৰধানমন্ত্ৰীয়ে জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাৰ প্ৰসংগত কিমানবাৰ ছিংগাপুৰ চৰকাৰৰ সৈতে কথা পাতিলে? কিমানবাৰ ছিংগাপুৰৰ প্ৰধানমন্ত্ৰীৰ লগত কথা পাতি গোচৰটোৰ অগ্ৰগতিৰ খবৰ ল'লে, অসমৰ মুখ্যমন্ত্ৰীক কিমানবাৰ মাতি নি গোচৰটোৰ খবৰ ল'লে বুলিও গগৈয়ে প্ৰশ্ন উত্থাপন কৰে। ইফালে, গগৈয়ে সংবাদমেলত কয়— যদি পৱিত্ৰ মাৰ্ঘেৰিটাই মোক জুবিন গাৰ্গক লৈ অযথা ৰাজনীতি কৰা বুলি কৈছে, অযথা বিতৰ্ক কৰা বুলি কৈছে তেন্তে মই প্ৰথম আৰু প্ৰধান ক'বলগীয়া কথাটো হ'ল- জুবিন গাৰ্গৰ মৃত্যুত শ্যামকানু মহন্ত যিমান জগৰীয়া মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাও সিমানেই জগৰীয়া। ছিংগাপুৰত নৰ্থ-ইষ্ট ফেষ্টিভেল আয়োজন কৰিছিল দুটা সংস্থাই। এটা হ'ল ভাৰত চৰকাৰৰ বহিঃপৰিক্ৰমা মন্ত্ৰণালয় আৰু আনটো হ'ল নৰ্থ-ইষ্ট ফেষ্টিভেল। নৰ্থ-ইষ্ট ফেষ্টিভেলৰ প্ৰধান শ্যামকানু মহন্তক গ্ৰেপ্তাৰ কৰিলে, কিন্তু বহিঃপৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী যি গোটেই কাৰ্যসূচীটোৰ উদ্যোগ লৈছিল, সেই পৱিত্ৰ মাৰ্ঘেৰিটাক গ্ৰেপ্তাৰ নকৰিলে। পৱিত্ৰ মাৰ্ঘেৰিটা আৰু শ্যামকানু মহন্ত দুইজনকে গ্ৰেপ্তাৰ কৰাৰ প্ৰয়োজন আছিল বুলি মন্তব্য কৰে গগৈয়ে। আনহাতে, ৰাজনৈতিক প্ৰসংগত গগৈয়ে কয়— বিৰোধী ঐক্যমঞ্চ সোনকালে হ'ব লাগে, আসন ভাগ-বাটোৱাৰা সোনকালে হ'ব লাগে, যাতে সকলোৱেই নিৰ্বাচনত মনোনিৱেশ কৰিব পাৰে। এই কথা ময়ো কৈছোঁ, অসম জাতীয় পৰিষদৰ লুৰীণজ্যোতি গগৈয়ে কৈছে, বিৰোধী নেতা দেৱব্ৰত শইকীয়ায়ো কৈছে। গগৈয়ে কয় যে দল-সংগঠনকে ধৰি অসমৰ ৰাইজে বিচাৰিছে বিৰোধী ঐক্যমঞ্চ গঠন হ'ব লাগে আৰু ফেচীবাদী, সাম্প্ৰদায়িক বিজেপিৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰিব লাগে। শিৱসাগৰৰপৰা পুনৰ প্ৰতিদ্বন্দ্বিতা কৰাৰ বিষয়ে সদৰি কৰি গগৈয়ে কয়— শিৱসাগৰৰপৰা মই নিৰ্বাচন খেলাটো এশ শতাংশ খাটাং, নিৰ্বাচনত জিকাটোও এশ শতাংশ খাটাং। ২০২৬ত শিৱসাগৰৰ পৰা জয়ী হৈ চৰকাৰৰ অংশীদাৰ হ'ব খোজোঁ আৰু শিৱসাগৰৰ মূল সমাধানবোৰ যাতে পাঁচ বছৰত সমাধান কৰিব পাৰোঁ তাৰ আশা পুঁহি ৰাখিছোঁ। গগৈয়ে পুনৰ কয়— অসমত বিৰোধীয়ে চৰকাৰ গঠন কৰিব।

## ৰঙিয়াত ২৫ লক্ষাধিক টকা

গাতে লাগি থকা বালাগাৰত মন্টুল আলী নামৰ এজন লোকৰ ঘৰত অভিযান চলাই নগদ ২৫,২৫,৪০০ টকাসহ মুঠ ৮৬ কিলোগ্ৰাম আফিং জব্দ কৰে। আৰক্ষীয়ে ঘটনাৰ সৈতে জড়িত ৭জন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত লোকসকল হ'ল কুখ্যাত আফিং ব্যৱসায়ী মন্টুল আলীৰ পত্নী জেৰিণা বেগম, মোস্তফা আলী, ইনামুল হুছেইন, জাহিৰ ইছলাম (১), আবিফুল হক, হবিবুৰ ৰহমান আৰু জাহিৰ ইছলাম (২)। কুখ্যাত আফিং ব্যৱসায়ী মন্টুল আলীয়ে আৰক্ষীৰ চকুত ধূলি দি পলাই যাবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য অনুসৰি যোৱানিশা ৰঙিয়া আৰক্ষীয়ে বালাগাৰৰ কুখ্যাত আফিং ব্যৱসায়ী মন্টুল আলীৰ ঘৰত বহুত পৰিমাণৰ আফিং মজুত কৰাৰ তথ্য লাভ কৰিছিল। লগে লগে আৰক্ষীৰ বৃহৎ দল এটাই চাৰিওপিনৰ পৰা মন্টুল আলীৰ ঘৰ ঘেৰাও কৰি তালাচী চলায়। আৰক্ষীয়ে পাছত মন্টুল আলীৰ ঘৰৰ প্ৰতিটো গোপন স্থান পৰীক্ষা কৰাত অতি সংগোপনে লুকুৱাই ৰখা স্থানৰ পৰা ২৫ লক্ষাধিক টকা জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে আৰক্ষীয়ে মন্টুল আলীৰ ঘৰত পূৰ্বেও অভিযান চলাই নিচাযুক্ত দ্ৰব্য জব্দ কৰিছিল।

## মৰঙিত এল পি জি বিস্ফোৰণত

জানিব পৰা মতে ফেক্টৰীৰ ভিতৰত কেঁচা চাহপাত শুকুওৱা মেচিনৰ গেছ পাইপৰ চিলিণ্ডাৰ বিস্ফোৰণ ঘটাৰ ফলতে দুৰ্ঘটনাটো সংঘটিত হয়। গুৰুতৰভাৱে আহত শ্ৰমিকজন সন্তোষ পাটনায়ক বুলি জানিব পৰা হৈছে। শ্ৰমিকজনৰ দেহৰ আধা অংশ জুলি যোৱা বুলি প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিয়ে। ইতিমধ্যে গুৰুতৰভাৱে আহত সন্তোষ শ্ৰমিকজনক চিকিৎসাৰ বাবে গোলাঘাটৰ স্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। বাগিচা থকা ফেক্টৰী কৰ্তৃপক্ষৰ বিৰুদ্ধে ঘটনাটো গাপ দিয়াৰ চেষ্টা চলোৱা বুলি অভিযোগ কৰিছে শ্ৰমিকসকলে। ইয়াকে লৈ চাহ বাগিচাখনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## জোৰশিমুলীৰ হাঁহচৰীত

সোণতলী অভিমুখী এ এছ ০১ ই চি ৯৪৮৪ নম্বৰৰ যাত্ৰীবাহী ট্ৰেভেলাৰ এখনে এ এছ ০১ টি চি ৭৩৬২ নম্বৰৰ যাত্ৰীবাহী ই-ৰিক্সাখনক পিছফালৰ পৰা খুন্দিয়ায়। ট্ৰেভেলাৰৰ খুন্দাত ই-ৰিক্সাখন বাগৰি পৰাত আৰোহী সোণতলীৰ বদলাগাৰৰ ক্ৰমে ছহিদুল ইছলাম (৪০), ৩ নং দক্ষিণ বাগাগাৰৰ বাপীৰ ছায়েব আলী (৬০), পানীখাইতিৰ ছাদ্দাম হুছেইন (১৯), ওদালগুৰিৰ লাউমুৰৰ নুৰ আলম (৪০) আৰু ডেকাচাপৰ ছহিদা বেগম (৩০) আহত হয়। দুৰ্ঘটনাত আহত যাত্ৰীকেইগৰাকীক সোণতলী সমূহীয়া স্বাস্থ্যকেন্দ্ৰত ভৰ্তি কৰোৱা হয়। ইফালে জোৰশিমুলী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অঞ্জনজ্যোতি শৰ্মাই উপস্থিত হৈ দুৰ্ঘটনা সংঘটিত কৰা বাহন দুখন জব্দ কৰে।

## চিলাপথাৰত পথ দুৰ্ঘটনাত

চিলাপথাৰৰ পৰা ডেকাপাম অভিমুখে যোৱা এ এছ ২২ জে ১৫৮৫ নম্বৰৰ এখন চাৰিচকীয়া বাহনে নিয়ন্ত্ৰণ হেৰুৱাই ট্ৰেক্টৰ এখনক পিছফালৰ পৰা খুন্দিয়ায়। ফলত ভয়ংকৰ দুৰ্ঘটনাটো সংঘটিত হয়। এই ভয়ংকৰ দুৰ্ঘটনাত বাহনখনত থকা অচিন পেগু (৩০) আৰু সুশীল দলে (২৯) ঘিতাতে নিহত হয়। আনহাতে আন চাৰিজন যুৱক গুৰুতৰভাৱে আহত হয়। আহতসকলক স্থানীয় ৰাইজ আৰু আৰক্ষীয়ে তৎপৰতাৰে উদ্ধাৰ কৰি সংকটজনক অৱস্থাত চিকিৎসালয়লৈ প্ৰেৰণ কৰে। উল্লেখ্য যে নিহত অচিন পেগু ডেকাপামৰ সদা পেগুৰ জ্যেষ্ঠ পুত্ৰ আৰু টি এম পি কে ডেকাপাম আঞ্চলিক সমিতিৰ সম্পাদক আছিল। আনজন যুৱক সুশীল দলে এক অঞ্চলৰ প্ৰয়াত টংকেশ্বৰ দলেৰ কনিষ্ঠ পুত্ৰ আৰু টি এম পি কে ডেকাপাম আঞ্চলিক সমিতিৰ ক্ৰীড়া সম্পাদক আছিল। নিহত দুয়োজন যুৱকৰ ঘৰ ডেকাপামৰ নামকিন গাঁৱত বুলি জানিব পৰা গৈছে। এই হৃদয়বিদাৰক ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। মিচিং জাতীয় সংগঠন টি এম পি কে, এম এম কে আৰু টি এম এম কেই নিহত যুৱক দুজনলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

## নাগ্ৰীজুলি বজাৰত বিধ্বংসী

মুহূৰ্ততে জুয়ে গ্ৰাস কৰি ব্যৱসায়িক প্ৰতিষ্ঠানকেইখন ভস্মীভূত কৰে। অগ্নিকাণ্ডৰ ফলত পাঁচখন ব্যৱসায়িক প্ৰতিষ্ঠান ভস্মীভূত হয়। অগ্নিকাণ্ডৰ ফলত কেইবালাখ টকাৰ ক্ষতিসাধন হয়। জানিব পৰা মতে নাগ্ৰীজুলি বজাৰৰ বনমালী শৰ্মাৰ ষ্টেচনাৰী, প্ৰফুল্ল দাসৰ টেইলৰিং ষ্টোৰ, ৰাজু লমছালৰ কম্পিটাৰ প্ৰেছ, নেপাল পালৰ ষ্টুডিঅ' আৰু পৰিতোষ পালৰ এটি গুদামৰ সা-সামগ্ৰী জুইত জাহ যায়। স্থানীয় লোকৰ মতে গুদামত থকা গেছ চিলিণ্ডাৰ বিস্ফোৰণ ঘটি ব্যাপক ক্ষতিসাধন কৰে। ইতিমধ্যেই স্থানীয় ৰাইজৰ সহযোগত তামুলপুৰ আৰক্ষীৰ দল, নাগ্ৰীজুলি আৰক্ষী চকীৰ আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ তৎপৰতাৰে জুই নিৰ্বাপনৰ দিহা কৰাৰ সমান্তৰালভাৱে তামুলপুৰস্থিত অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ীৰে জুই নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। অগ্নিকাণ্ড বিদ্যুতৰ শ্বৰ্ট চাৰ্কিটৰ ফলতেই সংঘটিত হোৱাৰ আশংকা কৰিছে স্থানীয় ব্যৱসায়ীসকলে।

## সোণতলীত ভূমি বিবাদক

গাঁৱৰ মোকাদ্দেছ আলী আৰু আব্দুল হাই দুই ফৈদৰ মাজত এডোখৰ ভূমিক লৈ ভয়ংকৰ মাৰপিট সংঘটিত হয়। এই ঘটনাত নিজ কাঠমী গাঁৱৰ মোকাদ্দেছ আলী (৪০), ছিদ্দিক আলী (৩৫), ছাহজামাল আলী (৩৪) গুৰুতৰভাৱে আহত হয়। আহত কেউজনকে সোণতলী সামূহিক স্বাস্থ্যকেন্দ্ৰত ভৰ্তি কৰোৱা হয়। প্ৰাথমিক চিকিৎসাৰ অন্তত চিকিৎসকে ছিদ্দিক আলী আৰু শ্বাহজামাল আলীক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। ঘটনা সন্দৰ্ভত সোণতলী আৰক্ষী চকীত পৃথকে পৃথকে এজাহাৰ দাখিল কৰা বুলি জানিব পৰা গৈছে।

## ৰহমান আলীক গ্ৰেপ্তাৰৰ দাবী

যুৱকজনক ৰহমান আলীৰ নেতৃত্বত ১৫জনীয়া দলে হানি-খুঁচি হত্যা কৰিছিল। যুৱকজনক দলটোৱে হত্যা কৰিলে ঠিকেই, কিন্তু চামুলৰ কৰুণ মৃত্যুৱে ৰাইজক একত্ৰিত কৰিলে। যাৰ বাবে পোনতে ৫খনকৈ গাঁৱৰ ৰাইজে চামুলৰ হত্যাকাৰী দলটোক সমাজচ্যুত কৰাৰ প্ৰস্তাৱ ল'লে। ইয়াৰ পাছতে ৰাইজে চামুলৰ নিঃসহায় পৰিয়ালৰ ধান দাই সহায় কৰিলে। আজি বেছিমাৰী কপিলী সত্ৰ গাঁও উন্নয়ন সমিতিৰ উদ্যোগত বেছিমাৰী, কপিলী সত্ৰ, নেওগপাৰা আৰু নিকটৱৰ্তী কেইবাখনো গাঁৱৰ ডেৰ শতাধিক লোক আগবাঢ়ি আহি শ্ৰমদান কৰি বিগত ৰাজহুৱা সভাৰ প্ৰস্তাৱমৰ্মে প্ৰয়াত চামচুল হক সোঁৱৰণী কবৰস্থান পথটোৰ পুনৰ নিৰ্মাণ তথা মেৰামতি কৰে। আজিৰ কাৰ্যসূচীত গাঁও উন্নয়ন সমিতিৰ কাৰ্যকৰী সভাপতি তথা সদৌ অসম গৰীয়া মৰিয়া দেশী জাতীয় পৰিষদৰ দৰং জিলা কমিটীৰ সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদ, আব্দুল আলী, গাঁও উন্নয়ন সমিতিৰ সভাপতি ইছমাইল আলী, সম্পাদক মতিউৰ ৰহমান, গাঁওপ্ৰধান জকিৰুল হক, ৰক্তদাতা ইমৰান হুছেইন, গাঁওৰক্ষী বাহিনীৰ সভাপতি ইয়াৰ আলী, সম্পাদক ইছলাম আলী, মজিবৰ ৰহমান, বাহাৰুল ইছলাম, কামাল আলী, কাফুৰুদ্দিন আহমেদ, ইছাৰ আলী, মাতিউৰ ৰহমান, পুতুল আলী প্ৰমুখ্যে বিশিষ্ট লোকসকলে সহযোগ কৰে। ৰাইজে ৰহমান আলীসহ ৫জনীয়া অভিযুক্তৰ দলে বিগত এমাহে আত্মগোপন কৰি থকাৰ পাছত স্থানীয় এলেকাত আত্মগোপন কৰি থকাৰ সন্দেহ পালে তৎকালে আৰক্ষীক অৱগত কৰোৱাৰ আহ্বান জনায়।

## বেংগালুৰুত সন্ধানহীন

এজন যুৱক। প্ৰাপ্ত তথ্য মতে বাক্সা জিলাৰ সদৰ মুছলপুৰৰ সমীপৱৰ্তী অমৰাৱতী গাঁৱৰ কমল কলিতা (৩৮) নামৰ যুৱকজন বেংগালুৰুত কৰ্মৰত আছিল। তেওঁ বিদ্যুৎ মেৰামতি সম্বন্ধীয় কাম কৰিছিল বেংগালুৰুত। কিছুদিন পূৰ্বে ঘৰলৈ আহি ৯ ডিচেম্বৰত পুনৰ বেংগালুৰুলৈ ৰে'লেৰে গৈছিল। যুৱকজনৰ আন কেইবাজনো সংগী পূৰ্বৰে পৰা বেংগালুৰুত বিভিন্ন কামত নিয়োজিত হৈ আছিল। কলিতাই ৰে'লেৰে গৈ থাকোঁতে বেংগালুৰুত থকা লগৰীয়াসকলৰ লগতে পৰিয়ালৰ সৈতে ফোনেৰে যোগাযোগ কৰি আছিল। লগৰীয়া দুজনমানে কমলক আগবঢ়াই নিবলৈ বুলি বেংগালুৰু ষ্টেচনলৈও আহিছিল। কিন্তু বেংগালুৰুৰ সমীপৱৰ্তী কাটপাডি ষ্টেচনৰ পৰা কমলৰ ম'বাইল ফোনটো ছুইচ অফ হৈ পৰে। তেতিয়াৰে পৰা যুৱকজন সন্ধানহীন হৈ পৰে। ৰহস্যজনকভাৱে কমলৰ কাপোৰৰ বেগটো বেংগালুৰুত ৰে'লৰ ভিতৰত উদ্ধাৰ কৰে লগৰীয়াবোৰে। ৯ ডিচেম্বৰৰ পৰা তেওঁৰ কোনো সন্ধান পোৱা নাই পৰিয়াল তথা বেংগালুৰুৰ লগৰীয়াসকলে। ফলত চিন্তাত পৰিছে সকলো। কমলৰ পিতৃ গোবিন্দ কলিতা, মাতৃ নীলিমা কলিতাকে ধৰি পৰিয়ালৰ সদস্যসকলে বিভিন্ন ঠাইত খবৰ কৰিও কোনো সন্ধান লাভ কৰা নাই। পৰিয়ালৰ তৰফৰ পৰা ইতিমধ্যে মুছলপুৰ থানাত এজাহাৰ দাখিল কৰিছে যদিও আৰক্ষীৰ তৰফৰ পৰাও কোনো সদুত্তৰ পোৱা নাই। যদি কোনো সদাশয় ব্যক্তিয়ে কমল কলিতাৰ খবৰ লাভ কৰে, তেন্তে ওচৰৰ আৰক্ষী থানা বা ৯৮৬৪৪০০১৯৬ নম্বৰত পৰিয়ালক অৱগত কৰিবলৈ আহ্বান জনাইছে।

## তৃতীয় ধেমাজি সাহিত্য সমাৰোহ

প্ৰতিনিধি পঞ্জীয়ন মুকলি কৰে ধেমাজি জিলা সাহিত্য সভাৰ উপ-সভাপতি ঊষা বৰগোহাঁয়ে। সন্ধিয়া বন্তি প্ৰজ্বলন কৰে ধেমাজি জিলা সাহিত্য সভাৰ সভাপতি ৰণজিত চিৰিঙে। দ্বিতীয়দিনা পুৱা ৯.৩০ বজাত বন্তি প্ৰজ্বলন কৰে ধেমাজি চিটি কলেজৰ শাখা সাহিত্য সভাৰ সম্পাদিকা ৰুবা বৰগোহাঁয়ে। স্মৃতি তৰ্পণ মুকলি কৰে ধেমাজি চিটি কলেজৰ অধ্যক্ষ ডঃ দীপক বৰগোহাঁয়ে। পুৱা ১০ বজাত বঁটা প্ৰদান আৰু সম্বৰ্ধনা অনুষ্ঠানৰ মুকলি সভাৰ সঞ্চালনা কৰে ধেমাজি জিলা সাহিত্য সভাৰ সভাপতি ৰণজিত চিৰিঙে। বন্তি প্ৰজ্বলন কৰে ধেমাজি জিলাৰ উন্নয়ন আয়ুক্ত দেৱেশ্বৰ বৰাই। মুকলি সভা উদ্বোধন কৰি ধেমাজিৰ বিধায়ক তথা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয় কিতাপ লিখিলেহে সাহিত্যিক বুলি কোৱা ধাৰণাটো ভুল। কিতাপ নিলিখিলেও সাহিত্য সাধনাত অনেক বিজ্ঞ লোকে সাহিত্য চৰ্চাত ব্যস্ত থাকি অসমীয়াৰ ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰিছে। আদৰণী ভাষণ প্ৰদান কৰে ডঃ দীপক বৰগোহাঁয়ে। মুকলি সভাত অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি কয়, 'ভাষা আৰু সাহিত্য নাথাকিলে জাতিটো জীয়াই নাথাকে। সমাজৰ বাবে কাম কৰা লোকক ৰাজহুৱা স্বীকৃতি দিয়াটো সাহিত্য সভাৰ কাম। এই কাম ধেমাজি জিলা সাহিত্য সভাই কৰিছে। তাৰ বাবে ধেমাজি জিলা সাহিত্য সভা প্ৰশংসাৰ পাত্ৰ।' ভাষণত অহা এবছৰত অসম সাহিত্য সভাই ২০০খন গ্ৰন্থ প্ৰকাশৰ বাবে ইতিমধ্যে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি অসমীয়া ভাষা-সাহিত্যলৈ যুৱ প্ৰজন্মক আগুৱাই আহি অসম সাহিত্য সভাক আগুৱাই নিবলৈ আহ্বান জনায়। মুকলি সভাত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰি সাহিত্য একাডেমী বঁটাপ্ৰাপক, বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীয়ে প্ৰকৃতিৰ ওপৰত আৰু জীৱ-জন্তুৰ বিষয়ত গ্ৰন্থ লিখি জনতাক সজাগ কৰিবলৈ আহ্বান জনায়। মানুহৰ উৎপাতৰ বাবে পৃথিৱীত জীৱকুলৰ বাবে ঠাই নোহোৱাৰ বাবে অসমৰ ঠায়ে ঠায়ে জীৱকুলৰ প্ৰৱেশ হৈছে। ধেমাজি প্ৰকৃতিৰ ৰম্যপুৰী। ধেমাজিৰ প্ৰকৃতি আৰু গছ-গছনিৰ বিষয়ে গ্ৰন্থ লিখিবলৈ যুৱ প্ৰজন্মক আহ্বান জনায়। মুকলি সভাত সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে বিশেষ অতিথি হিচাপে অংশগ্ৰহণ কৰি বৰ্তমান অসমীয়া জাতিটোৰ সংকটৰ সময়ত ভাষা-সংস্কৃতি জীয়াই ৰাখিবলৈ অসম সাহিত্য সভাক পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। মুকলি সভাত ধেমাজি জিলা সাহিত্য সভাৰ মুখপত্ৰ 'পত্ৰিকা' উন্মোচন কৰে অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীয়ে। ইয়াৰ পাছতেই সাহিত্যিক তথা শিক্ষাবিদ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ কমল গগৈ আৰু সাহিত্যিক, শিক্ষাবিদ তথা বিশিষ্ট সমাজ সংগঠক, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰবি দাসক ২০২৫ বৰ্ষৰ 'ধেমাজি ৰত্ন' বঁটা প্ৰদান কৰা হয়। দাপোণৰ ভাষাৰ স্ৰষ্টা ডঃ উত্তম দাসক ২০২৫ বৰ্ষৰ 'ধেমাজি গৌৰৱ বঁটা' প্ৰদান কৰা হয়। ধেমাজি জিলা সাহিত্য সভাই প্ৰথমবাৰৰ বাবে আগবঢ়োৱা অমিয়া বৰুৱা ভূঞা যুৱ সাহিত্য বঁটা ২০২৫ বৰ্ষৰ বাবে যুৱ সাহিত্যিক ডঃ নৰকুমাৰ চমুৱাক প্ৰদান কৰা হয়। বঁটাসমূহত শৰাই, জাপি, মানপত্ৰ, চেলেং, স্মাৰক, গলবস্ত্ৰ, গ্ৰন্থৰ টোপোলা আৰু নগদ ধন প্ৰদান কৰা হয়। মুকলি সভাত মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙীয়াই অংশগ্ৰহণ কৰি সমাজৰ বাবে কাম কৰা লোকক জীৱিত কালতেই স্বীকৃতি প্ৰদান কৰাটো ধেমাজি জিলা সাহিত্য সভাৰ উল্লেখনীয় কাম বুলি উল্লেখ কৰে। কালি ধেমাজি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিনোদ কুমাৰ গগৈৰ 'মঞ্চ নাট্য সম্ভাৰ' আৰু ক্ষীৰদা চুতীয়াৰ 'অন্বেষণ' গ্ৰন্থ দুখন উন্মোচন কৰে সাহিত্য একাডেমী বঁটাপ্ৰাপক বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীয়ে। বিনোদ কুমাৰ গগৈৰ আনখন গ্ৰন্থ এংগ্ৰছড় মন'থিজিম উন্মোচন কৰে অনুৰাধা শৰ্মা পূজাৰীয়ে।

## ভালদৰে কাম নকৰিলে এঘণ্টাৰ ভিতৰত

শিক্ষকসকলৰ কৰ্মৰ ওপৰত তেওঁলোকৰ চাকৰিৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিব। তেওঁলোকে যদি ভালদৰে কাম নকৰে তেওঁলোকক এক ঘণ্টাৰ ভিতৰত দুৰ্গম চৰ অঞ্চলৰ বিদ্যালয়লৈ পঠিয়াবলৈ বাধ্য হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিয়ে। আজিৰ এই বিতৰণ কাৰ্যসূচীত মুখ্য অতিথিৰ ভাষণত মন্ত্ৰী বৰুৱাই পুনৰ কয় যে শিক্ষকতাক এক মহান সেৱা হিচাপে নলৈ কেৱল এক বৃত্তি বুলি ভবাসকলে কেতিয়াও প্ৰকৃত শিক্ষক হ'ব নোৱাৰে। তেওঁ নতুনকৈ নিযুক্তিপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীসকলক বিদ্যালয়খনৰ স্বাৰ্থত তথা ছাত্ৰ-ছাত্ৰীসকলৰ স্বাৰ্থত কেৱল নিজৰ নিৰ্ধাৰিত বিষয়টোতে নিজৰ শিক্ষাদান সীমাবদ্ধ নাৰাখি আন বিষয়তো প্ৰয়োজন অনুসাৰে শিক্ষাদান কৰাৰ বাবে এক সেৱাৰ মানসিকতা গঢ়ি তুলিবলৈ আহ্বান জনায়। বৰুৱাই সকলো শিক্ষকৰে বৰ্তমানৰ শিক্ষাব্যৱস্থাটোলৈ ধনাত্মক দিশত আমূল পৰিৱৰ্তন আনিব পৰা শক্তি আছে বুলি মন্তব্য কৰি বেচৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী চৰকাৰী বিদ্যালয়লৈ আহিবলৈ বাধ্য হোৱাকৈ শিক্ষাদানৰ মান উন্নত কৰিবলৈ আহ্বান জনায়। শিক্ষাদানত হেমাহি কৰা শিক্ষকৰ ক্ষেত্ৰত শাস্তিমূলক বদলিৰ ব্যৱস্থা থাকিব বুলিও তেওঁ সকীয়াই দিয়ে। নলবাৰীৰ জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত নৱনিযুক্ত শিক্ষকসকলক নিযুক্তিপত্ৰ বিতৰণৰ লগতে বিভিন্ন বিভাগৰ সখীসকলক স্কুটী আৰু ডঃ বাণীকান্ত কাকতি বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী উপস্থিত থাকে। এই অনুষ্ঠানত ১৭৬গৰাকী শিক্ষকক নিযুক্তিপত্ৰ বিতৰণ কৰা হয়। আনহাতে ৬৫গৰাকী সখীক স্কুটী বিতৰণ কৰাৰ লগতে বাণীকান্ত কাকতি মেধা বঁটাৰ জৰিয়তে নলবাৰী জিলাৰ ধমধমা আঞ্চলিক মহাবদ্যালয়ৰ অনুমোদিত ৫গৰাকীকৈ মেধাৱী ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিকভাৱে মঞ্চত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বঁটা প্ৰদান কৰে। আজি নিযুক্তিপত্ৰ লাভ কৰি শিক্ষক-শিক্ষয়িত্ৰীসকলে মুখ্যমন্ত্ৰীগৰাকীক ধন্যবাদ জনাই কয় যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সময়ত স্বচ্ছ আৰু নিকা নিযুক্তিপত্ৰ লাভ কৰি তেওঁলোক আনন্দিত হৈছে। সম্পূৰ্ণ মেধাৰ ভিত্তিত নিযুক্তিপত্ৰ লাভ কৰা হৈছে বুলি নৱনিযুক্তিপ্ৰাপ্ত শিক্ষক-শিক্ষয়ত্ৰীসকলে মন্তব্য কৰে। নলবাৰী জিলাত এইবাৰ সৰ্বমুঠ ৩২০গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ডঃ বাণীকান্ত কাকতি বঁটা লাভ কৰিব। ছাত্ৰ-ছাত্ৰীসকলে পৰ্যায়ক্ৰমে নিজ নিজ বিদ্যালয় বা ডীলাৰৰ পৰা নিজৰ স্কুটীসমূহ ল'ব পাৰিব। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অন্তৰ্গত নলবাৰী বিধানসভা সমষ্টিৰ জীৱিকা সখী, বীমা সখী, পশু সখী আদিকে ধৰি বিভিন্ন ক্ষেত্ৰৰ ৬৫গৰাকী সখীকো 'সখী এক্সপ্ৰেছ' আঁচনিৰ অধীনত স্কুটী প্ৰদান কৰা হ'ব। কাৰ্যসূচীৰ অংশ হিচাপে এই স্কুটী বিতৰণ বাবে আয়োজিত 'কৃতজ্ঞতা অনুষ্ঠান'ত এই সখীসকলৰ ২০গৰাকীক মন্ত্ৰী বৰুৱাই আনুষ্ঠানিকভাৱে স্কুটী প্ৰদান কৰে। উল্লেখ্য যে ইতিমধ্যেই টিহু সমষ্টিৰ ১৬১গৰাকী আৰু বৰক্ষেত্ৰী সমষ্টিৰ ৬৮গৰাকী সখীক এই আঁচনিৰ অধীনত স্কুটী প্ৰদান কৰা হৈছে। জিলাখনৰ আটাইকেইটা সমষ্টি ধৰি এই আঁচনিৰ সৰ্বমুঠ স্কুটী লাভ কৰা সখীৰ সংখ্যা হৈছে ২৯৪গৰাকী।

## মানাহ সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব

আগন্তুক বিধানসভা নিৰ্বাচনত নৱগঠিত মানাহ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। বিধায়কগৰাকীয়ে এতিয়া মুখ্যমন্ত্ৰীৰ সেউজ সংকেতলৈ অপেক্ষা কৰি আছে। আজি সাংবাদিকৰে এক আছুতীয়া বাৰ্তালাপত বৃহত্তৰ ভৱানীপুৰ সমষ্টি (বৰ্তমান ভৱানীপুৰ-সৰভোগ)বাসী ৰাইজৰ মাজত বিষয়টোক লৈ দীৰ্ঘদিন চৰ্চা অব্যাহত থকাৰ মাজতে বিধায়কগৰাকীয়ে নিজেই এই কথা সদৰী কৰি ৰাইজৰ সন্দেহ দূৰ কৰা পৰিলক্ষিত হয়। আগন্তুক ৰাজ্য বিধানসভা নিৰ্বাচনলৈ মাজতে মাথোন আৰু কেইটামান মাহ বাকী থকা অৱস্থাত বিধায়কগৰাকীৰ এনে স্বীকাৰোক্তিয়ে সমষ্টিটোৰ ৰাজনৈতিক মহলত বিশেষ তাৎপৰ্য বহন কৰিছে। উল্লেখ্য যে আৰম্ভণিতে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি পৰাজয়বৰণ কৰা আৰু তাৰ পিছতেই এ আই ইউ ডি এফ দলৰ প্ৰাৰ্থী হিচাপে সৰ্বাধিক ধৰ্মীয় সংখ্যালঘু ভোটাৰ ৰাইজৰ ভোটেৰে নিৰ্বাচিত বিধায়কগৰাকীয়ে একেটা বছৰতে পাভলুটি মাৰি বিজেপিত যোগদান কৰে। তাৰ পিছতেই সৰহসংখ্যক হিন্দু ধৰ্মীয় ৰাইজৰ ভোট লাভ কৰি সমষ্টিটোত বিজেপিৰ বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। বিধায়কগৰাকীয়ে আজি সাংবাদিকৰে বাৰ্তালাপত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশতে সমষ্টিটোত সাত মাহ আগৰে পৰা কাম-কাজ চলাই থকাৰ কথা জানিবলৈ দিয়ে। ইতিমধ্যে নৱগঠিত মানাহ সমষ্টিৰ ২৪৫টা বুথৰ প্ৰতিটো বুথ অঞ্চলৰ ৰাইজক তেওঁ লগ ধৰিছে আৰু সমষ্টিটোৰ প্ৰতিটো অঞ্চল ঘূৰি ৰাইজৰ মনোভাবৰ বুজ লোৱাৰ চেষ্টা কৰাৰ বিষয়ে সদৰী কৰে। বিভিন্ন বড়ো দল-সংগঠনৰ আধিপত্য থকা সমষ্টিটোত কিছু জটিলতা আছে যদিও সকলোকে লগত লৈ তেওঁ কাম-কাজ চলাই থকাৰ কথা স্বীকাৰ কৰি মানাহ সমষ্টিৰ ৰাইজে এইবেলি পদুম ফুল ফুলাব বিচাৰে বুলিও বিধায়কগৰাকীয়ে আন এক মন্তব্য কৰে। সমষ্টিটোত কংগ্ৰেছ, ৰাইজৰ দল, লুৰীণৰ দল আদিৰ দৰে দলসমূহ আছে যদিও সমষ্টিটোত বিৰোধী দলসমূহৰ কোনোধৰণৰ সবল স্থিতি নথকাৰ কথাও তেওঁ উল্লেখ কৰে। বিপৰীতে ইউ পি পি এল দলৰ উপৰি বি পি এফ দলো এইবেলি তেওঁলোকৰ সৈতে থকাত সমষ্টিটোত এন বি এৰ স্থিতি যথেষ্ট শক্তিশালী বুলিও বিধায়কগৰাকীয়ে জানিবলৈ দিয়ে।

## অ' এন জি চিৰ পাইপেৰে গেছ নিৰ্গমণ

অঞ্চলবাসী। লাইপ্লেঙত থকা এল পি-১ত গেছ নিৰ্গমন হোৱাৰ লগে লগে ঘটনাস্থলীত উপস্থিত হয় অ' এন জি চিৰ কৰ্মচাৰী। প্ৰতিষ্ঠানটোৱে পুৰণি পাইপ মেৰামতি নকৰাকৈ দীৰ্ঘদিন ধৰি ব্যৱহাৰ কৰি থকাৰ বাবেই এই ঘটনা সংঘটিত হোৱাৰ অভিযোগ উঠিছে। দিনৰ প্ৰায় এঘাৰ বজাত নিৰ্গমন ৰোধ কৰিবলৈ অ' এন জি চি কৰ্তৃপক্ষ সফল হয় যদিও এই ঘটনাক সহজভাৱে ল'ব পৰা নাই স্থানীয় ৰাইজ তথা দল-সংগঠনে। বিগত সময়তো অ' এন জি চিৰ অধীনত থকা ভিন্ন প্ৰান্তত অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হৈ আহিছে। চৰাইদেউ জিলা আটাছুৰ কাৰ্যকৰী সভাপতি পংকজ ফুকনে অ' এন জি চি কৰ্তৃপক্ষৰ বিৰুদ্ধে কেইবাটাও অভিযোগ উত্থাপন কৰিছে। তেওঁ কয়— আমি অ' এন জি চিক বাৰম্বাৰ অভিযোগ দিও এই সমস্যাৰ সমাধান পাবলৈ সক্ষম হোৱা নাই। আওপুৰণি পাইপসমূহেৰে তেওঁলোকে কোনোধৰণৰ মেৰামতি নকৰাকৈয়ে কাম চলাই নিছে। ফলত ইটোৰ পাছত সিটোকৈ এনে ঘটনা সংঘটিত হৈছে। অ' এন জি চিৰ বিষয়াক সাক্ষাতৰ অনুমতি ৰাইজে নাপায়। চি এছ আৰ পুঁজিৰপৰা অঞ্চলৰ বাবে যিবোৰ কাম কৰিব লাগে তেনে কোনো কাম তেওঁলোকে নকৰে। ৰাস্তা ভাগি-ছিগি যোৱাৰ উপক্ৰম হৈছে। কিন্তু আমাৰ ৰাইজৰ আপত্তি তেওঁলোকে নুশুনে। অ' এন জি চিৰ এনে কাৰ্যত ক্ষুণ্ণ হৈ ৰাইজে প্ৰতিবাদী কাৰ্যসূচী লোৱাৰো হুংকাৰ দিছে।

## উচ্ছেদিতক পুনৰ সংস্থাপনৰ প্ৰস্তাৱ

সন্মিলিত মঞ্চ 'শিলসাঁকো বিলপাৰ কেন্দ্ৰীয় সমিতি'ৰ উদ্যোগত আজি বৰবাৰীস্থিত দুৰ্গামন্দিৰ প্ৰাগংণত সমিতিসমূহৰ কৰ্মকৰ্তা তথা বাসিন্দাসকলৰ মাজত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। কেন্দ্ৰীয় সমিতিৰ সভাপতি ঘনকান্ত দাসৰ সভাপতিত্বত আজি অনুষ্ঠিত ৰাজহুৱা সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত সংস্কাৰ ভাৰতীৰ কামৰূপ মহানগৰ জিলা সমিতিৰ সভাপতি ডঃ অসীম কুমাৰ বৰা, সম্পাদক দ্বীপজ্যোতি হাজৰিকা, সমাজকৰ্মী প্ৰণৱজ্যোতি লহকৰ আৰু ৫২ নং ৱাৰ্ডৰ পাৰিষদ গোকুল গোস্বামী উপস্থিত থাকি ৰাইজৰ সমস্যাৰ ওপৰত আলোকপাত কৰে। সভাপতি ঘনকান্ত দাসে মূল বিষয়বস্তুৰ ওপৰত কয়— ২০২৩ চনৰ ২ মাৰ্চত দিছপুৰ সচিবালয় সভাগৃহত মন্ত্ৰী ডাঃ ৰণোজ পেগু, জি এম ডি এৰ অধ্যক্ষ নাৰায়ণ ডেকা আৰু তদানীন্তন কামৰূপ মহানগৰ জিলা উপায়ুক্ত পল্লৱ গোপাল ঝাৰ উপস্থিতিত অসমৰ মুখ্যমন্ত্ৰী আৰু ১৯খন উন্নয়ন সমিতিৰ সভাপতি-সম্পাদকসকলে এক আলোচনাত মিলিত হৈছিল। আলোচনাৰ সময়ত মুখ্যমন্ত্ৰীয়ে জি এম ডি এ প্ৰকল্পৰ বাবে প্ৰয়োজনীয় ভূমি অধিগ্ৰহণ কৰাৰ পাছত সীমা নিৰ্দ্ধাৰণ কৰাৰ বাবে অধ্যক্ষক নিৰ্দেশ দিছিল। জিলা উপায়ুক্তক সীমাৰ বাহিৰৰ লোকসকলক অনিশ্চয়তাত নাৰাখি পট্টা দিয়াৰ ব্যৱস্থা কৰিবলৈকো মৌখিক নিৰ্দেশ দিছিল মুখ্যমন্ত্ৰীয়ে। আলোচনাত উন্নয়ন সমিতিসমূহৰ প্ৰতিনিধিয়ে উচ্ছেদিতসকলক সংস্থাপন দিয়াৰ লগতে ক্ষতিপূৰণ দিয়াৰ বাবেও অনুৰোধ জনোৱাত মুখ্যমন্ত্ৰীয়ে ক্ষতিপূৰণ দিয়া হ'ব বুলি জনায় আৰু সংস্থাপনৰ বিষয়টো পৰৱৰ্তী সময়ত চিন্তা কৰা হ'ব বুলি জনাইছিল। অৱশ্যে সীমা নিৰ্দ্ধাৰণৰ সময়ত সীমাৰ ভিতৰত পৰা ২০০৮ চনৰ জলাশয় আইনৰ আগৰ বাসিন্দাসকলক সীমাৰ বাহিৰত খালী ভূমিত সংস্থাপন কৰাৰ বাবে মৌখিক নিৰ্দেশনা দিছিল। তদুপৰি সমিতিসমূহক জি এম ডি এৰ লগত সহযোগিতা কৰাৰ বাবে অনুৰোধ জনোৱাৰ উপৰি জি এম ডি এৰ অধ্যক্ষক সমিতিসমূহৰ লগত আলোচনা কৰি কাম কৰিবলৈ মৌখিক নিৰ্দেশ দিছিল। প্ৰথম পৰ্যায়ত জি এম ডি এ আৰু সমিতিসমূহে সহযোগিতাৰে কাম কৰিছিল যদিও পৰৱৰ্তী সময়ত মুখ্যমন্ত্ৰীৰ নিৰ্দেশনাৰ সীমা নিৰ্দ্ধাৰণ আৰু ক্ষতিপূৰণ প্ৰদানৰ বাহিৰে দাগ কৰ্তন আৰু সংস্থাপনৰ কামটো আজিপৰ্যন্ত হৈ নুঠিল। ইতিমধ্যে চৰকাৰে গুৱাহাটীৰ নতুন মাষ্টাৰপ্লেন প্ৰস্তুত কৰিছে। ফলত শিলসাঁকোৰ ১৯খন উন্নয়ন সমিতিৰ হেজাৰ হেজাৰ বাসিন্দা পুনৰ উচ্ছেদৰ বলি হোৱাৰ আশংকাত ভুগিব লগা হৈছে। ইপিনে এই প্লেনত সীমাৰ বাহিৰৰ বাসিন্দাসকলৰ ভূমি অন্তৰ্ভুক্ত নকৰাৰ বাবে সভাই মুখ্যমন্ত্ৰী, গুৱাহাটী মহানগৰ উন্নয়ন মন্ত্ৰী আৰু চৰকাৰক বিশেষভাৱে আহ্বান জনায়। লগতে কেন্দ্ৰীয় সমিতিয়ে আবেদন জনোৱা ৭৮ নং দাগৰ চৰকাৰী ভূমিত উচ্ছেদিতসকলক সংস্থাপন দিবলৈ অনুৰোধ জনায়। কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি তপন কাকতি, সাধাৰণ সম্পাদক লোহিত চন্দ্ৰ হাজৰিকা, উপদেষ্টা নৰেন ডেকা, প্ৰকাশ ফুকন, নাগেশ্বৰ বৈশ্য, অৰবিন্দ দাস, উপ-সভাপতি প্ৰভাত ডেকা, ৰঞ্জিত দাস, দিব্য বসুমতাৰী, যুটীয়া সম্পাদক উতিৰাম মুছাহাৰী, মণ্টু পেগু, প্ৰচাৰ সম্পাদক ইব্ৰাহিম আলী, মিনু শইকীয়া আৰু কোষাধ্যক্ষ অনিল কুমাৰ বৰুৱাৰ লগতে অন্যান্য বিষয়ববীয়া আৰু উন্নয়ন সমিতিৰ সভাপতি-সম্পাদকসকল উপস্থিত থাকে।






# কৃত্ৰিম বুদ্ধিমত্তা আৰু নৱ প্ৰজন্মৰ ভৱিষ্যৎ



▼ যুৱৰাজ ভট্টাচাৰ্য

...কৃত্ৰিম বুদ্ধিমত্তাই এদিন মানৱ সমাজৰ সমাপ্তি ঘটাব। কৃত্ৰিম বুদ্ধিমত্তাই কিতাপৰ বিশ্লেষণ কৰিব পৰা হ'ল। বহুত প্ৰখ্যাত লেখকৰ বিখ্যাত সৃষ্টিৰ কৃত্ৰিম বুদ্ধিমত্তাই কিছু সময়ৰ ভিতৰতে সাৰাংশ ক'ব পৰা হ'ল...

একবিংশ শতিকাৰ প্ৰযুক্তিৰ উত্থানৰ এক মাইলৰ খুঁটিস্বৰূপে স্বীকৃতি পাইছে কৃত্ৰিম বুদ্ধিমত্তাই। মানৱ মগজুৰে পৰিচালিত কৃত্ৰিম বুদ্ধিমত্তাই ভিন্ন ক্ষেত্ৰত মানৱ মগজুকে সহজে পৰাভূত কৰিব বুলি বহু বিজ্ঞানীৰ মনত আশংকাৰ সৃষ্টি কৰিছে। বৰ্তমান কৃত্ৰিম বুদ্ধিমত্তাৰ বৰ্দ্ধিত জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য কৰি আমি সহজে উমান পাব পাৰোঁ যে কৃত্ৰিম বুদ্ধিমত্তা ভৱিষ্যতৰ প্ৰযুক্তিৰ ক্ষেত্ৰখনৰ মূল চালিকা শক্তি হ'ব। বৰ্তমান সময়ত দৈনন্দিন কাৰ্যত কৃত্ৰিম বুদ্ধিমত্তাৰ বহুল ব্যাৱহাৰ আমি দেখিবলৈ পাওঁ। চিকিৎসা বিজ্ঞান, শিক্ষা, বাণিজ্যৰ লগতে অন্যান্য বহুতো ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ যথেষ্ট ব্যৱহাৰ হোৱা পৰিলক্ষিত হয়। যদিও ঊনৈশ শতিকাৰ মাজভাগত কৃত্ৰিম বুদ্ধিমত্তাৰ ধাৰণা প্ৰথমবাৰৰ বাবে পৰিচিত কৰোৱা হৈছিল, কৃত্ৰিম বুদ্ধিমত্তাক জনপ্ৰিয়তা তথা কাৰ্যক্ষম হোৱাত সক্ষম হৈছিল একবিংশ শতিকাত। বৰ্দ্ধিত প্ৰযুক্তিবিদ্যাৰ ফলস্বৰূপে আজিৰ সময়ত সহজলভ্য হৈ পৰিছে কৃত্ৰিম বুদ্ধিমত্তা।

কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰচলনৰ পাছত ইয়াক ব্যৱহাৰ কৰি যথেষ্ট ইতিবাচক কাৰ্যৰে বহু ব্যক্তিয়ে সুনাম অৰ্জন কৰিছে। গৌৰৱ কৰিব পৰাকৈ হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ত গৱেষণাৰত বিজ্ঞানী অসম সন্তান ডঃ ৰুবুল মাউত আৰু তেওঁৰ সহযোগীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত প্ৰ'টিন ব্যৱহাৰ কৰি কৰ্কট ৰোগৰ ইমিউন'থেৰাপী উন্নত কৰি বিশ্বৰ বহু বিজ্ঞানীৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ডঃ ৰুবুল মাউতে বিশেষকৈ মানৱ দেহৰ ৰোগ প্ৰতিৰোধ ব্যৱস্থাক উদ্দীপিত কৰা কৃত্ৰিম প্ৰ'টিন সৃষ্টি কৰিছে যিয়ে টি-কোষ (ৰোগ প্ৰতিৰোধক কোষ) উৎপাদন বৃদ্ধি কৰি কেন্সাৰৰ বিৰুদ্ধে অধিক কাৰ্যকৰীভাৱে যুঁজিবলৈ সহায় কৰে। এইখিনিতে উল্লেখ কৰিব লাগিব যে চলিত বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ ন'বেল বঁটা দিয়া হৈছে এক বিশেষধৰণৰ টি-কোষ আৱিষ্কাৰৰ বাবে যাক কোৱা হয় regulator T-Cell। আমি আশাবাদী এই পথেৰেই অসম সন্তানগৰাকীয়েও এদিন ভাৰতবৰ্ষলৈ গৌৰৱ কঢ়িয়াই আনিব।

জাপানৰ প্ৰসিদ্ধ এনিমেচন ষ্টুডিঅ' ঘিব্‌লীৰ চৰিত্ৰ নিৰ্মাতা শিল্পী মিয়াজাকিয়ে তেওঁৰ জীৱনৰ প্ৰায় সময় ইয়াক নিৰ্মাণ কৰাত ব্যৱহাৰ কৰিছিল, কিন্তু যোৱা কিছুদিন আগত সামাজিক মাধ্যমত পুনৰ চৰ্চালৈ অহা ঘিব্‌লী এতিয়া কৃত্ৰিম বুদ্ধিমত্তাই কেইটামান ছেকেণ্ডত নিৰ্মাণ কৰিব পৰা হ'ল। এজন শিল্পীৰ আজীৱন সাধনাক কৃত্ৰিম বুদ্ধিমত্তাই কিদৰে গ্ৰাস কৰি ল'ব পাৰে এয়া এক উদাহৰণ মাত্ৰ। কৃত্ৰিম বুদ্ধিমত্তাই যথেষ্ট পৰিমাণে নিবনুৱাৰ সমস্যা সৃষ্টি কৰিব বুলি বিজ্ঞসকলে মত পোষণ কৰিছে। কৃত্ৰিম বুদ্ধিমত্তাৰ যথেষ্ট পৰিমাণে ব্যৱহাৰে ভৱিষ্যতৰ প্ৰজন্মক কৰ্মবিমুখ কৰিব। যন্ত্ৰচালিত এখন পৃথিৱীত নাথাকিব জীৱ শ্ৰেষ্ঠ, মানুহ হ'ব মেচিনৰ অধীন। এনে কথা চিন্তা কৰিয়েই হয়তো প্ৰসিদ্ধ বিজ্ঞানী ষ্টিফেন হকিঙে ২০১৪ চনত বি বি চি নিউজৰ এটা সাক্ষাৎকাৰত এনেদৰে কৈছিল যে কৃত্ৰিম বুদ্ধিমত্তাই এদিন মানৱ সমাজৰ সমাপ্তি ঘটাব। কৃত্ৰিম বুদ্ধিমত্তাই কিতাপৰ বিশ্লেষণ কৰিব পৰা হ'ল। বহুত প্ৰখ্যাত লেখকৰ বিখ্যাত সৃষ্টিৰ কৃত্ৰিম বুদ্ধিমত্তাই কিছু সময়ৰ ভিতৰতে সাৰাংশ ক'ব পৰা হ'ল। কিন্তু কোনো স্ৰষ্টাৰ বছৰ বছৰ ধৰি সাধনাৰ দ্বাৰা কৰা সৃষ্টিৰ গভীৰতা জানো এটি কৃত্ৰিম বুদ্ধিমত্তাই ঢুকি পাব পাৰে। প্ৰযুক্তিবিদ্যাৰ অগ্ৰসৰ হ'লেও আমি মনত ৰখা উচিত যে মানুহে সৃষ্টি কৰা সকলো সামগ্ৰী মানৱ মগজুৰ অধীন হোৱাটোৱে শ্ৰেয়, অন্যথা বিপদ নিশ্চিত।



# শিক্ষণ শৈলীত কৃত্ৰিম বুদ্ধিমত্তাৰ ৰূপান্তৰ





▼ বৰষা ঠাকুৰীয়া

...কৃত্ৰিম বুদ্ধিমত্তাৰদ্বাৰা চালিত অভিযোজিত শিক্ষণ ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ তথ্য বাস্তৱ সময়ত বিশ্লেষণ কৰিব পাৰে আৰু প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ অন্যান্য প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ নিৰ্দেশনা দিব পাৰে...

আধুনিক যুগত প্ৰযুক্তিবিদ্যাই মানৱ জীৱনৰ প্ৰতিটো ক্ষেত্ৰতেই প্ৰভাৱ বিস্তাৰ কৰিছে। বিশ্বত প্ৰচলিত বিভিন্ন প্ৰযুক্তিগত উন্নতিৰ ভিতৰত কৃত্ৰিম বুদ্ধিমত্তা অন্যতম। সাধাৰণতে কৃত্ৰিম বুদ্ধিমত্তাই মানুহৰ প্ৰয়োজনসমূহ সহজলভ্য কৰাৰ লগতে মানুহে কৰিবলৈ কঠিন পোৱা কামসমূহ সহজে কৰি দিবলৈ সক্ষম হৈছে। বিশেষকৈ তথ্যৰ বিশ্লেষণ, চাইবাৰ নিৰাপত্তা, চিকিৎসা ক্ষেত্ৰৰ আধুনিকীকৰণ, সাহিত্যৰ ক্ষেত্ৰ আদিত কৃত্ৰিম বুদ্ধিমত্তাই অভূতপূৰ্ব বৰঙণি আগবঢ়াইছে। শিক্ষাত কৃত্ৰিম বুদ্ধিমত্তাৰ অন্যতম উল্লেখযোগ্য অৱদান হৈছে ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষণ অভিজ্ঞতা ব্যক্তিগতকৰণৰ ক্ষমতা। শিক্ষাৰ পৰম্পৰাগত এক আকাৰৰ পদ্ধতিয়ে প্ৰায়ে ব্যক্তিগতভাৱে ছাত্ৰ-ছাত্ৰীক বৈচিত্ৰ্যময় প্ৰয়োজনীয়তা আৰু শিক্ষণ শৈলীক গ্ৰহণ কৰাত ব্যৰ্থ কৰায়। কিন্তু কৃত্ৰিম বুদ্ধিমত্তাৰদ্বাৰা চালিত অভিযোজিত শিক্ষণ ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ তথ্য বাস্তৱ সময়ত বিশ্লেষণ কৰিব পাৰে আৰু প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ অন্যান্য প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ নিৰ্দেশনা দিব পাৰে। শিক্ষাত কৃত্ৰিম বুদ্ধিমত্তাৰ আন এটা প্ৰয়োগ হ'ল মানৱ টিউটৰৰ ভূমিকা অনুকৰণ কৰা বুদ্ধিমত্তাসম্পন্ন টিউচন ব্যৱস্থাৰ বিকাশ। ই বিভিন্ন বিষয় আৰু ডমেইনৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক ব্যক্তিগতকৃত নিৰ্দেশনা, মতামত আৰু সমৰ্থন প্ৰদান কৰিবলৈ মেচিন লাৰ্নিং এলগৰিথমৰ জৰিয়তে সহায় কৰে। এই ব্যৱস্থাসমূহে ছাত্ৰ-ছাত্ৰীসকলক পাৰস্পৰিক শিক্ষণ কাৰ্যকলাপত জড়িত কৰিব পাৰে। তদুপৰি বুদ্ধিমান টিউচন ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ কৰ্মক্ষমতাৰ তথ্যৰ ভিত্তিত তেওঁলোকৰ নিৰ্দেশনাক খাপ খুৱাব পাৰে। ভাৰ্চুৱেল ৰিয়েলিটী আৰু ছিমুলেচনৰ দৰে কৃত্ৰিম বুদ্ধিমত্তাৰদ্বাৰা চালিত প্ৰযুক্তিয়ে শৈক্ষিক ক্ষেত্ৰখনত এক বিশেষ ভূমিকা লৈছে। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলে শৈক্ষিক বিষয়বস্তু আৰু অভিজ্ঞতাৰ সৈতে জড়িত হোৱাৰ ধাৰণাটোক ৰূপান্তৰিত কৰিছে। ই ছাত্ৰ-ছাত্ৰীসকলক বাস্তৱ জগতৰ পৰিস্থিতি আৰু পৰিঘটনাৰ অনুকৰণ কৰা, বাস্তৱিক আৰু পাৰস্পৰিক পৰিৱেশত নিজকে বিলীন কৰিবলৈ অনুমতি দিয়ে। কৃত্ৰিম বুদ্ধিমত্তাচালিত সহায়ক প্ৰযুক্তি যেনে— বাক্য চিনাক্তকৰণ ছফ্টৱেৰ, টেক্সট-টু-স্পিচ কনভাৰ্টাৰ আৰু অভিযোজিত শিক্ষণৰ আন্তঃপৃষ্ঠই শিক্ষণৰ অক্ষমতা, মনোযোগ ঘাটি বা জ্ঞানমূলক অক্ষমতা থকা ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিব পাৰে। মূলতঃ ক'ব পাৰি যে কৃত্ৰিম বুদ্ধিমত্তাই পাঠদান পদ্ধতিত বৈপ্লৱিক পৰিৱৰ্তন আনি শিক্ষণ অভিজ্ঞতাৰ ব্যক্তিগতকৰণ আৰু শিকন দক্ষতাৰ উত্তৰণ ঘটাই শিক্ষা জগতত এক ৰূপান্তৰমূলক ভূমিকা পালন কৰিবলৈ লৈছে। অভিযোজিত শিক্ষণ মঞ্চ আৰু বুদ্ধিমান টিউচন ব্যৱস্থাৰপৰা ভাৰ্চুৱেল বাস্তৱতা ছিমুলেচন আৰু তথ্য বিশ্লেষণলৈকে কৃত্ৰিম বুদ্ধিমত্তাচালিত প্ৰযুক্তিসমূহে শৈক্ষিক পৰিৱেশক পুনৰ গঠন কৰিছে আৰু একবিংশ শতিকাৰ শিক্ষাৰ্থীসকলৰ বৈচিত্ৰ্যপূৰ্ণ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ শিক্ষকসকলক শক্তিশালী কৰিছে।

ফোন ঃ ৯৮৬৪২০৫২৬১



# নিৰাপত্তাৰ উম



▼ মনশ্ৰী হাজৰিকা

চোতালত অনবৰতে পিছে পিছে ঘূৰি ফুৰা শালিকাহালৰ লগত দেখিলোঁ দুজন সদস্য বাঢ়িল। তাৰমানে সিহঁতৰ পৰিয়ালটো এতিয়া ডাঙৰ হ'ল। ক'ৰবাৰপৰা ঘৰলৈ ঘূৰি আহোঁতে দুয়োটাই বাটতে আগুৰি ধৰে। অলপদিন হ'ল সিহঁতক সঘনাই দেখা নাছিলোঁ। ভাবিছিলোঁ চাগে ক'ৰবালৈ গ'লগৈ। মনটো অকণমান উদং উদঙো লাগিছিল। য'লৈকে যাওঁ লগে লগে দুয়োটা গৈ থাকে। কেইদিনমান নাছিল। কিন্তু হঠাতে দেখিলোঁ এতিয়া সিহঁতৰ পৰিয়ালটোত দুটাৰ পৰিৱৰ্তে চাৰিটা হ'ল। চোতালত বহি থাকোঁতে আহি ওচৰ পালেহি। সিহঁতে যেন পোৱালি দুটাক মোক চিনাকি কৰাবলৈহে লৈ আহিছে। টুক টুককৈ মাকৰ পিছে পিছে ঘূৰি ফুৰা পোৱালি দুটাক চাই বহু সময় বহি আছিলোঁ। দুয়োটাক লৈ মাক-দেউতাক বিৰাট সতৰ্ক। অনবৰতে মাকজনীয়ে সিহঁত দুয়োটাকে মেৰিয়াই ৰাখিছে আঁচলৰ নিৰাপত্তাৰ মাজত। দেউতাকৰ নিৰ্ভয় বুকুৰ উমত সিহঁত ডাঙৰ হৈছে। সিহঁতক দেখি অনুভৱ হৈছিল দুয়োটা খুব নিৰ্ভয়ে ঘূৰি ফুৰিছে চোতালখনত ইমূৰৰপৰা সিমূৰলৈ। সিহঁতক যেন চুব পৰা নাই কোনো ভয় অথবা শংকাই। সঁচাই মাক-দেউতাকৰ নিৰাপত্তাৰ উমটো বৰ শক্তিশালী, দূৰতে আঁতৰাই ৰাখিব পাৰে বহু ভয় অথবা শংকাক। এই শক্তিৰ উমতে গঢ় লয় এটা এটা নতুন জীৱনে— সযতনে।

জীৱনবাটৰ ওখোৰা-মোখোৰাবোৰ যিমানে ওচৰ চাপি আহে এটা কথা প্ৰায়েই অনুভৱ হয়— এই যে সময়ে আগবঢ়াই দিয়া সমস্যাবোৰৰ সন্মুখত ধৈৰ্যৰে থিয় দিবলৈ শিকিছোঁ সেই সাহস আৰু আত্মবিশ্বাসকণ মা আৰু দেউতাৰ নিৰাপত্তাৰ মাজৰপৰাই আমালৈ আহিছে। দেউতা মানেই যেন মূৰৰ ওপৰৰ আকাশখন, মা মানেই যেন গোটেই পৃথিৱীখন। তেওঁলোকৰ আঙুলিত ধৰিয়েই আমিও শিকিছোঁ জীৱনৰ খোজবোৰ সাৱধানে দিবলৈ। হয়, জীৱনপথৰ আমি প্ৰতিজনেই একো একোজন পথিক। এনেদৰে যাত্ৰা কৰোঁতে শুদ্ধ পথটোৰে আগুৱাই যোৱাত সহায় কৰে মা আৰু দেউতাৰ জীৱন দৰ্শনে। যেনেদৰে শালিকী চৰাইজনীয়ে শুদ্ধ পথটো পোৱালিটোক দেখুৱাই দিছে, উৰিবলৈ আকাশখন চিনাকি কৰাই দিছে— তেনেদৰেই আমাৰ মা আৰু দেউতায়ো তেওঁলোকৰ নিজস্ব দৰ্শনেৰে আমাৰ জীৱনৰ বাটটো পোনাই লৈ যোৱাত সহায় কৰে। আমাক সাৱধানে খোজ দিবলৈ শিকায়। চৌপাশৰ সকলো সমস্যা, ভয়, শংকা আঁতৰাই আমাক এবুকু নিৰাপত্তাৰ উমেৰে আৱৰি ৰাখে, যি উম কেৱল তেওঁলোকৰ মাজতহে পোৱা যায়।

চৰাই পোৱালিবোৰ দেখিলে প্ৰায়েই এটা কথা মনলৈ আহে— এই যে গছৰ পুলি এটাৰ দৰেই তুলি-তালি ডাঙৰ কৰি আমাক একো একোডাল গছলৈ পৰিৱৰ্তিত হোৱাত মা-দেউতাই সহায় কৰিলে, সেইখিনিতে তেওঁলোকৰ প্ৰতি থকা আমাৰ দায়িত্ব শেষ হৈ যায় নেকি? এই যে প্ৰতিটো ক্ষণতে তেওঁলোকে আমাক নিৰাপত্তাৰ এক উমেৰে আৱৰি ৰাখে, সেইখিনি নিৰাপত্তা যেতিয়া তেওঁলোকেও আমাৰ পৰা বিচাৰিব, সেই সকলোখিনি



দিবলৈ আমি দায়বদ্ধ হোৱা উচিত। এটা সময় আহে, মাক-দেউতাকেও সন্তানৰপৰা নিৰাপত্তাৰ উম বিচাৰে আৰু সেই সময়খিনিৰ বাবে প্ৰতিজন সন্তানে নিজকে প্ৰস্তুত কৰি ৰাখিব লাগে। শালিকীজনীয়ে পোৱালিটোক সামৰি ৰখা সেই নিৰাপত্তাৰ উম কেৱল শালিকীজনীৰ বুকুৰ নহয়, এই উম সমাজৰ প্ৰতিগৰাকী মাকৰ, প্ৰতিজন দেউতাকৰ— এই কথাবোৰ অনুধাৱন কৰিবলৈ প্ৰতিগৰাকী সন্তানে চেষ্টা কৰা উচিত।

ফোন ঃ ৬০০২০৫৩৪৭৭

# ডিচেম্বৰ স্মৃতিৰ কেলেণ্ডাৰ





▼ পৰিনীতা দেৱী

অতবোৰ কথাৰ শেষত, দীঘলকৈ বুকুৰ ভিতৰৰপৰা ওলাই অহা হুমুনিয়াহ এটাৰ শেষ ষ্টপেজ ডিচেম্বৰ। সময় গতিশীল, চকুৰ পলকতেই পাৰ হৈ যায় দিন, মাহ, বছৰ। ফ্লেচবেকত অজস্ৰ কথাৰ অগা-ডেৰা। আমাৰ শৈশৱৰ সময়ছোৱাত ডিচেম্বৰ মানে আছিল জাৰত কঁপি থকা সময় এছোৱা। চোতাল ধান-খেৰেৰে পৰিপূৰ্ণ হৈ থকা সময়। এফালে যদি স্কুলৰ বছৰেকীয়া পৰীক্ষাৰ উদ্বেগ, আনফালে আকৌ পৰীক্ষাৰ শেষত মামা, পেহী, খুৰাহঁতৰ ঘৰলৈ ফুৰিবলৈ যোৱাৰ পৰিকল্পনা। গধূলি জুইৰ ওচৰত বহি আইতাৰ মুখৰ নানান সাধুৰ মেলা। আকৌ সেই সময়তে মাঘ বিহুক লক্ষ্য কৰি বজাৰলৈ অহা জানমণি, অঞ্জনা আদি ভিচিডিবোৰৰ ভিডিঅ' চোৱা আৰু নতুন গানবোৰ শুনা। দুপৰীয়া পথাৰত বহি কমলা খোৱা, ধান কাটি আজৰি হ'লেই ভাইটিহঁতে পথাৰৰ নৰা কাটি ক্ৰিকেট খেলিবলৈ নিজৰ ধৰণে পিট্‌ছ সাজু কৰা, মাহঁতে ঊন সূতাৰ ৰঙা-নীলা লাৰুবোৰ আনি আমাৰ বাবে ছুৱেটাৰ, মাফ্‌লাৰ গুঁঠা.... ইত্যাদি কত কথাৰে যে ভৰি থাকিছিল তাহানিৰ ডিচেম্বৰ।

বেছিভাগ কথাই এতিয়া দেখোঁ স্মৃতিৰ মণিকোঠাত সোমাল। সময়, পৰিৱেশ-পৰিস্থিতি, বতৰৰ অস্বাভাৱিক পৰিৱৰ্তন হ'ল। বহু কথাই এতিয়া অতীত হ'ল। ক'ভিডকালীন সময়ৰপৰা বিদ্যালয়ৰ শিক্ষাবৰ্ষৰ সময়সূচীও সলনি হ'ল। এতিয়া ডিচেম্বৰ মাহত বিদ্যায়তনিক দিশত কোনো নতুনত্ব নাথাকে, বিদ্যালয়ৰ বছৰেকীয়া পৰীক্ষা যিহেতু আজিকালি ফেব্ৰুৱাৰী-মাৰ্চত অনুষ্ঠিত হয়। সেইকাৰণে ডিচেম্বৰত নিয়মমাফিক ক্লাছ চলি থাকে, অসমৰ শিক্ষাব'ৰ্ডৰ অধীনৰ চৰকাৰী বিদ্যালয়ত কোনোধৰণৰ ঠাণ্ডাৰ বন্ধও নাথাকে। গতিকে সেই আমি উপভোগ কৰা পুৰণি ডিচেম্বৰৰ আমেজো আজিকালিৰ ল'ৰা-ছোৱালীয়ে নাপায়।

তথাপি ডিচেম্বৰ মানেই যেন এক আৱেগ, এক উৎকণ্ঠা। বছৰটোত কি কৰিলোঁ, কি পালোঁ, কি হেৰুৱালোঁ, ভবা মতে সকলো হ'লনে, কি নতুনত্ব আহিল জীৱনলৈ— এই সকলোবোৰৰ খতিয়ানো আমি ডিচেম্বৰতেই লোৱাৰ প্ৰয়াস কৰোঁ। এক মুহূৰ্তৰ বাবে হ'লেও ৰৈ পাৰ হৈ যোৱা ১১টা মাহত কি ভাল হ'ল, কি বেয়া হ'ল, অহা বছৰটোত নতুনকৈ কি কৰিম, কেনেকৈ আদৰিম সকলো প্ৰস্তুতিৰ শেষ সীমা যেন ডিচেম্বৰ।

বছৰটো শেষেই হ'ল বুজিছা, আৰু এমাহ আছে, দুমাহ আছে... এইটো বছৰতেই... অহা মাহৰপৰা কামটো কৰিমেই...এনেকৈ কোৱাৰ অজুহাত আমাক ডিচেম্বৰে নিদিয়ে। সাংখ্যিক পৰিমাপণেৰে বৰ্ষ-গণনাৰ অন্তিম ঠিকনা ডিচেম্বৰ। যি হ'ব অহাটো বছৰতহে হ'ব। এইবাৰ সময়েই নহ'ল বুজিছা। অহা বছৰত কৰিম বুলি নিজক প্ৰবোধ দিয়াৰ সুযোগ ডিচেম্বৰেই দিয়ে। মনত যুকিয়াই লৈ সুদীৰ্ঘ বছৰ এটাৰ পৰিকল্পনা কৰাৰ অৱকাশো যেন ডিচেম্বৰেই দিয়ে। পকা ধানৰ গোন্ধেৰে নতুন বছৰ এটাক আদৰিবলৈ উৎসুক হৈ থকা সময় এছোৱাৰ নামেই যে ডিচেম্বৰ। নামটোৰ মাদকতাতেই যেন লুকাই আছে এখন নতুন কেলেণ্ডাৰে ঘৰৰ বেৰ শুৱনি কৰাৰ অপেক্ষা, এটা নতুন ডায়েৰীৰ পৃষ্ঠাত সময়ৰ নতুন আখৰ লিখাৰ হেঁপাহ। সেইবাবেই নেকি ডিচেম্বৰ শব্দটোৱে আজিও এক আৱেগে মনক জোকাৰি যায়, তাহানিৰ দৰেই !!

ফোন ঃ ৯১০১৮৪৮৪১০

# কেৰিয়াৰ: ফিজিঅ'থেৰাপী আৰু মেডিকেল লেব'ৰেটৰী টেক্‌ন'লজী



▼ ডঃ বুলজিৎ বুঢ়াগোহাঁই

চিকিৎসাক্ষেত্ৰৰ সৈতে জড়িত দুটা আকৰ্ষণীয় কেৰিয়াৰ হৈছে— ফিজিঅ'থেৰাপী আৰু মেডিকেল লেব'ৰেটৰী টেক্‌ন'লজী। চৰকাৰী চিকিৎসালয় আৰু ব্যক্তিগত খণ্ডৰ নাৰ্ছিং হোম, ক্লিনিক, ডায়েগ্ন'ষ্টিক চেণ্টাৰ, লেব'ৰেটৰী আদিৰ সংখ্যা বৃদ্ধি হোৱাৰ ফলত ফিজিঅ'থেৰাপিষ্ট আৰু মেডিকেল লেব'ৰেটৰী টেক্‌নিচিয়ানৰ আৱশ্যকতা বৃদ্ধি পাবলৈ ধৰিছে। ফিজিঅ'থেৰাপী হৈছে পেৰামেডিকেলৰ এটা শাখা, যিয়ে ৰোগীৰ আঘাত আৰু পেশী-কংকালৰ বিকাৰৰ চিকিৎসাৰ সৈতে জড়িত। ফিজিঅ'থেৰাপিষ্টে আঘাতপ্ৰাপ্ত আৰু বিভিন্ন ধৰণে সক্ষম ৰোগীক নিৰ্ণয় আৰু চিকিৎসা কৰে, তেওঁলোকৰ পুনৰ্বাসনত সহায় কৰে। ইয়াৰ বাবে শৰীৰ বিজ্ঞান আৰু পেশী-কংকালৰ জ্ঞান, শৰীৰৰ ভংগিমা, ভাৰসাম্য আৰু গতিবিধিৰ বিষয়ে ভালদৰে বুজাৰ প্ৰয়োজন। এজন সফল ফিজিঅ'থেৰাপিষ্ট হ'বলৈ হ'লে প্ৰাৰ্থীগৰাকীৰ কিছুমান গুণ থকা দৰকাৰ, যেনে — যোগাযোগ দক্ষতা, প্ৰেৰণাদায়ক দক্ষতা, ধৈৰ্য, শাৰীৰিক শক্তি, সমস্যা সমাধানৰ ক্ষমতা, দলীয় কাম কৰাৰ দক্ষতা, নিষ্ঠাৱান, দায়িত্ববোধ আদি। ফিজিঅ'থেৰাপী ডিপ্ল'মা শিক্ষা গ্ৰহণ কৰিবৰ বাবে সুবিধা থকা অসমৰ চৰকাৰী শিক্ষানুষ্ঠানকেইখন হ'ল— ইনষ্টিটিউট অব্ পেৰামেডিকেল ছায়েঞ্চ, গুৱাহাটী ; ইনষ্টিটিউট অব্ পেৰামেডিকেল ছায়েঞ্চ , ডিব্ৰুগড়; ইনষ্টিটিউট অব্ পেৰামেডিকেল ছায়েঞ্চ, শিলচৰ ; ইনষ্টিটিউট অব্ পেৰামেডিকেল ছায়েঞ্চ, যোৰহাট আৰু ইনষ্টিটিউট অব্ পেৰামেডিকেল ছায়েঞ্চ, বৰপেটা। ফিজিঅ'থেৰাপীৰ ডিপ্ল'মা পাঠ্যক্ৰমৰ বাহিৰে স্নাতক, স্নাতকোত্তৰ, পি এইচ ডি আদি পাঠ্যক্ৰম আছে। স্নাতকোত্তৰ পাঠ্যক্ৰমৰ বিভিন্ন বিশেষ বিষয়বোৰৰ কিছুমান হ'ল— কাৰ্ডিঅ'ভাস্কুলাৰ ফিজিঅ'থেৰাপী (Cardiovascular Physiotherapy), জেৰিয়াট্ৰিক্স ফিজিঅ'থেৰাপী (Geriatrics Physiotherapy), নিউৰ'লজী ফিজিঅ'থেৰাপী (Neurology Physiotherapy), প্ৰসূতি চিকিৎসা ফিজিঅ'থেৰাপী (Obstetrics Physiotherapy), অৰ্থ'পেডিক ফিজিঅ'থেৰাপী (Orthopedic Physiotherapy), শিশু চিকিৎসা ফিজিঅ'থেৰাপী (Pediatrics Physiotherapy), পোষ্ট-অপাৰেটিভ ফিজিঅ'থেৰাপী (Post-Operative Physiotherapy), ক্ৰীড়া ফিজিঅ'থেৰাপী (Sports Physiotherapy) আদি। ফিজিঅ'থেৰাপীৰ পাঠ্যক্ৰমৰ বিভিন্ন ডিপ্ল'মা আৰু ডিগ্ৰী লাভ কৰাসকলে শিক্ষাগত অৰ্হতা আৰু অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি চৰকাৰী-বেচৰকাৰী খণ্ডত নিযুক্তি লাভ কৰিব পাৰে। *ক্ৰমশঃ*

*কেৰিয়াৰ বিষয়ৰ বিভিন্ন কথা কোনো আগ্ৰহী শিক্ষাৰ্থীয়ে যদি জানিবলৈ বিচাৰে, তেন্তে প্ৰত্যেক শনিবাৰে বিয়লি ৬-৯ বজাৰ ভিতৰত ফোন (৯৪৩৫১৮৮৬৩০)ত যোগাযোগ কৰিব পাৰে।*



■ কমলপুৰৰ সাজেত ‘উদ্দীপনা’ অনুষ্ঠানত উপাচাৰ্য ডঃ ৰমেশ চন্দ্ৰ ডেকা ■

# প্ৰতিগৰাকী শিক্ষাৰ্থীৰে জগত সলাই দিব পৰা দক্ষতা থাকে



দৈনিক অসমৰ প্ৰতিনিধি

**কমলপুৰ, ১৪ ডিচেম্বৰ ঃ** প্ৰতিগৰাকী শিক্ষাৰ্থীৰে জগত সলাই দিব পৰা দক্ষতা থাকে। ক্ষেত্ৰ ভিন্ন হ’ব পাৰে কিন্তু প্ৰতিজন শিক্ষাৰ্থীৰে দক্ষতাৰ অভাব নাই। নিষ্ঠা আৰু সততাৰে আগবাঢ়িলে সকলোৱে নিজ নিজ ক্ষেত্ৰত সফল হ’ব পাৰে। আজি কামৰূপ জিলাৰ কমলপুৰ বিধানসভা সমষ্টিৰ সাজেত কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ ৰমেশ চন্দ্ৰ ডেকাই এই মন্তব্য কৰে। কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই শৈক্ষিক উত্তৰণৰ লক্ষ্যৰে ২০২২ চনত আৰম্ভ কৰা কমলপুৰ সমষ্টিৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ’বলগা ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰাৰ উদ্দেশ্যে আয়োজন কৰা ‘উদ্দীপনা’- শীৰ্ষক অনুষ্ঠানত উপস্থিত থাকি শিক্ষাবিদগৰাকীয়ে এইদৰে মত প্ৰকাশ কৰে। উল্লেখ্য যে এই অনুষ্ঠানৰ জৰিয়তে সমষ্টিটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক প্ৰস্তুতি অধিক সুদৃঢ় কৰাৰ লক্ষ্যৰে প্ৰশ্ন-উত্তৰ সংযোজিত ‘দাপোণ পৰিপূৰিকা’ নামৰ পুস্তিকা বিতৰণ কৰা হয়। এই বৰ্ষত সমষ্টিৰ প্ৰায় ২৫০০ গৰাকী ছাত্ৰ-ছাত্ৰীলৈ উক্ত পুস্তিকাখন বিতৰণ কৰা। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্যগৰাকীয়ে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি প্ৰদান কৰা অনুপ্ৰেৰণামূলক বক্তৃতাই ছাত্ৰ-ছাত্ৰীসকলক আপ্লুত কৰে। অনুষ্ঠানৰ আৰম্ভণিতে বিধায়ক দিগন্ত কলিতাই বিগত চাৰিটা বৰ্ষত ‘উদ্দীপনা’ শীৰ্ষক অনুষ্ঠানটোৱে ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উপকৃত কৰিছে বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানটোত কমলপুৰ সমষ্টিৰ বিভিন্ন বিদ্যালয়ৰ অধ্যক্ষসকল, অভিভাৱকসকল আৰু বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

## হাউলীত নকল নোটসহ এজনক আটক

দৈনিক অসমৰ প্ৰতিনিধি

**হাউলী, ১৪ ডিচেম্বৰ ঃ** আজি দুপৰীয়া বিশেষ সূত্ৰৰ পৰা খেদি ৬৪ নং এছ এছ বি, হাউলী কমাণ্ডেন্ট অনুজ কুমাৰৰ পৰিচালনাত হাউলী আৰক্ষীৰ সহযোগত জনীয়া-হাউলী পথত ৰখাই খোৱা ই-ৰিক্সা এখনত অভিযান চলাই তালাচী চলোৱাত ক’লা পলিথিনত মেৰিয়াই ১,২৪,৫০০ নকল টকা জব্দ কৰে অভিযানকাৰী দলটোৱে। ই-ৰিক্সাখনৰ পঞ্জীয়ন নম্বৰ এ এছ-১৫-জি আৰ-০৫৩১। ইতিমধ্যে উক্ত ৰিক্সাখন জব্দ কৰা হৈছে। গ্ৰেপ্তাৰ হোৱা ব্যক্তিজনক মন্দিয়া গাঁৱৰ বাসিন্দা জহিনাল হক চৌধুৰী (৫৫) বুলি চিনাক্ত কৰা হৈছে।

## বৰমাৰ মাধপুৰত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মৰ কনভয়ৰ বাহনৰ খুন্দাত থিতাতে প্ৰাণ গ’ল মণ্টু আলীৰ

দৈনিক অসমৰ প্ৰতিনিধি

**বৰমা, ১৪ ডিচেম্বৰ ঃ** আজি সন্ধিয়া বৰপেটাৰ দিশৰপৰা গুৱাহাটী অভিমুখী কেবিনেট মন্ত্ৰী ইউ জি ব্ৰহ্মৰ তীব্ৰবেগত যোৱা এছক’ৰ্ট বাহনৰ খুন্দাত বৰমাৰ মাধপুৰৰ মণ্টু আলী (জাহেৰ) নামৰ এজন লোক নিহত হয়। ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ মাধপুৰত সংঘটিত এই পথ দুৰ্ঘটনাই সমগ্ৰ অঞ্চলতে শোকৰ ছাঁ পেলায়। ঘটনাস্থলীত বৰমা আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ ঘটনাৰ তদন্ত কৰি দুৰ্ঘটনা সংঘটিত কৰা গাড়ীখন মন্ত্ৰী ইউ জি ব্ৰহ্মৰ কনভয় বুলি জানিব পাৰে। প্ৰথমে দুৰ্ঘটনা সংঘটিত কৰি কনভয় আঁতৰি গৈছিল যদিও পাছত আৰক্ষীয়ে সকলো তথ্য লাভ কৰে।

৫ পৃষ্ঠাৰ পৰা

## বিতোপন কলঙক বিলী অৰ্জন সিং মেম’ৰিয়েল

কলঙে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন বনাঞ্চলত বন্যপ্ৰাণী গাইড হিচাপে পৰ্যটকক দিগদৰ্শন দি আহিছে। সংৰক্ষণকেন্দ্ৰিক পৰ্যটনৰ প্ৰতি উৎসৰ্গিত কৰ্মৰ লগতে দায়িত্বশীল পৰ্যটনক লৈ উৎসাহী কলঙৰ প্ৰাপ্তিয়ে কাজিৰঙালৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰি যোৱা ক্ৰিকেটৰ ভগৱান তথা মাষ্টাৰ-ব্লাষ্টাৰ শচীন তেণ্ডুলকাৰ, স্পীনৰ যাদুকৰ অনিল কুম্বলে আদিৰ দৰে স্বনামধন্য ব্যক্তিকো বন্যপ্ৰাণী গাইড হিচাপে সংগ দিয়াৰ অভিজ্ঞতা লাভ কৰিছে কলঙে।

## ভূপেন্দ্ৰ সংগীত-জুবিন গাৰ্গৰ গীতৰ আধাৰত

গীতৰ আধাৰত নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। গৌৰীসাগৰ চেণ্ট্ৰেল পাব্লিক হলত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ’বলগা প্ৰতিযোগিতাৰ পুৱা পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভানেত্ৰী ইন্দু বৈৰাগীয়ে। আনহাতে, গছপুলি ৰোপণ কাৰ্যসূচী সমাপন কৰিব অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক, বিশিষ্ট লেখক প্ৰশান্ত কুমাৰ নেওগ আৰু সমাজকৰ্মী বকুল দেয়ে। ইয়াৰ পাছতেই ডঃ ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰিব ক্ৰমে যোৰহাট জিলা সাহিত্য সভাৰ সম্পাদিকা মিতালী শইকীয়াই আৰু অৱসৰপ্ৰাপ্ত কৃতী শিক্ষয়িত্ৰী, বিশিষ্ট লেখিকা অঞ্জনা শইকীয়াই। আনহাতে, সদ্য প্ৰয়াত মেধাৰী ছাত্ৰী মৌচুমী দেৱ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰিব দিখৌমুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ৰণজিৎ কুমাৰ বৰুৱাই। পুৱা বিশিষ্ট ব্যক্তিৰ সম্বৰ্দ্ধনাৰ পিছতেই গৌৰীসাগৰ শিশু সদন হাইস্কুলৰ প্ৰতিষ্ঠাপক অধ্যক্ষ, বিশিষ্ট গীতিকাৰ, সুৰকাৰ ৰাজেন বৈৰাগীয়ে প্ৰতিযোগিতা উদ্বোধন কৰিব। বিয়লি পাঁচ বজাত ফল ঘোষণা আৰু বটা বিতৰণী অনুষ্ঠান। প্ৰতিযোগিতা সুচাৰুৰূপে সম্পন্ন কৰিবৰ বাবে ইন্দু বৈৰাগীক সভানেত্ৰী, মঞ্জু বৰুৱা, ইভা হাজৰিকা, ৰাণু কলিতা, ৰুমা গোস্বামীক উপ-সভানেত্ৰী, বীণা বড়াক সম্পাদিকা, জীনামণি বৰুৱা আৰু ৰূপাঞ্জলি দত্তক যুটীয়া সম্পাদিকা হিচাপে লৈ এখনি অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে।

## ডঃ অহিজুদ্দিন শ্বেখক ‘সাহিত্যিক এম ইলিম

সাহিত্যিক এম ইলিম উদ্দিন দেৱান সোঁৱৰণী দিৱস উদ্‌যাপন কৰা হয়। এই দিৱসৰে সংগতি ৰাখি সাহিত্যৰথী শাখা সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশন আৰু শাখাৰ আজীৱন সভ্য সন্মিলন অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ গোৱালপাৰা জিলা সমিতি আৰু সভাৰ চৰ-চাপৰি ভাষা-সংস্কৃতি বিকাশ উপ-সমিতিৰ যুটীয়া উদ্যোগত এইবেলি সাহিত্যিক ‘এম ইলিম উদ্দিন দেৱান সোঁৱৰণী বঁটা’ প্ৰদান কৰা হয় গৱেষক সাহিত্যিক ডঃ অহিজুদ্দিন শ্বেখলৈ । দিনজোৰা কাৰ্যসূচীৰ আৰম্ভণিতে সাহিত্য সভাৰ পতাকা উত্তোলন কৰে শাখাৰ সভাপতি আবু শ্বামাই। গছপুলি ৰোপণ কৰে জিলা সাহিত্য সভাৰ সভাপতি জয় চন্দ্ৰ নাথ, শাখাৰ সম্পাদক ফজৰ আলী, প্ৰধান শিক্ষয়িত্ৰী মনোৱাৰা বেগম, আয়োজক সমিতিৰ সভাপতি ফুলৰ উদ্দিন, অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল মালেকে। এম ইলিম উদ্দিন দেৱানৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে কেৰামত আলী শ্বেখে। বন্তি প্ৰজ্জ্বলন কৰে ইউছুফ আলীয়ে। কবি সন্মিলন সঞ্চালনা কৰে কবি ছজিমুদ্দিন আহমেদে। অধ্যাপক শ্বৰিফুল ইছলাম, ডঃ নজৰুল ইছলাম, শ্বাহানুৰ ইছলাম, জগবন্ধু কলিতা, দীপক শৰ্মা মেধি, ৰাহিদৰ ৰহমান, ডঃ দিলুৱাৰা বেগম, চৈয়দা নুৰুন নাহাৰ বেগম, আবু শ্বামা, ফজৰ আলী, আব্দুল বাৰিক, জাহানুৰ ৰহমান, নুৰেজা খাতুন, জুনাইদ হাচান, ডাঃ ফাৰুখ আখতাৰ, ছজিমুদ্দিন আহমেদ, জেচমিন চুলতানা, মিনু হাজৰিকা, যমুনা ডেকাকে ধৰি প্ৰায় ডেৰ কুৰি কবিয়ে কবিতা পাঠ কৰে। আজীৱন সভ্য সন্মিলন সঞ্চালনা কৰে কেৰামত আলী শ্বেখে। মুকলি সভাত বক্তব্য প্ৰদান কৰে চৰ-চাপৰি উপ-সমিতিৰ উপ-সভাপতি ডাঃ শ্বহীদুল ইছলাম, আহ্বায়ক ডাঃ আব্দুল কুদ্দুছ শিকদাৰ, অসম সাহিত্য সভাৰ বিষয়ববীয়া জিতুমণি দাস, সমাজকৰ্মী আনোৱাৰ হুছেইন, মহম্মদ আলী আদিয়ে। সভা উদ্বোধন কৰে জিলা সভাৰ প্ৰাক্তন সভাপতি বাণীকান্ত ৰাভাই। আবু শ্বামাই সম্পাদনা কৰি উলিওৱা ‘সম্প্ৰীতি’ উন্মোচন কৰে জয় চন্দ্ৰ নাথে। জিলা সাহিত্য সভাৰ সম্পাদক শিৱপ্ৰসাদ ৰাভা হাদুই আঁত ধৰা মুকলি সভাৰ আৰম্ভণিতে বলদমাৰী চৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ তৰফৰপৰা জিলা সাহিত্য সভাৰ সভাপতি জয় চন্দ্ৰ নাথক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। লগতে শাখা সাহিত্য সভাৰ ফালৰপৰা জ্যেষ্ঠ সমাজকৰ্মী শিক্ষক ক্ৰমে আব্দুল হক, মিনহাজ উদ্দিন আহমেদ, আবু ছায়েদ, জুৱান আলী মণ্ডল, অধ্যাপক গোবিন্দ চন্দ্ৰ দাসক সম্বৰ্দ্ধনা জনোৱা হয়। সভাত বলদমাৰী চৰ উচ্চ মাধ্যমিক বিদ্যালয়, বালাৰভিঠাপাৰা প্ৰাথমিক বিদ্যালয়, পি এম শ্ৰী ভাটিপাৰা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে নৃত্য-গীত, কবিতা পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। উল্লেখ্য যে চাপৰি এলেকাত অনুষ্ঠিত সাহিত্য সভাৰ অনুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, সাহিত্যপ্ৰেমী ৰাইজৰ উপস্থিতিয়ে অনুষ্ঠানটি সাৰ্থক কৰি তোলে। উল্লেখযোগ্য যে সভাপতি জয় চন্দ্ৰ নাথে সভাত চৰ- চাপৰি ৰাইজৰ সহযোগিতাক ভূয়সী প্ৰশংসা কৰে আৰু অনাগত সময়ত বলদমাৰী চৰ হাইস্কুলত বসন্ত উৎসৱৰ আয়োজন কৰিবলৈ পৰামৰ্শ আবঢ়াই প্ৰেৰণা প্ৰদান কৰে। শাখা সমিতি আৰু আয়োজক সমিতিৰ সম্পাদক ক্ৰমে জয়নাল আৱেদিন আৰু ফজৰ আলীয়ে শলাগৰ শৰাই আগবঢ়ায়।

## গ্ৰাম চড়ক যোজনাৰ নামত ভেঁকো-ভাওনা

পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হোৱাত ৰাইজে ত্ৰাহি মধুসূদন দেখিছে। উল্লেখযোগ্য যে বজালীৰ দক্ষিণ অঞ্চলৰ ৰাইজৰ ব্যৱসায়-বাণিজ্যকে ধৰি ভিন্ন ক্ষেত্ৰত পথছোৱাৰ দুৰৱস্থাৰ বাবে ব্যাপক লোকচানৰ সন্মুখীন হৈ আহিছে। বজালীৰ দক্ষিণ অঞ্চলৰ ৰাজাখাট, বৰশিমলা, বালাপাৰা, গোলিবান্ধা, বেংজুলি, দাতিৰবড়ী, ফিঙুৱা, চাপৰবড়ী, আমদহ, শিমলাতল, মাধৱপুৰ, নকুছি, কাটলাপথাৰ, খৰমা, বড়িগাঁও আদি প্ৰায় অৰ্দ্ধ-শতাধিক গাঁৱৰ জনসাধাৰণে এই পথটোৰে যাতায়াত কৰে। কিন্তু পথটোৰ চৰম দুৰৱস্থাৰ বাবে বছৰ বছৰ ধৰি ৰাইজে যন্ত্ৰণাৰ সন্মুখীন হৈ আহিছে। এই অঞ্চলৰ ৰাইজে পাঠশালা, বৰপেটা নাইবা বৰপেটাৰোড আদি ঠাইলৈ বেপাৰ-বাণিজ্য নাইবা অন্যান্য কাৰণত যাবলগীয়া হ’লে অশেষ কষ্টৰে যাবলগীয়া হয়। আনহাতে, ছাত্ৰ-ছাত্ৰীয়ে স্কুল-কলেজলৈ যোৱাৰ ক্ষেত্ৰত ভিন্ন অসুবিধাৰ সন্মুখীন হৈ আহিছে। অনুৰূপধৰণে এই অঞ্চলৰ কোনো লোক ৰোগত আক্ৰান্ত হ’লে চিকিৎসালয়লৈ নিবলৈ এশবাৰ ভাবিবলগীয়া হয়। উল্লেখ্য যে পথটোত সম্প্ৰতি গাড়ী, মটৰ, চাইকেল চলোৱাটো দূৰৰে কথা, খোজকাঢ়ি চলাচল কৰাটো কষ্টসাধ্য হৈ পৰিছে। তৎসত্ত্বেও নিৰ্বিকাৰ লোকনিৰ্মাণ বিভাগ। লোকনিৰ্মাণ বিভাগৰ ভৱানীপুৰ-সৰভোগ-পাকাবেতবাৰী টেৰিট’ৰিয়েল সংমণ্ডলে এইবোৰ দেখিও নেদেখাৰ ভাও জোৰাৰ অভিযোগ উঠিছে। এইবোৰলৈ কেৰেপ কৰিবলৈ আহৰি নাই লোকনিৰ্মাণ বিভাগৰ। মন কৰিবলগীয়া যে এই পথছোৱা বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰী আৰু সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰে ভৱানীপুৰ-সৰভোগ-পাকাবেতবাৰী টেৰিট’ৰিয়েল সংমণ্ডলে লোকনিৰ্মাণ বিভাগৰ বিষয়া-কৰ্মচাৰীৰ উপস্থিতিত যোৱা ১৪ আগষ্টত নিৰ্মাণৰ শুভাৰম্ভ কৰে যদিও বিগত পাঁচ মাহে পথটোত ঠিকাদাৰে এটি শিলগুটিও নেপেলালে। ইয়াকে লৈ অঞ্চলটিত এক তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৰাইজে লোকনিৰ্মাণ বিভাগৰ বিৰুদ্ধে ক্ষুব্ধ হোৱা দেখা গৈছে। উল্লেখ্য যে এগৰাকী সাংসদ তথা বিধায়কে পথটো শুভাৰম্ভ কৰাৰ পাছতো ঠিকাদাৰে পেলাই থোৱা ঘটনাই দুয়োগৰাকী জনপ্ৰতিনিধিক অসন্মান কৰা বুলি ৰাইজে জানিবলৈ দিছে। স্মৰ্তব্য যে পথছোৱাৰ ৰাজাখাট চ’কত নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰা এখন ফলক আঁৰিয়ে দায়িত্ব সামৰিছে লোকনিৰ্মাণ বিভাগৰ ভৱানীপুৰ-সৰভোগ-পাকাবেতবাৰী টেৰিট’ৰিয়েল সংমণ্ডলে। এতিয়া প্ৰশ্ন হয়— চৰকাৰে পথৰ উন্নয়ন তথা নিৰ্মাণৰ বাবে বুজন পৰিমাণৰ ধন আবণ্টন দিয়াৰ পাছতো কাৰ সাহসত পথৰ উদ্বোধন কাৰ্য সমাপন হোৱাৰ পাছতো ঠিকাদাৰে এনেদৰে কাম নকৰাকৈ থাকিব পাৰে? এনে এক প্ৰেক্ষাপটত ৰজাঘৰীয়া আৰু বজালী জিলা প্ৰশাসনক শীঘ্ৰে পথটোৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰিবলৈ ৰাইজে আহ্বান জনাইছে।

## জুবিন গাৰ্গ সাগৰৰ দৰে বিশাল-উদাৰ আছিল

ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীৰ। আজি বৰপেটাত সুন্দৰৰ সাধক অনন্ত ৰাম দাস বঁটা গ্ৰহণ কৰি এইদৰে কয় বিশিষ্ট সাহিত্যিকগৰাকীয়ে। সুন্দৰৰ সাধক অনন্তৰাম দাস স্মৃতি বঁটা আজি বৰপেটাত বিশিষ্ট সাহিত্যিক, অনুৰাধাৰ দেশৰ স্ৰষ্টা ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীক প্ৰদান কৰা হয়। অনন্ত ৰাম দাসৰ ৯৮ সংখ্যক জন্ম দিৱসৰ লগত সংগতি ৰাখি বঁটা প্ৰদান অনুষ্ঠান উপলক্ষে আয়োজন কৰা সভাত সভাপতিত্ব কৰে বিশিষ্ট নাট্যকাৰ, অভিনেতা প্ৰমোদ দাসে। সাংবাদিক নৰজিৎ দাসে আঁত ধৰা বঁটা প্ৰদান অনুষ্ঠানত অনন্ত ৰাম দাস আৰু বঁটা প্ৰাপকৰ পৰিচয় দাঙি ধৰে বিশিষ্ট সাহিত্যিক, শিক্ষাৰত্ন আৰু কলাগুৰু বঁটা প্ৰাপক অক্ষয় কুমাৰ মিশ্ৰই। অম্বিকাগিৰী- বাণীকান্ত বৰপেটা সাহিত্য সভা ভৱনত আয়োজিত বঁটা প্ৰদান সভাত অনন্তৰাম দাস বঁটা প্ৰদান কৰা হয় ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীক। বঁটাৰ সৈতে গামোচা, চেলেং চাদৰ, মানপত্ৰ, স্মাৰক, অংগ বস্ত্ৰ প্ৰদান কৰা হয়। অনন্তৰাম দাসৰ শতবৰ্ষৰ দিৱসত প্ৰত্যাহ্বান দিৱস হিচাপে পালন কৰিবলৈ আয়োজকসকলক আহ্বান জনায়। দেৱ চৌধুৰীয়ে প্ৰত্যেকৰে জীৱনত প্ৰত্যাহ্বান আহে। বঁটা দিলে পঞ্চাশৰ ওপৰৰ ব্যক্তিক দিব নালাগে। অনুজ লেখকক বঁটা দি তেওঁলোকক উৎসাহিত কৰিব লাগে। তেতিয়াহে লেখকসকলৰ সমাজৰ প্ৰতি দায়িত্ববোধ আহি পৰে। লেখক হিচাপে জীয়াই থাকিবলৈ নহয়, সমাজক কি দিব পাৰিছে তাক অনুসন্ধান কৰা উচিত। শিপাৰ প্ৰতি সংযোগ বৰপেটাৰ লোকসকলৰ আছে। স্বাভিমানেৰে জীয়াই থাকিব পাৰে, সেই কথা বৰপেটীয়া ৰাইজে ভালধৰণে জানে। এই অনুষ্ঠানতে বিশিষ্ট সমাজ সেৱিকা গংগা চৌধুৰীক জ্ঞানদা বালা দাস স্মৃতি জীৱনজোৰা সাধনা বঁটা আৰু লোক সংস্কৃতিৰ সাধিকা নিভাৰাণী দাস স্মৃতি লোকসংস্কৃতি সাধনা বঁটা অভিনেতা টুটুন চন্দ্ৰ দাসক প্ৰদান কৰা হয়। ২০২৭ বৰ্ষত অনন্তৰাম দাসৰ জন্ম-শতবাৰ্ষিকী উপলক্ষে অনন্ত ৰাম দাসৰ সমগ্ৰ ৰচনা একত্ৰ প্ৰকাশ কৰাৰ বাবে ডঃ ৰাতুল পাঠক আৰু ডায়েটৰ অৱসৰী প্ৰবক্তা গীতাঞ্জলি দেৱীয়ে প্ৰকাশ কৰাৰ বাবে দায়িত্ব ল’ব বুলি ঘোষণা কৰে। অনুষ্ঠানত শোভাৰাণী দাসৰ পৰিচালনাত অনন্তৰাম দাসৰ গীত পৰিৱেশন কৰা হয়। বৰগীতেৰে আৰম্ভ হোৱা বঁটা প্ৰদান অনুষ্ঠানৰ পূৰ্বে অনন্তৰাম দাসৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অৱসৰী অধ্যাপক কেশৱ চন্দ্ৰ ডাকুৱা আৰু স্মৃতি তৰ্পণ কৰে শংকৰদেৱ অধ্যয়নাগাৰৰ সভাপতি উদ্ধৱ চন্দ্ৰ দাসে। শলাগ জ্ঞাপন কৰে মাধৱ ভূএগ শৰ্মাই। আজিৰ সভাত অনন্তৰাম দাস স্মৃতি প্ৰকাশনৰ সম্পাদক কবিন দাসে জন্ম-শতবাৰ্ষিকী বছৰজোৰা কাৰ্যসূচীৰে পালনৰ প্ৰস্তুতি চলাই থকা বুলি ঘোষণা কৰে।

## আৰক্ষীৰপৰা তথ্য সংগ্ৰহ ভাৰতীয় সেনাৰ

কুলেন্দ্ৰ শৰ্মাক পাঁচ দিনৰ জিম্মাত লৈ তেজপুৰ সদৰ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। শোণিতপুৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থই জনাইছে যে যিহেতু বিষয়টো অতিশয় স্পৰ্শকাতৰ আৰু ইয়াৰ সৈতে কাৰিকৰী দিশো জড়িত হৈ আছে, সেয়ে সকলো দিশ অতি সতৰ্কতাৰে আৰু সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰি তদন্ত চলাই থকা হৈছে। বায়ুসেনাৰ ‘জুনিয়ৰ ৱাৰেণ্ট অফিচাৰ’ কুলেন্দ্ৰ শৰ্মাই দুগৰাকী সন্দেহজনক পাকিস্তানী যুৱতীৰে সামাজিক মাধ্যমৰ জৰিয়তে চিনাকি হৈ তেওঁলোকৰ সৈতে সঘনাই হোৱাটছএপত বাৰ্তা আদান-প্ৰদান কৰাৰ লগতে দেশৰ কিছু গুৰুত্বপূৰ্ণ আৰু স্পৰ্শকাতৰ তথ্যও আদান-প্ৰদান কৰাৰ বিষয়ে আৰক্ষীৰ অনুসন্ধানত স্পষ্ট হোৱাৰ পাছতে ভাৰতীয় সেনাই শৰ্মা সন্দৰ্ভত তেজপুৰ আৰক্ষীৰপৰা যাৱতীয় তথ্য সংগ্ৰহ কৰিছে। ভাৰতীয় সেনাৰ চতুৰ্থ ক’ৰ আৰু বায়ুসেনা ঘাটিৰে শত্ৰুৰ বিৰুদ্ধে যুঁজিবলৈ সদাপ্ৰস্তুত দেশৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰলৈ ভাবুকি কঢ়িয়াই আনিছে এই খবৰে। উল্লেখ্য যে বায়ুসেনাৰ এজন অৱসৰপ্ৰাপ্ত ৱাৰেণ্ট বিষয়া হিচাপে কুলেন্দ্ৰ শৰ্মা যুদ্ধ বিমানৰ অনুশীলনকে ধৰি বায়ুসেনাৰ কাৰিকৰী সকলো দিশৰ ক্ষেত্ৰত যথেষ্ট অভিজ্ঞসম্পন্ন ব্যক্তি। এনে প্ৰেক্ষাপটত তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ ভিত্তিত শৰ্মাই শত্ৰু ৰাষ্ট্ৰৰ চোৰাংচোৰাক যোগান ধৰিব পৰা তথ্য সন্দৰ্ভত ভাৰতীয় সেনাই বিষয়টো গুৰুত্ব সহকাৰে লৈ তদন্ত কৰিছে। ইতিমধ্যে সেনাই এই সন্দৰ্ভত আৰক্ষীৰে যোগাযোগ কৰিছে আৰু শোণিতপুৰ আৰক্ষীয়েও শৰ্মাৰ গ্ৰেপ্তাৰ সন্দৰ্ভত ভাৰতীয় সেনাক সবিশেষ জনোৱাৰ বিষয়েও নিশ্চিত কৰিছে জ্যেষ্ঠ আৰক্ষী অধীক্ষকজনে। দেশৰ সুৰক্ষা আৰু অখণ্ডতাৰ ক্ষেত্ৰত অতি স্পৰ্শকাতৰ বিষয়টোৰ অনুসন্ধানৰ বাবে কেন্দ্ৰীয় চোৰাংচোৰা সংস্থাও তৎপৰ হৈ পৰিছে। উল্লেখ্য যে যোৱা পাঁচ ডিচেম্বৰত তেজপুৰৰে বৰঝাৰ গাঁও শইকীয়া চুবুৰিৰ জ্যোতিকা কলিতা নামৰ পাকিস্তানী নাগৰিকৰ সৈতে বিবাহপাশত আবদ্ধ হোৱা মহিলাগৰাকীৰ লগতে আন তিনিজনকো বিপুল পৰিমাণৰ বৈদেশিক মুদ্ৰাৰ লেনদেনৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছিল আৰক্ষীয়ে। জ্যোতিকা কলিতাৰ ক্ষেত্ৰত এইপৰ্যন্ত দেশবিৰোধী কাৰ্যকলাপৰ তথ্য উদ্ধাৰ হোৱা নাই যদিও জ্যোতিকাৰ ১৭টা একাউণ্টত পাকিস্তানৰ কেইবাজনো লোকৰ ধন জমা হোৱাৰ তথ্য উদ্ধাৰ হৈছে। এই ধনৰ লেনদেন কিয় হৈছিল সেয়া নিশ্চিত হ’বলৈ এতিয়াও বাকী আছে। এই তদন্ত অব্যাহত থকাৰ মাজতে কুলেন্দ্ৰ শৰ্মাৰ গ্ৰেপ্তাৰ আৰু তিনি দিন পূৰ্বে অৰুণাচল প্ৰদেশতো পাকিস্তানী চোৰাংচোৰা বুলি সন্দেহ তথা অভিযোগত আন তিনিজন লোকো চুবুৰীয়া ৰাজ্যখনত গ্ৰেপ্তাৰ হোৱা ঘটনাই দেশৰ নিৰাপত্তাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ তেজপুৰ আৰু অৰুণাচল প্ৰদেশত পাকিস্তানী চোৰাংচোৰা সংস্থাই জাল পেলোৱা বুলি আশংকাৰ সৃষ্টি হৈছে। আনহাতে, কুলেন্দ্ৰ শৰ্মাৰ গ্ৰেপ্তাৰৰ পাছত আজিও তেজপুৰৰ পতিয়া চুবুৰিৰ পৰিস্থিতি উত্তপ্ত হৈ আছে। স্থানীয় ৰাইজে জনোৱা মতে, চুবুৰীয়া কোনো লোকৰ সৈতে সম্পৰ্ক নৰখা কুলেন্দ্ৰ শৰ্মাই নিজকে সদায় জনসমাগমৰ পৰা আঁতৰাই ৰাখিছিল। জনমানসৰপৰা আঁতৰত থাকি সংগোপনে দেশবিৰোধী কাৰ্যকলাপত লিপ্ত হোৱা কুলেন্দ্ৰ শৰ্মাক কঠোৰ শাস্তি বিহিবলৈ চৰকাৰক আহ্বান জনাইছে গাঁওবাসীয়ে। ইতিমধ্যে কালি সন্ধিয়া জৰুৰী গাঁওসভাৰ আয়োজন কৰি গাঁওবাসীয়ে এঘৰীয়া কৰিছে কুলেন্দ্ৰ শৰ্মাৰ পৰিয়ালক।

৫ পৃষ্ঠাৰ পৰা

## আমি সকলোৱে প্ৰত্যেক ভাষাকে মান্যতা প্ৰদান কৰিব লাগিব

মূল লক্ষ্য আৰু উদ্দেশ্য হৈছে আমাৰ ভাষাক আগুৱাই নিয়া।’— এই মন্তব্য অসম ৰাজ্যিক চলচ্চিত্ৰ (বিত্ত আৰু উন্নয়ন) নিগমৰ উপাধ্যক্ষ ডাঃ আলেখ্য বৰুৱাৰ। আজি যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত প্ৰজ্ঞাৰ উদ্যোগত আয়োজিত প্ৰজ্ঞা যুৱ নেতৃত্ব সমাৰোহত উপস্থিত থাকি সমাৰোহৰ প্ৰথমখন সত্ৰত ‘অসমৰ ভাষা, সংস্কৃতি, শিল্পকলা, পৰম্পৰাৰ সংৰক্ষণ আৰু যুৱ প্ৰজন্মৰ ভূমিকা’ শীৰ্ষক বিষয়ত সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰি এইদৰে মন্তব্য কৰে ডাঃ আলেখ্য বৰুৱাই। ডাঃ আলেখ্য বৰুৱাই লগতে কয় যে আমাৰ সংস্কৃতিয়ে আমাক শিকাইছে ইজনে-সিজনক সন্মান প্ৰদান কৰা। ভাৰতীয় সংস্কৃতিৰ ই এক অপূৰ্ব নিদৰ্শন। আনহাতে, অনুষ্ঠানত উপস্থিত থাকি প্ৰজ্ঞাৰ জিলা প্ৰভাৰী ভগৱত প্ৰীতমে কয় যে ২০১৪ বৰ্ষত জন্ম হোৱা প্ৰজ্ঞা হৈছে এক সাংস্কৃতিক, সামাজিক অনুষ্ঠান। আমাৰ এক গৌৰৱোজ্জ্বল ইতিহাস আছে। প্ৰজ্ঞাৰ লক্ষ্য আৰু উদ্দেশ্য হৈছে জ্ঞানৰ পোহৰেৰে সমাজখনক পোহৰাই তোলা। সেই লক্ষ্য আগত লৈ আমি আগুৱাই যাব লাগিব। আমাৰ দেশৰ নামটোৰ এক বিশেষ তাৎপৰ্য আছে। ভাৰত নামৰ ‘ভা’ শব্দই বুজায় পোহৰ আৰু ‘ৰত’ শব্দই বুজাই বিলাই দিয়া। এই পোহৰ জ্ঞানৰ পোহৰ। বিভিন্ন সময়ত জ্ঞান পিপাসুসকল ভাৰতলৈ আহিছিল জ্ঞানৰ সন্ধানত। ঋষি, মুনিসকলৰ দৰ্শন, আদৰ্শৰ শিক্ষা লৈ পৃথিৱীত বিভিন্ন সভ্যতাৰ বিকাশ হৈছিল। আমাৰ এই গৌৰৱোজ্জ্বল ইতিহাসক আমি পৃথিৱীৰ বুকুত জিলিকাই তুলিব লাগিব। আনহাতে, আজি প্ৰজ্ঞা যুৱ নেতৃত্ব সমাৰোহৰ লগত সংগতি ৰাখি বিয়লি অনুষ্ঠিত দিনটোৰ দ্বিতীয়খন সত্ৰত সমল ব্যক্তি হিচাপে উপস্থিত থাকি ‘অনাগত দিনত আমাৰ সন্মুখত থকা প্ৰত্যাহ্বান আৰু যুৱ প্ৰজন্মৰ ভূমিকা’ শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ডঃ জ্ঞানেন্দ্ৰ বৰ্মনে। আনহাতে, দুইখন সত্ৰৰ সঞ্চালনা কৰে প্ৰজ্ঞাৰ সভাপতি দীপক নাথে।

## অস্ত্ৰধাৰী নগাই অসমীয়া যুৱকক মাৰপিট

দলটোৱে ব্যক্তিকেইজনক মাৰপিট কৰা দেখি গাঁওখনৰ পুৰুষ-মহিলা, যুৱক-যুৱতী সকলো ওলাই আহি নগা অস্ত্ৰধাৰী দলটোক প্ৰতিহত কৰিবলৈ চেষ্টা কৰে। ঘটনা সন্দৰ্ভত গাঁওবাসীয়ে খেদি খেদি দুজন নগা লোকক আটক কৰিবলৈ সক্ষম হয়। আনহাতে, ৯জন নগা যুৱকে ঘটনাস্থলীৰপৰা পলায়ন কৰে। আটকাধীন নগা যুৱক দুজনৰ নাম বাংগা লুথা, চুচুম’ অডিঅ’ বুলি জানিব পৰা গৈছে। পাছত ঘটনাস্থলীত মেৰাপানী ডি ছেক্টৰৰ চি আৰ পি এফ উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা কৰে যদিও স্থানীয় গাঁওবাসীয়ে পলায়ন কৰা ৯জন নগা যুৱকক আটক নকৰা পৰ্যন্ত কৰায়ত্ত কৰা দুই নগা যুৱকক আৰক্ষীৰ জিম্মাত দিবলৈ অমান্তি হয়। ইফালে, গাঁওখনৰ ৰাইজে ঘটনা সন্দৰ্ভত মেৰাপানীৰ আৰক্ষীক খবৰ দিয়ে যদিও মেৰাপানী আৰক্ষী থানাৰ নিতুল দাস নামৰ সহকাৰী উপ- পৰিদৰ্শকজনে উক্ত এলেকা নগালেণ্ডৰ ভাণ্ডাৰী থানাৰ বুলি মত প্ৰকাশ কৰি বিষয়টোত গুৰুত্ব নিদি প্ৰথমে গা এৰা দিয়ে। পাছত স্থানীয় ৰাইজে অসমৰ ভৌগোলিক মানচিত্ৰৰ ভিতৰৰ এলেকা কেনেকৈ ভাণ্ডাৰী আৰক্ষী থানাৰ অন্তৰ্গত বুলি প্ৰশ্ন কৰাত বহু পলমকৈ ঘটনাস্থলীত মেৰাপানী আৰক্ষী উপস্থিত হয়। উল্লেখ্য যে মেৰাপানী সীমাৰ ৮৩টা অসমীয়া কৃষিজীৱী পৰিয়ালে বসবাস কৰা ভেলৌগুৰি জয়পুৰত নিজৰ গাঁৱতেই গাঁওবাসী নিৰাপদ নহয় বুলি আক্ষেপ কৰে। বাতৰি লিখা পৰলৈকে ঘটনাস্থলীত মেৰাপানীৰ আৰক্ষী আৰু চি আৰ পি এফে পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা কৰিছে যদিও নগাৰ অতপালিৰ বাবে স্থানীয় লোক কোনো কাৰণতে ক্ষান্ত হোৱা নাই। ইফালে, আটক কৰি ৰখা দুই নগা যুৱকক মুকলি কৰি নিয়াৰ বাবে ঘটনাস্থলীত নগালেণ্ডৰ ভাণ্ডাৰীৰপৰা নগা আৰক্ষী উপস্থিত হোৱাত গাঁওবাসীয়ে নগা পুলিচ গ’ বেক ধ্বনিৰে পৰিস্থিতি উত্তাল কৰি তোলে। সম্প্ৰতি গাঁওবাসীয়ে ঘটনাস্থলীতে অৱস্থান কৰি নগাৰ এই বৰ্বৰ কাণ্ডৰ প্ৰতিবাদ অব্যাহত ৰাখিছে।

## গংগাধৰ নৈত বিদ্যুৎ

নহয়, যিকোনো মুহূৰ্ততে হ’ব পাৰে ভয়ংকৰ ঘটনা। প্ৰতি নিশাই নদীত ইনভাৰ্টাৰ সংযোগ কৰি মাছ ধৰি থকাৰ ঘটনাই সচেতন মহলক চিন্তিত কৰি তুলিছে। তামাৰহাট অঞ্চলৰ সচেতন মহলে উত্থাপন কৰা অভিযোগ মতে , প্ৰতি নিশাই বৃহত্তৰ তামাৰহাট অঞ্চলৰ একাংশ লোকে নিশা ইনভাৰ্টাৰৰ তাঁৰ সংযোগ কৰি গংগাধৰ নদীত নামি পৰে। সেয়াও সাধাৰণ মানুহ নহয়। মাছেৰে এসাঁজ খাবলৈ নহয় বিদ্যুৎ সংযোগ কৰি মাছ ধৰাৰ পাছত তামাৰহাট বজাৰত মাছ বিক্ৰী কৰি আহিছে। তামাৰহাটৰ গংগাধৰ নদীৰ পাৰত থকা একাংশ লোকে এই পন্থা লৈ নদীত মাছ ধৰি উপাৰ্জনৰ পথ মুকলি কৰি লৈছে। সন্ধিয়া হ’লে তামাৰহাটৰপৰা কুমাৰগঞ্জলৈ বৃহৎ এলেকাত নদীত মাছ মৰিয়াক দেখিবলৈ পোৱা যায়। তেওঁলোকৰ হাতত মাছ ধৰিবলৈ অন্য কোনো সামগ্ৰী নাই। মাছমৰিয়াৰ হাতত থাকে কেৱল ইনভাৰ্টাৰ সংযোগ কৰা তাঁৰ আৰু এটা লাঠী। পানীত মাছ দেখাৰ লগে লগে বিদ্যুৎ সংযোগ কৰা লাঠীৰে লগাই দিয়াত মাছ মৰি ওপঙি উঠে। এই সন্দৰ্ভত স্থানীয় সচেতন মহলে তামাৰহাট থানাত অভিযোগ কৰা বুলি জানিবপৰা গৈছে। আৰক্ষীক এই সন্দৰ্ভত অভিযোগ দিলেই তামাৰহাট থানাৰ দুই-এজন দালালে আৰক্ষীক মেনেজ কৰি বিষয়টো গাপ দি আহিছে বুলিও অভিযোগ উঠিছে। ধুবুৰী জিলাৰ মীন বিভাগৰ লগতে বন বিভাগৰ বিষয়ববীয়া এই ঘটনা সন্দৰ্ভত কিমানদূৰ অৱগত, সেয়া এতিয়াও নিশ্চিত নহয় যদিও বাতৰি প্ৰকাশ পোৱাৰ পাছত কি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰে সেয়া লক্ষণীয় হ’ব।

## ভাওনা শিশুক আধ্যাত্মিক জ্ঞান দিব পৰা

জ্ঞান উদয় হয় আৰু সেই জ্ঞানৰ যোগেদি শিশুৰ ভৱিষ্যৎ জীৱন শৃংখলিত হয়। গতিকে ভাওনা হৈছে শিশুক আধ্যাত্মিক জ্ঞান দিব পৰা অন্যতম এক মাধ্যম। এখনি পৰিশীলিত সমাজ গঢ় দিবলৈ শিশু অৱস্থাৰপৰাই গতি দিয়াৰ প্ৰয়োজন। ভাওনাত থকা লোকৰঞ্জন-মনোৰঞ্জনৰ আধ্যাত্মিক কাহিনী সকলোৰে বাবেই গ্ৰহণযোগ্য। মহাপুৰুষ শংকৰদেৱে শৃংখলিত সমাজ গঢ়াৰ বাবেই নাট ভাওনাত নৱৰসৰ সমাহাৰ ঘটাই নাট ৰচনা কৰিছিল।’ মধ্য মাজুলী শিল্পী সমাজৰ উদ্যোগত আজিৰেপৰা ১০দিনীয়াকৈ শংকৰ-মাধৱ মিলন ক্ষেত্ৰ, ভোগপুৰ-বেঙেনাআটীত অনুষ্ঠিত সদৌ অসম শিশু ভাওনা সমাৰোহ উদ্বোধন কৰি এইদৰে কয় শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱগোস্বামীয়ে। সত্ৰাধিকাৰগৰাকীয়ে মহাপুৰুষ গুৰুজনাৰ অনুপম সৃষ্টি ভাওনাৰ অভিনয় কৰাৰ লগতে দৰ্শন কৰি তাৰপৰা আধ্যাত্মিক জ্ঞান আহৰণ কৰি সমাজ গঢ়াৰ প্ৰয়াস কৰিবলৈ অসমবাসীৰ প্ৰতি আহ্বান জনায়। ইয়াৰ পাছতে ১০০১গৰাকী মহিলা শিল্পীৰদ্বাৰা মাধবদেৱৰ বিৰচিত এটি বৰগীত পৰিৱেশন কৰি ভাওনা উদ্‌যাপনস্থলী ভক্তি ৰসৰে বিধৌত কৰি তোলে। উক্ত বৰগীতৰ কাৰ্যসূচী উদ্বোধন কৰি জ্যোতি চিত্ৰবনৰ অধ্যক্ষ বিদ্যাসাগৰ বৰাই বৰগীতত থকা আধ্যাত্মিক দৰ্শন সম্পৰ্কে বিশ্লেষণ দাঙি ধৰি বৰগীতৰ কেইবাটি খণ্ড পৰিৱেশন কৰাৰ লগতে ইমানখিনি মহিলা শিল্পীয়ে সমস্বৰে বৰগীত পৰিৱেশন কৰা দৃশ্য দেখি অভিভূত হয়। সত্ৰীয়া সংস্কৃতিৰ পীঠস্থানৰ এয়াই পৰিচয় বুলি মাজুলীক প্ৰশংসাৰে ওপচাই পেলায়। ইয়াৰ পাছতে ভাওনা সমাৰোহৰ লগত সংগতি ৰাখি ডিম্বেশ্বৰ দত্ত আৰু ডিম্বেশ্বৰ ভূএগই যুটীয়াভাৱে সম্পাদনা কৰা স্মৃতিগ্ৰন্থ ‘ভাওনা ভাৰত্তি’ উন্মোচন কৰে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ নিৰোদ বৰুৱাই। সভাত কমলাবাৰী সত্ৰৰ ডেকা সত্ৰাধিকাৰ সত্যজিৎ মহন্ত, আদি বিহিমপুৰ সত্ৰৰ সত্ৰাধিকাৰ চিদানন্দ মহন্ত, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক প্ৰমুখ্যে মাজুলীৰ সংস্কৃতিপ্ৰেমী ৰাইজ উপস্থিত থাকে। বিয়লি ২-৩০ বজাৰপৰা সমাৰোহৰ উদ্বোধনী ভাওনা গুৰুজনাৰ ৰচিত ‘ৰুক্মিণীহৰণ’ অংকীয়া ভাওনা প্ৰদৰ্শন কৰে সপ্তৰ্ষি গুৰুকুল সাংস্কৃতিক শিশু শিল্পী দল মটিয়াবাৰী মাজুলীয়ে। সন্ধিয়া ৪-৩০ বজাৰপৰা প্ৰতিযোগিতাৰ প্ৰথমখন ভাওনা ‘নৃসিংহ মুৰাৰী’ পৰিৱেশন কৰে কেৰুমণি সাংস্কৃতিক গোষ্ঠী ফলঙনি গোলাঘাটৰ শিল্পীসকলে। উক্ত ভাওনা উদ্বোধন কৰে ভোগপুৰ সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীয়ে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ঔৱা সত্ৰৰ সত্ৰাধিকাৰ শৰৎচন্দ্ৰ গোস্বামী। প্ৰতিযোগিতাৰ দ্বিতীয় ভাওনা ‘নিষাদপুত্ৰ একলব্য’ পৰিৱেশন কৰে সন্মিলিত শিল্পী দল বুঢ়াবুঢ়ী নাৰায়ণপুৰৰ শিশু শিল্পীসকলে। উক্ত ভাওনা উদ্বোধন কৰে শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মাজুলী জ্যেষ্ঠ আৰক্ষী অধীক্ষক হৰেন টকবি। আজি পুৱা উদ্বোধনী কাৰ্যসূচীৰ পূৰ্বে মণিকূটৰ গুৰু আসন প্ৰতিষ্ঠা, নাম-প্ৰসংগ আৰু বিশ্ব বিশ্ৰুত শিল্পী জুবিন গাৰ্গ প্ৰতি এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰি সমাৰোহৰ ব্যৱস্থাপক মুনীন্দ্ৰ ভূএগই সমাৰোহখন জুবিন গাৰ্গৰ নামত উছৰ্গা কৰে। ভাওনা সমাৰোহৰ কাইলৈ বিয়লি ৪ বজাৰপৰা দ্বিতীয় দিনাৰ প্ৰথম ভাওনা ‘বামন অৱতাৰ’ পৰিৱেশন কৰিব ত্ৰিদেৱ নাট্যগোষ্ঠী যোৰহাট আৰু দ্বিতীয় দৰ্শনীৰ ভাওনা ‘ৰাম পৰাজয় সীতাৰ পাতাল গমন’ পৰিৱেশন কৰিব পদ্মনাভ নাট্যগোষ্ঠী ডিগবৈৰ শিল্পীসকলে।

## কাকপথাৰত নৱজাতকৰ

গৃহস্থই। এই খবৰ বিয়পি পৰাত গাঁওখনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। তাৎক্ষণিকভাৱে আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষীৰ লগতে দণ্ডাধীশ উপস্থিত হৈ নৱজাতকটিৰ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে তদন্ত আৰম্ভ কৰিছে। কুকুৰে নৱজাতকটিৰ এটা অংশ ভক্ষণ কৰাত নৱজাতকটিৰ লিংগ জানিব পৰা হোৱা নাই। গাঁৱৰ ৰাইজৰ লগতে আৰক্ষীৰ সন্দেহ কোনো লোকৰ অবৈধ সম্পৰ্কৰ কলংক ঢাকিবলৈ নৱজাতকটি পেলাই দিয়া নাইবা পুতি থোৱা অৱস্থাত কুকুৰে ভক্ষণ কৰে আৰু অন্য স্থানৰপৰা চোঁচৰাই আনে।

## ডিব্ৰুগড়ত ‘ৰাগ-অনুৰাগ’ কাব্য

লেখকৰ আৰ্ট সম্পৰ্কত লিখা তিনিখন কিতাপৰ বিষয়ে ডঃ শইকীয়াই আলোকপাত কৰে। উন্মোচনী অনুষ্ঠানত মুম্বাইস্থিত সাহিত্য অনুৰাগী ত্ৰিনয়ন সন্দিকৈ, গায়ত্ৰী বৰুৱা, ডঃ মন্দিৰা বৰঠাকুৰ শইকীয়া, গৌতম শইকীয়া, শান্তনু ৰঞ্জন বৰঠাকুৰ, জুপিতৰা বৰঠাকুৰ আৰু মনোজ কুমাৰ ভাগৱতী উপস্থিত থাকে। শেষত ইলোৰা ভাগৱতীয়ে সকলোৰে শলাগ লয়।

## মদাৰজ্যোতিলৈ শব্দকল্প কাব্য

সমীপৰ উত্তৰ পেটবঢ়াৰ বিশিষ্ট কবি মদাৰজ্যোতিয়ে। উল্লেখযোগ্য যে অসমীয়া ভাষা-সাহিত্যলৈ উল্লেখযোগ্য অৱদান আগবঢ়োৱা সাহিত্যসেৱীসকলক শব্দকল্পই প্ৰতি বছৰে বঁটা প্ৰদান কৰি উৎসাহিত কৰি আহিছে। তদুপৰি গ্ৰন্থ প্ৰকাশ আৰু গ্ৰন্থমেলা আয়োজনেৰে শব্দকল্পই ভাষা-সাহিত্যৰ ক্ষেত্ৰখনলৈ অৱদান আগবঢ়াই আহিছে। শব্দকল্পৰ উদ্যোগত অহা ২৫, ২৬, ২৭, ২৮ আৰু ২৯ জানুৱাৰী, ২০২৬ত মৰিগাঁৱৰ সদৰ বিহুতলীত আয়োজন কৰা সাহিত্য উৎসৱ আৰু গ্ৰন্থমেলা অনুষ্ঠানত এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ’ব।

## দৌলাশালত নিচাজাতীয়

আৰক্ষীৰ দল এটিয়ে হাজো-দৌলাশাল পথৰ দৌলাশাল আৰক্ষী চকীৰ সন্মুখত অভিযান চলাই দুই সৰবৰাহকাৰীক আটক কৰে। ধৃত দুই সৰবৰাহকাৰীয়ে মুকালমুৱা-ৰামপুৰ দিশৰপৰা দৌলাশাল-বৰপেটা অভিমুখে মটৰ চাইকেলেৰে নিচাজাতীয় টেবলেট কঢ়িয়াই থাকোঁতেই দৌলাশাল আৰক্ষী চকীৰ সন্মুখত আৰক্ষীয়ে নিয়মীয়া তালাচীত নিচাজাতীয় টেবলেটসহ আটক কৰে। ধৃত সৰবৰাহকাৰী দুটা বৰপেটা জিলাৰ তাৰাবৰী থানাৰ অন্তৰ্গত ৰৌমাৰী গাঁৱৰ আব্দুল ছালামৰ পুত্ৰ ছাদ্দাম হুছেইন আৰু চাৰভেছ আলীৰ পুত্ৰ ৰফিক আলী। দুই সৰবৰাহকাৰীৰপৰা এ এছ-১৫এফ-৫৯৬০ নম্বৰৰ দুচকীয়া বাহনখনো আৰক্ষীয়ে জব্দ কৰে।

## কিশোৰী পলুৱাই নিয়াক লৈ

কামপুৰ থানাৰ অধীনৰ পদুমণি বিলৰ ৰচিদুল হকে তেওঁৰ কন্যাক যোৱা ১১ ডিচেম্বৰত পলুৱাই নিছে। মাতৃগৰাকীয়ে এজাহাৰখনৰ যোগেদি ৰচিদুলৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰি তেওঁৰ কিশোৰী কন্যাগৰাকীক উদ্ধাৰ কৰাৰ বাবে অনুৰোধ জনাইছে।

## বগামাটি অকল বনভোজস্থলীয়েই

বগামাটিৰ দাওঁৰায়ঝাৰ ইকো টুৰিজিম ছ’চাইটীৰ সভাপতি ৰবি ৰাম বড়ো, সম্পাদক জৌদাও বসুমতাৰীয়ে। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে নাগ্ৰিজুলী সমষ্টিৰ পৰিষদীয় সদস্য ভজন দাস, নাগ্ৰিজুলি ফৰেষ্ট ৰেঞ্জাৰ ৰক্তিম কলিতা, শুৱাগপুৰ উপ-আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া আনোৱাৰ হুছেইন, শুক্লাই ছেৰফাং টি চি এৰ চি চিৰ সভাপতি কৃষ্ণা চুবেদী, বি পি এফৰ কেন্দ্ৰীয় কমিটীৰ সাংগঠনিক সম্পাদক ফজলুল কৰিম হাজৰিকাৰ আৰু দীগন্ত বেজবৰুৱা।

## সাংসদ ৰকিবুলৰ পুত্ৰৰ বিৰুদ্ধে চামগুৰিত

ৰকিবুল হুছেইন ধুবুৰীৰপৰা সাংসদ হিচাপে নিৰ্বাচিত হোৱাৰ পাছত অনুষ্ঠিত উপ-নিৰ্বাচনত পুত্ৰ তাঞ্জিল হুছেইনক কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে চামগুৰিত প্ৰক্ষেপ কৰে। উক্ত উপ-নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইন বিজেপিৰ দিপ্লুৰঞ্জন শৰ্মাৰ হাতত বিপুল ভোটৰ ব্যৱধানত পৰাজিত হয়। উপ-নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিলে মুখথেকেচা খোৱাৰ পাছত পুনৰ গঠিত চামগুৰিৰ কংগ্ৰেছ শিবিৰত তীব্ৰ বিসম্বাদে গা কৰি উঠে। দুটা শিবিৰত বিভক্ত হৈ পৰে সমষ্টিটোৰ কংগ্ৰেছী নেতা-কৰ্মীসকল। বিসম্বাদী কংগ্ৰেছী শিবিৰে সাংসদ হুছেইন আৰু তেওঁৰ পুত্ৰ তাঞ্জিলৰ বিৰুদ্ধে মুকলিকৈ বিদ্ৰোহ ঘোষণা কৰিছে। কালি নিশা জিউমাৰী বজাৰত আয়োজন কৰা বিসম্বাদী কংগ্ৰেছীৰ এখন সভাত তাঞ্জিলৰ প্ৰাৰ্থিত্ব কোনোপধ্যেই মানি লোৱা নহ’ব বুলি হুংকাৰ দিছে। যদি সাংসদ হুছেইনে নিজৰ প্ৰভুত্ব খটুৱাই পুত্ৰক প্ৰাৰ্থিত্ব দিয়ে, তেন্তে ২০২৬ চনৰ নিৰ্বাচনৰ ফলাফল ভাল নহ’বও পাৰে বুলি প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সদস্য ৰহমত আলী আৰু শ্বাহিদ উদ্দিনে স্পষ্ট ভাষাত মন্তব্য কৰে। সাংসদ হুছেইনৰ নেতৃত্ব এতিয়া আৰু চামগুৰিত নচলে বুলিও ঘোষণা কৰে বিসম্বাদী শিবিৰে। আনকি শিঙিমাৰী আঞ্চলিক পঞ্চায়তত কংগ্ৰেছৰ টিকটত দুই-তৃতীয়াংশ আঞ্চলিক সদস্য জয়ী হোৱাৰ পাছতো আঞ্চলিক পঞ্চায়তৰ সভাপতি পদ বিজেপিৰ হাতলৈ যোৱা ঘটনাক তীব্ৰ ভাষাৰে সমালোচনা কৰে বিসম্বাদী কংগ্ৰেছীসকলে। সাংসদ পুত্ৰ তাঞ্জিলক অযোগ্য প্ৰাৰ্থী হিচাপে অভিহিত কৰি সমষ্টিটোৰপৰা হুছেইনৰ পৰিয়ালকেন্দ্ৰিক ৰাজনীতিৰ অৱসান বিচাৰিছে বুলিও বহুকেইজন বিসম্বাদীয়ে মন্তব্য কৰে। সমষ্টিটোৰ স্থানীয় যোগ্য, দক্ষ আৰু সংখ্যালঘু জনগোষ্ঠীৰ মৌলিক সমস্যাৰাজিক লৈ মাত মাতিব পৰা নেতাক প্ৰাৰ্থিত্ব দিবলৈ বিসম্বাদী শিবিৰে কংগ্ৰেছৰ হাইকমাণ্ডক দাবী জনাইছে। সাংসদ পুত্ৰ বুলিয়েই যদি তাঞ্জিলক কংগ্ৰেছৰ প্ৰাৰ্থিত্ব প্ৰদান কৰে, তেন্তে যোৱা উপ-নিৰ্বাচনৰ ফলাফলৰ পুনৰাবৃত্তি ঘটিব পাৰে বুলি আশংকা প্ৰকাশ কৰে। বিসম্বাদী কংগ্ৰেছী শিবিৰে এইবুলি প্ৰকাশ কৰিছে যে তাঞ্জিলৰ বিকল্প হিচাপে ২১জনীয়া প্ৰাৰ্থীৰ তালিকা ইতিমধ্যে তেওঁলোকে সাজু কৰিছে আৰু ইয়াৰে চাৰিজন কংগ্ৰেছৰ টিকটৰ প্ৰবল দাবীদাৰ। প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সদস্য ৰহমত আলীয়ে এইবুলি প্ৰকাশ কৰে ডাঃ আৰিফ উদ্দিন আহমেদ, অধিবক্তা ৰাছেল আহমেদ, প্ৰবক্তা আনাৰুল ইছলাম আৰু শ্বাহিদ উদ্দিনে কংগ্ৰেছৰ টিকট বিচাৰি দলীয় শীৰ্ষ নেতৃত্বৰ ওচৰ চাপিব।

৬৯সংখ্যক ৰাষ্ট্ৰীয় স্কুল গেমছ সাঁতোৰ প্ৰতিযোগিতা

# কস্তুৰী গগৈৰ তৃতীয়টো স্বৰ্ণ পদক অৰ্জন



**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** অসমৰ প্ৰতিভাৱান সাঁতোৰ খেলুৱৈ কস্তুৰী গগৈয়ে নতুন দিল্লীৰ ডঃ শ্যামাপ্ৰসাদ মুখাৰ্জী ছুইমিং পুলত চলি থকা ৬৯ সংখ্যক ৰাষ্ট্ৰীয় স্কুল গেমছ সাঁতোৰ প্ৰতিযোগিতাত উজ্জীৱিত প্ৰদৰ্শন অব্যাহত ৰাখিছে। খেলুৱৈগৰাকীয়ে প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত ছোৱালীৰ অনূৰ্দ্ধ ১৪ বছৰ শাখাৰ ১০০ মিটাৰ ব্ৰেষ্ট ষ্ট্ৰোক ইভেণ্টত স্বৰ্ণ পদক অৰ্জন কৰিছে। খেলুৱৈগৰাকীয়ে ১:১৯:৩৯ ছেকেণ্ড সময় লৈ খিতাপ দখল কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে কস্তুৰীয়ে প্ৰতিযোগিতাখনৰ ৫০ মিটাৰ ব্ৰেষ্ট ষ্ট্ৰোক আৰু ২০০ মিটাৰ ব্ৰেষ্ট ষ্ট্ৰোকতো শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছিল। তিনিটাকৈ স্বৰ্ণ পদকেৰে উজলি উঠা খেলুৱৈগৰাকীক অভিনন্দন জনাইছে অসম সাঁতোৰ সন্থাৰ সম্পাদক ভাস্কৰ দাসে।

ওড়িশা মাষ্টাৰ্ছ ১০০ বেডমিণ্টন

# অসমৰ ঈশাৰাণী বৰুৱাৰ ৰূপৰ পদক দখল




**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** অসমৰ উদীয়মান শ্বাটলাৰ ঈশাৰাণী বৰুৱাই ওড়িশা মাষ্টাৰ্ছ ১০০ আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাত ৰূপৰ পদকতে ক্ষান্ত থাকে। কটকৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত চলি থকা আগশাৰীৰ প্ৰতিযোগিতাখনৰ আজি অনুষ্ঠিত মহিলা ছিংগলছৰ ফাইনেলত ঈশাৰাণীয়ে ভাৰতৰে শীৰ্ষ বাছনিৰ উন্নতি হুদাৰ হাতত ২১-১৭, ২১-১০ শ্বেটৰ ব্যৱধানত পৰাস্ত হয়। উল্লেখ্য যে ঈশাৰাণীয়ে কালি ছেমি ফাইনেলত দৰ্শনীয় প্ৰদৰ্শনেৰে ভাৰতৰে তানিয়া হেমন্তক পৰাস্ত কৰিছিল।



# মুম্বাইত মেছি, মন জিনিলে অনুৰাগীৰ

**মুম্বাই, ১৪ ডিচেম্বৰ ঃ** কলকাতা আৰু হায়দৰাবাদৰ পাছত কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজেৰে আজি মুম্বাইত উপস্থিত হৈছে ফুটবলৰ ৰাজপুত্ৰ লায়োনেল মেছি। আৰ্জেণ্টাইন তাৰকাগৰাকীক সংগ দিয়ে লুইছ ছুৱাৰেজ আৰু ৰড্ৰিগো ডি প'লে। খেলুৱৈগৰাকীয়ে বেৰ্বণ ষ্টেডিয়াম আৰু ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। বিশেষকৈ ভাৰতীয় ক্ৰিকেট ক্লাবৰ পেডেল গ'ট কাপত অংশগ্ৰহণ কৰাৰ উপৰি ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত চেলিব্ৰিটী ফুটবলতো ভাগ লয়। ৱাংখেড়ে ষ্টেডিয়ামত মেছিৰ সৈতে সাক্ষাৎ হয় মাষ্টাৰ ব্লাষ্টাৰ শচীন তেণ্ডুলকাৰৰ। দুয়োগৰাকী কিম্বদন্তী খেলুৱৈয়ে ইজনে-সিজনক লগ পোৱাৰ মুহূৰ্তটো আছিল অনন্য। শচীন-মেছিক একেলগে পাই ৱাংখেড়েত অনুৰাগী একপ্ৰকাৰ উন্মাদপ্ৰায় হৈ পৰিছিল। মেছিয়ে শচীনৰ উপৰি ভাৰতৰ প্ৰাক্তন তাৰকা ফুটবলাৰ সুনীল ছেত্ৰীৰ লগতে বলীউডৰ কেইবাগৰাকীও তাৰকা আৰু মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাডনৱিছকে ধৰি ভালেমান বিশিষ্ট ব্যক্তিক সাক্ষাৎ কৰে। কাইলৈ আৰ্জেণ্টাইন খেলুৱৈগৰাকীয়ে নতুন দিল্লীত প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰাৰ কথা।

অশদীপৰ বিধ্বংসী বলিং ■ অথলে গ'ল মাৰ্কৰামৰ অৰ্দ্ধশতক

# ধৰমশালাত ৭ উইকেটত জয়ী ভাৰত

**ধৰমশালা, ১৪ ডিচেম্বৰ ঃ** সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় ক্ৰিকেট দলটোৱে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে চলিত টী-২০ শৃংখলাৰ তৃতীয়খন মেচত আজি ৭ উইকেটত জয়লাভ কৰিছে। ইয়াৰ হিমাচল প্ৰদেশ ক্ৰিকেট এছ'চিয়েচনৰ গ্ৰাউণ্ডত অনুষ্ঠিত খেলখনত দক্ষিণ আফ্ৰিকাই নিৰ্দ্ধাৰিত অভাৰত বিজয়ৰ বাবে বান্ধি দিয়া ১১৮ ৰানৰ লক্ষ্য ঘৰুৱা দলটোৱে ২৫টা বল বাকী থকা অৱস্থাত তিনি উইকেটত ১২০ ৰান কৰি জয়ী হয়। দলৰ এই জয়ৰ মূলতেই আছিল টীম ইণ্ডিয়াৰ বলাৰকেইজনৰ ক্ষুৰধাৰ বলিং আক্ৰমণৰ লগতে অপেনাৰদ্বয় অভিষেক শৰ্মা আৰু শুভমন গীলৰ লগতে তিলক বাৰ্মাৰ দায়িত্বশীল বেটিং। দলৰ বিজয়ত অভিষেক শৰ্মাই ১৮টা বলত তিনিটাকৈ ৪ আৰু ছয়েৰে ৩৫, গীলে ২৮, তিলক বাৰ্মাই অপৰাজিত ২৬, সূৰ্যকুমাৰ যাদৱে ১২ আৰু শিৱম ডুবেই অপৰাজিতভাৱে ১০ ৰানৰ বৰঙণি যোগায়। দক্ষিণ আফ্ৰিকাৰ হৈ বলিঙত এনগিডি, জেনছেন আৰু কাৰ্বিনে একোটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰি ভাৰতীয় বলিং আক্ৰমণৰ বিৰুদ্ধে স্বাচ্ছন্দ্যৰে খেলাত ব্যৰ্থ হয়। দলটোৱে নিৰ্দ্ধাৰিত অভাৰত ১১৭ ৰান কৰি অল আউট হয়। দলীয় ইনিংছত এইডেন মাৰ্কৰামে সৰ্বাধিক ৬১, ডনোভান ফেৰেইৰাই ২০ ৰান, এনৰিছ নৰ্টজেই ১২ ৰান কৰাৰ বাহিৰে বাকী বেটছমেনসকলে দহকৰ ঘৰ অতিক্ৰমত ব্যৰ্থ হয়। ভাৰতৰ হৈ অৰ্শদীপ সিঙে মাথোঁ ১৩ ৰান খৰচ কৰি দুটা, হৰ্ষিত ৰাণা, বৰুণ চক্ৰৱৰ্তী, কুলদীপ যাদৱে দুটাকৈ, হাৰ্দিক পাণ্ডিয়া আৰু শিৱম ডুবেই একোটাকৈ উইকেট দখল কৰে। আজিৰ জয়েৰে ভাৰতে পাঁচখন মেচৰ শৃংখলাত ২-১ৰ অগ্ৰগতি ল'বলৈ সক্ষম হৈছে।



ছিনিয়ৰ ৰাষ্ট্ৰীয় টাইকোৱানডো চেম্পিয়নশ্বিপ

# ৪ স্বৰ্ণ, ৫ ব্ৰঞ্জসহ অসমৰ ৯ পদক

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** ছিনিয়ৰ ৰাষ্ট্ৰীয় টাইকোৱানডোত অসমৰ মহিলা পুমছে দলে দুটা স্বৰ্ণ আৰু তিনিটা ব্ৰঞ্জৰ পদকসহ মুঠ পাঁচটা পদক অৰ্জনেৰে দ্বিতীয় শ্ৰেষ্ঠ দলৰ সন্মান অৰ্জন কৰে। আনহাতে, পুমছেৰ পুৰুষ শাখাত দুটা স্বৰ্ণপদক অৰ্জনেৰে অসমে দলগতভাৱে তৃতীয় শ্ৰেষ্ঠ স্থান লাভ কৰে। হায়দৰাবাদত আজি সামৰণিপৰা প্ৰতিযোগিতাখনৰ অন্তিম দিনা অসমে ২টা স্বৰ্ণ আৰু ৩টা ব্ৰঞ্জসহ মুঠ ৫ টা পদক বুটলিবলৈ সক্ষম হয়। পুমছে আৰু কিউৰোগী উভয় ইভেণ্টত অসম দলে চাৰিটা স্বৰ্ণ, পাঁচটা ব্ৰঞ্জসহ মুঠ ৯টা পদক অৰ্জন কৰে। আজি কিউৰোগীত অসমৰ সঞ্জীৱ কুমাৰ চৌধুৰীয়ে ৮৭ কেজি ঊৰ্দ্ধত ব্ৰঞ্জ, পুমছেৰ ৪০ বছৰ ঊৰ্দ্ধত এম লাংবান চানা সিংহ, শুভাংকৰ ধৰ আৰু পাৰ্থ শৰ্মাই (স্বৰ্ণ) আৰু মহিলাৰ ৩০ বছৰ ঊৰ্দ্ধৰ সুষমা ঠাকুৰ, সাৰদা সিং, শ্ৰদ্ধামণি মুছাহাৰীয়ে স্বৰ্ণ পদক জয় কৰাৰ বিপৰীতে মহিলাৰ ৩০ বছৰ অনূৰ্দ্ধত মণিতা আচাৰ্য, বেনলা কেম্প্ৰাই আৰু পঞ্চমী দাসে ব্ৰঞ্জৰ পদক দখল কৰে।

# তিনিচুকীয়া টাউন ক্লাবৰ জয়

**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**

**তিনিচুকীয়া, ১৪ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলা ক্ৰীড়া সন্থাৰ তত্বাৱধানত কচুজান খেলপথাৰত চলি থকা তিনিচুকীয়া 'এ' ডিভিজন ক্ৰিকেট লীগৰ আজিৰ খেলত তিনিচুকীয়া টাউন ক্লাবে সপ্তৰ্ষীক ৭০ ৰানত পৰাজিত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে। তিনিচুকীয়া টাউন ক্লাবে নিৰ্দ্ধাৰিত ৩০ অভাৰত ৬ উইকেটত ২২৩ ৰান কৰে। দলৰ হৈ প্ৰতীক গৌৰৱে ৬৩ (অপৰাজিত), গৌৰৱ সিঙে ৪৪ ৰান আৰু শুভম কুমাৰ গুপ্তাই ৩৮ ৰান কৰে। প্ৰত্যুত্তৰত সপ্তৰ্ষীয়ে নিৰ্দ্ধাৰিত ৩০ অভাৰত ৮ উইকেটত ১৫৩ ৰানহে কৰে। অনিকেত শৰ্মাই ৬৫ (অপঃ), অভিষেক পেটেলে ৪৩ ৰান কৰে।

ডব্লিউ এছ এফ স্কোৱাছ বিশ্বকাপ

# হংকঙক হৰুৱাই ভাৰতৰ খিতাপ অৰ্জন




**চেন্নাই, ১৪ ডিচেম্বৰ ঃ** ভাৰতে ইতিহাস সৃষ্টিকাৰী প্ৰদৰ্শনেৰে ডব্লিউ এছ এফ স্কোৱাছ বিশ্বকাপত প্ৰথমবাৰলৈ খিতাপ অৰ্জন কৰিছে। ইয়াৰ এক্সপ্ৰেছ এভিনিউ মলত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ আজি অনুষ্ঠিত ফাইনেলত ভাৰতীয় দলটোৱে শীৰ্ষ বাছনিৰ হংকঙক ৩-০ ব্যৱধানত পৰাস্ত কৰে। ভাৰতৰ হৈ জ্যেষ্ঠ তাৰকা জ্যোস্না চিনাপ্পাই প্ৰথমটো অগ্ৰগতি দিয়ে। চিনাপ্পাই বিশ্বৰ ২৭ সংখ্যক ৰেংকৰ কা য়ি লীক ৭-৩, ২-৭, ৭-৫, ৭-১ ব্যৱধানত পৰাস্ত কৰে। দ্বিতীয়খন খেলত ভাৰতৰ তাৰকা খেলুৱৈ অভয় সিঙে পুৰুষ ছিংগলছত তাজ কাৱান লাউক ৭-১, ৭-৪, ৭-৪ ব্যৱধানত পৰাস্ত কৰে। অন্তিমখন ছিংগলছত ভাৰতৰ অনাহত সিঙে হংকঙৰ এছিয়ান চেম্পিয়ন হো তাজ লুক ৭-২, ৭-২, ৭-৫ ব্যৱধানত হৰুৱায়। উল্লেখ্য যে ২০২৩ চনত ভাৰতে প্ৰতিযোগিতাখনত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল।

অনূৰ্দ্ধ ১৯ এছিয়া কাপ ক্ৰিকেট ■ আৰন জৰ্জৰ ৮৫, মেচৰ শ্ৰেষ্ঠ কনিষ্ক চৌহান

# পাকিস্তানক ৯০ ৰানত হৰুৱালে ভাৰতে

**ডুবাই, ১৪ ডিচেম্বৰ ঃ** ভাৰতে ডুবাইত চলি থকা অনূৰ্দ্ধ ১৯ এছিয়া কাপ ক্ৰিকেট টুৰ্নামেণ্টত জয়ৰ ধাৰাবাহিকতা অব্যাহত ৰাখিছে। প্ৰতিযোগিতাখনৰ আজি আই চি চি এ ডুবাই গ্ৰাউণ্ডত অনুষ্ঠিত গ্ৰুপ 'এ'ৰ খেলত ভাৰতে পাকিস্তানক ৯০ ৰানৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে। আয়ুস মাত্ৰে নেতৃত্বাধীন ভাৰতীয় দলটোৱে মেচখনত বিজয়ৰ বাবে বান্ধি দিয়া ২৪১ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ গৈ পাকিস্তানৰ দলটোৱে ৪১.২ অভাৰত ১৫০ ৰান কৰি অল আউট হয়। দলটোৰ হৈ হুজাইফা এহছানে সৰ্বাধিক ৭০ আৰু অধিনায়ক ফাৰহান ইউছুফে ২৩ ৰান কৰে। ভাৰতৰ হৈ বলিঙত কনিষ্ক চৌহান, দীপেশ দেবেন্দ্ৰনে তিনিটাকৈ, কৃষাণ সিঙে দুটা, খিলান পেটেল আৰু বৈভৱ সূৰ্যবংশীয়ে একোটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতীয় দলটোৱে প্ৰথমে বেট ধৰি ৪৬.১ অভাৰত আটাইকেইটা উইকেটৰ বিনিময়ত ২৪০ ৰান সংগ্ৰহ কৰে। দলীয় ইনিংছত আৰন জৰ্জে ৮৫, কনিষ্ক চৌহানে ৪৬, আয়ুস মাত্ৰেই ৩৮ আৰু অভিজ্ঞান কুণ্ডুৱে ২২ ৰান যোগ দিয়ে। পাকিস্তানৰ মহম্মদ ছায়াম আৰু আব্দুল ছুভানে তিনিটাকৈ উইকেট দখল কৰে। অলৰাউণ্ড প্ৰদৰ্শনেৰে দলক জয়ী কৰোৱা কনিষ্ক চৌহানে লাভ কৰে মেচৰ শ্ৰেষ্ঠ খেলুৱৈৰ পুৰস্কাৰ। আজিৰ জয়েৰে ভাৰতীয় দলটোৱে গ্ৰুপত দুখন মেচ খেলি ক্ৰমাগত জয়েৰে ৪ পইণ্ট দখলেৰে পইণ্ট তালিকাৰ শীৰ্ষত আছে।

# ফুটবল খেলুৱৈ লক্ষী বৰগোহাঁইৰ আকস্মিক বিয়োগ



**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰাণ, ১৪ ডিচেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ খোৱাং আজাৰগুৰিৰ নিৱাসী তথা জিলাখনৰ এগৰাকী সুদক্ষ ফুটবল ৰেফাৰী আৰু গ'লৰক্ষক হিচাপে খ্যাত লক্ষী বৰগোহাঁই (৫৩)য়ে আজি পুৱাৰ ভাগত ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ আকস্মিক মৃত্যুত সমগ্ৰ খোৱাং অঞ্চলত শোকৰ ছাঁ পৰিছে। বৰগোহাঁই এগৰাকী দক্ষ ফুটবল খেলুৱৈ, ক্ৰিকেটাৰ আৰু বিভিন্ন বাদ্যযন্ত্ৰ বজোৱাতো বিশেষ অভিজ্ঞতা সম্পন্ন ব্যক্তি আছিল। লক্ষী বৰগোহাঁইৰ মৃত্যুৰ বাতৰি পোৱাৰ লগে লগে আজি পুৱাই আত্মীয়-স্বজন, বন্ধুবৰ্গ তথা গুণমুগ্ধই তেওঁৰ বাসগৃহত উপস্থিত হৈ নশ্বৰদেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁৰ আকস্মিক বিয়োগত খোৱাং ক্ৰীড়া সন্থা, খোৱাং শাখা সাহিত্য সভা, খোৱাং প্ৰেছ ক্লাব, আলোক সন্ধানী অধ্যয়ন চক্ৰ (নতুন বলাই), আজাৰগুৰি সাৰ্বজনীন নামঘৰ পৰিচালনা সমিতি, মৰাণ জিলা ক্ৰীড়া সন্থা, ফুটবল ৰেফাৰী সন্থা, দলনীকোৰ ৰাস উদ্‌যাপন সমিতি, খোৱাং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক গোট, প্ৰাক্তন ৰাজ্যিক ফুটবলাৰ বিটু গগৈসহ বহু দল-সংগঠন আৰু ব্যক্তিবিশেষে গভীৰ শোক প্ৰকাশ কৰে। পত্নীসহ এগৰাকী কন্যা সন্তান আৰু বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যোৱা বৰগোহাঁইৰ আজি খোৱাং ৰাজহুৱা শ্মশানত এক শোকাকুল পৰিৱেশত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

# মহেন্দ্ৰ নাথ শৰ্মা ফুটবল

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰাণ, ১৪ ডিচেম্বৰ ঃ** অসম চাহ মজদুৰ সংঘ আৰু ভাৰতীয় চাহ সন্থা মৰাণ শাখাৰ উদ্যোগত চলি থকা শ্ৰমিকপ্ৰাণ মহেন্দ্ৰ নাথ শৰ্মা সোঁৱৰণী আন্তঃচাহ বাগিচা ফুটবল টুৰ্ণামেণ্টৰ ছেমি ফাইনেল খেল দুখন অহা ১৬ আৰু ১৭ ডিচেম্বৰত অনুষ্ঠিত হ'ব। সূচী মতে, ১৬ ডিচেম্বৰত খুমটাই আৰু ৰজাবাৰী বাগিচাৰ ফুটবল দলে ৰাজমাই বাগিচাৰ খেলপথাৰত আৰু ১৭ ডিচেম্বৰত খোৱাং আৰু ডিকচাম বাগিচাৰ ফুটবল দলে খোৱাং বাগিচাৰ খেলপথাৰত ছেমি ফাইনেলত মুখামুখি হ'ব। অহা ২১ ডিচেম্বৰত খুমটাই চাহ বাগিচাৰ খেলপথাৰত টুৰ্ণামেণ্টৰ ফাইনেল খেল অনুষ্ঠিত হ'ব।

# দৰঙত ক্ৰীড়া ভাৰতীৰ কাবাডী প্ৰতিযোগিতা

**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**

**মঙলদৈ, ১৪ ডিচেম্বৰ ঃ** ক্ৰীড়া ভাৰতী, দৰং জিলা সমিতিৰ উদ্যোগত কালি মঙলদৈ টেঙাবাৰী চ'কৰ উত্তৰ মঙলদৈ সাৰ্বজনীন উন্নতি সাধিনী সভাৰ সভাগৃহত এখন সাংগঠনিক বৈঠক অনুষ্ঠিত হয়। জিলা সমিতিৰ সম্পাদক মধুসূদন ভট্টাচাৰ্যই আঁত ধৰা বৈঠকখনত ক্ৰীড়া ভাৰতীৰ উত্তৰ অসম প্ৰান্তৰ সাধাৰণ সম্পাদক দিলীপ ডাউকাই উদ্দেশ্য ব্যাখ্যা কৰে। ক্ৰীড়া ভাৰতী অসম ক্ষেত্ৰৰ সাংগঠনিক মন্ত্ৰী মনোজ মহান্তি মুখ্য অতিথি হিচাপে উপস্থিত থাকি উল্লেখ কৰে যে আগন্তুক ২০৩৬ চনৰ অলিম্পিক প্ৰতিযোগিতাত কাবাডী খেল অন্তৰ্ভুক্তিৰ উদ্দেশ্য আগত ৰাখি ক্ৰীড়া ভাৰতীয়ে ভাৰতবৰ্ষৰ প্ৰতিটো অঞ্চলত কাবাডী প্ৰতিযোগিতা আয়োজন কৰিছে। এই পৰিপ্ৰেক্ষিতত অহা ফেব্ৰুৱাৰী মাহত ক্ৰীড়া ভাৰতীয়ে অসমৰ প্ৰতিখন জিলাতেই পুৰুষ-মহিলা উভয় শাখাত বয়স অনুসৰি চাৰিটা গ্ৰুপত (১০-১৪, ১৪-১৯, ১৯-৩৫ আৰু ৩৫ বছৰৰ ওপৰৰ) কাবাডী প্ৰতিযোগিতা আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই অনুসৰি খেল অনুষ্ঠিত কৰিবলৈ মঙলদৈ ষ্টেডিয়াম চপাই, ডাঁহী, হাজৰিকাপাৰা, বৰমপুৰ, গোৱালঝাৰ, ছিপাঝাৰ, নাৰিকলি, দেওমৰনৈ, ভকতপাৰা, খাৰুপেটীয়া, দলগাঁও আদি ১১খন খণ্ড নিৰ্বাচন কৰা হয়। বৈঠকত মধুসূদন ভট্টাচাৰ্যক সংযোজক, হিমাঞ্জন শৰ্মা, মোনেশ্বৰ নাথক সহকাৰী সংযোজক, বিজয় চন্দক আই টি প্ৰমুখ, গণেশ দত্তক সামাজিক মাধ্যম প্ৰমুখ, কুঞ্জলতা বড়ো, ভগীৰথ ছেত্ৰীক টেকনিকেল প্ৰমুখ, অসীম সাহা, অৰিন্দম শৰ্মা, হিৰেন সৰকাৰ, অচ্যুত চন্দ্ৰ দাস, কৃষ্ণ সাহা আৰু চন্দন শইকীয়াক সদস্য হিচাপে লৈ এখন সমিতি গঠন কৰা হয়।

# ইউ পি এলত ওদালগুৰি, গুৱাহাটীৰ জয়

**দৈনিক অসমৰ প্ৰতিনিধি**

**ওদালগুৰি, ১৪ ডিচেম্বৰ ঃ** ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা তৃতীয় ওদালগুৰি প্ৰিমিয়াৰ লীগত আজি দুখনকৈ খেল অনুষ্ঠিত হয়। প্ৰথমখন খেলত ওদালগুৰি ক্ৰিকেট একাডেমীয়ে বেছিমাৰী ডায়মণ্ড ক্লাবক ছয় উইকেটত পৰাস্ত কৰে। বেছিমাৰীয়ে ১৯.১ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১২৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ওদালগুৰিয়ে ১৮.২ অভাৰত চাৰিটা উইকেটৰ বিনিময়ত জয়ৰ লক্ষ্যত উপনীত হয়। আজি অনুষ্ঠিত প্ৰতিযোগিতাখনৰ প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত নৱজ্যোতি ক্ৰিকেট ক্লাব গুৱাহাটীয়ে ঢেকিয়াজুলি টাউন ক্লাবক ছয় উইকেটত পৰাস্ত কৰে। ঢেকিয়াজুলিয়ে ১৯ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মনজিৎ দাসৰ ৫৫ ৰানৰ বৰঙণিৰে ১৫৩ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত গুৱাহাটীয়ে জাকাৰিয়া ৱাহিদৰ অপৰাজিত ৬১ ৰানৰ বৰঙণিৰে ১৯.৩ অভাৰত চাৰিটা উইকেট পতনেৰে জয়ৰ লক্ষ্যত উপনীত হয়।

# উত্তৰ গুৱাহাটীত দবা খেলুৱৈক সম্বৰ্দ্ধনা




**দৈনিক অসমৰ প্ৰতিনিধি**

**উত্তৰ গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** উত্তৰ গুৱাহাটীৰ অন্যতম অনুষ্ঠান মাইণ্ড চেপ্টাৰ দবা একাডেমী আৰু নৰ্থ গুৱাহাটী দবা এছ'চিয়েচনৰ যৌথ উদ্যোগত আজি আউনিআটী কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগনত ৰাজ্যিক তথা ৰাষ্ট্ৰীয় ক্ষেত্ৰত সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হোৱা উত্তৰ গুৱাহাটীৰ তিনিগৰাকী দবা খেলুৱৈক বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হয়। এছ'চিয়েচনৰ সভাপতি সৌৰভ কুমাৰক বৰকাকতিৰ সঞ্চালনাত অনুষ্ঠিত সম্বৰ্দ্ধনা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক চিত্তৰঞ্জন চাংকাকতিয়ে। সভাপতি বৰকাকতিয়ে বক্তব্যত উল্লেখ কৰে যে এছ'চিয়েচনৰ জৰিয়তে খেলুৱৈসকলক ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ত অংশগ্ৰহণ কৰিবলৈ বিশেষভাৱে প্ৰশিক্ষণ প্ৰদান কৰা হয়। অনুষ্ঠানত জামছেদপুৰত ১৯ বছৰ অনূৰ্দ্ধৰ ৰাষ্ট্ৰীয় গেমছত অসমৰ হৈ প্ৰতিনিধিত্ব কৰিবলৈ সুযোগ পোৱা শ্বাস্তিক কলিতা, ৰাঁচীত অনুষ্ঠিত হ'ব লগীয়া ৰাষ্ট্ৰীয় গেমছত ১৪ বছৰ অনূৰ্দ্ধৰ অসমৰ হৈ প্ৰতিনিধিত্ব কৰিবলৈ সুযোগ পোৱা নীহাৰ দাস আৰু প্ৰথম অৱস্থাতেই ফিডে ৰেটিঙত ১৬০০ৰো ঊৰ্দ্ধত স্থান লভিবলৈ সক্ষম হোৱা ৰাজেন্দ্ৰ শেখৰ পলক বিশেষভাৱে সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়।

যতীন ইছলাৰী ট্ৰফী ফুটবল আৰম্ভ

# ছালাকাটি এন টি পি চি এফ চিৰ জয়

**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**

**বঙাইগাঁও, ১৪ ডিচেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ ছালাকাটিৰ হৰিগাঁও-সাতবিন্দীৰ জৌহৌলাও শ্বৌম্বলা বসুমতাৰী খেলপথাৰত আজিৰেপৰা আৰম্ভ হোৱা দ্বাদশ যতীন ইছলাৰী সোঁৱৰণী ট্ৰফী ফুটবলৰ উদ্বোধনী খেলত জয়ী হয় ছালাকাটি এন টি পি চি এফ চি দল। দলটোৱে আমগুৰি চাগনেন এফ চিক ২-০ গ'লত পৰাস্ত কৰে। খেলখন শুভ উদ্বোধন কৰে বি টি চিৰ পাৰিষদ ধনেশ্বৰ গয়াৰীয়ে। অনুষ্ঠানত বি টি চিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য দেৱহাছাৎ বসুমতাৰী আৰু ক্ৰীড়া বিভাগৰ কাৰ্যবাহী সদস্য লৌমশ্ৰাও দৈমাৰী, অসম ফুটবল সন্থাৰ সাধাৰণ সম্পাদক ছাংগ্ৰাং ব্ৰহ্ম উপস্থিত থাকে। কাইলৈৰ খেলত কালীপুখুৰী ইউনাইটেড ক্লাবে বাৰলংফা এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

# নাজিৰা কলেজ এফ চি দল জয়ী

**দৈনিক অসমৰ প্ৰতিনিধি**

**আমগুৰি, ১৪ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ নামতিৰ সমীপৰ আইদেউবাৰী স্কুল খেলপথাৰত অনুষ্ঠিত আইদেউ কাপ ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত নাজিৰা কলেজ এফ চিয়ে মৰিয়নি এফ চিক ৪-১ গ'লত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। নাজিৰা কলেজ এফ চি দলৰ হৈ খেলপথাৰত নামে আই এছ এলৰ তিনি তাৰকা প্ৰাঞ্জল ভূমিজ, প্ৰজ্ঞান গগৈ আৰু পাৰ্থিৱ গগৈ। শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে প্ৰজ্ঞান গগৈয়ে।



*লা লীগাত বাৰ্চিলোনা আৰু অ'ছাছুনাৰ খেলুৱৈৰ বল দখলৰ যুঁজ।*

# আন্তঃবিদ্যালয় ক্ৰিকেটত সংস্কৃতিক বিদ্যাপীঠ চেম্পিয়ন

**দৈনিক অসমৰ প্ৰতিনিধি**

**জাগীৰোড, ১৪ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ মায়ং ৰাজহ চক্ৰৰ উদ্যোগত ক্ৰিকেটপ্ৰেমী ৰাইজৰ সহযোগত প্ৰথমবাৰলৈ আয়োজন কৰা আন্তঃবিদ্যালয় ছোৱালী ক্ৰিকেট প্ৰতিযোগিতাত সংস্কৃতিক বিদ্যাপীঠ মৰিগাঁৱে খিতাপ অৰ্জন কৰে। জাগীৰোড সমজিলাৰ অন্তৰ্গত ২৪খন বিদ্যালয়ৰ ছাত্ৰীসকলৰ অংশগ্ৰহণেৰে আয়োজিত প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত সংস্কৃতিক বিদ্যাপীঠে জাগী উচ্চতৰ মাধ্যমিক বিদ্যালয়ক পৰাস্ত কৰে। মেচখনত প্ৰথমে বেট ধৰি জাগীৰোড উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দলটোৱে মুঠ ৬৭ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ৭ উইকেটত সংস্কৃতি বিদ্যাপীঠৰ দলটোৱে জয়লাভ কৰে। বিজয়ী আৰু বিজিত দলৰ লগতে অংশগ্ৰহণ কৰা প্ৰতিটো দলকে উৎসাহিত কৰি ট্ৰফী প্ৰদান কৰি মন্ত্ৰী পীযূষ হাজৰিকাই ছাত্ৰীসকলক প্ৰেৰণামূলক বক্তব্য আগবঢ়ায়।



# ষ্টাৰ স্প'ৰ্টিং ক্লাবক হৰুৱাই ছানপাৱাৰ এফ চি চূড়ান্ত বিজয়ী

**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**

**নগাঁও, ১৪ ডিচেম্বৰ ঃ** ছানপাৱাৰ ফুটবল ক্লাবে তেলিয়াগাঁও যুৱক সংঘৰ উদ্যোগত তেলিয়াগাঁও কলংপাৰ খেলপথাৰত আজি সামৰণিপৰা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰিছে। আজি অনুষ্ঠিত ফাইনেল খেলত ছানপাৱাৰ এফ চিয়ে তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত ষ্টাৰ স্প'ৰ্টিং ক্লাবক টাইব্ৰেকাৰৰ সহায়ত সামগ্ৰিকভাৱে ৫-৪ গ'লত পৰাস্ত কৰে। নিৰ্দ্ধাৰিত সময়ত খেলখন ১-১ গ'লত ড্ৰ ৰূপে সমাপ্ত হৈছিল। খেলৰ অন্তত অনুষ্ঠিত বঁটা বিতৰণী অনুষ্ঠানত স্থানীয় বিধায়ক ৰূপক শৰ্মা, জিলা পৰিষদৰ সভানেত্ৰী গীতাঞ্জলি শইকীয়া আৰু পৌৰসভাৰ উপ-পৌৰপতি সীমান্ত বৰা প্ৰমুখ্যে ব্যক্তিসকল উপস্থিত থাকি বঁটা বিতৰণত অংশ লয়।

তৃতীয় গুৱাহাটী প্ৰিমিয়াৰ লীগ ফুটবল

# ডি বি আই, গ্ৰীনভেলীৰ বৃহৎ জয়

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** ডি বি আই স্প'ৰ্টছ ক্লাব আৰু এফ চি গ্ৰীনভেলীয়ে জজ খেলপথাৰত চলি থকা তৃতীয় গুৱাহাটী প্ৰিমিয়াৰ লীগ ফুটবলত আজি বৃহৎ জয়লাভ কৰিছে। প্ৰথমখন খেলত ডি বি আয়ে প্ৰাইড-ইষ্ট মেভাৰিকছক ৫-২ গ'লত পৰাস্ত কৰে। ডি বি আইৰ হৈ বিষ্ণু ৰাভা, ফেয়াৰমিং ছুটিং, বিকাশ ডেকা, লেইট লাং ছিয়েমলিয়েহ আৰু ড'নাল্ড ডিয়েংধোৱে একোটাকৈ গ'ল দিয়ে। বিপক্ষৰ ৰাৱজিৎ আলী আৰু লেইশ্ৰাম পি সিঙে একোটাকৈ গ'ল পৰিশোধ কৰে। আনখন মেচত গ্ৰীনভেলীয়ে এন এফ ৰেলৱেক ৬-২ গ'লত পৰাস্ত কৰে। গ্ৰীনভেলীৰ হৈ এন প্ৰীতম সিঙে তিনিটা, ছেমিনথাং হাওকিপ, কে ফাল্গুনী সিং আৰু এন হেনৰি সিঙে একোটাকৈ গ'ল দিয়ে। ৰেলৱেৰ শিব্ৰা নাৰ্জাৰী আৰু সুধীৰ লেইটনজামে একোটাকৈ গ'ল দিয়ে। কাইলৈ ইউনাইটেড চিৰাং দুৱাৰ এফ চিয়ে অসম পুলিচৰ বিপক্ষে আৰু ছানৰাইজ এথলেটিক ক্লাবে ছাই গুৱাহাটীৰ বিপক্ষে অৱতীৰ্ণ হ'ব।




**চৰকাৰৰ অৱহেলাত নিশ্চিহ্ন হোৱাৰ পথত আহোমৰ দিনৰ ঐতিহ্য**

# ৰাজহ বিভাগৰ কাৰ্যালয়ত নাই দেওধাই পুখুৰীৰ তথ্য

**দৈনিক অসমৰ প্ৰতিনিধি**

**শিমলুগুৰি, ১৪ ডিচেম্বৰ ঃ** আহোম স্বৰ্গদেউসকলৰ দিনৰ ঐতিহাসিক পুখুৰীসমূহৰ এটা অন্যতম নাজিৰা নগৰৰ মধ্যস্থলত থকা দেওধাই পুখুৰী বৰ্তমান লুপ্তপ্ৰায় হৈ পৰিছে। আজিও পুৰাতত্ত্ব বিভাগ তথা চৰকাৰৰ দৃষ্টিত নপৰা এই ঐতিহাসিক পুখুৰীটো সংৰক্ষণৰ অভাৱত নিশ্চিহ্ন হোৱাৰ পথত। আহোমৰ ৰাজধানী গড়গাঁৱৰ পৰা নাতিদূৰৰ দিখৌ নদীৰ দক্ষিণ পাৰত তথা পৰৱৰ্তী সময়ৰ ধোদৰ আলি আৰু ৰেললাইনৰ মাজত থকা ঐতিহাসিক দেওধাই পুখুৰীটো আহোমৰ তিনি খেলৰ পুৰোহিত দেওধাই খেলক সেই স্থানতে থাকিবলৈ দিয়া হৈছিল আৰু তেওঁলোকৰ সুবিধাৰ্থে ৰজাই এই পুখুৰী খন্দাই দিছিল। অসমত থকা আহোম ৰাজত্বকালৰ পুখুৰীসমূহৰ মাজত দেওধাইসকলৰ নামত কেৱল নাজিৰাতহে দেওধাই পুখুৰী থকাৰ কথা বুৰঞ্জীত পোৱা যায়। এই পুখুৰীটো কেৱল পুৰোহিতসকলৰেই গৌৰৱ আৰু গৰিমাৰ প্ৰতীক নহয়, ই সমগ্ৰ অসমীয়া জাতিৰ এক ঐতিহাসিক সমল। কিন্তু আজি নাজিৰাৰ দেওধাই পুখুৰীৰ অস্তিত্ব সংকটাপন্ন হৈ পৰিছে। বহু লোকে পুখুৰীৰ মাটি দখল কৰাৰ উপৰি সমীপৰ বহু লোকে আৱৰ্জনা পেলোৱাৰ ডাষ্টবিনৰূপে ব্যৱহাৰ কৰা পুখুৰীটো বৰ্তমান দুৰ্গন্ধময় পৰিৱেশত পিতনিসদৃশ হৈ পৰাত বিভিন্ন অপতৃণে পুখুৰীটো পুতি পেলাইছে। কেৱল পুখুৰীটোলৈ যোৱা পথটোৰ নাম পুৰোহিতসকলৰ নামেৰে 'দেওধাই' পথ বুলি নামকৰণ কৰিয়েই দায়িত্ব সামৰিছে সংশ্লিষ্ট বিভাগ তথা চৰকাৰে। সময় থাকোঁতেই এই পুখুৰীটো সংৰক্ষণ নকৰিলে হয়তো এদিন এই পুখুৰী নিশ্চিহ্ন হৈ বুৰঞ্জীৰ এক সোণালী অধ্যায়ৰ যৱনিকা পৰাৰ লগতে নোহোৱা হ'ব ইয়াক লৈ সৃষ্টি হোৱা বহু জনশ্ৰুতিৰ। ইতিহাসপ্ৰেমী দ্বীপজ্যোতি বৰগোহাঁইৰ মতে এই ঐতিহাসিক পুখুৰীটোৰ পাৰত ঘৰৰ খুঁটা পুতিবৰ বাবে গাঁত খান্দোঁতে ভগ্ন ৰূপত বহু ঐতিহাসিক সমল উদ্ধাৰ হৈছিল বুলি স্থানীয় লোকে তেওঁক অৱগত কৰিছিল। আনহাতে, এই দেওধাই পুখুৰীৰ ভূমি সন্দৰ্ভত নাজিৰা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত দাখিল কৰা এখন আৰ টি আই আবেদনৰ প্ৰত্যুত্তৰত বিভাগটোৱে জনায় যে লাট মণ্ডলৰ প্ৰতিবেদনমৰ্মে কাৰ্যালয়ৰ হাতৰ নথিত উক্ত পুখুৰীৰ মাটিৰ পৰিমাণ ২ বিঘা ১৪ লোচা আছিল যদিও বিভাগৰ কম্পিউটাৰত ভূমিশূন্য হৈ থকা দেখা যায়। সংৰক্ষণৰ অভাৱত নিশ্চিহ্ন হোৱাৰ উপক্ৰম হোৱা এই ঐতিহাসিক দেওধাই পুখুৰীৰ ভূমিৰ তথ্যও অৱশেষত ৰাজহ বিভাগৰ কম্পিউটাৰত নথকা কাৰ্যই এনে ঐতিহাসিক সমলৰ প্ৰতি চৰকাৰী অৱহেলাকেই প্ৰতিফলিত কৰিছে। এই সন্দৰ্ভত সদৌ টাই আহোম ছাত্ৰ সন্থাৰ (আটাছুৰ) কেন্দ্ৰীয় সভাপতি বসন্ত গগৈৰ লগত যোগাযোগ কৰাত তেওঁ এই দেওধাই পুখুৰী সংৰক্ষণৰ বিষয়ত আটাছুৱে এক সবল ভূমিকা গ্ৰহণ কৰিব বুলি কয়।



## কমলাবাৰী মণ্ডল সমল কেন্দ্ৰৰ সামূহিক উৎসৱ

**দৈনিক অসমৰ প্ৰতিনিধি**

**জেংৰাইমুখ, ১৪ ডিচেম্বৰ ঃ** সমগ্ৰ শিক্ষা মাজুলী জিলাৰ অধীনত কমলাবাৰী মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত কমলা মিৰি জনজাতি মধ্য ইংৰাজী আৰু ৮৬ নং সোণাপৰা প্ৰাথমিক বিদ্যালয়ৰ সহযোগত কমলা মিৰি জনজাতি মধ্য ইংৰাজী বিদ্যালয়ত ১২ ডিচেম্বৰত দিনজোৰা কাৰ্যসূচীৰে সামূহিক উৎসৱ অনুষ্ঠিত কৰা হয়। সেই অনুসৰি কালি পুৱা বন্তি প্ৰজ্বলন, গছপুলি ৰোপণ, বিশাল সাংস্কৃতিক শোভাযাত্ৰা, সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন, শৈক্ষিক মেলা আদি বৰ্ণাঢ্য কাৰ্যসূচী সম্পন্ন কৰা হয়। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৱৰত্ন কাকতিয়ে। গছপুলি ৰোপণ কৰে ৮৬ নং সোণাপৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী বীণা বৰাই। বন্তি প্ৰজ্বলন কৰি খেল-ধেমালি শুভাৰম্ভণি কৰে কমলা মিৰি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক অভিনাথ পামেগামে। কমলাবাৰী মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক মনোজ্যোতি ৰেগনে আঁত ধৰা সভাত সভাপতিত্ব কৰে মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জগতজ্যোতি সাতোলাই।

## মৰিয়নিত যুৱতীৰ শালীনতা হানিৰ অপচেষ্টা

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰিয়নি, ১৪ ডিচেম্বৰ ঃ** মৰিয়নি নগৰৰ এন এছ টি তিনিআলিৰ সমীপত নতুনকৈ স্থাপন কৰা জগদম্বা ভৱন এণ্ড ল'জ নামৰ এটা বিবাহ ভৱনত কালি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। দুপৰীয়া জগদম্বা ল'জত কৰ্মৰত এগৰাকী যুৱতী কৰ্মচাৰীক মৰিয়নিৰ প্ৰতিষ্ঠিত ব্যৱসায়ী তথা উক্ত ভৱনটোৰ স্বত্বাধিকাৰী ৰাম অৱতাৰ আগৰৱালাই অশালীন আচৰণ কৰে। সেই সময়ত তাত আন এগৰাকী যুৱতী আছিল যদিও পৰিস্থিতি প্ৰত্যক্ষ কৰি মেনেজাৰক ক'বলৈ বুলি আঁতৰি যায়। পিছত নিৰ্যাতিত যুৱতীগৰাকী লম্পট ৰাম অৱতাৰৰ কবলৰ পৰা কোনোমতে পলাই আহি ওচৰতে থকা আন লোকক ঘটনাৰ বিষয়ে অৱগত কৰে। পাছত পৰিয়ালৰ লোকে চি চি টিভিৰ ফুটেজ প্ৰত্যক্ষ কৰি সমগ্ৰ ঘটনাৰ বিষয়ে অৱগত হোৱাৰ পিছতেই উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ইফালে, পৰিস্থিতি উত্তপ্ত হোৱাত স্থানীয় লোকে মৰিয়নিৰ আৰক্ষীক অৱগত কৰে। কিন্তু প্ৰায় এঘণ্টা পিছতহে আৰক্ষী উপস্থিত হয়। আৰক্ষীৰ উপস্থিতিতে একাংশ উত্তেজিত লোকে ৰাম অৱতাৰক উত্তম-মধ্যম শোধায়। ইফালে, প্ৰায় তিনি সপ্তাহ পূৰ্বে কামত যোগদান কৰা ভুক্তভোগী যুৱতীগৰাকীয়ে দিয়া অভিযোগ অনুসৰি অভিযুক্ত ৰাম অৱতাৰে ইয়াৰ পূৰ্বেও যুৱতীগৰাকীক অশালীন আচৰণৰ অপচেষ্টা চলাইছিল।

## তামুলীছিগা ঘনকান্ত বৰা মহাবিদ্যালয়ত বিনামূলীয়া স্বাস্থ্য শিবিৰ



**দৈনিক অসমৰ প্ৰতিনিধি**

**জাঁজী, ১৪ ডিচেম্বৰ ঃ** তামুলীছিগাৰ ঘনকান্ত বৰা মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ কাৰ্যসূচী বিষয়া সহকাৰী অধ্যাপক সঞ্জীৱ কুমাৰ দত্তৰ তত্ত্বাৱধানত যোৱা ৮ ডিচেম্বৰৰপৰা মহাবিদ্যালয়ৰ প্ৰতিপালিত গৰীয়া পথাৰ গাঁৱত হৈ থকা বিশেষ শিবিৰৰ অংশ হিচাপে গৰীয়া পথাৰ প্ৰাথমিক বিদ্যালয়ত এটা বিনামূলীয়া স্বাস্থ্য শিবিৰ সম্পন্ন হয়। এই শিবিৰত যোৰহাটৰ ডক্টৰ্ছ ক্লাব, ভগামুখ পি এইচ চি আৰু মিছন হাস্পতালৰ বিশেষজ্ঞ চিকিৎসক মেডিচিন বিভাগৰ ডাঃ সঞ্জয় কুটুম্ব, স্ত্ৰী আৰু প্ৰসূতি বিভাগৰ ডাঃ সঞ্জয় বৰা আৰু ডাঃ ইভা ৰাণী মৰাং, শিশুৰোগ বিভাগৰ ডাঃ জিতু দলে, মনোৰোগ বিশেষজ্ঞ ডাঃ মহম্মদ ছাদুল্লা, ডাঃ হীৰক গুপ্তা, দন্ত বিভাগৰ ডাঃ বৰ্ণালী ফাটোৱালী, চকু বিশেষজ্ঞ ডাঃ মনলিছা গৰ্গ, ফাৰ্মাচিষ্ট মইনুল হক চৌধুৰী, মল্লিকা দাস (এএনএম) আদি উপস্থিত থাকি শতাধিক স্থানীয় জনসাধাৰণক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা, পৰামৰ্শ আৰু ঔষধ প্ৰদান কৰে। এই কাৰ্যসূচীত চেণ্ট্ৰেল অব্ মেডিকেল এণ্ড ছেল্‌ছ ৰিপ্ৰেজেণ্টেটিভ ইউনিয়ন নৰ্থ ইষ্ট ৰিজনে ঔষধ আদি যোগান ধৰি পূৰ্ণ সহযোগিতা আগবঢ়ায়। মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে এই শিবিৰত উপস্থিত থাকি মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটক উৎসাহিত কৰে।

**প্ৰাক্তন বিধায়িকাৰ বাহনৰ খুন্দাত আহত যুৱক**

## চৰাইদেউৰ সাপেখাঁতীত দুৰ্ঘটনা

**দৈনিক অসমৰ প্ৰতিনিধি**

**সোণাৰি, ১৪ ডিচেম্বৰ ঃ** চৰাইদেউৰ সাপেখাঁতীৰ নাহৰআলিত কালি এক ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হয়। সোণাৰি বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়িকা নৱনীতা সন্দিকৈৰ এ এছ-৩৩ ডি-০০৬৮ নম্বৰৰ থাৰ বাহনে খুন্দিয়ায় দুই বাইক আৰোহী যুৱকক। সাপেখাঁতীৰ ৰহন তিনিআলিত সংঘটিত হয় এই দুৰ্ঘটনাটো। ঘটনাত গুৰুতৰভাৱে আহত হয় বাইক আৰোহীদ্বয় ইন্দ্ৰজিৎ ছেত্ৰী আৰু গণেশ গুৰুং। আহত ইন্দ্ৰজিতৰ ঘৰ টিপাম চাৰিআলি আৰু গণেশ গুৰুঙৰ ঘৰ সাপেখাঁতীৰ কাষৰীয়া বৰুৱাবাৰীত বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে দুৰ্ঘটনাটো সংঘটিত হোৱাৰ পাছতেই প্ৰাক্তন বিধায়িকা সন্দিকৈয়ে সহযোগীৰ সহায়ত আহত দুই যুৱকক নিজা গাড়ীতে ৰজাপুখুৰীস্থিত চৰাইদেউৰ জিলা চিকিৎসালয়লৈ লৈ যায় যদিও চিকিৎসকে আহত দুয়োগৰাকী যুৱকক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। দুৰ্ঘটনাটোত প্ৰাক্তন বিধায়িকাগৰাকীয়েও সামান্য পৰিমাণে আঘাত পায়।

## টিংখাঙত ফটিক চেতিয়াৰ স্মৃতিচাৰণ

**দৈনিক অসমৰ প্ৰতিনিধি**

**টিংখাং, ১৪ ডিচেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ টিংখাঙৰ ৰাংছোৱাল গাঁৱৰ সৰবৰহী ব্যক্তি তথা সদৌ টাই আহোম ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সদস্য ফটিক চেতিয়াৰ ২৮ নৱেম্বৰত নিজা বাসগৃহত মৃত্যু হয়। কালি তেওঁৰ আদ্যশ্ৰাদ্ধ উপলক্ষে এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। সদৌ টাই আহোম ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক মণ্টু দিহিঙীয়াই আঁত ধৰা অনুষ্ঠানত ৰাজগড় বিদ্যা নিকেতনৰ অধ্যক্ষ যাদৱ গগৈয়ে প্ৰয়াত ছাত্ৰনেতা ফটিক চেতিয়াৰ জীৱনৰ ওপৰত আলোকপাত কৰি কয় যে তেওঁ গাঁওখনত এখন শিক্ষানুষ্ঠান স্থাপন কৰি নিজে শিক্ষকতাৰ লগতে বিভিন্ন সামাজিক কাম-কাজৰ সৈতে জড়িত আছিল। খেতি-বাতি কৰি সচ্ছল জীৱন যাপনেৰে পৰিয়ালক পোহ পাল দিছিল। মানুহক ভাল পোৱাৰ বাবে ফটিক চেতিয়াই সমাজৰ বাবে ত্যাগ স্বীকাৰ কৰি যোৱা বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত টাই আহোম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক অমৰজ্যোতি আৰন্ধৰাই ফটিক চেতিয়াক এগৰাকী স্পষ্টবাদী, নিৰ্ভীক লোক আছিল বুলি উল্লেখ কৰে। অনুষ্ঠানত আটাছুৰ প্ৰাক্তন কৰ্মী অনিল গগৈ, ভদ্ৰেশ্বৰ গগৈ, প্ৰাক্তন শিক্ষক পূৰ্ণ গগৈ, ফটিক চেতিয়াৰ জ্যেষ্ঠ ভাতৃ লক্ষী চেতিয়াই তেওঁক স্মৰণ কৰি চমু বক্তব্য আগবঢ়ায়। অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী নীলাভ নিতা, প্ৰয়াত ফটিক চেতিয়াৰ পত্নী-পুত্ৰ-কন্যাসহ পৰিয়ালবৰ্গ, আত্মীয়-স্বজন প্ৰমুখ্যে স্থানীয় বহুসংখ্যক লোক উপস্থিত থাকে।

## অগৰাতলী বনাঞ্চলৰ চাৰিগৰাকী বনদুৰ্গালৈ বালিপাৰা ফাউণ্ডেচনৰ বঁটা

**দৈনিক অসমৰ প্ৰতিনিধি**

**বোকাখাত, ১৪ ডিচেম্বৰ ঃ** গুৱাহাটীৰ হোটেল ভিভাণ্টাত ১১ ডিচেম্বৰত অনুষ্ঠিত বালিপাৰা ফাউণ্ডেচন নামৰ সংগঠনটোৰ ত্ৰয়োদশ বাৰ্ষিক বঁটা প্ৰদান অনুষ্ঠানত বন আৰু বন্যপ্ৰাণী সুৰক্ষাৰ বাবে সাহসিকতাৰে কাম কৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অগৰাতলী বনাঞ্চলৰ কিং কোব্ৰা বন শিবিৰৰ চাৰিগৰাকী সাহসী বনদুৰ্গালৈ ২০২৫ চনৰ ফৰেষ্ট ৰেঞ্জাৰ এণ্ড গাৰ্ড এৱাৰ্ড আগবঢ়োৱা হয়। উল্লেখ্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ নিষ্ঠাৱান বনকৰ্মীসকলৰ সততা আৰু কৰ্মদক্ষতাৰ বাবেই উদ্যানখন সুৰক্ষিত হৈ আছে। নিষ্ঠা, সাহস আৰু দক্ষতাৰে বনাঞ্চলত কাম কৰা এইসকল মহিলা বনকৰ্মীক প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে 'বনদুৰ্গা' বুলি অভিহিত কৰিছিল। প্ৰায় ১০৮গৰাকী বনদুৰ্গাৰ সৈতে কাজিৰঙাৰ সুৰক্ষাৰ বাবে বনকৰ্মী আৰু বনৰক্ষী হিচাপে সেৱা আগবঢ়োৱা এই মহিলাসকলে উদ্যানখনৰ পাৰিপাৰ্শ্বিক ভাৰসাম্য ৰক্ষাৰ লগতে বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। উদ্যানৰ চোৰাং চিকাৰ প্ৰতিৰোধ, পৰিৱেশ উন্নয়ন কাৰ্যকলাপ আৰু ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া অঞ্চলত মানুহ আৰু বন্যপ্ৰাণী সংঘাতৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত এই বনদুৰ্গাসকলৰ অক্লান্ত প্ৰচেষ্টা, তেওঁলোকৰ সাহসিকতাই বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰতি থকা তেওঁলোকৰ গভীৰ দায়িত্ববোধো প্ৰতিফলিত কৰে। সেয়েহে উক্ত অনুষ্ঠানত বন আৰু বন্যপ্ৰাণী সুৰক্ষাৰ বাবে সাহকিতাৰে কাম কৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অগৰাতলী বনাঞ্চলৰ কিং কোব্ৰা বন শিবিৰত কৰ্মৰত বনদুৰ্গা লক্ষীমণি দত্ত, জিতামণি কাকতি, পম্পী বৰা আৰু প্ৰিয়ংকা পেগুক বালিপাৰা ফাউণ্ডেচনৰ তৰফৰপৰা সন্মানিত কৰা হয়। সিদিনা চাৰিওগৰাকী বনদুৰ্গাক এই পুৰস্কাৰ প্ৰদান কৰে প্ৰখ্যাত অভিনেত্ৰী আৰু চলচ্চিত্ৰ নিৰ্মাতা আইমী বৰুৱাই। বালিপাৰা ফাউণ্ডেচনে অগৰাতলি বনাঞ্চলৰ কিং কোব্ৰা বন শিবিৰৰ বনদুৰ্গাসকললৈ আগবঢ়োৱা এই সন্মানৰ বাবে কাজিৰঙাৰ ক্ষেত্ৰ সঞ্চালক ডঃ সোণালী ঘোষে কৃতজ্ঞতা প্ৰকাশ কৰিছে।

## নুমলীগড় শোধনাগাৰত দুৰ্যোগ ব্যৱস্থাপনাৰ আখৰা



**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰঙি, ১৪ ডিচেম্বৰ ঃ** নুমলীগড় শোধনাগাৰৰ মাৰ্কেটিং টাৰ্মিনেলৰ ভিতৰত কালি এটা বিল্ডিং আৰু আন আন ঠাইত অগ্নিকাণ্ড সংঘটিত হয়। অগ্নি নিৰ্বাপনৰ বাবে উপস্থিত হয় কেন্দ্ৰীয় আৰু ৰাজ্যিক অগ্নিনিৰ্বাপক বাহিনীৰ দল। কেন্দ্ৰীয় আৰু ৰাজ্যিক অগ্নিনিৰ্বাপক বাহিনীৰ বৃহৎ দল উপস্থিত হৈ জুই নিৰ্বাপনৰ সকলো ধৰণৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে। বিল্ডিঙৰ ভিতৰত জুইৰ মাজত আবদ্ধ হৈ পৰা দুজন লোক আৰু এটি শিশুক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। অগ্নিকাণ্ড সংঘটিত হ'লে কিদৰে সাৱধানতা ল'ব লাগে বা তাৎক্ষণিকভাৱে নিজাববীয়াকৈ কি ব্যৱস্থাপনা গ্ৰহণ কৰিব লাগে এইয়া জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ উদ্যোগত নুমলীগড় শোধনাগাৰৰ মাৰ্কেটিং টাৰ্মিনেলৰ ভিতৰত আয়োজন কৰা হয় এনে আখৰা। অবাঞ্ছিতভাৱে হোৱা এনে ঘটনাৰপৰা কেনেদৰে আক্ৰান্তসকলক উদ্ধাৰ কৰিব পাৰি এয়া আছিল তাৰ এক সতৰ্কতামূলক বাৰ্তাহে। দুৰ্যোগ ব্যৱস্থাপনা বিভাগে কৰ্মচাৰীসকলৰ মাজত এই মকড্ৰিলৰ জৰিয়তে সজাগতা সৃষ্টি কৰে। মকড্ৰিলত গোলাঘাট জিলা প্ৰশাসনৰ কেইবাজনো বিষয়া, শীৰ্ষ আৰক্ষী বিষয়া উপস্থিত থাকে।

## গোলাঘাটত বিহু পাঠ্যক্ৰমৰ প্ৰশিক্ষণ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ধনশিৰি, ১৪ ডিচেম্বৰ ঃ** অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ সংমণ্ডল-২ আৰু বিহু সুৰক্ষা সমিতি, অসমৰ গোলাঘাট জিলা সমিতিৰ উদ্যোগত উচ্চতৰ মাধ্যমিকৰ প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ বিহু বিষয়ৰ ব্যৱহাৰিক পাঠদান সম্পৰ্কত বিষয় শিক্ষকসকলক লৈ ১০ ডিচেম্বৰৰপৰা ১২ ডিচেম্বৰলৈকে তিনিদিনীয়া কাৰ্যসূচীৰে শিক্ষক প্ৰশিক্ষণৰ এক জিলাভিত্তিক কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। গোলাঘাটৰ বেংগলী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত উক্ত প্ৰশিক্ষণৰ প্ৰথম দিনাৰ কাৰ্যসূচী উদ্বোধন কৰে কমাৰবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ লোকেন্দ্ৰ নাথ বৰাই। প্ৰশিক্ষণ কালছোৱাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি অৱসৰপ্ৰাপ্ত শিক্ষক অপুল কুমাৰ বৰা, অনাতাঁৰ শিল্পী ৰাজেন মহন্ত, শিক্ষক হীৰেশ্বৰ সোণোৱাল, নীৰু নাথ, শিক্ষা বিষয়া অৱনী গগৈ, অৱসৰপ্ৰাপ্ত অধ্যাপক দীনেশ গগৈকে প্ৰমুখ্য কৰি বিহুৰ অভিজ্ঞতাৰে পৰিপুষ্ট লোকসকলে বিহুৰ তাত্ত্বিক দিশসমূহৰ বিষয়ে আলোকপাত কৰে। ইপিনে, বিহু সুৰক্ষা সমিতিৰ প্ৰশিক্ষণপ্ৰাপ্ত বিষয়ববীয়াসকলে বিহুৰ ব্যৱহাৰিক দিশসমূহৰ শিক্ষা প্ৰদান কৰে। সমগ্ৰ কাৰ্যসূচীটোত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে বিহু সুৰক্ষা সমিতি, অসমৰ প্ৰধান সম্পাদক ৰেৱ বৰা আৰু প্ৰশিক্ষণ কাৰ্যসূচীটোৰ তত্ত্বাৱধানত আছিল বিহু সুৰক্ষা সমিতিৰ, গোলাঘাট জিলাৰ সম্পাদক খগেন নাওশলীয়া ফুকন।

## গোলাঘাটত বিজেপিৰ মহিলা মৰ্চাৰ সাংগঠনিক সভা

**দৈনিক অসমৰ প্ৰতিনিধি**

**গোলাঘাট, ১৪ ডিচেম্বৰ ঃ** '২৬ৰ বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগেই ৰাজ্যত বৃদ্ধি পাইছে প্ৰতিটো ৰাজনৈতিক দলৰ তৎপৰতা। গোলাঘাটত বিজেপিৰ জিলা সমিতিৰ লগতে প্ৰতিটো মৰ্চাই পৃথকে পৃথকে সাংগঠনিক সভা অনুষ্ঠিত কৰি প্ৰতিগৰাকী সাধাৰণ ভোটাৰৰ মন জয় কৰাত নামি পৰিছে। কালি গোলাঘাটৰ বিজেপি কাৰ্যালয়ত বিজেপিৰ মহিলা মৰ্চাৰ ৰাজ্যিক সভানেত্ৰী নিলীমা দেৱী উপস্থিত হৈ মহিলা মৰ্চাৰ এক সাংগঠনিক সভাত অংশগ্ৰহণ কৰে। মহিলা মৰ্চাৰ সভানেত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত উল্লেখ কৰে যে এইবাৰ বিজেপিত মহিলা প্ৰাৰ্থীৰ সংখ্যা বৃদ্ধি পাব। বৰ্তমান তিনিগৰাকী বিজেপিৰ বিধায়িকা থকাৰ বিপৰীতে '২৬ৰ বিধানসভা নিৰ্বাচনত ১০গৰাকীলৈ বৃদ্ধি পোৱাৰ কথা উল্লেখ কৰে সভানেত্ৰীগৰাকীয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে '২৬ৰ নিৰ্বাচনত মহিলা আৰু যুৱ শক্তিক প্ৰাধান্য দিয়াৰ কথা উল্লেখ কৰাৰ পাছতেই একপ্ৰকাৰ উৎসাহী হৈছে মহিলা প্ৰাৰ্থীসকল। মহিলা মৰ্চাৰ ৰাজ্যিক সভানেত্ৰীগৰাকীৰ লগতে সাংগঠনিক সভাখনত উপস্থিত থাকে বিজেপিৰ জিলা সভাপতি চন্দ্ৰজ্যোতি ঠাকুৰ, ৰাজ্যিক সম্পাদিকা বিস্মিতা গগৈ, মহিলা মৰ্চাৰ ৰাজ্যিক সম্পাদিকা আশা বৰদলৈ, কাৰ্যালয় সম্পাদিকা গাৰ্গী হাজৰিকা, প্ৰাক্তন জিলা সভাপতিদ্বয় মৃদুল দত্ত, দেৱ প্ৰদীপ বৰা, মহিলা মৰ্চাৰ জিলা সভানেত্ৰী লিপিকা বৰাৰ লগতে বহু বিষয়ববীয়া আৰু নেতা-কৰ্মী।



## দিখৌমুখত ভাৰতীয় ডাকসেৱাৰ সজাগতা সভা

**দৈনিক অসমৰ প্ৰতিনিধি**

**গৌৰীসাগৰ, ১৪ ডিচেম্বৰ ঃ** দিখৌমুখত ১২ ডিচেম্বৰত ভাৰতীয় ডাকসেৱাৰ এখন সজাগতা সভা অনুষ্ঠিত হয়। ডাকসেৱাৰ শিৱসাগৰ সংমণ্ডলৰ উদ্যোগত তথা দিখৌমুখ ভৰলুৱা তিনিআলি ডাকঘৰৰ সহযোগত অনুষ্ঠিত সভাখনত ডাকসেৱাৰ বিভিন্ন সা-সুবিধা সম্পৰ্কত সজাগতা সভাখনত আলোচনা কৰা হয়। দিখৌমুখ গাঁও পঞ্চায়তৰ কাৰ্যালয়ত অনুষ্ঠিত সভাখনত স্থানীয় সমাজকৰ্মী তথা পক্ষীবিদ হীৰেন দত্তই আঁত ধৰে আৰু শিৱসাগৰ সংমণ্ডলৰ উপ-ডাক পৰিদৰ্শক ইক্ৰাম হুছেইন উপস্থিত থাকি সাধাৰণ ৰাইজে কেন্দ্ৰীয় চৰকাৰৰ অন্যতম পুৰণি বিত্তীয় প্ৰতিষ্ঠান ভাৰতীয় ডাকসেৱাৰপৰা পাব লগা সা-সুবিধা সম্পৰ্কে বিতং বিৱৰণ আগবঢ়ায়। সভাত আন এজন বিশিষ্ট অতিথি ডাক বিভাগৰ উন্নয়ন বিষয়া প্ৰণৱ বৰপাত্ৰগোহাঁয়ে ১৮৮৪ চনৰ পৰাই চলি থকা ডাকসেৱাৰ জীৱন বীমা সম্পৰ্কে ৰাইজক পুংখানুপুংখভাৱে অৱগত কৰি কয় যে ভাৰতৰ আন আন বিত্তীয় প্ৰতিষ্ঠানসমূহৰ দৰে ডাক বিভাগতো সকলো সুবিধা উপলব্ধ। সভাত দিখৌমুখ গাঁও পঞ্চায়তৰ সভানেত্ৰী প্ৰণিমা সাউদ, অৱসৰপ্ৰাপ্ত শিক্ষক বকুল নেওগ, সাংবাদিক নৱজ্যোতি ওজা, সমাজকৰ্মী হীৰেন দত্ত, ভৰলুৱা তিনিআলি ডাকঘৰৰ পোষ্ট মাষ্টৰ পবিত্ৰ বৰাকে ধৰি বহু গণ্য-মান্য ব্যক্তিৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

## মৰাণৰ ছেইণ্ট যোছেফ স্কুলৰ সোণালী জয়ন্তীৰ শুভাৰম্ভ

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰাণ, ১৪ ডিচেম্বৰ ঃ** মৰাণৰ ছেইণ্ট যোছেফ হায়াৰ ছেকেণ্ডাৰী স্কুলৰ সোণালী জয়ন্তী কালিৰেপৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শুভাৰম্ভ হৈছে। তদুপলক্ষে কালি পুৱাই বিদ্যালয় চৌহদৰ পৰা এক বিশাল আৰু মনোমোহা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাৰ পূৰ্বে অসমীয়া সংগীত জগতৰ নক্ষত্ৰ, হিয়াৰ আমঠু শিল্পী প্ৰয়াত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি উৎসৱ আৰম্ভ কৰা হয়। ইয়াৰ পাছতেই আৰম্ভ হোৱা শোভাযাত্ৰাত অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি আৰু ঐতিহ্যৰ অনুপম সমাহাৰ লক্ষ্য কৰা যায়। 'সাতভনী উত্তৰ-পূৰ্বাঞ্চল'ৰ সাংস্কৃতিক ঐক্যক প্ৰতিফলিত কৰা এই শোভাযাত্ৰাই পথচাৰীসকলক আকৃষ্ট কৰিবলৈ সক্ষম হয়। উক্ত শোভাযাত্ৰাত দুই সহস্ৰাধিক ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু স্থানীয় ৰাইজে উৎসাহ-উদ্দীপনাৰে অংশগ্ৰহণ কৰে। নৃত্য-গীত, লোকবাদ্য, পৰম্পৰাগত সাজ-পোছাক আৰু ৰঙীন বেনাৰ-ফেষ্টুনে শোভাযাত্ৰাক অধিক বৰ্ণাঢ্য কৰি তোলে। উদ্যোক্তাসকলৰ মতে ১৬ ডিচেম্বৰলৈকে চলিবলগীয়া এই সোণালী জয়ন্তী সমাৰোহত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা বিভিন্ন সাংস্কৃতিক অনুষ্ঠান, প্ৰতিযোগিতা আৰু বিশেষ কাৰ্যসূচী পৰিৱেশন কৰা হ'ব। লগতে উৎসৱৰ অন্তিম দিনা বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ বিশেষ সমাৰোহ অনুষ্ঠিত হ'ব বুলি জানিবলৈ দিয়ে আয়োজকসকলে। উল্লেখ্য যে শিক্ষাৰ ক্ষেত্ৰত সুদীৰ্ঘ ৫০ বছৰৰ গৌৰৱোজ্জ্বল যাত্ৰা সম্পূৰ্ণ কৰা ছেইণ্ট যোছেফ হায়াৰ ছেকেণ্ডাৰী স্কুলৰ এই সোণালী জয়ন্তী সমাৰোহে শিক্ষাৰ লগতে সংস্কৃতি আৰু ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰতো এক বিশেষ মাইল-ফলক হিচাপে পৰিগণিত হৈছে।

**ডাঃ গায়ত্ৰী পলট, ডাঃ কবীন্দ্ৰ ভাগৱতী, ডাঃ এম এন বৰুৱা, 'কৰুণাধাৰা'ক বঁটা প্ৰদান**

## কেন্সাৰ সজাগতা সংস্থা 'প্ৰতিশ্ৰুতি'ৰ বৰ্ষপূৰ্তি উদ্‌যাপন

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিব্ৰুগড়, ১৪ ডিচেম্বৰ ঃ** কেন্সাৰ সজাগতা আৰু প্ৰতিৰোধৰ হকে কাম কৰি অহা উজনিৰ ডিব্ৰুগড়স্থিত প্ৰতিশ্ৰুতি কেন্সাৰ এণ্ড পেলিয়েটিভ ট্ৰাষ্ট, চমুকৈ 'প্ৰতিশ্ৰুতি'য়ে আজি প্ৰতিষ্ঠাৰ অষ্টম বৰ্ষ সম্পূৰ্ণ কৰি নৱম বৰ্ষত ভৰি দিলে। এই উপলক্ষে কালি দিনজোৰা কাৰ্যসূচীৰে বৈৰাগীমঠস্থিত ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ আউটড'ৰ ষ্টেডিয়ামৰ সভাকক্ষত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সংগঠনটোৱে কেন্সাৰৰ ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়োৱাৰ বাবে ডাঃ হেৰম্ব কুমাৰ ভৰালী সোঁৱৰণী বঁটা প্ৰদান কৰে ডাঃ মুনীন্দ্ৰ নাৰায়ণ বৰুৱাক। লগতে কেন্সাৰৰ উৎকৃষ্ট উপশমী চিকিৎসা সেৱা আগবঢ়োৱাৰ বাবে ডাঃ কবীন্দ্ৰ ভাগৱতীক প্ৰদান কৰা হয় ডঃ প্ৰহ্লাদ কুমাৰ বৰুৱা সোঁৱৰণী বঁটা। সেইদৰে ডি কে গগৈ শাস্ত্ৰী সোঁৱৰণী উপশমী সেৱা নেতৃত্ব বঁটা প্ৰদান কৰা হয় হায়দৰাবাদৰ উপশমী সেৱাত অগ্ৰণী ব্যক্তি ডাঃ গায়ত্ৰী পলটক। আনহাতে অশ্বিনীচৰণ চৌধুৰী সোঁৱৰণী কেন্সাৰ প্ৰতিৰোধী সমাজসেৱা বঁটা প্ৰদান কৰা হয় গুৱাহাটীৰ 'কৰুণাধাৰা ট্ৰাষ্ট'ক। ইয়াৰ লগতে 'প্ৰতিশ্ৰুতি'ৰ মিডিয়া বঁটা এইবাৰ প্ৰদান কৰা হয় ডিব্ৰুগড়ৰ জ্যেষ্ঠ সাংবাদিক অনিল পোদ্দাৰক। বঁটাপ্ৰাপকসকলক




প্ৰশংসাপত্ৰ, স্মাৰক, অংগবস্ত্ৰ, আৰনাই আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। তদুপৰি নগদ ধনসহ স্মাৰক, অংগবস্ত্ৰ, আৰনাই আদিৰে সংগঠনটোৰ বীৰেন্দ্ৰনাথ বৰঠাকুৰ সোঁৱৰণী শ্ৰেষ্ঠ ভলণ্টিয়াৰ বঁটা প্ৰদান কৰা হয় গুৱাহাটীৰ সীমা দেৱী হকক। 'প্ৰতিশ্ৰুতি'ৰ সভাপতি তথা বিশিষ্ট শিক্ষাবিদ, গুৱাহাটীৰ ৰয়েল গ্ল'বেল ইউনিভাৰ্ছিটীৰ উপাচাৰ্য ডঃ অলক কুমাৰ বুঢ়াগোহাঁয়ে আদৰণী ভাষণ দিয়ে। উক্ত অনুষ্ঠানত 'প্ৰতিশ্ৰুতি'ৰ মুখপত্ৰখনিও উন্মোচন কৰে ডঃ অলক কুমাৰ বুঢ়াগোহাঁয়ে। অনুষ্ঠানত 'প্ৰতিশ্ৰুতি'ৰ দ্বাৰা সম্বৰ্ধিত কেউগৰাকী ব্যক্তিৰ লগতে 'কৰুণাধাৰা ট্ৰাষ্ট'ৰ হৈ ডাঃ ৰুবী কটকীয়ে নিজৰ অনুভৱ ব্যক্ত কৰে। 'প্ৰতিশ্ৰুতি'ৰ কোষাধ্যক্ষ মঞ্জুলা আগৰৱাল আৰু সম্পাদক পান্না ভৰালীয়ে আঁত ধৰা অনুষ্ঠানত 'প্ৰতিশ্ৰুতি'ৰ অবৈতনিক সঞ্চালক ডাঃ গায়ত্ৰী গগৈয়ে সংগঠনটোৰ কাম-কাজ সম্পৰ্কত আলোকপাত কৰে। অনুষ্ঠানত 'এইচপিভি ভেকচিন চেম্পিয়ন' হিচাপে চাৰিগৰাকী চিকিৎসক ক্ৰমে অনন্যা বৰুৱা, তৃষ্ণাশ্ৰী বৰা, দেৱাৰ্চনা বৰা, শাৰদজ্যোৎস্না অনন্যা শইকীয়াক মানপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত গুৱাহাটীৰ দাতা বাবুল পাঠকে ৫০ হেজাৰ টকা আৰু ধেমাজি বিজু বড়া দত্তই 'প্ৰজেক্ট সম্ভৱ' আঁচনিৰ বাবে ১০ হেজাৰ টকাৰ চেক প্ৰদান কৰে। 'প্ৰতিশ্ৰুতি'ৰ উপ-সভাপতি দীপালি শইকীয়াই শলাগ জ্ঞাপন কৰা অনুষ্ঠানত কৰুণাধাৰা ট্ৰাষ্টৰ কাৰ্যবাহী সদস্য দেৱজিৎ হাজৰিকাকে ধৰি 'প্ৰতিশ্ৰুতি'ৰ পেনেলৰ চিকিৎসকবৃন্দ, বিষয়ববীয়া, দাতা, ৰোগীৰ পৰিয়ালবৰ্গকে ধৰি শতাধিক ব্যক্তি উপস্থিত থাকে। আনহাতে পুৱাৰ পৰা দুপৰীয়ালৈকে অনুষ্ঠিত 'ফিজিঅ'থেৰাপী ছাপ'ৰ্ট ইন পেলিয়েটিভ কেয়াৰ উইথ এ ফ'কাছ ইন লিমফ'ডেমা' শীৰ্ষক কৰ্মশালাখনি উদ্বোধন কৰে মুম্বাইৰ উপশমী চিকিৎসা বিশেষজ্ঞ ডঃ কে ভি গণপতিয়ে। 'প্ৰতিশ্ৰুতি'ৰ যুটীয়া সম্পাদক ডাঃ গৌৰাংগী গগৈয়ে আদৰণী ভাষণ দিয়ে কৰ্মশালাত হায়দৰাবাদৰ ডাঃ গায়ত্ৰী পলত, ডিব্ৰুগড়ৰ ডাঃ কাবেৰী বৰা, ডাঃ ৰাছিম আক্ৰামূল হকে বিষয়টোৰ সম্পৰ্কত সাৰুৱা বক্তব্য আগবঢ়ায়। ডাঃ গায়ত্ৰী গগৈয়ে আঁত ধৰা উক্ত কৰ্মশালাৰ সঞ্চালনা কৰে ডাঃ কবীন্দ্ৰ ভাগৱতী আৰু ডাঃ প্ৰবীণ ঠাকুৰে। উক্ত অনুষ্ঠানতে 'প্ৰতিশ্ৰুতি'ৰ 'আৰ থ্ৰী প্ৰজেক্ট'ৰ অধীনত কাম কৰা কৰ্মী সোণতৰা গগৈ, হালিমা বেগম, মামণি গগৈ, নিৰু কলিতা, শোভা দেৱী, মীনা তাঁতীক প্ৰটিন পাউডাৰসহ কিছু গৰম বস্ত্ৰ আৰু নগদ ধন আগবঢ়োৱা হয়। অনুষ্ঠানত ডাঃ দিলীপ কিলিং, ডাঃ আশা বৰা আদিয়ে নিজৰ অনুভৱ ব্যক্ত কৰে। এই অনুষ্ঠানটিৰ আঁত ধৰে ডাঃ দীপশিখা ঠেঙালে। সন্ধিয়ালৈ 'প্ৰতিশ্ৰুতি'ৰ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়।








## সমবায় মেলাত পথ নাটৰ জৰিয়তে যুৱ সচেতনতা

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ সমবায় বিভাগৰ উদ্যোগত চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত অনুষ্ঠিত হৈ থকা 'চতুৰ্থ সমবায় মেলা ২০২৫'ৰ আজি দ্বিতীয় দিনৰ কাৰ্যসূচীত সুৰজিৎ একাডেমীৰ উদ্যোগত 'মহাজনৰ দ্বাৰা শোষণ আৰু যুৱ সচেতনতা' বিষয়ক পথ নাট মঞ্চস্থ কৰা হয়। নাটখনৰ পৰিচালনা সীমান্ত শৰ্মাৰ, ৰচনা অসম চৰকাৰৰ সমবায় বিভাগৰ জিলা উপ-পঞ্জীয়ক নীলোৎপল গোহাঁইৰ আৰু নাটখনত সহযোগিতা কৰিছে চয়নিকা হাজৰিকাই। নাটখনত অভিনয় কৰে হেমেন সেনাপতি, বিনীতা দেৱী, ধ্ৰুৱজ্যোতি কলিতা, প্ৰণৱজ্যোতি ৰাভা, তৃষ্ণা কলিতা, পৰিস্মিতা তালুকদাৰ, দেৱ প্ৰতীম গোস্বামী আৰু গণেশ বড়োৱে। পথ নাটখনৰ জৰিয়তে সমাজত সচেতনতা সৃষ্টি কৰাৰ প্ৰচেষ্টা কৰা হয়।

■ কটা যাব বহু মূল্যৱান গছ ঃ স্থানীয় ৰাইজৰ বিৰূপ প্ৰতিক্ৰিয়া ■

# দীপৰ বিলত নিৰ্মাণ হ'ব ৰেলৰে উৰণ সেতু

**দৈনিক অসমৰ প্ৰতিনিধি**

**জালুকবাৰী, ১৪ ডিচেম্বৰ ঃ** প্ৰাকৃতিক সৌন্দৰ্যৰ ৰম্যভূমি দীপৰ বিলৰ দাঁতিকাষৰীয়া চকৰ্দো-মাটিয়া অঞ্চলৰ মাজেৰে পাৰ হৈ যোৱা ৰেল পথটোৰ বাবেই প্ৰায়েই সংঘটিত হৈ আহিছে দুৰ্ঘটনা। এনে দুৰ্ঘটনাৰ বাবে বিভিন্ন সময়ত অতি কৰুণভাৱে বন্যহস্তী মৃত্যুমুখত পৰিবলগীয়া হৈছে। উল্লেখনীয় যে দীপৰ বিলৰ দাঁতিকাষৰীয়া মেঘালয়ৰ খাছি-জয়ন্তীয়া পাহাৰৰ পৰা জলকেলি কৰিবলৈ নামি আহে বন্যহস্তীৰ জাক। দীপৰ বিললৈ এনেদৰে অহা বন্যহস্তীৰ জাক প্ৰায়েই দুৰ্ঘটনাত পতিত হৈ মৃত্যুবৰণ কৰিবলগীয়া হৈছে। তেনেক্ষেত্ৰত দীপৰ বিল সংৰক্ষণৰ হকে মাত মাতি অহা দীপৰ বিল সুৰক্ষা মঞ্চই বন্যহস্তীৰ প্ৰৱেশ পথসমূহ সুৰক্ষিত কৰাৰ লগতে উক্ত স্থানেৰে যোৱা ৰেলপথটো উৰণ সেতুলৈ ৰূপান্তৰ কৰাৰ বাবে ৰাজ্য চৰকাৰক পূৰ্বৰে পৰা দাবী জনাই আহিছে। অৱশেষত চকৰ্দো-মাটিয়া অঞ্চলৰ মাজেৰে পাৰ হৈ যোৱা কামাখ্যা-যোগীঘোপা ৰেলপথটোৰ প্ৰায় পাঁচ কিলোমিটাৰ দৈৰ্ঘ্যৰ আৰু ২১ ফুট উচ্চতাত এখন ৰেলৰে উৰণ সেতু নিৰ্মাণ কৰাৰ বাবে উত্তৰ-পূৱ সীমান্ত ৰেল কৰ্তৃপক্ষই শেহতীয়াভাৱে চকৰ্দো-মাটিয়া অঞ্চলত জৰীপ কাৰ্য আৰম্ভ কৰিছে। কিন্তু লক্ষণীয় কথা এই যে ৰেলৰে উৰণ সেতুখন নিৰ্মাণ কৰাৰ নামত প্ৰাকৃতিক সৌন্দৰ্যৰ ৰম্যভূমি দীপৰ বিলৰ পাৰত থকা বহু পুৰণি যথেষ্টসংখ্যক বিবিধ প্ৰজাতিৰ গছ কটা যাব। তাকে লৈ স্থানীয় ৰাইজৰ মাজত আৰম্ভ হৈছে ব্যাপক প্ৰতিক্ৰিয়া। কিয়নো প্ৰতিবছৰে দীপৰ বিললৈ ডিচেম্বৰ-জানুৱাৰী মাহত দূৰ-দূৰণিৰ পৰা বনভোজ খাবলৈ অহা দলে দীপৰ বিলৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰি আপ্লুত হৈ পৰে। ইয়াৰ সমান্তৰালকৈ দীপৰ বিলৰ পাৰত থকা গছসমূহে বৃহত্তৰ অঞ্চলটোৰ লগতে ঐতিহাসিক বিলখনৰ পাৰিপাৰ্শ্বিক ভাৰসাম্য ৰক্ষা কৰাৰ ক্ষেত্ৰতো বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। তেনেক্ষেত্ৰত দীপৰ বিল সুৰক্ষা মঞ্চৰ সাধাৰণ সম্পাদক প্ৰমোদ কলিতাই সদৰি কৰা মতে, বিগত সময়ত ১৫ টা বন্যহস্তী ইতিমধ্যে নিশাৰ ভাগত ৰেলপথ অতিক্ৰম কৰিবলৈ লোৱা মুহূৰ্তত ৰেলৰ খুন্দাত কৰুণভাৱে মৃত্যুমুখত পৰিছে। শেহতীয়াভাৱে ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ তৎপৰতাত তথা উত্তৰ-পূৱ সীমান্ত ৰেলৰ উদ্যোগত যিখন উৰণ সেতু নিৰ্মাণৰ প্ৰাক্‌কলন প্ৰস্তুত কৰিছে, সেই পদক্ষেপক আমি আদৰণি জনাইছোঁ। কিন্তু শেহতীয়াভাৱে বন বিভাগে দীপৰ বিলৰ পাৰত থকা গছসমূহ কটাৰ ক্ষেত্ৰত বিভাগীয়ভাৱে জৰীপ কৰি গছসমূহত কেতবোৰ নম্বৰ দিয়াৰ যি পদক্ষেপ গ্ৰহণ কৰিছে, সেই সন্দৰ্ভত আমি বন বিভাগক অনুৰোধ জনাব বিচাৰোঁ যে অতি পুৰণি গছসমূহৰ যিখিনি নাকাটিলে নহয়, সেইখিনি কাটি প্ৰয়োজন সাপেক্ষে পুৰণি গছসমূহৰ ঠাল-ঠেঙুলি কাটি উৰণ সেতু নিৰ্মাণ কৰিব লাগে। অনাহকত পুৰণি মূল্যৱান গছসমূহৰ ঠাল-ঠেঙুলি কাটি উৰণ সেতু নিৰ্মাণ হ'লে বন্যহস্তীৰ জীৱনো সুৰক্ষিত হ'ব আৰু দীপৰ বিলৰ পাৰিপাৰ্শ্বিক ভাৰসাম্যও বৰ্তি থাকিব।



## গড়চুকৰ কটাহবাৰীত এজনৰ ৰহস্যজনক মৃত্যু

**দৈনিক অসমৰ প্ৰতিনিধি**

**গড়চুক, ১৪ ডিচেম্বৰ ঃ** গুৱাহাটীৰ গড়চুক অঞ্চলৰ কটাহবাৰী ১নং মছজিদৰ পিছ ফালৰ আৱাসিক এলেকাত আজি দিনৰ ভাগত প্ৰবীণ দাস নামৰ এজন লোকৰ ৰহস্যজনক মৃত্যুক লৈ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। আৱাসিক এলেকাটোৰ ভাৰাঘৰত প্ৰবীণ দাসে বহু বছৰ ধৰি পত্নী আৰু একমাত্ৰ সন্তানৰ সৈতে বাস কৰিছিল। জন্ম স্থান বেজেৰাৰ পৰা আহি উক্ত ভাৰাঘৰত থাকি পতি-পত্নী দুয়োৰে হাজিৰা কৰি চলিছিল। ওচৰ-চুবুৰীয়াই কোৱামতে, পতি-পত্নীৰ মাজত সময়ে সময়ে খুট-খাট হাই-কাজিয়া চলিছিল। বেজেৰাত কনিষ্ঠ ভাতৃকে ধৰি প্ৰয়াত দাসৰ আপোন লোক থকা বুলি জানিব পৰা গৈছে। গড়চুক থানাৰ আৰক্ষী বিষয়াই মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে জি এম চি এইচলৈ প্ৰেৰণ কৰে।

## ছলাপাৰাত মৃতদেহ উদ্ধাৰ

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** গুৱাহাটী মহানগৰীৰ পল্টনবজাৰ আৰক্ষী থানাৰ অন্তৰ্গত ছলাপাৰাৰ ঘাইপথৰ দাঁতিত পল্টনবজাৰ আৰক্ষীয়ে উদ্ধাৰ কৰা এটা পুৰুষৰ মৃতদেহ চিনাক্তকৰণৰ বাবে সম্প্ৰতি জি এম চি এইচৰ মৰ্গত ৰখা হৈছে। এই মৃতদেহটো প্ৰত্যক্ষদৰ্শীৰ খবৰৰ ভিত্তিত আজি পুৱাৰ ভাগত পল্টনবজাৰ আৰক্ষীয়ে ছলাপাৰাৰ পৰা উদ্ধাৰ কৰি জি এম চি এইচলৈ প্ৰেৰণ কৰে। আজি জি এম চি এইচত মৃতদেহটোৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পিছত চিনাক্তকৰণৰ বাবে মৰ্গত ৰখা হৈছে বুলি পল্টনবজাৰ আৰক্ষীয়ে জানিবলৈ দিছে। জিন্‌ছৰ লংপেণ্ট আৰু জেকেট পৰিহিত অৱস্থাত উদ্ধাৰ হোৱা মৃতদেহটো আনুমানিক প্ৰায় ২১ বছৰীয়া যুৱকৰ বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে থানাত এটা গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

## বশিষ্ঠত পথ দুৰ্ঘটনা

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** বশিষ্ঠৰ উৰণ সেতুৰ সমীপত আজি সংঘটিত পথ দুৰ্ঘটনাত এ এছ-০১ জি এইচ-৩২১৪ নম্বৰৰ তীব্ৰ বেগী স্কৰপিঅ' বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই ডিভাইডাৰত খুন্দা মাৰি লুটিবাগৰ খায়।বাহনখনত ৭ জনকৈ যুৱক আহত হোৱাৰ লগতে বাহনখনৰো বিস্তৰ ক্ষতি হয়। ঘটনাস্থলীত আৰক্ষীৰ দল উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত যুৱককেইজন আৰু বাহনখন উদ্ধাৰ কৰে।

খানাপাৰাত ব্ৰহ্মপুত্ৰ মেণ্ডোলিনছৰ মেণ্ডোফেষ্ট, ২০২৫

## মেণ্ডোলিনৰ সুৰৰ লহৰত জীপাল অনুষ্ঠান

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** ব্ৰহ্মপুত্ৰ মেণ্ডোলিনছে আজি খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ত দ্বিতীয় বাৰ্ষিক 'মেণ্ডোফেষ্ট, ২০২৫' অনুষ্ঠিত কৰে। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি বন্তি প্ৰজ্বলন, উদ্বোধনী অনুষ্ঠানৰ পাছতে বাৰ্ষিক সাধাৰণ সভাখন অনুষ্ঠিত হয়। সভাত মুখ্য অতিথি হিচাপে ভাগ লয় পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ ডীন ডঃ বি এন শইকীয়া, সন্মানীয় অতিথি হিচাপে জয়প্ৰকাশ বৰুৱা আৰু বিশিষ্ট অতিথি হিচাপে ভাগ লয় ব্ৰহ্মপুত্ৰ মেণ্ডোলিনছৰ উপদেষ্টা শান্তনু ঠাকুৰ, দিলীপ ৰাচাইলি, ডঃ শিৱ



গগৈ, সভাপতি ডঃ মোহন লাল ব্ৰহ্ম, কাৰ্যকৰী সভাপতি মুকুট বুঢ়াগোহাঁই আৰু সাধাৰণ সম্পাদক ডঃ অপূৰ্ব কুমাৰ মেধি। অনুষ্ঠানত ভাগ লৈ সভাপতি ডঃ মোহন লাল ব্ৰহ্মই কয় যে মেণ্ডোলিন শিক্ষাৰ প্ৰসাৰ বৃদ্ধিৰ বাবে ব্ৰহ্মপুত্ৰ মেণ্ডোলিনছে এই পদক্ষেপ গ্ৰহণ কৰিছে। আমাৰ কথা হ'ল যে আমি কিয় সদায় কলিকতাৰ পৰা মেণ্ডোলিন কিনিব লাগে। অসমত এনেকুৱা এটা অৱস্থা হওক যে কলিকতাবাসীয়ে অসমৰ পৰা মেণ্ডোলিন কিনক। ইয়াৰ পাছতে এক সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বিয়লিৰ পৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা কেইবাগৰাকীও মেণ্ডোলিন বাদকে মেণ্ডোলিন শৈলীৰে সুৰৰ লহৰ তুলি উপস্থিত ৰাইজক আপ্লুত কৰে।

## দগৰ চন্দ্ৰ ৰাভাৰ মৃত্যু

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত অনুষ্ঠান কাৰ্যবাহী দগৰ চন্দ্ৰ ৰাভাৰ আজি তেওঁৰ গুৱাহাটীৰ আৰ্যনগৰ ভাস্কৰ নগৰৰ বাসভৱনত বাৰ্দ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৫ বছৰ। উত্তৰ-পূৰ্বাঞ্চলৰ আকাশবাণীৰ বিভিন্ন কেন্দ্ৰত সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰা ৰাভা আছিল এগৰাকী প্ৰকৃত জ্ঞান পিপাসু ব্যক্তি। তেওঁৰ ব্যক্তিগত পুথিভঁৰালত সাহিত্য, সংস্কৃতি, ইতিহাস, আধ্যাত্মিক, সমালোচনা আদি বিভিন্ন বিষয়ৰ অসমীয়া, ইংৰাজী, বাংলা, হিন্দী, ৰাভা আৰু বড়ো ভাষাকে ধৰি বিভিন্ন ভাষাৰ কেইবাহেজাৰ গ্ৰন্থই স্থান পাইছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সমূহ বিষয়া-কৰ্মচাৰীয়ে ৰাভাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

## 'হিতাধিকাৰী আঁচনি আৰু মহিলা সবলীকৰণ' সন্দৰ্ভত কৰ্মশালা



**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** অসম মহিলা সংঘৰ গুৱাহাটী জিলা মহানগৰ কমিটীৰ উদোগত আজি চন্দ্ৰপ্ৰভা শইকীয়ানী ভৱনত মহিলাসকলৰ মাজত সজাগতামূলক এক কৰ্মশালা অনুষ্ঠিত হয়। ইয়াছমিন আৰা বেগমৰ সভাপতিত্বত অনুষ্ঠিত কৰ্মশালাৰ বিষয়বস্তু 'হিতাধিকাৰী আঁচনি আৰু মহিলা সবলীকৰণ' সন্দৰ্ভত ব্যাখ্যা কৰি সাম্প্ৰতিক দেশৰ লগতে অসমৰ মহিলাসকলৰ আৰ্থ-সামাজিক, ৰাজনৈতিক অৱস্থিতি আলোচনা কৰে ৰাজ্যিক সভানেত্ৰী অসমী গগৈয়ে। এইক্ষেত্ৰত মহিলাৰ উন্নয়নৰ বাবে চৰকাৰে ভালেমান আঁচনি গ্ৰহণ কৰিছে যদিও সেয়া সাময়িক সকাহহে। হিতাধিকাৰী আঁচনিৰে চৰকাৰৰ অনুগ্ৰহ প্ৰাৰ্থী হৈহে থাকিব, মহিলাৰ সবলীকৰণত ই সহায় নকৰে। কৰ্মশালাত আমন্ত্ৰিত বক্তা হিচাপে অংশগ্ৰহণ কৰি প্ৰগতিশীল লেখিকা জুনু বৰাই কয়— হিতাধিকাৰী আঁচনিয়ে ব্যক্তিগতভাৱে লাভৱান্বিত কৰিব পাৰে, কিন্তু আৰ্থিকভাৱে স্বাৱলম্বী কৰিব নোৱাৰে। মহিলাসকলক পৰামুখাপেক্ষী কৰি ৰাখিব। ইয়াৰ বিপৰীতে মহিলা সবলীকৰণৰ অৰ্থ হৈছে দেশৰ গণতান্ত্ৰিক ব্যৱস্থাত সমাজৰ সামগ্ৰিক উন্নয়নৰ সৈতে জড়িত শিক্ষা, স্বাস্থ্য, অৰ্থনৈতিক স্বাধীনতা আৰু ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত সমাজৰ অৰ্দ্ধাংশ মহিলাৰ অংশগ্ৰহণ থাকিব লাগিব। কৰ্মশালাত অষ্টমী দেউৰী, অলকানন্দা ডেকা, মিতালী দাসে মতামত আগবঢ়ায়। অনুষ্ঠানত জ্যোৎস্না গাৰো বড়ো আৰু নিজৰা দাসে জুবিন গাৰ্গৰ গীত 'মায়াবিনী' আৰু ভূপেন হাজৰিকাৰ 'মানুহে মানুহৰ বাবে' গীতেৰে সভাৰ সৌষ্ঠৱ বঢ়ায়। অনুষ্ঠানৰ আঁত ধৰে জিলা সম্পাদিকা ৰাজকুমাৰী দেউৰীয়ে।



## 'জীৱনৰ আশীৰ্বাদ' উন্মোচন

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** গুৱাহাটীৰ আমবাৰীস্থিত অসম সাহিত্য সভা ভৱনত আজি লেখিকা মঞ্জিৰা ডেকাৰ 'জীৱনৰ আশীৰ্বাদ' শীৰ্ষক প্ৰবন্ধ সংকলন এখন উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট লেখিকা, যুক্তৰাজ্যৰ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, 'স্নেহবন্ধন'ৰ সভাপতি লণ্ডন নিবাসী মঞ্জিৰা গোস্বামী চৌধুৰী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক অৱনী কুমাৰ ভাগৱতী, ভাৰতীয় ৰেল বিভাগৰ উচ্চপদস্থ বিষয়া, বিশিষ্ট লেখিকা লীনা শৰ্মা, বিশিষ্ট বুদ্ধিজীৱী ময়ূৰ বৰা, বিশিষ্ট সাংবাদিক পৰাগমণি আদিত্য আৰু কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক জয়দেৱ বৰুৱাই। অনুষ্ঠানত হোমেন বৰগোহাঞিৰ সম্পাদিত 'নাগৰিক'ত মস্কোৰ ডায়েৰী লিখা বিশিষ্ট চিন্তাবিদ দিপ্তী কুমাৰ বৰুৱা, নিয়মীয়া বাৰ্তাৰ সম্পাদক নৰেশ কলিতা, ইঞ্জিনীয়াৰিং কলেজৰ অধ্যাপক, বৰ্তমান ডনবস্ক' বিশ্ববিদ্যালয়ৰ ডীন মনোৰঞ্জন কলিতা, জনপ্ৰিয় শিল্পী ৰুবি সিংহ, বিশিষ্ট চেটাৰ বাদক আৰতি বৰঠাকুৰ, দিগন্ত ভাগৱতী, লেখক শিৱপ্ৰসাদ শৰ্মা, ভানু গোস্বামীকে আদি কৰি ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## শংকৰদেৱ সংঘৰ সূৰুয নগৰ প্ৰাথমিক শাখাৰ ৰূপালী জয়ন্তী

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** মহানগৰীৰ ওদালবাক্ৰাৰ বিষ্ণু ৰাভা উদ্যানস্থিত মঞ্চত কালিৰে পৰা আৰম্ভ হোৱা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ওদালবাক্ৰাৰ সূৰুয নগৰ প্ৰাথমিক শাখাৰ ৰূপালী জয়ন্তী অনুষ্ঠানৰ আজি সামৰণি পৰে। আজি মুকলি সভা দিলীপ বৰগোহাঞিৰ সভাপতিত্বত অনুষ্ঠিত হয়। ৰূপালী জয়ন্তী উপলক্ষে 'অমিয়া মাধুৰী' শীৰ্ষক এখনি স্মৃতিগ্ৰন্থ চিত্তৰঞ্জন ডেকাৰ সম্পাদনাত প্ৰকাশ কৰি উলিয়ায়। যুৱ সাংবাদিক এঞ্জেলা চাংমায়ে শুভ উন্মোচন কৰি এটি সাৰুৱা ভাষণ আগবঢ়ায়। ভাষণ প্ৰসংগত তেওঁ কয়- এটা অনুষ্ঠানৰ দাপোণস্বৰূপ হ'ল স্মৃতিগ্ৰন্থখন। ইয়াত বহু গুণীলোকে লেখা আগবঢ়াইছে,



এখন উচ্চমান বিশিষ্ট স্মৃতিগ্ৰন্থ হৈছে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ আগবঢ়ায় ডঃ মৃণাল কুমাৰ বৰুৱাই। মুখ্য অতিথি হিচাপে বক্তব্য ৰাখে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই। সন্ধ্যা ৬ বজাৰ পৰা 'দক্ষ যজ্ঞ' ভাওনা প্ৰদৰ্শন কৰা হয়।

## ডঃ নিভাশ্ৰী ডেকা সম্পাদিত 'জীৱন কী অনুভূতি' উন্মোচন

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** ডঃ নিভাশ্ৰী ডেকাৰ সম্পাদিত হিন্দী আৰু অসমীয়া ভাষাৰ কবিতা পুথি 'জীৱন কী অনুভূতি' আজি উন্মোচন কৰা হয়। সভাখনত ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা ৰঞ্জিতা দাস লহকৰৰ সভাপতিত্বত অনুষ্ঠিত সভাখনি বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা হয়। প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ডঃ দয়ানন্দ পাঠকে মুখ্য বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পাছত প্ৰয়াত উমাকান্ত ডেকাৰ স্মৃতিত পত্নী দীপালী ডেকাই বন্তি প্ৰজ্বলন কৰে। সভাত গ্ৰন্থখন উন্মোচন কৰি ডঃ দয়ানন্দ পাঠকে কবিতা সম্পৰ্কত চমু বক্তৃতা প্ৰদান কৰে। সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে মিৰ্জাৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক অসীম ৰঞ্জন শৰ্মাই। উল্লেখ্য, পুথিখনত ডঃ ৰাজশ্ৰী ডেকা, গীতাশ্ৰী ডেকা, জয়শ্ৰী ডেকা কলিতা, জুমা বেগম, বিদ্যাশ্ৰী কলিতা, ধ্ৰীয়া বুজৰবৰুৱা সহিতে মুঠ ১৫ গৰাকী কবিৰ হিন্দী আৰু অসমীয়া কবিতা সন্নিৱিষ্ট কৰা হৈছে।

## লক্ষেশ্বৰ হাজৰিকাক 'স্পন্দন বঁটা' প্ৰদান

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** স্বেচ্ছাসেৱী সংগঠন 'স্পন্দন... শব্দৰ পৰা হৃদয়লৈ'ৰ উদ্যোগত কটন বিশ্ববিদ্যালয়ৰ এলমনাই ভৱনত আজি অনুষ্ঠিত অনুষ্ঠানত লক্ষেশ্বৰ হাজৰিকা স্পন্দন বঁটা-২০২৫, দ্বিজেন নাথ গৱেষণা বঁটা-২০২৫, গোলাপ চন্দ্ৰ বৰা সাহিত্য বঁটা-২০২৫ আৰু লক্ষেশ্বৰ হাজৰিকা যুৱ-অনুপ্ৰেৰণা বঁটা-২০২৫ প্ৰদান কৰা হয়। এই অনুসৰি 'লক্ষেশ্বৰ হাজৰিকা স্পন্দন বঁটা-২০২৫' লাভ কৰা যুৱ কবি মিণ্টুল হাজৰিকাক প্ৰদান কৰা হয়। এই বঁটাত আছে অংগবস্ত্ৰ, এটা স্মাৰক, মানপত্ৰ, নগদ ১৫ হাজাৰ টকা আৰু কিতাপৰ টোপোলা। 'যাত্ৰা, যাত্ৰাৰ নাট আৰু ভ্ৰাম্যমাণ থিয়েটাৰ' শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে অৱন্তিকা পৰাশৰক প্ৰদান কৰা 'দ্বিজেন নাথ গৱেষণা গ্ৰন্থ বঁটা'ত আছে এটা স্মাৰক, মানপত্ৰ, নগদ ৩৫ হাজাৰ টকা আৰু ফুলাম গামোচা। একেদৰে কলচুম বিবিক 'ছিন্নমূল' শীৰ্ষক উপন্যাসৰ বাবে ২০২৫ বৰ্ষৰ 'গোলাপ চন্দ্ৰ বৰা সাহিত্য বঁটা' প্ৰদান কৰা হয়। এই বঁটাত আছে মানপত্ৰ, স্মাৰক, কিতাপৰ টোপোলা, ফুলাম গামোচা আৰু নগদ ১৫ হাজাৰ টকা। আনহাতে, চন্দ্ৰমণি গগৈক প্ৰদান কৰা লক্ষেশ্বৰ হাজৰিকা যুৱ-অনুপ্ৰেৰণা বঁটাত আছে অংগবস্ত্ৰ, মানপত্ৰ, ৰূপৰ পদক আৰু নগদ ১০ হাজাৰ টকা। অনুষ্ঠানত বিশিষ্ট সাহিত্যিক পলী হিলৈদাৰী, 'আমাৰ অসম'ৰ কাৰ্যবাহী সম্পাদক, গীতিকাৰ গৌতম শৰ্মা আৰু প্ৰকাশক, বিশিষ্ট সাহিত্যিক নবীন বৰুৱা উপস্থিত থাকি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। স্পন্দনৰ সভাপতি ময়ূৰী দত্তই আঁত ধৰা অনুষ্ঠানটিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক দেৱব্ৰত বৰাই। আদৰণী ভাষণ দাঙি ধৰে স্পন্দনৰ প্ৰতিষ্ঠাপক নিকুঞ্জ নাথে। অনুষ্ঠানত কবি নীলিম কুমাৰ, সবিপুল দেউৰীসহ শতাধিক সাহিত্যানুৰাগী উপস্থিত থাকে।






## ব্লিছফুল ছ'লৰ বিশেষ অনুষ্ঠান 'চাৰ্কল অব ৰিদম'

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** ব্লিছফুল ছ'লে কালি ব্ৰহ্মপুত্ৰ হেৰিটেজ ৰিভাৰফ্ৰণ্টত জেমিং অনুষ্ঠান 'চাৰ্কল অব ৰিদম' অনুষ্ঠিত কৰে। অনুষ্ঠানত অৰ্ধশতাধিক লোকে ছন্দ, সংগীত আৰু আভ্যন্তৰীণ সংযোগ উদ্‌যাপন কৰে। 'চাৰ্কল অব ৰিদম' আছিল ড্ৰাম বাদন, নৃত্য আৰু ধ্যানৰ এক আকৰ্ষণীয় মিশ্ৰণ, যিয়ে সমন্বয় আৰু আনন্দৰ পৰিৱেশ গঢ়ি তোলে। অনুষ্ঠানত অংশগ্ৰহণকাৰীক মানসিক চাপৰ পৰা মুক্ত হোৱাৰ ছন্দ অনুভৱ কৰে। এই অনুষ্ঠানে অংশগ্ৰহণকাৰীসকলক সজীৱ আৰু আৱেগিক কৰি তোলে। প্ৰৱাহিত ব্ৰহ্মপুত্ৰৰ শান্ত-সমাহিত পৰিৱেশত অনুষ্ঠিত এই অনুষ্ঠানে স্বাভাৱিকতে মননশীলতা আৰু সম্প্ৰদায়ৰ বান্ধোনক প্ৰতিফলিত কৰে। ছন্দোময় স্পন্দন আৰু সামূহিক প্ৰকাশভংগীয়ে অংশগ্ৰহণকাৰীসকলক দৈনন্দিন ব্যস্ততাৰ পৰা বিচ্ছিন্ন কৰি নিজৰ সৈতে পুনৰ সংযোগ স্থাপন কৰাত সহায় কৰে।

## বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** অসম ৰাজ্যিক পৰিবহন নিগমৰ উপাধ্যক্ষ তথা বিজেপি নেতা প্ৰণৱজ্যোতি লহকৰৰ উদ্যোগত আৰু বি এম কমপ্লেক্স ছ'চাইটীৰ সহযোগত নিউ গুৱাহাটী সমষ্টিৰ ৫৩ নং ৱাৰ্ডত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু আয়ুষ্মান কাৰ্ড পঞ্জীয়ন শিবিৰ অনুষ্ঠিত হয়। নিউ গুৱাহাটী সমষ্টি যুৱ মঞ্চৰ বিশেষ সহযোগিতাত আয়োজন কৰা এই স্বাস্থ্য শিবিৰত প্ৰায় ১৮২ গৰাকী ব্যক্তিৰ স্বাস্থ্য পৰীক্ষা কৰোৱাৰ লগতে ভৱিষ্যতে স্বাস্থ্য ক্ষেত্ৰত সুবিধা হোৱাকৈ ৭৬ গৰাকী ব্যক্তিক আয়ুষ্মান কাৰ্ড নতুনকৈ বনাই দিয়া হয়। উল্লেখ্য যে যোৱা ৩ মাহৰ পৰা যুৱ নেতা প্ৰণৱজ্যোতি লহকৰৰ পদক্ষেপত নিউ গুৱাহাটী সমষ্টিৰ বিভিন্ন ৱাৰ্ডত আয়োজন কৰা এই বিনামূলীয়া স্বাস্থ্য শিবিৰে আজি ৩৩ সংখ্যা অতিক্ৰম কৰে।

# খানাপাৰাত অসম গ্ৰন্থমেলাৰ লাইখুঁটা স্থাপন



অসম গ্ৰন্থমেলা এতিয়া মানুহৰ হেঁপাহ-সন্মানৰ বিষয় ঃ পাৰ্থ সাৰথি মহন্ত

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** গ্ৰন্থপ্ৰেমী ৰাইজৰ বহু প্ৰতীক্ষিত অসম গ্ৰন্থমেলা, গুৱাহাটীৰ লাইখুঁটা আজি স্থাপন কৰা হয় খানাপাৰাস্থিত অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত। ৰাজ্য চৰকাৰে ঘোষণা কৰা 'গ্ৰন্থ-বৰ্ষ'ৰে সংগতি ৰাখি অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই অহা ২৪ ডিচেম্বৰৰ পৰা আগন্তুক নৱবৰ্ষ ২০২৬ৰ ৬ জানুৱাৰীলৈ যৌথভাৱে অনুষ্ঠিত কৰিব গ্ৰন্থমেলাখন। গ্ৰন্থমেলাৰ লাইখুঁটা স্থাপন কৰি গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তই কয়— 'গুৱাহাটীৰ অসম গ্ৰন্থমেলালৈ মানুহে বৰ আগ্ৰহেৰে বাট চাই থাকে। অসম গ্ৰন্থমেলা এতিয়া অসমৰ মানুহৰ বাবে হেঁপাহ আৰু সন্মানৰ বিষয়। গ্ৰন্থমেলা সম্প্ৰতি ৰাজ্যখনৰ প্ৰান্তে প্ৰান্তে সম্প্ৰসাৰণ ঘটিছে। গ্ৰন্থ আন্দোলনৰ এই জয়যাত্ৰা আশাব্যঞ্জক। ইয়াৰ ফলত সুস্থ বৌদ্ধিক বাতাৱৰণ আৰু অধ্যয়ন সংস্কৃতিয়ে আমাক সমৃদ্ধ কৰিব।' মহন্তই সকলোকে নিৰাপত্তাৰ দিশত সচেতন হৈ গ্ৰন্থমেলা উপভোগ আৰু গ্ৰন্থ ক্ৰয় কৰিবলৈ আহ্বান জনায়। অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ, অভিধান প্ৰণেতা সুমন্ত চলিহা, পৰিষদৰ সচিব প্ৰমোদ কলিতা, পৰিষদৰ সদস্য ডঃ ছাইদুল ইছলামকে ধৰি কেবাগৰাকী গণ্যমান্য ব্যক্তি উপস্থিত থকা অনুষ্ঠানত ৰঞ্জিতা গোস্বামীৰ নেতৃত্বত এটি দিহানামৰ দলে নাম পৰিৱেশন কৰে। উল্লেখ্য যে অহা ২৪ ডিচেম্বৰত অসম গ্ৰন্থমেলা, গুৱাহাটীৰ উদ্বোধনী সভাত অংশগ্ৰহণ কৰিব দেশৰ বিশিষ্ট সাহিত্যিক আমিশ ত্ৰিপাঠীয়ে। তদুপৰি ২৮ ডিচেম্বৰত বিশিষ্ট লেখক, চিত্ৰ নাট্যকাৰ তথা কবি-গীতিকাৰ অক্ষত গুপ্ত, ৩ জানুৱাৰীৰ বহুভাষিক কবি সন্মিলনত হায়দৰাবাদৰ বিশিষ্ট কবি ৰমেশ কাৰ্তিক নায়ক, উত্তৰ প্ৰদেশৰ বিশিষ্ট কবি গৌৰৱ পাণ্ডে আৰু ৫-৬ জানুৱাৰীত ওড়িশাৰ প্ৰখ্যাত লেখক পাৰমিতা সৎপথী উপস্থিত থাকিব অসম গ্ৰন্থমেলাৰ বিশেষ অনুষ্ঠানত।

## খ্যাতি কুমাৰৰ উপন্যাস 'জাগৃতি' উন্মোচন



**দৈনিক অসমৰ প্ৰতিনিধি**

**জালুকবাৰী, ১৪ ডিচেম্বৰ ঃ** লতাশিলস্থিত 'বিষ্ণু নিৰ্মলা' ভৱনত কালি সন্ধিয়া এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত উত্তৰ গুৱাহাটীস্থিত ফেকাল্টী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী খ্যাতি কুমাৰৰ 'জাগৃতি' শীৰ্ষক প্ৰথমখন ইংৰাজী উপন্যাস উন্মোচন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে এটি ভক্তিমূলক গীত পৰিৱেশন কৰে খ্যাতি কুমাৰৰ পিতৃ তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা বিষ্ণু কুমাৰে। গ্ৰন্থখন উন্মোচন কৰে ক্ৰমে বৰেণ্য শিল্পী তথা কটন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা মৃদুলা দাস, অধ্যাপিকা বন্দনা দত্ত, অধ্যাপিকা ডঃ অপৰ্ণা বুজৰবৰুৱা আৰু বিশিষ্ট শিক্ষাবিদ, প্ৰাক্তন সম-উপাচাৰ্য তথা সাহিত্যিক ডঃ অমৰজ্যোতি চৌধুৰীয়ে। সভাত গ্ৰন্থখনৰ সৃষ্টিৰ আঁৰৰ কথা অৱগত কৰে খ্যাতি কুমাৰৰ মাতৃ তথা জে বি আইন মহাবিদ্যালয়ৰ অধ্যাপিকা ডঃ লিপিকা কলিতাই। উল্লেখ্য যে অনুষ্ঠানটোত খ্যাতি কুমাৰে জীৱনৰ প্ৰথমখন উপন্যাস লিখাৰ অনুভৱ ব্যক্ত কৰে। আনহাতে, ফেকাল্টী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সঞ্চালক লয়া সিন্‌হা, ক্ষীৰোদ ৰয়, ডঃ ৰেখা চৌধুৰীয়ে ভাষণ আগবঢ়োৱাৰ লগতে অনুষ্ঠানটোত উপস্থিত থাকি মাধৱানন্দ দত্ত বৰদলৈ, গীতিকাৰ বেণু কলিতা, শিক্ষাবিদ খনীন তামুলী, অভিনেতা ধ্ৰুৱজ্যোতি কুমাৰ, অধিবক্তা ৰাজীৱ কলিতা, খ্যাতিৰ ককাক হাৰ্ডিক কুমাৰ আদিয়ে খ্যাতিৰ মংগল কামনা কৰি ভাষণ আগবঢ়ায়। অনুষ্ঠানৰ আঁত ধৰে ভাষ্যকাৰ তথা অধিবক্তা নিৰুপমা বৰুৱাই।

# অষ্ট্ৰেলিয়াৰ বীচচত সন্ত্ৰাসবাদীৰ নিৰ্বিচাৰ গুলীবৰ্ষণত নিহত কমেও ১২





## ইহুদীসকলৰ উৎসৱ উদ্‌যাপনৰ সময়তে লোমহৰ্ষক ঘটনা, গৰিহণা প্ৰধানমন্ত্ৰী মোডীৰ

**ছিডনী, ১৪ ডিচেম্বৰ ঃ** সন্ত্ৰাসবাদীৰ নিৰ্বিচাৰ গুলীচালনাত ৰক্তাক্ত হ'ল অষ্ট্ৰেলিয়াৰ ছিডনীৰ বণ্ডাই বীচ্চ। দেশী-বিদেশী পৰ্যটকেৰে ঠাহ্ খাই থকা বণ্ডাই বীচ্চত আজি সন্ত্ৰাসবাদীয়ে চলোৱা নৰসংহাৰত ১২জনকৈ লোক নিহত হোৱাৰ লগতে আন ২৯জন আহত হয়। নিহতসকলৰ মাজত কেইবাটি শিশুও আছে। এই লোমহৰ্ষক ঘটনাক সন্ত্ৰাসবাদীৰ আক্ৰমণ হিচাপে অভিহিত কৰি ছিডনী আৰক্ষীয়ে প্ৰকাশ কৰে যে সপ্তাহান্তত বণ্ডাই বীচ্চত বহু লোকৰ সমাগম হয়। তাত আজি স্থানীয় ইহুদী সম্প্ৰদায়ৰ লোকসকলে 'হানুক্কা বা দ্য ছী' নামৰ ধৰ্মীয় উৎসৱৰ আয়োজন কৰিছিল। উৎসৱটোত মম জ্বলোৱাৰ উদ্দেশ্যে বণ্ডাই বীচ্চত সমৱেত হৈছিল প্ৰায় দুহেজাৰ ইহুদী লোক। এই লোকসকলক মূলতঃ আক্ৰমণৰ লক্ষ্য কৰি লয় দুজনকৈ অস্ত্ৰধাৰী সন্ত্ৰাসবাদীয়ে। উৎসৱটোত অংশগ্ৰহণ কৰা লোকসকলৰ ওপৰত সন্ত্ৰাসবাদী দুজনে অতৰ্কিতে গুলীচালনা কৰে। প্ৰত্যক্ষদৰ্শীয়ে সদৰি কৰা মতে, সন্ত্ৰাসবাদীয়ে কমেও ৫০ জাঁই গুলী চলাইছিল। তেওঁলোকৰ গুলীত ঢলি পৰিছিল বহু লোক। তেজে তুমৰলি হৈছিল হানুক্কা উৎসৱস্থলী। ঘটনাৰ পাছত স্থানীয় আৰক্ষীয়ে সমগ্ৰ এলেকাটো ঘেৰি ধৰে। সন্ত্ৰাসবাদী দুজনক নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষীয়েও গুলীচালনা কৰে। আৰক্ষীৰ গুলীত এজন সন্ত্ৰাসবাদী নিহত হোৱাৰ লগতে আনজন আহত সন্ত্ৰাসবাদীক আৰক্ষীয়ে আটক কৰে। এজন সন্ত্ৰাসবাদীক আৰক্ষীয়ে ইতিমধ্যে চিনাক্ত কৰিছে। ছিডনী আৰক্ষীয়ে প্ৰকাশ কৰা মতে, নিহত সন্ত্ৰাসবাদীজনৰ নাম নাভিদ আক্ৰাম। তেওঁৰ বয়স ২৪ বছৰ। ছিডনীৰ বনীৰিগ এলেকাত বাস কৰা সন্ত্ৰাসবাদীজনে ৰাজমিস্ত্ৰী হিচাপে কাম কৰিছিল। কেইদিনমান আগেয়ে তেওঁ নিজৰ জীৱিকা হেৰুৱাইছিল। সম্প্ৰতি ছিডনীৰ বণ্ডাই বীচ্চ অঞ্চলটো আৰক্ষীয়ে সম্পূৰ্ণৰূপে অৱৰোধ কৰাৰ লগতে তাত লকডাউনসদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছে। আৰক্ষীয়ে স্থানীয় জনতাক যথাসম্ভৱ বীচ্চখনৰপৰা আঁতৰি থকাৰ লগতে নিৰাপত্তা বাহিনীৰ নিৰ্দেশনা মানি চলিবলৈ আহ্বান জনাইছে। ছিডনী আৰক্ষীয়ে ঘটনাৰ তদন্তক্ৰমে স্থানীয় বনীৰিগ এলেকাত তীব্ৰ তালাচী অভিযান চলায়। তালাচীকালত আৰক্ষীয়ে এজন পুৰুষ আৰু এগৰাকী মহিলাক আটক কৰে বুলি স্থানীয় সংবাদ মাধ্যমে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত ছিডনীৰ বণ্ডাই বীচ্চত সংঘটিত সন্ত্ৰাসবাদীৰ নৰসংহাৰ কাণ্ডৰ বহু ভিডিঅ' ইতিমধ্যে ভাইৰেল হৈছে। ইয়াৰে এটা ভিডিঅ'ত এজন লোকে নিজৰ জীৱনৰ শংকা নেওচি অস্ত্ৰধাৰী সন্ত্ৰাসবাদী এজনক গৱা মাৰি ধৰি তেওঁৰ অস্ত্ৰ কাঢ়ি লোৱাৰ দৃশ্য দেখা গৈছে। আহমদ হিচাপে চিনাক্ত কৰা লোকজনে গুলী চলাই থকা অৱস্থাত মনে মনে সন্ত্ৰাসবাদীজনৰ কাষলৈ গৈ পিছফালৰপৰা গৱা মাৰি ধৰি তেওঁৰ অস্ত্ৰ কাঢ়ি লৈছিল। অস্ত্ৰ কাঢ়ি লোৱাৰ পাছত তেওঁ পলায়ন কৰা সন্ত্ৰাসবাদীজনক বহু দূৰ খেদি গৈছিল। ইয়াৰ পাছত সন্ত্ৰাসবাদীজনক আৰক্ষীয়ে গুলীয়াই আহত কৰিছিল। সন্ত্ৰাসবাদীক নিৰস্ত্ৰ কৰি বহু লোকৰ জীৱন ৰক্ষা কৰা আহমদ নামৰ লোকজনৰ এই সাহসী পদক্ষেপৰ ভিডিঅ' সম্প্ৰতি সামাজিক মাধ্যমত বহুল প্ৰচাৰ হৈছে। অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এণ্টনী আলবানিজে ছিডনীৰ বীচ্চত সন্ত্ৰাসবাদীয়ে চলোৱা নৰসংহাৰ কাণ্ডক তীব্ৰ গৰিহণা দিছে। তেওঁ এই আক্ৰমণক অষ্ট্ৰেলিয়া নিৱাসী ইহুদী লোকসকলক লক্ষ্য কৰি চলোৱা নৰসংহাৰ হিচাপে অভিহিত কৰিছে। প্ৰধানমন্ত্ৰীজনে কয় যে অষ্ট্ৰেলিয়াত ঘৃণা, হিংসা আৰু সন্ত্ৰাসবাদৰ কোনো স্থান নাই। ঘটনাৰে জড়িতসকলক চিনাক্ত কৰাৰ বাবে তদন্ত অব্যাহত আছে। প্ৰধানমন্ত্ৰী আলবানিজে আজি কেবিনেটৰ ৰাষ্ট্ৰীয় নিৰাপত্তা সমিতিৰ এখন বৈঠকৰো আহ্বান জনায়। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়েও ছিডনীত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাক গৰিহণা দিয়াৰ লগতে নিহতসকলৰ আত্মীয়লৈ সমবেদনা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত প্ৰধানমন্ত্ৰী মোডীয়ে উল্লেখ কৰে যে অষ্ট্ৰেলিয়াৰ বণ্ডাই বীচ্চত আজি সংঘটিত সন্ত্ৰাসবাদীৰ ভয়ংকৰ আক্ৰমণৰ ঘটনাক তেওঁ গৰিহণা দিছে। এই ঘটনাত ইহুদী সম্প্ৰদায়ৰ ধৰ্মীয় উৎসৱ 'হানুক্কা' পালন কৰি থকা লোকসকলক লক্ষ্য হিচাপে লোৱা হৈছিল। ভাৰতৰ জনতাৰ হৈ তেওঁ সন্ত্ৰাসবাদী আক্ৰমণত নিহত লোকসকলৰ আত্মীয়লৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। এনে এক বেদনাদায়ক ক্ষণত তেওঁ অষ্ট্ৰেলিয়াৰ লোকসকলৰ সৈতে আছে। ভাৰতে সদায়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে হোৱা যুঁজৰ প্ৰতি সমৰ্থন দি যাব।

### অসম ভ্ৰমণৰ বাবে আমন্ত্ৰণ

## উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনক সাক্ষাৎ মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ



**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনক সাক্ষাৎ কৰে। উপ-ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত কয়— দেশৰ উপ-ৰাষ্ট্ৰপতিৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ বাবে অসমবাসীৰ হৈ তেখেতক অভিনন্দন জনাওঁ আৰু শেহতীয়া বছৰসমূহত আমাৰ ৰাজ্যৰ ৰূপান্তৰৰ সাক্ষী হ'বলৈ অসম ভ্ৰমণ কৰিবলৈ সাদৰ আমন্ত্ৰণ জনাওঁ।

### ধান উৎপাদনত পিছ পৰিছে অসম

## ব্যৱস্থা ল'বলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ কেন্দ্ৰৰ

### ৰাজ্যৰ বাবে কেন্দ্ৰীয় ধান গৱেষণা কেন্দ্ৰৰ পাঁচটা নতুন জাত

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** ৰাজ্যৰ প্ৰধান শস্য ধানৰ উৎপাদন আশা কৰা ধৰণে নোহোৱাত কেন্দ্ৰীয় চৰকাৰে ধানৰ উৎপাদন বৃদ্ধি কৰাত গুৰুত্ব আৰোপ কৰিবলৈ ৰাজ্য চৰকাৰক পৰামৰ্শ দিছে। কি কি কাৰণত ধানৰ উৎপাদনত দেশৰ ধান উৎপাদনকাৰী অন্য ৰাজ্যৰ তুলনাত অসম পিছপৰি আছে সেই বিষয়টো উলিয়াই সেই মতে ব্যৱস্থা ল'বলৈও কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক নিৰ্দেশ দিছে। কৃষি বিভাগৰ এটা সূত্ৰই এই কথা জানিবলৈ দিছে। উল্লেখ্য যে অসমত প্ৰায় ১৮ লাখ হেক্টৰৰো অধিক কৃষিভূমিত প্ৰধান শস্য শালিধানৰ খেতি কৰা হয়। কেন্দ্ৰীয় চৰকাৰে ধানৰ উৎপাদন বৃদ্ধি কৰা আৰু অধিক কৃষিভূমিত ধান খেতি কৰাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। বিভাগীয় সূত্ৰটোৱে কেন্দ্ৰৰ পদক্ষেপৰ বিষয়ে উল্লেখ কৰি কয় যে ওড়িশাৰ কটকত থকা কেন্দ্ৰীয় ধান গৱেষণা প্ৰতিষ্ঠানে অসমৰ বাবে ধানৰ ৫টা নতুন জাতৰ অনুমোদন দিছে। সূত্ৰটোৱে সদৰি কৰা অনুসৰি সেই জাতকেইটা হ'ল— চি আৰ ধান-৩০৭, চি আৰ ধান-৩১০, চি আৰ ধান-৩১১, চি আৰ ধান-৮০১ আৰু চি আৰ ধান-৮০২। এইকেইটা জাতৰ ধানেৰে লখিমপুৰ, ধেমাজি, কামৰূপ, নলবাৰী আৰু গোৱালপাৰা জিলাত প্ৰদৰ্শনীমূলক খেতি কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক উপযুক্ত বীজ সঠিক সময়ত কৃষকক যোগান ধৰা, শস্য ব্যৱস্থাপনাৰ আধুনিকীকৰণৰ পৰামৰ্শ দিছে। মন কৰিবলগীয়া যে ২০১৫-১৬ বৰ্ষৰপৰা ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত পূৰ্বে কেন্দ্ৰৰপৰা লাভ কৰা ১০০% ধনৰ সলনি উত্তৰ-পূৱৰ ৰাজ্যকেইখনে ৯০% ধন লাভ কৰিবলৈ ধৰে। অৱশ্যে সমগ্ৰ উত্তৰ-পূৱলৈ আগবঢ়োৱা ধনৰ পৰিমাণ পূৰ্বৰ তুলনাত বাঢ়িবলৈ ধৰে। ২০২২-২৩ বৰ্ষত উক্ত আঁচনিৰ অধীনত অসমকে ধৰি উত্তৰ-পূৱৰ ৰাজ্যকেইখনে ৫৭৪ কোটি টকা লাভ কৰিছিল। ২০২৪-২৫ বৰ্ষত এই পৰিমাণ ৭৫০.৩১ কোটি টকালৈ বৃদ্ধি পায়। মুকলি কৰা আঁচনিৰ ধনৰ পৰিমাণ বঢ়া সত্বেও আশা কৰা ধৰণে ধানৰ উৎপাদন নবঢ়াত কেন্দ্ৰই অসন্তুষ্টি প্ৰকাশ কৰি ধানৰ উৎপাদন বৃদ্ধিৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিছে। কাষ্টম হায়াৰিং চেণ্টাৰৰ সংখ্যা বৃদ্ধি কৰা, জলবায়ু পৰিৱৰ্তন সহনশীল বীজৰ ব্যৱহাৰ বৃদ্ধি কৰাৰো কথা ৰাজ্য চৰকাৰক কৈছে কেন্দ্ৰই।

## জুবিনক স্মৰণেৰে গুৱাহাটীত চনু নিগমৰ সংগীতানুষ্ঠান

### কামাখ্যা মন্দিৰত আশিস গ্ৰহণ, অসমবাসীৰ প্ৰশংসাত পঞ্চমুখ

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** গুৱাহাটীত বলীউডৰ জনপ্ৰিয় কণ্ঠশিল্পী চনু নিগমৰ সংগীতানুষ্ঠানত সহস্ৰাধিক দৰ্শকে আনন্দ-উল্লাস কৰে। গুৱাহাটীত 'দিৱানা তেৰা ট্যুৰ'ৰ শুভাৰম্ভণি উপলক্ষে শিল্পীগৰাকীয়ে খানাপাৰাৰ গ্ৰীনউড ৰিজ'ৰ্টত শিল্পীগৰাকীৰ জীৱনৰ একক লাইভ কনচাৰ্টত ইটোৰ পাছত সিটো জনপ্ৰিয় গীত গাই দৰ্শকক আপ্লুত কৰে। অনুষ্ঠানৰ আৰম্ভণিতে অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গক স্মৰণ কৰি তেওঁৰ লগত মঞ্চত একেলগে গীত পৰিৱেশন কৰাৰ কথা সুঁৱৰি আৱেগিক হৈ পৰে। জুবিনৰ মৃত্যুৰ প্ৰসংগ উল্লেখ কৰি শিল্পীগৰাকীয়ে কয়— ১৯৯৭ চনৰ পৰা জুবিনৰ লগত বন্ধুত্ব আছিল। ইমান বন্ধুত্বসুলভ মানুহজনৰ হঠাতে কি হৈ গ'ল একোৱেই গম নাপালো। আজিলৈকে বহু ঠাইত অনুষ্ঠান কৰিছো, কিন্তু অসমৰ কথাই সুকীয়া। জুবিনৰ পৱিত্ৰ ভূমিত একক সংগীতানুষ্ঠান কৰাটো মোৰ বাবে সৌভাগ্য। 'দিৱানা তেৰা' শীৰ্ষক ট্যুৰৰ অধীনত পৰিৱেশন কৰা আজিৰ অনুষ্ঠান চাবলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা শিল্পীগৰাকীৰ অনুৰাগীয়ে ভিৰ কৰা পৰিলক্ষিত হয়। উল্লেখ্য যে গুৱাহাটীৰ পাছত 'দিৱানা তেৰা ট্যুৰ' ইন্দোৰ, জয়পৰ আৰু লক্ষ্ণৌলৈ যাত্ৰা কৰিব। চনু নিগমে যদিও বছৰ বছৰ ধৰি ভাৰত আৰু বিশ্বৰ বিভিন্ন স্থানত অনুষ্ঠান পৰিৱেশন কৰি আহিছে, কিন্তু গুৱাহাটীত আগতে অনুষ্ঠান কৰা নাছিল। মন কৰিবলগীয়া যে কালি নিশাই দিল্লীৰ পৰা বিমানযোগে গুৱাহাটীত উপস্থিত হোৱাৰ পাছত আজি পুৱা মা কামাখ্যা ধামত উপস্থিত হৈ মা কামাখ্যাৰ আশিস লয়। নীলাচল পাহাৰৰ সৌন্দৰ্য উপভোগ কৰি তেওঁ অভিভূত হৈ পৰে।

### পহিলা জানুৱাৰীত মুখ্যমন্ত্ৰীয়ে কৰিব পাৰে একাধিক ঘোষণা

## অধিক চমক দিবলৈ সাজু চৰকাৰ

### ৭৭ লাখ অসংগঠিত শ্ৰমিকক সকাহ, অৰুণোদয় আঁচনিৰ ধন বৃদ্ধি, চাহ শ্ৰমিকক নগদ ধনৰ উপৰি ৪-৫ হাজাৰ কোটিৰ নতুন আঁচনিৰ সম্ভাৱনা

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** বিধানসভা নিৰ্বাচনৰ পূৰ্বে ভোটাৰক আকৰ্ষণ কৰাৰ বাবে এক জানুৱাৰীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই চমক দিয়াৰ পৰিকল্পনা কৰিছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ অন্যতম লক্ষ্য হৈছে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত কমেও ৮০ লাখ ভোটাৰৰ সমৰ্থন আদায় কৰা। তেনে অংকৰেই যোৱা নৱেম্বৰ মাহৰপৰাই ৰাজ্যত চৰকাৰে হিতাধিকাৰীসকলক নগদ ধন আৰু অন্যান্য আঁচনিৰ কাম আৰম্ভ কৰিছে। ইতিমধ্যে ৩,২৫,২৩৪টা পৰিয়ালক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ আবণ্টন, ১০০ টকাত দাইল-নিমখ-চেনি বিতৰণ, পি এম জে এ ৱাইৰ অধীনত চিকিৎসা বীমা, পি এম সূৰ্য ঘৰ যোজনা, নিযুত মইনা আঁচনি আদি বিভিন্ন আঁচনিৰে বিজেপিয়ে ভোটাৰৰ ওচৰ চাপিবলৈ চেষ্টা কৰিছে। স্বয়ং মুখ্যমন্ত্ৰীয়ে জিলাই জিলাই গৈ আধাৰশিলা স্থাপন, উদ্বোধন কাৰ্যসূচী অব্যাহত ৰাখিছে। এনেধৰণৰ বিভিন্ন আঁচনিৰ পাছতো বিজেপি আশ্বস্ত হ'ব পৰা নাই। সেয়ে ২০২৬ চনৰ এক জানুৱাৰীত অন্য কিছু ঘোষণাৰ পৰিকল্পনা কৰিছে। উল্লেখ্য যে প্ৰতি বছৰৰ দৰে অহা এক জানুৱাৰীত মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ সৈতে মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰিব। উক্ত অনুষ্ঠানত ডঃ শৰ্মাই ২০২৫ বৰ্ষত চৰকাৰৰ কাম-কাজৰ খতিয়ান দাঙি ধৰিব। একেটা অনুষ্ঠানত ২০২৬ চনত বিধানসভা নিৰ্বাচনৰ পূৰ্বে চৰকাৰে ৰাইজক সহায় কৰিবলগীয়া নিৰ্দিষ্ট কেইটামান ঘোষণা কৰিবলৈ সাজু হৈছে। ইয়াৰ ভিতৰত ৰাজ্যৰ অসংগঠিত শ্ৰমিকসকলক আকৰ্ষণৰ বাবে চেষ্টা কৰাৰ কথা। ৰাজ্যত চৰকাৰী তথ্য মতে, ৭৭,৭৫,৯০৭গৰাকী অসংগঠিত খণ্ডৰ শ্ৰমিক আছে। অসংগঠিত খণ্ডৰ শ্ৰমিকসকলক লৈ প্ৰায়ে 'চিটু'ৱে প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। এইসকল শ্ৰমিকক সহায় কৰিবৰ বাবে মুখ্যমন্ত্ৰীয়ে নতুন চিন্তা-চৰ্চা কৰা বুলি জানিব পৰা গৈছে। লক্ষণীয় যে নিৰ্বাচনৰ প্ৰাক্‌ক্ষণত 'অৰুণোদয় আঁচনি'ৰে চৰকাৰে আন এক চমক ইতিমধ্যেই দিছে। বিটিআৰত নতুনকৈ ৪ লাখ অৰুণোদয় হিতাধিকাৰী সৃষ্টি কৰা হৈছে। চলিত ডিচেম্বৰ মাহৰপৰা অসমত অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ সংখ্যা ৪০ লাখলৈ বৃদ্ধি কৰা হৈছে। সম্প্ৰতি অৰুণোদয় হিতাধিকাৰীক প্ৰতি মাহে ১,২৫০ টকাকৈ দি থকা হৈছে। প্ৰাপ্ত খবৰ মতে, এক জানুৱাৰীত অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ মাহেকীয়া কিস্তি বৃদ্ধিৰ ঘোষণা হ'ব পাৰে। এই সন্দৰ্ভত বিত্ত বিভাগে পৰ্যালোচনা কৰি আছে। বিধানসভাত বিৰোধী পক্ষৰ নেতা দেৱব্ৰত শইকীয়াই অৰুণোদয় আঁচনিৰ ধন চৰকাৰে প্ৰতিশ্ৰুতি অনুসৰি বৃদ্ধি নকৰাত প্ৰশ্ন উত্থাপন কৰিছিল। বিৰোধীয়ে অৰুণোদয় আঁচনিৰ ধন বৃদ্ধিৰ ইছ্যু কৰিব বিচৰাত মুখ্যমন্ত্ৰীয়ে এই আঁচনিৰ ধন বৃদ্ধি কৰাৰ চিন্তা-চৰ্চা কৰিছে বুলি জানিব পৰা গৈছে। ইতিমধ্যে বিত্ত বিভাগে সকলো দিশ পৰ্যালোচনা কৰা আৰম্ভ কৰিছে। উল্লেখ্য যে ফেব্ৰুৱাৰী-মাৰ্চৰ ভিতৰত ৮ লাখ চাহ শ্ৰমিকৰ বেংক একাউণ্টত ৫,০০০ টকাকৈ জমা দিয়াৰ কথাও মুখ্যমন্ত্ৰীয়ে এক জানুৱাৰীত ঘোষণা কৰিব পাৰে। এনেধৰণৰ কেইবাটাও বিশেষ ঘোষণা এক জানুৱাৰীত কৰিবলৈ মুখ্যমন্ত্ৰী সাজু হৈছে। অৱশ্যে মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিবলগীয়া নতুন প্ৰস্তাৱ নিৰ্বাচনৰ পাছত অব্যাহত থাকিব নে নাথাকিব সেয়া এতিয়াই ক'ব পৰা নাযাব। ইফালে, বিত্ত বিভাগৰ এক সূত্ৰৰ পৰা জানিব পৰা মতে, এক জানুৱাৰীত কমেও ৪,০০০-৫,০০০ কোটি টকাৰ নতুন ঘোষণা হ'ব পাৰে। এই সন্দৰ্ভত পৰ্যালোচনা চলি আছে। বছৰটোৰ শেষত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা।

## গ্ৰন্থ আন্দোলনে অসমত নতুন গতি লাভ কৰিছে

### অসম গ্ৰন্থমেলা, মঙলদৈত সাংসদ দিলীপ শইকীয়া

**দৈনিক অসমৰ প্ৰতিনিধি**

**মঙলদৈ, ১৪ ডিচেম্বৰ ঃ** 'গ্ৰন্থ আন্দোলনে অসমত নতুন গতি লাভ কৰিছে। চৰকাৰে গ্ৰন্থ-বৰ্ষ ঘোষণা কৰি, কৰ্মচাৰীক কিতাপ কিনিবলৈ এহেজাৰকৈ টকা দি গ্ৰন্থৰ প্ৰতি মানুহৰ আকৰ্ষণ বঢ়োৱাৰ বাবে গ্ৰহণ কৰা সিদ্ধান্ত প্ৰশংসনীয়। এয়া ফলপ্ৰসূও হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ পৰিকল্পনাই ৰাজ্যখনৰ শৈক্ষিক ক্ষেত্ৰলৈ আশাভৰা পৰিৱৰ্তন আনিছে। মঙলদৈত অসম গ্ৰন্থমেলা অনুষ্ঠিত কৰাটো এই বৃহত্তৰ অঞ্চলৰ বিদ্যায়তনিক ক্ষেত্ৰ, বৌদ্ধিক সমাজৰ লগতে সকলোৰে বাবে শুভ ফলদায়ক বিবেচিত হৈছে। ভাৰতীয় সভ্যতাত প্ৰাচীনকালৰে পৰা গ্ৰন্থক আগস্থান দি অহা হৈছে। দৰাচলতে গ্ৰন্থৰ জ্ঞানেৰে সমৃদ্ধ ভাৰতবৰ্ষ। বেদ-পুৰাণ-উপনিষদ, মহাকাব্যসমূহে এই ইতিহাস বহন কৰিছে।' —অসম গ্ৰন্থমেলা, মঙলদৈত উপস্থিত হৈ আজি এনেদৰে কয় দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই। তেওঁ মঙলদৈবাসীক গ্ৰন্থমেলাখন সাফল্যমণ্ডিত কৰিবলৈ আহ্বান জনাই পুনৰ কয় যে সাধ্যানুসাৰে সকলোৱে গ্ৰন্থ ক্ৰয় কৰা উচিত। কাৰণ গ্ৰন্থই জ্ঞানৰ পোহৰত জগত আলোকিত কৰে।

## কাজিৰঙাত বিদেশী পৰ্যটন প্ৰতিনিধি দলৰ জীপ ছাফাৰি

### আজি পৰিদৰ্শন কৰিব বন্যপ্ৰাণী উদ্ধাৰ আৰু পুনৰ সংস্থাপন কেন্দ্ৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**কাজিৰঙা, ১৪ ডিচেম্বৰ ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰি উৎফুল্লিত বিদেশী পৰ্যটন প্ৰতিনিধিৰ দল। দক্ষিণ-পূব এছিয়াৰ বিভিন্ন দেশক প্ৰতিনিধিত্ব কৰি অহা বিদেশী পৰ্যটন প্ৰতিনিধিৰ দলটোৱে আজি কাজিৰঙাত উপস্থিত হৈ ৰাষ্ট্ৰীয় উদ্যানত জীপ ছাফাৰি কৰে। ১২ ডিচেম্বৰৰ পৰা ১৭ ডিচেম্বৰলৈ দেশৰ গুৱাহাটী আৰু দিল্লীত আয়োজিত এছিয়ান-ইণ্ডিয়া ট্যুৰিজম প্ৰফেছনেলছ এক্সচেঞ্জ প্ৰগ্ৰাম-২০২৫ত অংশগ্ৰহণ কৰিবলৈ অহা প্ৰতিনিধিৰ এটা ৪৭জনীয়া দল আজি কাজিৰঙাত উপস্থিত হৈ বিয়লি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা বনাঞ্চলত জীপ ছাফাৰি কৰে। কম্বোডিয়া, লাওছ, ভিয়েটনাম, ম্যানমাৰ, মালয়েছিয়া, থাইলেণ্ড, ফিলিপাইন্‌ছ, ইণ্ডোনেছিয়া, ছিংগাপুৰ আদি দক্ষিণ-পূব এছিয়াৰ বিভিন্ন দেশৰ পৰা অহা ৩৬ গৰাকী বিদেশী আৰু ১১ গৰাকী দেশীয় পৰ্যটন প্ৰতিনিধিয়ে আজি জীপ ছাফাৰি কৰি উদ্যানৰ অন্তৰ্ভাগত গঁড়, ম'হ, হাতী আদি বিভিন্ন বন্যপ্ৰাণী প্ৰত্যক্ষ কৰাৰ লগতে কাজিৰঙাৰ নৈসৰ্গিক সৌন্দৰ্য উপভোগ কৰে। আজি নিশাটো কাজিৰঙাত কটাই প্ৰতিনিধিৰ দলটোৱে কাইলৈ পাণবাৰীস্থিত বন্যপ্ৰাণী উদ্ধাৰ আৰু পুনৰ সংস্থাপন কেন্দ্ৰ দৰ্শন কৰাৰ লগতে হাতীখুলি চাহ বাগিচা দৰ্শন কৰি গুৱাহাটী অভিমুখে ৰাওনা হ'ব। বিভিন্ন দেশৰ পৰ্যটন বিভাগৰ আমোলা-বিষয়াৰ লগতে উপস্থিত হোৱা পৰ্যটন কৰ্মী-উদ্যমীসকলে কাজিৰঙা দৰ্শন কৰি আনন্দ প্ৰকাশ কৰাৰ লগতে সংৰক্ষণ ব্যৱস্থাৰ শলাগ লয় আৰু পৰ্যটন প্ৰসাৰ তথা পৰ্যটন বিনিময়ত গুৰুত্ব আৰোপ কৰাৰ সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰে।



## দ্বিতীয় টীয়ক গ্ৰন্থমেলা আৰম্ভ

### স্মাৰক গ্ৰন্থ 'সাৰস্বত' উন্মোচন জ্যোতিপ্ৰসাদ শইকীয়াৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**টীয়ক, ১৪ ডিচেম্বৰ ঃ** আধুনিক ডিজিটেল মাধ্যমৰ জৰিয়তে অলেখ তথ্য আহৰণ কৰিব পাৰিলেও ইয়াৰ সত্যতা নিৰূপণ ইমান সহজ নহয়। কিন্তু গ্ৰন্থৰ জৰিয়তে লাভ কৰা তথ্য অধ্যয়নৰ দ্বাৰা সহজে বিশ্লেষণ কৰিব পৰা যায়। দ্বিতীয় টীয়ক গ্ৰন্থমেলা আনুষ্ঠানিকভাৱে উদ্বোধন কৰি আজি এইদৰে কয় অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীয়ে। টীয়ক প্ৰেছ ক্লাবৰ উদ্যোগত আৰু বৃহত্তৰ টীয়কবাসী ৰাইজৰ সহযোগত হাইস্কুল খেলপথাৰৰ জ্ঞানপীঠ বঁটা বিজয়ী ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সোঁৱৰণী ক্ষেত্ৰত আৰম্ভ হোৱা সাতদিনীয়া এই গ্ৰন্থমেলাৰ মুকলি সভাত সভাপতিত্ব কৰে দ্বিতীয় টীয়ক গ্ৰন্থমেলাৰ সভাপতি হিমেন ভট্টাচাৰ্যই। গ্ৰন্থমেলাৰ স্মাৰক গ্ৰন্থ 'সাৰস্বত' উন্মোচন কৰি জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য জ্যোতিপ্ৰসাদ শইকীয়াই কয়— 'নতুন প্ৰজন্মক আকৰ্ষিত কৰিব পৰাকৈ গ্ৰন্থ প্ৰণয়ন কৰিলে তেওঁলোক গ্ৰন্থৰ প্ৰতি আকৰ্ষিত হ'ব।' সভাপতি হিমেন ভট্টাচাৰ্যই আদৰণী ভাষণ দিয়া এই সভাত সন্মানীয় অতিথি হিচাপে বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন, চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ বিজয়কৃষ্ণ পাচনি, জিলা উদ্যোগ নিগমৰ মহাপ্ৰবন্ধক গৌতম চন্দ্ৰ দেৱনাথ আদি উপস্থিত থাকে। সন্ধিয়া জুবিন গাৰ্গ শ্ৰদ্ধাৰ্ঘ্য সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে বিশিষ্ট বাদ্যযন্ত্ৰী ৰাজা বৰুৱাই। ইয়াৰ পূৰ্বে পুৱা শিক্ষাবিদ চন্দ্ৰনাথ কলিতা সোঁৱৰণী মূল দ্বাৰ উদ্‌ঘাটন কৰে প্ৰথম টীয়ক গ্ৰন্থমেলাৰ সভাপতি তথা কাকজান মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ ডঃ অকণ চন্দ্ৰ শইকীয়াই। ইয়াৰ পাছতে টীয়ক প্ৰেছ ক্লাব আৰু দ্বিতীয় টীয়ক গ্ৰন্থমেলাৰ পতাকা উত্তোলন কৰে ক্ৰমে গ্ৰন্থমেলা আয়োজক সমিতিৰ সভাপতি হিমেন ভট্টাচাৰ্য আৰু প্ৰেছ ক্লাবৰ সভাপতি বিজু তনুৱালে। ছয়গৰাকী জ্যেষ্ঠ ব্যক্তিৰ দ্বাৰা স্মৃতি তৰ্পণ সমাপনৰ পাছতে জুবিন গাৰ্গৰ শ্ৰদ্ধাৰ্ঘ্য হিচাপে উৎসৰ্গিত কৰা এই গ্ৰন্থমেলাত শ্ৰদ্ধাঞ্জলি জনোৱা অনুষ্ঠান শুভাৰম্ভ কৰে শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ ননীগোপাল গোস্বামীয়ে।

### যোৰহাটত কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ সংবাদমেল

## ২১-২৪ ডিচেম্বৰত যোৰহাটত সাংসদ ক্ৰীড়া মহোৎসৱ

### মাজুলীত অনুষ্ঠিত হ'ব মাজুলী মাৰাথন



**দৈনিক অসমৰ প্ৰতিনিধি**

**যোৰহাট, ১৪ ডিচেম্বৰ ঃ** 'আমি বৌদ্ধিক, সাংস্কৃতিক, শৈক্ষিক বিকাশত গুৰুত্ব আৰোপ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীক শাৰীৰিকভাৱেও সবল, শক্তিশালী কৰি তুলিব লাগিব। এই ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীয়ে ক্ৰীড়াৰ জৰিয়তে এখন সুস্থ সমাজ গঢ়ি তোলাৰ বাবে বিভিন্ন আঁচনি লৈছে। প্ৰধানমন্ত্ৰীগৰাকীৰ এই যাত্ৰাক অধিক ত্বৰান্বিত কৰিবৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত অনুষ্ঠিত কৰিছে খেল মহাৰণৰ দৰে বিশাল ক্ৰীড়া উৎসৱ। এই ধাৰাক এক বিশেষ গতি প্ৰদান কৰাৰ লক্ষ্যৰে যোৰহাটত অনুষ্ঠিত হ'ব 'সাংসদ ক্ৰীড়া মহোৎসৱ'। অহা ২১ ডিচেম্বৰৰপৰা ২৪ ডিচেম্বৰলৈ যোৰহাটত অনুষ্ঠিত হ'ব সাংসদ ক্ৰীড়া মহোৎসৱ। যোৰহাট লোকসভা সমষ্টি ভিত্তিত অনুষ্ঠিত হ'ব এই প্ৰতিযোগিতা।' —আজি যোৰহাটত এখন সংবাদমেলত এই ঘোষণা কৰে ৰাজ্যসভাৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই। আজি যোৰহাট আৱৰ্ত ভৱনত আয়োজিত এখন সংবাদমেলত সাংসদ ক্ৰীড়া মহোৎসৱৰ সম্পৰ্কে মন্ত্ৰীগৰাকীয়ে লগতে কয় যে যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত চৰাইদেউ, মাজুলী শিৱসাগৰ আৰু যোৰহাট— এই চাৰিখন জিলা ভিত্তিত অনুষ্ঠিত হ'ব এই প্ৰতিযোগিতা। সেই অনুসৰি এই চাৰিখন জিলাৰ ১০টা বিধানসভা সমষ্টিৰ ৩৬টা মণ্ডলত বিভক্ত কৰি অনুষ্ঠিত হ'ব এই বিশেষ প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত এথলেটিকছ, কাবাডী আৰু বিভিন্ন পৰম্পৰাগত খেল অনুষ্ঠিত হ'ব। সেই অনুসৰি অহা ২১ ডিচেম্বৰত অনুষ্ঠিত হ'ব মাজুলী মাৰাথন শীৰ্ষক প্ৰতিযোগিতা। মাজুলী মাৰাথন প্ৰতিযোগিতাৰ অন্তৰ্ভুক্ত হ'ব মাজুলী হাফ মাৰাথন, মাজুলী অপেন আৰু গ্ৰেট মাজুলী ৰাণ। ২১ ডিচেম্বৰৰ পুৱা ৬-৩০ বজাত মাজুলীত অনুষ্ঠিত হ'ব ২১.১ কিলোমিটাৰ দূৰত্বৰ হাফ মাৰাথন। পুৰুষ আৰু মহিলা উভয় শাখাত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাত বিজয়ীক ৫০ হাজাৰ টকাৰ পুৰস্কাৰ প্ৰদান কৰা হ'ব। এই প্ৰতিযোগিতা দেশৰ ভিন্ন প্ৰান্তৰ প্ৰতিযোগীৰ বাবে মুকলি থাকিব। আনহাতে, মাজুলী মাৰাথনৰ অংশ হিচাপে লগতে অনুষ্ঠিত হ'ব ১০ কিলোমিটাৰ দূৰত্বৰ মাজুলী অপেন আৰু ৫ কিলোমিটাৰ দূৰত্বৰ গ্ৰেট মাজুলী ৰাণ। এই প্ৰতিযোগিতাৰ অংশ হিচাপে ২১ ডিচেম্বৰৰ বিয়লি যোৰহাটৰ টীয়কৰ বলমাত অনুষ্ঠিত হ'ব ভলীবল প্ৰতিযোগিতা। ১০টা বিধানসভা সমষ্টিৰ ১০টা দলে অংশগ্ৰহণ কৰিব ভলীবল প্ৰতিযোগিতাত। ২৪ ডিচেম্বৰত যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব ফুটবল প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত দহটা সমষ্টিৰ দহটা দলে অংশগ্ৰহণ কৰাৰ লগতে চূড়ান্ত খেল যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। আনহাতে, আজিৰ সংবাদমেলত যোৰহাটৰ সাংসদ গৌৰৱ গগৈক সমালোচনা কৰি মন্ত্ৰী মাৰ্ঘেৰিটাই কয়, 'এটা সমষ্টিৰ ক্ৰীড়াৰ উত্তৰণ সাধন কৰাৰ ক্ষেত্ৰত সমষ্টিৰ সাংসদসকলৰো এক গুৰু দায়িত্ব থাকে। এই ক্ষেত্ৰত সাংসদসকলে সক্ৰিয় ভূমিকা গ্ৰহণ কৰা উচিত। কিন্তু পৰিতাপৰ বিষয় যে যোৰহাট লোকসভা সমষ্টিৰ সাংসদগৰাকীৰ সময় নাই সমষ্টিৰ প্ৰতি চকু দিবৰ বাবে। মই গৌৰৱবোধ কৰিছোঁ যে মই ৰাজ্যসভাৰ সাংসদ হৈও যোৰহাট সমষ্টিত নিজক জড়িত কৰিব পাৰিছোঁ।'

দৈনিক অসম প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক কিশোৰ বৰাৰ হৈ জ্যোতিষ পৱন বৰদলৈৰ দ্বাৰা দা ট্ৰিবিউন প্ৰেছ, ট্ৰিবিউন বিল্ডিংছ, মণিৰাম দেৱান পথ, চানমাৰি, গুৱাহাটী-৭৮১০০৩ত মুদ্ৰিত আৰু প্ৰকাশিত। টেলিফোন ঃ ৮৮১১৮-৮১০২৪, ০৩৬১-৩২৪৪৬৩৩। ই-মেইল ঃ dainikasam@gmail.com, dainikasam.marketing@gmail.com

কাৰ্যবাহী সম্পাদক ঃ শংকৰ লস্কৰ